

গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত

জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা

দ্বাদশ বছৰ ■ সংখ্যা ৩১০ ■ গুৱাহাটী ■ দেওবাৰ, ১৯ জুন, ২০২২, ৪ আহাৰ, ১৯৪৪ শক RNP/GH/248/2114-2017 গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মূল্য ঃ ১০.০০ টকা ■ মুঠ পৃষ্ঠা =১২

VOL. XII ISSUE NO. 310 Dainandin Barta ■ Guwahati, Sunday ■ 19 June, 2022 ■ RNI REGD. NO. ASSASS/2010/39449 Total Pages =12 ■ Rs. 10.00 Only



দেশে আজি যিগৰাকী ব্যক্তিক প্ৰধানমন্ত্ৰী হিচাপে লাভ কৰিছে সেইগৰাকী ব্যক্তিৰেই মাতৃৰ জন্মদিন

## মাতৃৰ জন্মদিনটোত আৱেগিক হৈ পৰিল প্ৰধানমন্ত্ৰী মোদী

### স্মৰণ কৰিলে এৰি অহা দিনৰ স্মৃতি

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ১৮ জুন ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মাতৃ হীৰাবেন মোদীয়ে আজি শতায়ু গৰকিলে। মাতৃৰ ১০০সংখ্যক জন্মদিনত আৱেগিক হৈ পৰিল মোদী। মোদীয়ে আজি গান্ধীনগৰলৈ গৈ মাতৃৰ আশীৰ্বাদ বিচাৰিছে। মাতৃৰ জন্মদিনত আৱেগিক হৈ পৰা প্ৰধানমন্ত্ৰী মোদীয়ে তেওঁৰ ব্লগত তেওঁৰ মাতৃ হীৰাবেনৰ জীৱনৰ সৈতে সম্পৰ্কিত সকলো অভিজ্ঞতা জনসাধাৰণৰ আগত উপস্থাপন কৰিছে, যিয়ে তেওঁৰ জীৱন গঢ়াত আটাইতকৈ ডাঙৰ ভূমিকা পালন কৰিছে। তেওঁ এইদৰে লিখিছে— মা, এয়া কেৱল এটা শব্দ নহয়। এয়া হৈছে জীৱনৰ অনুভৱ। য'ত স্নেহ, ধৈৰ্য, বিশ্বাস আৰু কিমান কি যে এই শব্দটোত সোমাই থাকে। পৃথিৱীৰ যি কোণতেই নহওক কিয়, যি দেশতেই নহওক কিয়, প্ৰতিটো শিশুৰ মনত আটাইতকৈ মূল্যৱান স্নেহ হৈছে মাতৃৰ প্ৰতি। মায়ে কেৱল আমাৰ শৰীৰ গঢ়ি ■ ১০ পৃষ্ঠাত

### শতবছৰীয়া জন্মদিনত মাতৃলৈ পুত্ৰৰ পত্ৰ

## মা

মা, এয়া কেৱল এটা শব্দ নহয়। এয়া হৈছে জীৱনৰ অনুভৱ য'ত স্নেহ, ধৈৰ্য, বিশ্বাস আৰু কিমান কি যে এই শব্দটোত সোমাই থাকে। পৃথিৱীৰ যি কোণতেই নহওক কিয়, যি দেশতেই নহওক কিয়, প্ৰতিটো শিশুৰ মনত আটাইতকৈ মূল্যৱান স্নেহ হৈছে মাতৃৰ প্ৰতি। মায়ে কেৱল আমাৰ শৰীৰ গঢ়ি তোলাই নহয়, আমাৰ মন, আমাৰ ব্যক্তিত্ব, আমাৰ আত্মবিশ্বাসো তেওঁ গঢ়ি তোলে। আৰু সন্তানৰ বাবে এনে কৰোঁতে, নিজকে তাতে সঁপি দিয়ে, নিজকে পাহৰি যায়।

আজি মই মোৰ সুখ, মোৰ সৌভাগ্য, আপোনালোক সকলোৰে সৈতে ভাগ-বতৰা কৰিব বিচাৰোঁ। মোৰ মা হীৰাবায়ে আজি ১৮ জুনত শততম বৰ্ষত প্ৰৱেশ কৰিছে। অৰ্থাৎ তেওঁৰ জন্ম শতবাৰ্ষিকী বৰ্ষ আৰম্ভ হৈছে। যদি আজি দেউতা থাকিলহেঁতেন, তেওঁ যোৱা সপ্তাহত শততম বৰ্ষ সম্পূৰ্ণ কৰিলেহেঁতেন। অৰ্থাৎ, ২০২২ বৰ্ষত মোৰ মাতৃৰ জন্ম শতবাৰ্ষিকী বৰ্ষ আৰম্ভ হৈছে আৰু মোৰ দেউতাৰ জন্ম শতবাৰ্ষিকী বৰ্ষ সম্পূৰ্ণ হৈছে।

যোৱা সপ্তাহত মোৰ ভতিজাই গান্ধীনগৰৰ পৰা মাৰ কিছু ভিডিঅ' প্ৰেৰণ কৰিছিল। ঘৰলৈ চুবুৰীয়াৰ কিছুমান ডেকা ল'ৰা আহিছে, দেউতাকৰ ফটো চকীত ৰখা হৈছে, ■ ১০ পৃষ্ঠাত

## ২০ জুন ঃ বিষ্ণু প্ৰসাদ ৰাভা দিৱস





## ৰাজ্যৰ ১৪ বিশিষ্ট ব্যক্তিক ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক বঁটা প্ৰদান কৰিব মুখ্যমন্ত্ৰীয়ে

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰাণ, ১৮ জুন ঃ** অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু ডিব্ৰুগড় জিলা প্ৰশাসনৰ সহযোগত ২০ জুনৰ সন্ধিয়া ৫.৩০ বজাত কেন্দ্ৰীয়ভাৱে ডিব্ৰুগড় চৌকীডিঙি খেলপথাৰত উদ্‌যাপন কৰিব কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা দিৱস। এই দিৱসৰ লগত সংগতি ৰাখি অসম চৰকাৰে অসমৰ কলা-সংস্কৃতি, সমাজ আৰু সাহিত্য ক্ষেত্ৰলৈ অমূল্য অৱদান আগবঢ়াই ১৪গৰাকী স্বনামধন্য ব্যক্তিক অসমৰ মুখ্যমন্ত্ৰীয়ে ৩টা ৰাষ্ট্ৰীয় আৰু ১০টা ৰাজ্যিক পৰ্যায়ৰ বঁটাৰে সন্মানিত কৰিব। উক্ত ■ ৮ পৃষ্ঠাত

### মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক ফোন কৰি অসমৰ বানপৰিস্থিতিৰ খবৰ ল'লে প্ৰধানমন্ত্ৰীয়ে, সকলো ধৰণৰ সহায়ৰ আশ্বাস

# চেৰাপুঞ্জীত সৰ্বাধিক পৰিমাণৰ বৰষুণ



### ২৭ বছৰৰ অভিলেখ ভংগ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৮ জুন ঃ** ২৭ বছৰৰ অভিলেখ ভংগ হৈ চেৰাপুঞ্জীত হৈছে সৰ্বাধিক পৰিমাণৰ বৰষুণ। ফলত উত্তৰ-পূবৰ সৈতে বাংলাদেশৰ যোগাযোগ প্ৰায় বিচ্ছিন্ন হৈ পৰিছে। ইপিনে অসমৰো বানপৰিস্থিতি উদ্বেগজনক হৈয়েই আছে। আজি অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ সৈতে পুৱা ৬ বজাতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ফোনত কথা পাতি ৰাজ্যখনৰ বানপৰিস্থিতিৰ বুজ লয়। প্ৰধানমন্ত্ৰীয়ে বানবিধ্বস্ত অসমলৈ ■ ৮ পৃষ্ঠাত



### দেশৰ একাধিক ৰাজ্যত প্ৰতিবাদকাৰীয়ে জ্বলাই দিছে চৰকাৰী তথা বেচৰকাৰী বাহন, ৰে'ল আদি

# দেশত জুই জ্বলিছে

### 'অগ্নিপথ' আন্দোলনত নিহত দামোদৰ ৰাকেশৰ পৰিয়াললৈ ২৫ লাখ টকাৰ সাহায্য, পৰিয়ালৰ লোকক চৰকাৰী চাকৰি

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ১৮ জুন ঃ** তেলেংগানাৰ যুৱক দামোদৰ ৰাকেশে ভাৰতীয় সেনাৰ শাৰীৰিক পৰীক্ষাত কেতিয়াবাই উত্তীৰ্ণ হৈছিল যদিও ক'ভিডৰ দোহাই দি লিখিত পৰীক্ষা বাতিল কৰা হৈছিল। সেই বাবেই ৰাকেশেও যোগ দিছিল প্ৰতিবাদত। কিন্তু দুৰ্ভাগ্যজনকভাৱে আৰক্ষীৰ গুলীত তেওঁ নিহত হয়। সমগ্ৰ দেশতে 'অগ্নিপথ'ৰ বিৰূপ প্ৰভাৱ পৰিছে। বিহাৰৰ সমষ্টিপুৰৰ পিছত প্ৰতিবাদকাৰীসকলে উত্তৰ প্ৰদেশৰ বালিয়া ষ্টেচন আৰু তেলেংগানাৰ ছেকেন্দ্ৰাবাদ ষ্টেচনত ৰে'ল জ্বলাই দিয়ে। ৰে'ল ষ্টেচন, ৰে'লৰ খিৰিকী ভাঙি পেলোৱা হৈছে। আৰক্ষীয়েও লাঠীচালনা কৰে। আৰক্ষী আৰু ৰে'লৰক্ষীয়ে পিছত পৰিস্থিতি নিয়ন্ত্ৰণলৈ আনিছে। জ্বলি উঠা দবাবোৰ আঁতৰাই নিয়া হৈছে। ■ ৮ পৃষ্ঠাত

## কলিয়াবৰত মদ্যপান কৰি বিদ্যালয়লৈ অহা শিক্ষকক আটক কৰি নিয়ে আৰক্ষীয়ে

**দৈনন্দিন বাৰ্তাৰ সেৱা, কলিয়াবৰ, ১৮ জুন ঃ** একাংশ শিক্ষকৰ বাবেই চৰকাৰী বিদ্যালয়সমূহ ধ্বংসৰ পথলৈ যোৱাৰ অভিযোগ উত্থাপিত হৈ থকাৰ সময়তে বিদ্যালয়লৈ মদ্যপান কৰি বিদ্যালয়ত শিক্ষা দান কৰিবলৈ অহাৰ দৰে ঘটনা সংঘটিত হৈছে কলিয়াবৰত। বিদ্যালয়খনৰ সহকাৰী শিক্ষক ৰাজীৱ শইকীয়াই এই কাণ্ড সংঘটিত কৰিছিল। পুৱাই মদ্যপান কৰি বিদ্যালয়লৈ আহোঁতেই স্থানীয় লোকে প্ৰত্যক্ষ কৰি খণ্ড শিক্ষা বিষয়াক অৱগত কৰে। ঘটনাস্থলীত মহকুমা দণ্ডাধীশ উপস্থিত হৈ ঘটনাৰ বুজ লোৱাৰ পাছতেই ■ ৮ পৃষ্ঠাত

### জীৱন সাথী ডট কমৰ যোগেদি বিয়া হৈ নিৰ্যাতনৰ সন্মুখীন কলিয়াবৰৰ মহিলা আৰু এটি কন্যা শিশু

## বিহাৰৰ পৰা গ্ৰেপ্তাৰ নাৰী তথা শিশু নিৰ্যাতনকাৰী প্ৰিঞ্চৰাজ আৰ্য

**দৈনন্দিন বাৰ্তাৰ সেৱা, কলিয়াবৰ, ১৮ জুন ঃ** বিহাৰৰ পৰা গ্ৰেপ্তাৰ নাৰী তথা শিশু নিয্যাতনকাৰী প্ৰিঞ্চ ৰাজ আৰ্য। নগাঁও আৰক্ষীয়ে প্ৰায় এমাহজোৰা অভিযানৰ অন্তত এক উল্লেখযোগ্য সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। বিহাৰৰ সংবাদ মাধ্যমৰ এক বাতৰিৰ আঁত ধৰি অসমৰ মুখ্যমন্ত্ৰীৰ নিৰ্দেশনাত আৰক্ষীৰ সক্ৰিয়তাত কৰায়ত্ত হয় বিহাৰৰ সুপৌলৰ পৰা আটক নিয্যাতনকাৰী। কলিয়াবৰৰ জখলাবন্ধা আৰক্ষী ■ ৮ পৃষ্ঠাত

## কলিয়াবৰত বন্যহস্তীৰ আক্ৰমণ, মহিলাৰ মৃত্যু, তিনিজন আহত

**দৈনন্দিন বাৰ্তাৰ সেৱা, কলিয়াবৰ, ১৮ জুন ঃ** নেৰানেপেৰা বৰষুণৰ মাজতে কলিয়াবৰৰ ভিন্ন স্থানত বনৰীয়া হাতীৰ সন্ত্ৰাস। বন্যহস্তীৰ আক্ৰমণত এগৰাকী ৬০ উৰ্ধ্বৰ মহিলা নিহত হোৱাৰ লগতে তিনিজন গুৰুতৰভাৱে আহত হয়। বন্যহস্তীৰ আক্ৰমণত শনিবাৰে কলিয়াবৰৰ পূব থৰীয়াত বন্যহস্তী ■ ৮ পৃষ্ঠাত

## চৰকাৰী নীতি মানি চলিলেহে ভাৰতত ব্যৱসায়ৰ অনুমতি এলন মাস্কৰ টেছলাক ঃ চৰকাৰ

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ১৮ জুন ঃ** এলন মাস্ক আৰু টেছলাক ভাৰতলৈ স্বাগতম জনোৱা হয়, যদিহে এইক্ষেত্ৰত আত্মনিৰ্ভৰ ভাৰত বা স্বাৱলম্বী ভাৰতৰ নীতিক ■ ৮ পৃষ্ঠাত



### নগাঁৱত ভয়াৱহ বানপৰিস্থিতি

## ১৮০খনৰো অধিক ৰাজহ গাঁৱৰ দুই লক্ষাধিক লোক বানত আক্ৰান্ত

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৮ জুন ঃ** নগাঁও জিলাৰ বানপৰিস্থিতি ক্ৰমশঃ ভয়াৱহ হৈ পৰিছে । বিশেষকৈ জিলাখনৰ বৃহত্তৰ কামপুৰ অঞ্চলত জলপ্ৰলয়ৰ সৃষ্টি হৈছে। কামপুৰ মূল নগৰক বাদ দি অঞ্চলটোৰ সকলো এলেকা কপিলী নৈৰ বানৰ কৱলত পৰিছে । আনকি কামপুৰ নগৰৰ কেইবাটাও মহলা ■ ৮ পৃষ্ঠাত

## বান পৰিস্থিতিৰ বুজ ল'লে মন্ত্ৰী পীযূষ হাজৰিকাই

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৮ জুন ঃ** জলসম্পদ মন্ত্ৰী পীযূষ হাজৰীকাই আজি ভৱানীপুৰ সমষ্টিৰ বিধায়ক আৰু জিলা প্ৰশাসনৰ বিষয়াসকলৰ সৈতে ভৱানীপুৰৰ মেধিকুছি অঞ্চলত বন্যাৰ্তসকলৰ বাবে নিৰ্মিত অস্থায়ী আশ্ৰয় শিবিৰ পৰিদৰ্শন কৰি শিবিৰত আশ্ৰয় লৈ থকা লোকসকলৰ খবৰ লয়। এই লোকসকলক খাদ্য, চিকিৎসা, খোৱাপানী আদিৰ ব্যৱস্থা সুচাৰুৰূপে কৰিবৰ বাবে মন্ত্ৰীগৰাকীয়ে জিলা প্ৰশাসনক নিৰ্দেশ দিয়ে। পাছত মন্ত্ৰীগৰাকীয়ে এন ডি আৰ এফৰ নাও আৰু ট্ৰেক্টৰেৰে গৈ পহুমৰা নদীয়ে সৃষ্টি কৰা বানপৰিস্থিতিৰ বুজ লয়। মন্ত্ৰী হাজৰিকাই আজি ভৱানীপুৰত বান পৰিদৰ্শনৰ সময়ত সাংবাদিকৰে হোৱা কথা-বতৰাত কয় যে ■ ৮ পৃষ্ঠাত

### উপন্যাস সৃষ্টি কৰোঁতে লেখকে পৰ্যৱেক্ষণ শক্তি-পৰ্যালোচনা আৰু জীৱনৰ অভিজ্ঞতা সংমিশ্ৰণ কৰিলেহে পাঠকৰ মন জয় কৰিবলৈ সক্ষম হ'ব ঃ শিৱসাগৰত অধ্যাপক শৰৎ মহন্ত স্মাৰক বক্তৃতানুষ্ঠানত ৰীতা চৌধুৰী

# প্ৰতিগৰাকী সাহিত্যিকৰ অভিজ্ঞতা পৃথক



**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ১৮ জুন ঃ** প্ৰয়াত অধ্যাপক শৰৎ মহন্ত অসমৰ বৌদ্ধিক জগতৰ এগৰাকী উজ্বল নক্ষত্ৰ আছিল। এগৰাকী বুৰঞ্জীবিদ, সাহিত্যিক, চিন্তাশীল লেখক, শিক্ষাবিদ, সাংবাদিক, মানৱ অধিকাৰ কৰ্মী হোৱাৰ লগতে আছিল তেখেত এগৰাকী সু-বক্তাৰ লগতে ভাল মানুহ। শিৱসাগৰ কলেজৰ বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপকৰ দায়িত্ব পালন কৰি যোৱা এই গৰাকী জ্ঞানৰ ভঁৰালৰ অধিকাৰী প্ৰয়াত শৰৎ মহন্তৰ আজি নৱম মৃত্যু বাৰ্ষিকী। শিৱসাগৰ সমাজ জীৱনৰ এগৰাকী পুৰুধা ব্যক্তি হিচাপে এক খ্যাতি অৰ্জন কৰা এই গৰাকী বৰেণ্য ব্যক্তিৰ নৱম মৃত্যু বাৰ্ষিকী অনুষ্ঠানটো বিগত বৰ্ষ সমূহৰ দৰে শিৱসাগৰ প্ৰেছ ক্লাৱে এইবাৰ শিৱসাগৰ কলেজৰ সহযোগত একত্ৰভাৱে অনুষ্ঠিত কৰে। শিৱসাগৰ কলেজ প্ৰেক্ষাগৃহত এক গাম্ভীৰ্য্যপূৰ্ণ অনুষ্ঠানৰ দ্বাৰা দিনযোৱা কাৰ্যসূচীৰে অনুষ্ঠিত কৰা ■ ৮ পৃষ্ঠাত

Azadi Ka Amrit Mahotsav

*"আমি দৃঢ়তাৰে কাম কৰি আছো যাতে আমাৰ দিব্যাংগ ভগ্নী আৰু ভাতৃসকলৰ নিকট ভৱিষ্যত সৰ্বাত্মক আৰু সমভাৱে বিকশিত হৈ উঠে। বিভিন্ন ক্ষেত্ৰত তেওঁলোকৰ সাহস আৰু নৈপুন্যতাই আমাক সকলোকে অনুপ্ৰাণিত কৰি আহিছে।"*

— নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী



সামাজিক অধিকাৰিতা শিবিৰৰ মাধ্যমেৰে সৱলীকৰণ

এডিআইপি আঁচনিৰ অধীনত দিব্যাঞ্জন ব্যক্তিলৈ সহায়কাৰী সঁজুলি বিতৰণ

বিশ্বনাথৰ ২৫৬১ আৰু শোণিতপুৰৰ ১৮০৮ হিতাধিকাৰীলৈ বিনামূলীয়া সহাসকাৰী সঁজুলি বিতৰণ

মুঠ ব্যয় বহন কৰিছে ভাৰত চৰকাৰে

উক্ত শিবিৰত নতুন হিতাধিকাৰীৰ বাবে পঞ্জীয়নৰ সুবিধা উপলব্ধ থাকিব

১৯ জুন, ২০২২ । দিনৰ ১২:০০ বজাত
কমলাকান্ত নাট্য সমাজ
বিশ্বনাথ চাৰিআলি, বিশ্বনাথ, অসম

২০ জুন, ২০২২ । দিনৰ ১২:০০ বজাত
কলাগুৰু সংগীত মহাবিদ্যালয়,
লালমাটি, তেজপুৰ, শোণিতপুৰ, অসম

(ভিডিঅ' কনফাৰেন্সিঙৰ জৰিয়তে)
লাইভ কাৰ্যসূচীত যোগদান কৰক ঃ https://www.youtube.com/alimcohq

মুখ্য অতিথি
প্ৰতিমা ভৌমিক
ৰাজ্যিক মন্ত্ৰী, সামাজিক ন্যায় আৰু সৱলীকৰণ, ভাৰত চৰকাৰ

সভাপতিত্ব কৰিব
পল্লৱ লোচন দাস
সাংসদ (লোকসভা)
তেজপুৰ

সামাজিক অধিকাৰিতা শিবিৰ

- সমগ্ৰ দেশত প্ৰায় ১২ হাজাৰ শিবিৰ অনুষ্ঠিত হৈছে
- বৰ্তমানলৈকে ২২ লাখ ৪৯ হাজাৰ হিতাধিকাৰীলৈ সহায়ক সঁজুলি বিতৰণ কৰা হৈছে
- ৪ হাজাৰতকৈ অধিক শ্ৰৱণ যন্ত্ৰ সংস্থাপনৰ অস্ত্ৰোপচাৰ
- ৩১৬৩১ তিনিচকীয়া যন্ত্ৰচালিত বাহন বিতৰণ

davp 38117/13/0017/2223

বিশেষভাৱে সক্ষম ব্যক্তিৰ সৱলীকৰণ বিভাগ (দিব্যাঞ্জন)
সামাজিক ন্যায় আৰু সৱলীকৰণ মন্ত্ৰালয়
ভাৰত চৰকাৰ

আমাক অনুসৰণ কৰক @socialpwds | www.disabilityaffairs.gov.in | www.socialjustice.nic.in



# মানাহ-আই আৰু পোকালাগী নৈৰ কালৰূপ, আশ্ৰয় শিবিৰত বন্যাতৰ হাহাকাৰ

## এনডিআৰএফৰ উদ্ধাৰ অভিযান ঃ ছিগি গ'ল বহু ৰাস্তা





**দৈনন্দিন বাৰ্তাৰ সেৱা, কোকিলা, ১৮ জুন ঃ** উজনি-নামনিত বানপানীয়ে ভয়ংকৰ ৰূপ লোৱাৰ সময়ত উত্তৰ অভয়াপুৰী সমষ্টিত মানাহ নদীৰ বাঢ়নী পানীয়ে অধিক কালৰূপ ধাৰণ কৰাৰ পিছত নাম্বাৰপাৰা আৰু গোলাপাৰা-কদমতলীত NDRF যে পুৱাৰে পৰাই উদ্ধাৰ অভিযান আৰম্ভ কৰিছে। নাম্বাৰপাৰাত প্ৰায় শতাধিক লোকক NDRF যে উদ্ধাৰ কৰিছে আৰু এতিয়াও বহুলোক আৱদ্ধ হৈ আছে। উদ্ধাৰ কৰা লোকক নাম্বাৰপাৰা উচ্চ মাধ্যমিক বিদ্যালয়ৰ অস্থায়ী শিবিৰত ৰাখিছে যদিওঁ বিদ্যালয়খনত পানী উঠিব ধৰিছে । শিবিৰত অনাহাৰে আছে বহু শিশু। গোলাপাৰা আৰু কদমতলীত NDRF যে উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে। এক হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হৈছে উত্তৰ অভয়াপুৰীত। সমষ্টিটোৰ বিভিন্ন ৰাস্তা বাঢ়নী পানীয়ে খহাই নিয়াৰ পিছত যোগাযোগ প্ৰায় বন্ধ হৈ পৰিছে। মানাহ নদীৰ বাঢ়নী পানীয়ে কালৰূপ লোৱাৰ পিছত ইছলাম মাৰ্কেট, কদমতলী বজাৰ, বালাৰচৰ দ্বিতীয় খণ্ড মথাউৰিত শ শ লোকে আশ্ৰয় লৈ আছে। পোকালাগী নৈৰ বাঢ়নী পানীয়ে কালৰূপ ধাৰণ কৰাৰ পিছত শৌলমাৰী বজাৰ আৰু নোৱাগাঁও বিদ্যালয়ত বহু লোকে আশ্ৰয় শিবিৰত আছে। আশ্ৰয় শিবিৰত পশু ধনৰ সৈতে সহৱস্থান কৰিবলগীয়া হৈছে বন্যাতই। শিবিৰত প্ৰশাসনে দুপৰীয়া নামমাত্ৰ চাউল-দালি দিছে যদিও শিশুৰ বাবে কোনো শুকান খাদ্য যোগান ধৰা নাই। মানাহ, আই আৰু পোকালাগী নৈৰ বাঢ়নী পানীয়ে কোকিলা, নাম্বাৰপাৰা-চাকলা, শৌলমাৰী, নোৱাগাঁও, গোলাপাৰা, বাঁশবাৰী, টেণ্টনপুৰ, কাঁহীবাৰী, সাজালপাৰা, কীৰ্তনপাৰা, বালাৰচৰ, ৰঙাপানী, নাৰাভিটা, হৰিৰচৰ, কালিকুৰা আদি কৰি শতাধিক গাঁৱৰ প্ৰতিটো পৰিয়ালৰ চোতালতে পানী সোমাইছে। বহু লোকৰ ঘৰৰ মুধচলৈ পানী। পুখুৰীৰ পৰা ওলাই গৈছে লাখ লাখ টকাৰ মাছ। ডুব গৈছে ধান, মৰাপাট, শাক-পাচলিৰ খেতি । লাখ লাখ লোকৰ কোটি কোটি টকাৰ সম্পত্তিৰ ক্ষতি কৰিছে বানপানীয়ে। ইফালে স্থানীয় বিধায়ক আব্দুল বাতিন খন্দকাৰে বন্যাতৰ খবৰ লোৱাৰ বাতৰি পোৱা গৈছে। বিধায়কজনে কালিকুৰা, বালাৰচৰ, নাম্বাৰপাৰা, হৰিৰচৰ, কাছাৰপেটী, টোপগাঁও, টোপকাৰচৰ আদি কৰি বহু অঞ্চলত ভুটভুটি নাও লৈ গৈ বন্যাতৰ খবৰ লৈছে। আনকি প্ৰশাসনে বন্যাৰ্তক সাহায্য প্ৰদান কৰিছে নে নাই তাৰো খবৰ লৈছে বুলি বন্যাতই জনাইছে।

# মৰিগাঁও জিলা পুথি ভঁৰালৰ অন্তৰ্গত চৰাইবাহী কেন্দ্ৰীয় (গ্ৰাম্য) পুথি ভঁৰালত 'কিতাপ পঢ়াৰ আনন্দ' শীৰ্ষক সজাগতা সভা




**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ১৮ জুন ঃ** মৰিগাঁও জিলা পুথিভঁৰালৰ অন্তৰ্গত চৰাইবাহী কেন্দ্ৰীয় (গ্ৰাম্য) পুথিভঁৰালৰ উদ্যোগত যোৱা ১৬ জুনত চৰাইবাহীৰ দাঁতিকাষৰীয়া কেইবাখনো বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু ৰাইজৰ উপস্থিতিত কিতাপ পঢ়াৰ ধাউতি বঢ়োৱাৰ উদ্দেশ্যে এখনি সজাগতা সভা অনুষ্ঠিত কৰা হয়। চৰাইবাহী বেজবৰুৱা আদৰ্শ মাধ্যমিক বিদ্যালয়ত দিনৰ ১বজাত অনুষ্ঠিত 'কিতাপ পঢ়াৰ আনন্দ' শীৰ্ষক সজাগতা সভাত সভাপতিত্ব কৰে জয় আমচিয়ে। সভাৰ প্ৰাৰম্ভণীতে গ্ৰাম্য পুথিভঁৰালী আৰু সহায়ক লক্ষ্মী মেধি আৰু মহেশ বৰদলৈয়ে বিশিষ্ট অতিথিসকলক একোখনকৈ ফুলাম গামোচাৰে আদৰণি জনায়। বিশিষ্ট অতিথি আৰু মুখ্য বক্তা হিচাপে উপস্থিত থাকে প্ৰধান শিক্ষক ইন্দ্ৰমোহন বৰদলৈ, অৱসৰপ্ৰাপ্ত শিক্ষক গিৰীন্দ্ৰ খাটনীয়াৰ আৰু কৃতী শিক্ষক পুনেশ্বৰ বৰা। তেখেতসকলে ছাত্ৰ-ছাত্ৰীসকলক পুথিভঁৰাললৈ আহি কিতাপ পঢ়াৰ আনন্দ ল'বলৈ নতুন প্ৰজন্মৰ ছাত্ৰ-ছাত্ৰীৰ লগতে অভিভাৱকসকললৈ আহ্বান জনায়। পাঠ্যপুথিৰ বাহিৰেও পুথিভঁৰালত মজুত ৰখা বিভিন্ন বিষয়ৰ কিতাপৰ লগত আত্মীয়তা গঢ়ি নিজক মানসিকভাৱে সবল কৰি তুলিব লাগে বুলি তেখেতসকলে এটাকৈ সাৰুৱা বক্তব্য আগবঢ়ায়। চৰকাৰে গ্ৰাম্য পুথিভঁৰালৰ প্ৰতি দেখুওৱা আগ্ৰহৰ প্ৰতি আশাবাদৰ বতৰা কঢ়িয়াই অনাৰ প্ৰসংগৰে কয় যে ৰাইজে ইয়াৰ সদ্ব্যৱহাৰ কৰিবলৈ শিকাব লাগিব তেওঁলোকৰ উত্তৰসুৰীক। শৰীৰ সবল-সুস্থ ৰাখিবলৈ যিদৰে পুষ্টিকৰ খাদ্যৰ দৰকাৰ তেনেকৈ মানসিক স্বাস্থ্যৰ বাবে কিতাপ পঢ়াটো অত্যন্ত আৱশ্যক। কিতাপৰ লগত বন্ধুত্ব কৰিবলৈ শিকিলে জীৱনত অকলশৰীয়া হ'ব লগা নহয়। লগতে জীৱনৰ পথ মসৃণ কৰি তুলিবৰ বাবে কিতাপক মহৌষধ হিচাপে ব্যৱহাৰ কৰিবলৈ আটাইলৈ অনুৰোধ জনায়। 'কিতাপ পঢ়াৰ আনন্দ' শীৰ্ষক সজাগতা সৃষ্টিৰ বাবে পুথিভঁৰালীক বিদ্যালয়লৈ গৈ শিক্ষক, ছাত্ৰ-ছাত্ৰীসকলৰ লগত অন্তৰংগ আলাপত মিলিত হ'বলৈ দিহা-পৰামৰ্শ আগবঢ়ায়। নতুন প্ৰজন্মক কিতাপ পঢ়াৰ অভ্যাস গঠন কৰাৰ চেষ্টাত ব্ৰতী হ'বলৈ শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে অভিভাৱকসকললৈও অনুৰোধ জনায়।

## নাম শুধৰণি

মোৰ সকলো নথি-পত্ৰত নামতো GHANA KANTA BARAH। কিন্তু SBI ৰ পাছবুকত GHANA KANTA BORAH বুলিহে আছে। গতিকে মোৰ প্ৰকৃত নাম GHANA KANTA BARAH.

Ghana kanta Barah
Gohpur
Dist.- Biswanath

## নাম সলনি

মোৰ প্ৰকৃত নাম ছামচুদ্দিন আহমেদ। কিন্তু শৈক্ষিক দিশৰ প্ৰমানপত্ৰত মঃ ছামচুদ্দিন আহমেদ নামেৰে সন্নিবিষ্ট আছে। ১৫/৬/২০২২ তাৰিখত কামৰূপ নটাৰি কাৰ্যালয়ত শপতনামা যোগে মঃ ছামচুদ্দিন আহমেদৰ পৰিৱৰ্তে ছামচুদ্দিন আহমেদ কৰিলো। আজিৰ পৰা মই ছামচুদ্দিন আহমেদ নামেৰে পৰিচিত হ'ম।

## Name Change

I am Md Abdul Rezak S/O- Mafij Uddin, Vill- Kupatimari, P.O.- Bhuragaon, P.S- Bhuragaon, Pin- 782121 Dist- Morigaon, (Assam). I have change my name to Abdul Rezak, S/O Mafij Uddin vide affidavid dt 24/5/22 Sworn before notary in Morigaon district judicial court.

Regards
Abdul Rezak
S/O- Mafij Uddin
Vill- Kupatimari
P.O.- Bhuragaon
P.S- Bhuragaon
Pin- 782121
Dist- Morigaon
Ph.- 7994940512

## Name Change

I Labanya Bangthai (Existing name of spouse as per change of next of kin (record/service document) spouse of Ex - No 14553724X Rank -NK Name Rakheswar Bangthai presently residing at Vill - Garmari Gaon, P O - Sarubori, P S - Morigaon, Dist Morigaon, State - Assam, PIN 782105 (Address) have Changed my name from Labanya Bangthai ( Existing Name of spouse as per change of Next of kin in Record/Service Documents) to LABANYA BORDOLOI (Proposed/adopted name) vide Affidavit dated 13th June 2022, swom before Nagaon (Assam) Addi. District Magistrate Nagaon Court.

Labanya Bordoloi.

# মুষলধাৰ বৰষুণৰ ফলত মাজবাট পাঠকপুৰ অঞ্চলৰ জনজীৱন ব্যাহত



**দৈনন্দিন বাৰ্তাৰ সেৱা, লামাবাৰী, ১৮ জুন ঃ** ওদালগুৰি জিলাৰ মাজবাট ৰাজহ চক্ৰৰ অন্তৰ্গত বৃহৎ অঞ্চলত বিগত দিনবোৰত বৰষুণ আহিছিল যদিও ১৫ জুনৰ পৰা কেইবাদিনো ধৰি একেধাৰে মুষলধাৰ বৰষুণ চলি থকাৰ বাবে মাজবাট চহৰৰ মাজমজিয়াত অৱস্থিত লাচিত ৰোড আৰু ষ্টেচন ৰোডত কৃত্ৰিম বানপানীৰ সৃষ্টি হোৱাৰ লগতে বৃহত্তৰ মাজবাট অঞ্চলৰ বিভিন্ন গাঁৱত পানী উপচি পৰিছে। লাচিত ৰোড আৰু ষ্টেচন ৰোডৰ বহুতো ব্যৱসায়িক প্ৰতিষ্ঠান দোকান আদি পানীৰ মাজত সোমাই পৰাত বহুতো দোকানদাৰ লোকচানৰ সন্মুখীন হৈছে। দোকানৰ বয়-বস্তু আদিৰ ক্ষতি সাধন হৈছে। আলিবাট দুটাৰ আশে-পাশে বসতি কৰি থকা লোকসকলৰ ঘৰতো পানী সোমাই ক্ষতি সাধন কৰাৰ লগতে জনজীৱন বিপদমুখী হৈ পৰিছে। মাজবাট মহাবিদ্যালয়ৰ কাষেৰে অহা এখন নদী মাজবাট চহৰৰ মাজেৰে অতিক্ৰম কৰিছে। নদীখন দুয়োফালৰ পৰা ক্ৰমান্বয়ে চেপি অনাৰ ফলত মুষলধাৰ বৰষুণৰ পানীৰ ভৰ নদীখনে ল'ব নোৱাৰি উফন্দি উঠা পানীভাগ মানুহৰ ঘৰ-বাৰী আলিবাটেৰে অতিক্ৰম কৰি এই ধৰণৰ কৃত্ৰিম বানপানীৰ সৃষ্টি হৈছে। অনতিপলমে চৰকাৰী পক্ষই ইয়াৰ এক সু-ব্যৱস্থা নকৰিলে ভৱিষ্যতৰ দিনবোৰত ইয়াতকৈ ৰাইজে বেছি যাতনা ভুগিব লাগিব। মুষলধাৰ বৰষুণৰ ফলত সমগ্ৰ মাজবাট পাঠকপুৰ অঞ্চলৰ নদ-নদীসমূহৰ পানী ওফন্দি উঠি ফেনে-ফোটোকাৰে বৈ থকা দেখিবলৈ পোৱা গৈছে। ৰাইজে খেতিপথাৰলৈ পানী বোৱাই নিয়া দোংসমূহ য'তে ত'তে ছিঙি গৈছে। নতুনকৈ বনাই থকা আলিবাটৰ দলঙৰ কাষৰ পাৰ ভাঙি চিচি ব্লকৰ পথ খহি পৰিছে। বিগত দিনবোৰত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল বিদ্যালয়লৈ অহা-যোৱা কৰাত যাতনা ভুগিবলগীয়া হৈছে। বতৰ বিজ্ঞান কেন্দ্ৰৰ সাৱধান বাণীৰ জাননী অনুযায়ী জিলা প্ৰশাসনে ৰেড এলাৰ্ট ঘোষণা কৰি ১৭ আৰু ১৮ জুন তাৰিখে দুদিনৰ বাবে বিদ্যালয়-মহাবিদ্যালয়সমূহ বন্ধ ৰাখিছে। খেতিয়কসকলৰ বাবে এই বৃহত্তৰ অঞ্চল পথাৰত ধান খেতি কৰাৰ এয়া উপযুক্ত সময়। মাজবাট পাঠকপুৰ অঞ্চলৰ অন্তৰ্ভুক্ত গাঁওসমূহত জেঠ-আহাৰ মাহৰ পৰাই খেতিয়কসকল পথাৰত নামে। কিন্তু নেৰানেপেৰা মুষলধাৰ বৰষুণৰ ফলত খেতিপথাৰ পানীৰে ভৰি পৰি হাল বাব নোৱাৰি খেতিয়কসকল ঘৰতে বহি থাকিবলগীয়া হৈছে। পথাৰৰ আলি-পদূলি পানীয়ে ভাঙি থান-বান কৰিছে। ৰুবলৈ সাজু কৰি থোৱা কঠীয়াবোৰ নষ্ট হোৱাৰ লগতে পশুধনৰ ক্ষতি সাধন হৈছে। ডাঙৰ ব্যৱসায়-বাণিজ্য আৰু গাঁৱলীয়া ক্ষুদ্ৰ ক্ষুদ্ৰ ব্যৱসায়ীসকলো ৰুদ্ধ হৈ পৰিছে। নদ-নদীৰ পানী ওফন্দি উঠি বাৰী-ঘৰ বুৰাই পেলাইছে। ভিতৰুৱা অঞ্চলত থকা গাঁওসমূহত নদী পাৰ হ'ব নোৱাৰি জনজীৱন স্তব্ধ হৈ পৰিছে। সমগ্ৰ অসমৰ বানপৰিস্থিতি ভয়ানক হৈ পৰাৰ সমান্তৰালকৈ কৃত্ৰিম বান আৰু বাঢ়নী পানীয়ে মাজবাট পাঠকপুৰ অঞ্চলৰ ৰাইজৰ বৃহৎ ক্ষতি সাধন কৰা পৰিলক্ষিত হৈছে। অনাবৃষ্টিৰ ফলত যিদৰে বিস্তৰ ক্ষতি হয় সেইদৰে অতিবৃষ্টিৰ বাবেও আজি জনসাধাৰণ বিপদত পৰিছে। বিগত দিনবোৰত মাত্ৰাধিক বৰষুণ দি আহিছে যদিও যোৱা ১৫ জুনৰ পৰা আজি পৰ্যন্ত মুষলধাৰে বৰষুণ পৰাৰ ফলত সমগ্ৰ অঞ্চলটোত জনজীৱন ব্যাহত হৈ পৰিছে। এতিয়ালৈকে বৰষুণ এৰাৰ কোনো ধৰণৰ লক্ষণ দেখা নাই। ওদালগুৰি জিলা উপায়ুক্ত কাৰ্যালয়ৰ পৰা ইতিমধ্যে সাৱধানতা অৱলম্বন কৰিবলৈ ৰাইজৰ জ্ঞাতাৰ্থে জাননী জাৰি কৰিছে। গতিকে আগন্তুক সময়ছোৱাত এনেভাৱে বৰষুণ হৈ থাকিলে ৰাইজ যে বহু অসুবিধাৰ সন্মুখীন হ'ব সেয়া নিশ্চিত।

# শুৱালকুছিত ৰাষ্ট্ৰসংঘৰ ঔদ্যোগিক উন্নয়ন সংস্থাৰ ভাৰতীয় কাৰ্যালয়ৰ প্ৰতিনিধি দল

**দৈনন্দিন বাৰ্তাৰ সেৱা, শুৱালকুছি, ১৮ জুন ঃ** ৰাষ্ট্ৰসংঘৰ ঔদ্যোগিক উন্নয়ন সংস্থাৰ ভাৰতীয় কাৰ্যালয়ৰ প্ৰতিনিধি দল ৰেনে ভেন বাৰ্কেলে আজি ভাৰতীয় চেম্বাৰ্ছ অৱ কমাৰ্চৰ সহযোগত শুৱালকুছি পৰিভ্ৰমণ কৰে। পৰিভ্ৰমণ কালত বাৰ্কেলেৰ দলে শুৱালকুছিৰ বস্ত্ৰশিল্পৰ বুজ ল'বলৈ স্থানীয় শিপিনী আৰু উদ্যোগীৰ ঘৰত গৈ তাঁতশাল পৰিদৰ্শন কৰে আৰু হস্ততাঁতত কোনো ধৰণৰ যান্ত্ৰিক সঁজুলি নোহোৱাকৈ কাপোৰ বোৱা দেখি অভিভূত হৈ পৰে। বাৰ্কেলে শুৱালকুছিৰ বজাৰ ভ্ৰমণ কৰি স্থানীয় দোকানীৰ লগতো মতবিনিময় কৰে আৰু শিপিনীয়ে নিজৰ উৎপাদন কিদৰে বজাৰ ব্যৱস্থাৰ লগত সংযোজিত কৰে তাৰো বুজ লয়। ৰাষ্ট্ৰসংঘৰ বিশেষ সংস্থাৰ প্ৰতিনিধিগৰাকীয়ে তেওঁৰ লগত অহা অনান্য প্ৰতিনিধিৰ সৈতে শুৱালকুছি ৰেচম পৰীক্ষাগাৰ পৰিদৰ্শন কৰি ৰেচম কাপোৰৰ বিশুদ্ধতা কেনেদৰে পৰীক্ষা কৰিব পাৰি তাৰ আলেখ লয়। প্ৰতিনিধিদলটোৱে শুৱালকুছিৰ দৰে থলুৱা শিল্প এটাক আধুনিক ধৰণেৰে স্বকীয়তা বজাই ৰাখিবলৈ শুৱালকুছিবাসীয়ে কৰা প্ৰচেষ্টাৰ শলাগ লয়। ৰেচম পৰীক্ষাগাৰতে ৰাষ্ট্ৰসংঘৰ দলটোৱে শুৱালকুছিৰ কেইজনমান ডেকা উদ্যোগীৰ লগত ভাবৰ আদান-প্ৰদান কৰে। শুৱালকুছিৰ উদ্যোগীসকলে বৰ্তমানৰ প্ৰত্যাহ্বানমূলক পৰিস্থিতিত ব্যৱসায় চলোৱাটো দুৰূহ হোৱা বুলি দলটোক জনায়। এই ক্ষেত্ৰত বাৰ্কেলে শুৱালকুছিৰ থলুৱা শিল্পটো ৰক্ষাৰ্থে যথাসম্ভৱ সহায় কৰাৰ আশ্বাস দিয়ে। বিশেষকৈ এই শিল্পটো বচাই ৰাখিবলৈ কাৰিকৰী সহায়ৰ লগতে অন্য কিবা প্ৰকল্প ল'ব পাৰি নেকি তাৰো চিন্তা-চৰ্চা কৰা হ'ব বুলি বাৰ্কেলে উদ্যোগীসকলক জনায়। প্ৰতিনিধি দলটোক নেতৃত্ব দিয়া ইণ্ডিয়ান চেম্বাৰ্ছ অৱ কমাৰ্চৰ বিষয়া তৰালি শৰ্মাই শুৱালকুছিৰ শিল্পক বিশ্বৰ দৰবাৰত প্ৰতিষ্ঠা কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰা হ'ব বুলিও দোহাৰে। আজিৰ এই পৰিভ্ৰমণ কালত শুৱালকুছিৰ শিল্পৰ সকলো দিশ দেখুওৱাৰ দায়িত্ব পালন কৰে ইণ্ডিয়ান চেম্বাৰ্ছ অৱ কমাৰ্চৰ হস্ততাঁত সমিতিৰ সদস্য আৰু স্থানীয় মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ অধ্যাপক ড° নিহাৰ ৰঞ্জন কলিতাই।

# অৱসৰপ্ৰাপ্ত শিক্ষক তথা সুকন্নানী ডাইনাপালি কণ্ঠিৰাম ডেকাৰ বিয়োগ



**দৈনন্দিন বাৰ্তাৰ সেৱা, দেওমৰনৈ, ১৮ জুন ঃ** দৰং জিলাৰ কৈকৰা গাঁও নিবাসী অৱসৰপ্ৰাপ্ত শিক্ষক তথা সুকন্নানী ডাইনাপালি কণ্ঠিৰাম ডেকাৰ (৭০) বিয়োগত দেওমৰনৈ অঞ্চলত শোকৰ ছাঁ পৰে। দেওমৰনৈ প্ৰাথমিক শিক্ষক কেন্দ্ৰৰ অন্তৰ্গত বড়িগাঁও প্ৰাথমিক বিদ্যালয়ৰ পৰা প্ৰধান শিক্ষক হিচাপে ২০১৩ত অৱসৰ গ্ৰহণ কৰা ডেকাই চিকিৎসাধীন অৱস্থাত কালি (১৭জুন) গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত ইহলীলা সম্বৰণ কৰে। প্ৰয়াত ডেকা দৰঙী সংস্কৃতিৰ সুকন্নানী ওজাপালিৰ ডাইনাপালি হিচাপেও সুনাম অৰ্জন কৰিছিল। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ দুই পুত্ৰ-বোৱাৰী, নাতি আৰু বিবাহিত তিনি কন্যাক এৰি থৈ যায়। সৰবৰহী ব্যক্তি ডেকাৰ বিয়োগৰ খবৰ পোৱাৰ লগে লগে অজস্ৰ লোক তেওঁৰ গৃহলৈ গৈ শেষ শ্ৰদ্ধা জ্ঞাপন কৰে।

# মৰিগাঁৱৰ চৰাইবাহী কলেজত 'ধনাত্মক আৱেগ কৰ্ষণ' শীৰ্ষক কৰ্মশালা সম্পন্ন



**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ১৮ জুন ঃ** চৰাইবাহী মহাবিদ্যালয়ৰ উদ্যোগত আৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়, নগাঁও আৰু চৰাইবাহী মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ সহযোগত ছাত্ৰ-ছাত্ৰীৰ মাজত ধনাত্মক আৱেগ কৰ্ষণৰ উদ্দেশ্যে ১৬ জুনত এখনি কৰ্মশালা অনুষ্ঠিত কৰা হয়। শিক্ষা বিভাগৰ সহকাৰী অধ্যাপিকা নাজমা বেগমে আঁত ধৰা কৰ্মশালাখন সঞ্চালনা কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমল চন্দ্ৰ নাথে। কৰ্মশালাখনৰ আৰম্ভণিতে এগছি বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰে মহাবিদ্যালয়ৰ উপাধ্যক্ষ মাধৰাম কাকতিয়ে। আনহাতে, মহাবিদ্যালয়খনৰ গুণগত মান নিৰ্ণায়ক কোষৰ তত্বাৱধায়ক ড° বিজয় কুমাৰ নাথে উদ্দেশ্য ব্যাখ্যা কৰা এই কৰ্মশালাত সমল ব্যক্তি হিচাপে উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীয়ে কিদৰে ধনাত্মক আৱেগ কৰ্ষণ কৰিব পাৰি, ছাত্ৰ-ছাত্ৰী সুখী আৰু সফল হোৱাৰ ক্ষেত্ৰত ইয়াৰ প্ৰভাৱ কেনেদৰে পৰিব পাৰে তাৰ বিষয়ত বিশ্লেষণ আগবঢ়ায় ক্ৰমে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ শিক্ষা বিভাগৰ মুৰব্বী অধ্যাপিকা ড° ত্ৰিবেণী শইকীয়া, সহকাৰী অধ্যাপিকা পূৰবী কলিতা আৰু অধ্যাপক গৌৰৱ প্ৰতিম হাজৰিকাই। আনহাতে, চৰাইবাহী মহাবিদ্যালয়ৰ অধ্যাপিকা ভনিতা দেৱী প্ৰমুখ্যে সমূহ অধ্যাপক -অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণ কৰা এই কৰ্মশালাখনত শলাগৰ শৰাই আগবঢ়ায় অধ্যাপিকা ড° শিখামণি দাসে।

# ওৰাঙৰ পৰা টাৱাঙলৈ যোৱা পথত খহিছে পাহাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধনশ্ৰী, ১৮ জুন ঃ** ১৫ জুনৰ নিশাৰ পৰা মুখলধাৰ নেৰা-নেপেৰা বৰষুণৰ ফলত ওদালগুৰি জিলাৰ ওৰাং-খালগটাং চেৰগাঁও ৰূপা টেংগাভেলীৰ পৰা টাৱাঙলৈ যোৱা পথত পাহাৰৰ পৰা খহি অহা গছ-গছনি আৰু খহি অহা বোকামাটিয়ে অসম-অৰুণাচল সীমান্তৱৰ্তী পথটোৰ বিস্তৰ ক্ষতি সাধন কৰিছে। বৰ্তমান মাজবাটস্থিত মাজবাট B.R.O. কেম্পৰ কৰ্মচাৰী আৰু শ্ৰমিকসকলে পথটি মুকলি কৰাৰ বাবে অহৰহ প্ৰচেষ্টা অব্যাহত ৰাখিছে। বিভাগীয় কৰ্তৃপক্ষৰ পৰা জানিব পৰা মতে শীঘ্ৰে পথটি মুকলি কৰি দিয়া হ'ব বুলি জনাইছে।

# অখিল ভাৰতীয় পত্ৰকাৰ মহাসভা গোলাঘাট জিলাৰ তৃতীয় বাৰ্ষিক অধিৱেশন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰঙামাটি, ১৮ জুন ঃ** ১৯ জুনত গোলাঘাটত অখিল ভাৰতীয় পত্ৰকাৰ মহাসভা সাংবাদিক শক্তিশালী সংগঠনৰ, গোলাঘাট জিলা সমিতিৰ তৃতীয় বাৰ্ষিক অধিৱেশনখনি দিনজোৰা বিস্তৃত কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব। এই উপলক্ষে জ্যেষ্ঠ সাংবাদিক দিগন্ত কুমাৰ ভূঞাক সভাপতি, জয়ন্ত কুমাৰ গগৈক সাধাৰণ সম্পাদক, নজৰুল হুছেইন, জানমণি দত্তক উপ-সভাপতি, কনক দাসক সহঃ সম্পাদক হিচাপে লৈ গঠন কৰা উদ্‌যাপন সমিতিয়ে প্ৰস্তুতি পূৰ্ণগতিত অব্যাহত ৰাখিছে। পত্ৰকাৰ মহাসভা, গোলাঘাট জিলা সমিতিৰ সাধাৰণ সম্পাদক বিদ্বান বৰদলৈয়ে এক বিবৃতিযোগে প্ৰকাশ কৰা মতে গোলাঘাট এমেছাৰ হলত আয়োজিত অধিৱেশনৰ পুৱা পত্ৰকাৰ মহাসভাৰ গোলাঘাট জিলাৰ সভাপতি দীপক জৈনে পতাকা উত্তোলনেৰে কাৰ্যসূচীৰ পাতনি মেলিব। স্মৃতি তৰ্পণৰ পাছত প্ৰতিনিধি সভা উদ্বোধন কৰিব অখিল ভাৰতীয় পত্ৰকাৰ মহাসভা ৰাজ্যিক সমিতিৰ সভাপতি প্ৰকাশ কায়স্থই। দুপৰীয়া আয়োজন কৰা মুকলি সভাত নুমলীগড় শোধনাগাৰ লিমিটেডৰ পৰিচালন সঞ্চালক ভাস্কৰজ্যোতি ফুকনক পত্ৰকাৰ মহাসভাৰ তৰফৰ পৰা বিশেষভাৱে সম্বৰ্ধনা জনাব। সমন্বয় বঁটা প্ৰদান কৰিব বিশিষ্ট সমাজকৰ্মী ৰাজুমণি হুছেইনক। মুকলি সভা উদ্বোধন কৰিব গোলাঘাট জিলাৰ উপায়ুক্ত মৃগেশ নাৰায়ণ বৰুৱাই। সভাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকন আৰু খুমটাই সমষ্টিৰ বিধায়ক মৃণাল শইকীয়াই। সন্মানীয় অতিথি হিচাপে নাগালেণ্ড মুক্ত বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° হেমেন্দ্ৰ নাথ দত্ত, আৰক্ষী অধীক্ষক সুমিত শৰ্মা, নুমলীগড় শোধনাগাৰৰ উপ-মহাপ্ৰবন্ধক মিণ্টু সন্দিকৈ, বিশিষ্ট লেখক, বোলছবি পৰিচালক দীনেশ গগৈ, বিশিষ্ট নিবন্ধকাৰ ডাঃ অজিত বৰুৱা, বিশিষ্ট সাহিত্যিক তথা বোলছবি প্ৰযোজক মঃ নুৰুল চুলতান, প্ৰবীণ সাংবাদিক দ্বিপেন দত্ত, গোলাঘাট সন্মিলিত মটৰ পৰিবহণ সন্থাৰ সভাপতি পূৰ্ণ ৰাজখোৱা, সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য সাংগঠনিক সম্পাদক অভিৱৰ্তন গোস্বামী আদিয়ে অংশগ্ৰহণ কৰিব। নিৰ্দিষ্ট বক্তা হিচাপে উত্তৰ-পূব পত্ৰকাৰ মহাসভাৰ সভাপতি ডাঃ কুকিল বৰুৱা, বিশিষ্ট অতিথি হিচাপে গোলাঘাট জিলা সাংবাদিক সংস্থাৰ সভাপতি বিকাশ শৰ্মা, জিলা জনসংযোগ বিষয়া পম্পী দেৱী, সমীৰণ দিগন্ত বৰা, মোস্তাক হুছেইন, সমাজকৰ্মী দিলৱাৰ হুছেইন আদি ভালেসংখ্যকক আমন্ত্ৰণ জনোৱা হৈছে। অধিৱেশনৰ কাৰ্যসূচীত সংশ্লিষ্ট সকলোৰে উপস্থিতি তথা সহযোগিতা কামনা কৰিছে পত্ৰকাৰ মহাসভাৰ গোলাঘাট জিলা সমিতিয়ে।

# বানৰ কবলত বঙাইগাঁও জিলাৰ ১১০খন গাঁও

## আক্ৰান্ত ৮০,৫৮৬জন লোক ঃ ১৮টা আশ্ৰয় শিবিৰ মুকলি ঃ বানাক্ৰান্তক ৰিলিফ প্ৰদান জিলা প্ৰশাসনৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ১৮ জুন ঃ** বঙাইগাঁও জিলাৰ বান পৰিস্থিতি অপৰিৱৰ্তিত হৈ আছে । বৰং নতুন নতুন গাঁও বানৰ কবলতহে পৰিছে। বৃহস্পতিবাৰে জিলাখনৰ ৮৬খন গাঁও বানৰ কবলত পৰিছিল যদিও শুকুৰবাৰে এই সংখ্যা ১১০ খনলৈ বৃদ্ধি পাইছে । জিলাৰ পাঁচোটা ৰাজহ চক্ৰ ক্ৰমে বঙাইগাঁও, মাণিকপুৰ, ডাংতল, বইটামাৰী আৰু সৃজনগ্ৰাম আটাইকেইটা ৰাজহ চক্ৰতে শুকুৰবাৰে প্লাৱিত হৈছে গাঁও, খেতিপথাৰ আদি। ফলত পাঁচটা ৰাজহ চক্ৰৰ অন্তৰ্গত মুঠ ১১০খন গাঁৱৰ ৮০,৫৮৬ গৰাকী লোক বানৰ কবলত পৰিছে। একেদৰে ২৯০৮ হেক্টৰ খেতিপথাৰ প্লাৱিত হৈছে। পাঁচটা ৰাজহ চক্ৰত বৰ্তমানলৈ মুঠ ১৮ টা আশ্ৰয় শিবিৰ মুকলি কৰা হৈছে বানাক্ৰান্ত লোকৰ আশ্ৰয়ৰ বাবে । এই আশ্ৰয় শিবিৰত ৪,৪৪১গৰাকী বানাক্ৰান্ত লোকে আশ্ৰয় লৈ আছে। ইয়াৰ ভিতৰত ১১০গৰাকী গৰ্ভৱতী মহিলা আৰু মাতৃদুগ্ধ পান কৰি থকা শিশুৰ মাতৃ আছে। সেইদৰে জিলাখনৰ সৰু-ডাঙৰ জন্তুৰ লগতে হাঁহ-কুকুৰা মিলি সৰ্বমুঠ ২,০২,৮১৭টা জীৱ-জন্তু বানৰ কবলত পৰিছে। বানাক্ৰান্ত লোকসকলক এছ ডি আৰ এফ, এন ডি আৰ এফ আৰু স্থানীয় লোকৰ দ্বাৰা সাধাৰণ নাও তথা মেচিন নাও ব্যৱহাৰ কৰি উদ্ধাৰ কৰা হৈছে। জিলাখনৰ মাণিকপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত অঞ্চল অধিক বানৰ কবলত পৰিছে । মাণিকপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত মুঠ ৭৯খন গাঁও বানৰ কবলত পৰাত ৭৫,৮৫০ জন লোক বানত আক্ৰান্ত হৈছে। আনহাতে, বঙাইগাঁও ৰাজহ চক্ৰৰ ৩খন, বইটামাৰী ৰাজহ চক্ৰৰ ৩খন, ডাংতল ৰাজহ চক্ৰৰ ৬খন আৰু সৃজনগ্ৰাম ৰাজহ চক্ৰৰ ১৯খন গাঁও বানৰ কবলত পৰিছে। ইপিনে, জিলা প্ৰশাসনে বানাক্ৰান্ত লোকৰ মাজত শুকুৰবাৰে ১৩০৩.৪৩ কুইণ্টল চাউল, ২৩৬.৭০ কুইণ্টল দাইল,৭১.১৬ কুইণ্টল নিমখ, ৩৭৩.১৪ লিটাৰ মিঠাতেল, চিৰা ০.৮৪ কুইণ্টল আৰু গুড় ০.১৫ কুইণ্টলৰ লগতে শিশু খাদ্যও ৰিলিফ হিচাপে প্ৰদান কৰিছে । পশুখাদ্য হিচাপে ৪৪৩৭.২৮ কুইণ্টল গোমৰ ভুচিও বিতৰণ কৰে। ইয়াৰ উপৰি চেনিটাৰী নেপকিন, মমবাতি, দিয়াচলাই, মহ খেদা কইল, তিৰ্পাল আদিও বানাক্ৰান্ত লোকক বিতৰণ কৰে।

# বছৰৰ দ্বিতীয়টো বানত তচ্‌নচ্‌ কৰিলে কামপুৰৰ বিস্তীৰ্ণ অঞ্চল

## প্ৰায় ৭০খনৰো অধিক গাঁও বানৰ কবলত

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৮ জুন ঃ** বছৰৰ দ্বিতীয়টো বানে তচ্‌নচ্‌ কৰিলে কামপুৰৰ বিস্তীৰ্ণ অঞ্চল। খানদাঙৰ গেট খুলি দিয়াৰ ফলত কপিলী নৈৰ জলপৃষ্ঠ ওফন্দি উঠি বুৰাই পেলাইছে কামপুৰৰ বিভিন্ন অঞ্চল। কামপুৰ-যুমুনামুখ সংযোগী পথটোৰ ওপৰেৰে পানী বাগৰাত যোগাযোগ সম্পূৰ্ণৰূপে বিচ্ছিন্ন হৈ পৰিছে। ওখ ঠাইলৈ ঢাপলি মেলা দেখা গৈছে গঞ্জাক। বছৰৰ প্ৰথমটো বানৰ কবলৰ পৰা পৰিত্ৰাণ নাপাওঁতেই পুনৰ কামপুৰৰ বিস্তীৰ্ণ অঞ্চল বানৰ কবলত। কামপুৰ ৰাজহ চক্ৰ অন্তৰ্গত পতিয়াপাম, দেউৰী গাঁও, চাংচকী, গোসাঁইগাঁও, চাইবুক গাঁও, বকলুগুৰি, নলাপাৰা, কচুৱা, নিজ নাৰকলি, বাৰেগোগাকে ধৰি প্ৰায় ৭০খনতকৈও অধিক ৰাজহ গাঁও বৰ্তমান পানীৰ তলত। ইখনৰ পিছত সিখন গাঁও বুৰ গৈছে পানীত। হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হৈছে বন্যাৰ্তৰ মাজত। ঘৰৰ ভিতৰত এবুকু, একঁকাল পৰ্যন্ত পানী। ৰে'লৰ আলিতে আশ্ৰয় গ্ৰহণ কৰিব লগা হৈছে বন্যাৰ্তসকল। খাদ্য সংকটত ভুগিছে বন্যাৰ্তসকলে। পশুধনৰ বিলাই-বিপত্তি নোহোৱা হৈছে। ইপিনে কামপুৰ-ৰহা সংযোগী পথটোৰ ওপৰেৰে পানী বাগৰাৰ লগতে নিজ নাৰকলি, বাৰেগোগাকে ধৰি বিভিন্ন অঞ্চল এতিয়া পানীৰ তলত । ঘৰ-দুৱাৰ, সা-সম্পত্তি এৰি ওখ ঠাইলৈ ঢাপলি মেলা দেখা গৈছে গঞ্জাক। আনহাতে, শেহতীয়াকৈ নিশা পুনৰ নিশাৰী নৈৰ বানে কামপুৰৰ মনোহৰ গাঁৱত ছিগিল কামপুৰ-কঠীয়াতলী সংযোগী পথটো। উল্লেখ্য যে বছৰৰ প্ৰথমটো বানত কঠীয়াতলী-কামপুৰ সংযোগী পথটো মনোহৰ গাঁৱত বানে ছিঙি নিছিল বৃহৎ এটা অংশ। পথটোৰ পুলটো বাঢ়নী পানীয়ে ছিঙি নিয়াত কঠীয়াতলী আৰু কামপুৰৰ সংযোগ বিচ্ছিন্ন হৈ পৰিছিল। পৰৱৰ্তী সময়ত পানী কমাত পথটোৰ সেই অংশত অস্থায়ীভাৱে এখন দলং নিৰ্মাণ কৰাৰ লগতে কাষত মাটিৰে এটা পথ নিৰ্মাণ কৰা হৈছিল। কিন্তু এমাহৰ ভিতৰতে অহা দ্বিতীয়টো বানত পুনৰ পথৰ ওপৰেদি পানী বাগৰাত অস্থায়ীভাৱে নিৰ্মাণ কৰা পথটোৰ ছিগা অংশটো পুনৰ ছিঙি নিয়ে। ইতিমধ্যে কঠীয়াতলী-কামপুৰ সংযোগী পথটোৰ যাতায়াত সম্পূৰ্ণৰূপে ব্যাহত হৈ পৰিছে।

## ৰাশিফলত আজিৰ দিনটো

**৪ আহাৰ, দেওবাৰ, ১৯ জুন, ১৪২৯ ভাস্কৰাব্দ,**
**তিথি ঃ কৃষ্ণা পঞ্চমী, নক্ষত্ৰ ঃ ধনিষ্ঠ, জন্ম ৰাশি ঃ কুম্ভ**
**সূৰ্যোদয়- ৪-৩৪-৩৪ সূৰ্যাস্ত- ৬-১৩-১৭**



■ **মেষ ঃ** প্ৰতিভা বৃদ্ধি ■ **বৃষ ঃ** ধনৰ নাটনি ■ **মিথুন ঃ** আনন্দ ■ **কৰ্কট ঃ** সুস্থ প্ৰেম ■ **সিংহ ঃ** কষ্ট ■ **কন্যা ঃ** সন্মান ■ **তুলা ঃ** ব্যৱসায়ত উন্নতি ■ **বৃশ্চিক ঃ** আদৰ্শ মনোভাব ■ **ধনু ঃ** সমস্যা সমাধান ■ **মকৰ ঃ** আশা পূৰণ ■ **কুম্ভ ঃ** সক্ৰিয়তা ■ **মীন ঃ** সাহিত্য সেৱা।

জাতি, মাটি আৰু দেশৰ সেৱাত
# দৈনন্দিন বাৰ্তা
১৯ জুন, ২০২২ ■ দেওবাৰ ■ গুৱাহাটী ■ ৪ আহাৰ, ১৯৪৪ শক





## চৰাইদেউত ১৪৪ ধাৰা জাৰি কৰাৰ দিনাই আইন উলংঘা কৰি চাওতাল ছাত্ৰ সন্থাৰ প্ৰতিবাদ


**দৈনন্দিন বাৰ্তাৰ সেৱা, সাপেখাঁতী, ১৮ জুন ঃ** চৰাইদেউত জিলা প্ৰশাসনে আজিৰ পৰা কাৰ্যকৰী হোৱাকৈ জাৰি কৰিছে ১৪৪ ধাৰা। ১৪৪ ধাৰা ঘোষণা কৰা প্ৰথম দিনটোতেই কেইবা সহস্ৰাধিক প্ৰতিবাদকাৰীৰ প্ৰতিবাদত উত্তাল কৰি তোলে সাপেখাঁতীৰ ৰাজপথ। সদৌ চাওতাল ছাত্ৰ সন্থাৰ চৰাইদেউ জিলা সমিতিৰ উদ্যোগত চাওতাল সাহিত্য সভা, চাওতাল মাঝি মণ্ডল, চাওতাল উন্নয়ন সন্থা, চাওতাল মহিলা সমিতি আৰু মাঝি বাবাসকলৰ সহযোগত শনিবাৰে সাপেখাঁতী গুদাম চাৰিআলিৰ পৰা সমদল বাহিৰ কৰি ৫২নং বি ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰেদি বৃহৎ সমদল বাহিৰ কৰি সাপেখাঁতী চাৰিআলিস্থিত ৰাজহ চক্ৰৰ কাৰ্যালয়ত উপস্থিত হৈ সাপেখাঁতী ৰাজহ চক্ৰৰ কাৰ্যালয়টো ঘেৰাও কৰি সাব্যস্ত কৰে তীব্ৰ প্ৰতিবাদ। অসমত বসবাস কৰা অষ্ট্ৰিক মূলৰ চাওতাল জনগোষ্ঠীৰ লোকসকলক ভাৰতীয় সংবিধান অনুসৰি (৩৪২) নং অনুচ্ছেদ অনুযায়ী জনজাতিকৰণ কৰা, চাওতাল জনগোষ্ঠীক চাহ আৰু প্ৰাক্তন চাহ জনজাতিৰ পৰিৱৰ্তে চাওতাল জনগোষ্ঠী হিচাপেই জাতিগত প্ৰমাণ পত্ৰ প্ৰদান কৰা, ১৫ মাৰ্চত অসম চৰকাৰে গ্ৰহণ কৰা চাহ জনজাতি জাতীয় সন্মিলনক জাতিগত প্ৰমাণ-পত্ৰ দিয়াৰ অংগীকাৰ বাতিল কৰা, অসম চৰকাৰ আৰু চাওতাল জনগোষ্ঠীয় দল-সংগঠনৰ সৈতে এখনি দ্বি-পাক্ষিক বৈঠক অনুষ্ঠিত কৰি সমাধান কৰা, অসম ভূমি আৰু ৰাজহ আইন, ১৮৮৬ৰ মতে ভূমিপুত্ৰ চাওতালসকলৰ ভূমি সংৰক্ষণ কৰি অধিকাৰ প্ৰদান কৰা আৰু চাওতাল ভাষাৰ শিক্ষক নিযুক্তি প্ৰদান কৰাকে আদি বিভিন্ন দাবীত সাব্যস্ত কৰে প্ৰতিবাদ। প্ৰায় দুই সহস্ৰাধিক প্ৰতিবাদকাৰীয়ে বিভিন্ন দাবীসম্বলিত কাৰ্ড হাতে হাতে লৈ অসম চৰকাৰ হায় হায়, কেন্দ্ৰীয় চৰকাৰ হায় হায়, মুখ্যমন্ত্ৰী মুৰ্দাবাদ আদি বিভিন্ন শ্ল'গান দি কঁপাই তোলে সাপেখাঁতীৰ ৰাজপথ। প্ৰতিবাদকাৰীসকলে জাতীয় সাজ-পাৰ পৰিধান কৰাৰ লগতে নিজস্ব কলা-কৃষ্টি প্ৰদৰ্শন কৰি এনেদৰে সাব্যস্ত কৰে প্ৰতিবাদ। প্ৰায় ৬ কিলোমিটাৰতকৈ অধিক পথ সমদল কৰি ৰাজহ চক্ৰ কাৰ্যালয়ত উপস্থিত হৈ প্ৰতিবাদ সাব্যস্ত কৰাৰ অন্তত ৰাজহ চক্ৰৰ বিষয়াৰ যোগেদি অসমৰ মুখ্যমন্ত্ৰীলৈ এখন স্মাৰক-পত্ৰ প্ৰদান কৰে। এই প্ৰতিবাদৰ পাছতো যদি চৰকাৰে কোনো ব্যৱস্থা গ্ৰহণ নকৰে তেন্তে আগষ্টত দিল্লীত প্ৰতিবাদ সাব্যস্ত কৰাৰো হুংকাৰ দিয়ে।

## দৰঙত বানাক্ৰান্তক উদ্ধাৰ অভিযানত নামিল সেনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, মঙলদৈ, ১৮ জুন ঃ** দৰং জিলাৰ বানপৰিস্থিতি আজিও অপৰিবৰ্তিত হৈ আছে। বৰষুণ কমিছে যদিও কমা নাই বানৰ বিভীষিকা। আজিও বহু গাঁও বানত আবদ্ধ হৈ আছে। জিলাখনত বানাক্ৰান্তক উদ্ধাৰৰ বাবে প্ৰশাসনে সেনাবাহিনী নিয়োগ কৰাৰ পিছত আজি দলগাঁৱৰ উদ্ধাৰ অভিযানত নামি পৰে সেনা। যোৱা দুদিন ধৰি ধনশ্ৰী নদীৰ ভয়াৱহ বানে বুৰাই পেলাইছিল ঘিলাধাৰী গাঁওখন। গাঁওখনৰ মাজেৰে একপ্ৰকাৰ সোঁত বৈছে নদীখনৰ। ফলত বানে ভয়াৱহ ৰূপ লৈছে। ক্ষতিগ্ৰস্ত হৈছে শ শ লোক। ওচৰৰে ঘিলাধাৰী প্ৰাথমিক বিদ্যালয়ত আশ্ৰয় লৈছেহি বানাক্ৰান্তই। উক্ত গাঁৱতে পানীৰ মাজত যোৱা দুদিন আবদ্ধ হৈ থকা তিনিটা পৰিয়াল উদ্ধাৰ কৰে আজি। কালি বিয়লি লৈ এছ ডি আৰ এফ দলে বহুবাৰ চেষ্টা কৰিও উদ্ধাৰ কৰিব নোৱাৰি হাত দাঙি দিয়াৰ পিছত আজি পুৱা ৮ বজাৰ পৰা অভিযান চলাই সেনাই উদ্ধাৰ কৰে। হাচান আলী, ৰিজুমা বেগমক ঘৰৰ পাঁচটি পৰিয়ালসহ উদ্ধাৰ কৰে সেনাবাহিনীয়ে। আব্দুল জব্বৰৰ পৰিয়ালক উদ্ধাৰ কৰে। সেনাবাহিনীৰ হাতীগড়স্থিত ২১৮ ফিল্ড ৰেজিমেণ্টে এই উদ্ধাৰ অভিযান চলায়। সেনা বিষয়া মেজৰ পাৰ্থ বিষ্ট আৰু মেজৰ সন্দিপ সিঙৰ নেতৃত্বত নাওৰে অভিযান চলাই উদ্ধাৰ কৰে। সেইদৰে মঙলদৈ চহৰৰ ড° প্ৰণৱ ডেকা, ৰিডিপ দলে, ধৰ্মে দলে, ট্ৰাপছ ডেকা আৰু ভাইটী শৰ্মাক উদ্ধাৰ কৰিছে।

## ভূঁইচম্পা দেৱী মন্দিৰৰ বিধ্বস্ত অঞ্চল পৰিদৰ্শন উপায়ুক্ত আয়ুস গাৰ্গৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মুছলপুৰ, ১৮ জুন ঃ** মুছলপুৰ মহকুমাৰ অন্তৰ্গত ভূটানখুঁটিৰ ঐতিহাসিক মইনাপুখুৰী ভূঁইচম্পা দেৱী মন্দিৰৰ পুনৰ নিৰ্মাণৰ বাবে শীঘ্ৰেই চৰকাৰৰ সৈতে আলোচনা কৰা হ'ব। আজি জিলাখনৰ ভাৰত-ভূটান সীমান্তৰ ভূটানখুঁটিত থকা মইনাপুখুৰী ভুঁইচম্পা দেৱী মন্দিৰটো পৰিদৰ্শন কৰি এই মন্তব্য কৰে বাক্সা জিলাৰ উপায়ুক্ত আয়ুস গাৰ্গে। পৰহি প্ৰবল বৃষ্টিপাতৰ ফলত হোৱা ভূমিস্খলনত পাহাৰৰ টিলাত থকা ভূটানখুঁটিৰ ঐতিহাসিক মইনাপুখুৰী ভুঁইচম্পা দেৱী মন্দিৰটো বিধ্বস্ত হয়। আজি এই মন্দিৰৰ বিধ্বস্ত অঞ্চল পৰিদৰ্শন কৰিবলৈ উপায়ুক্তগৰাকীয়ে ভূটানখুঁটিলৈ যায়। মন্দিৰটো পুনৰ্নিৰ্মাণ নোহোৱালৈকে দৰ্শনাৰ্থীৰ বাবে বন্ধ ৰাখিবলৈ মন্দিৰ পৰিচালনা সমিতিক নিৰ্দেশ দিয়ে উপায়ুক্ত আয়ুস গাৰ্গে। উপায়ুক্তগৰাকীক সংগ দিয়ে বাক্সা ৰাজহ চক্ৰৰ চক্ৰ বিষয়া মনোজ দলেকে ধৰি মন্দিৰ পৰিচালনা সমিতিৰ সদস্যসকলে।




### বিধ্বস্ত বাট-পথ

#### বাঢ়নী পানীয়ে বুৰালে ব্যস্ত পথ ঃ হাহাকাৰ ৰাইজ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মহুৰামুখ, ১৮ জুন ঃ** ৰাজ্যত কেইবাদিনো ধৰি হৈ থকা মুখলধাৰ নেৰানেপেৰা বৰষুণৰ ফলত বিধ্বস্ত হৈ পৰিছে বোকাখাত বিধানসভা সমষ্টিৰ অন্তৰ্গত মহুৰামুখৰ উত্তৰ অংশৰ বাট-পথসমূহ। উত্তৰ মহুৰা, দিচৈ আৰু দুসুঁতিমুখ গাঁও পঞ্চায়ত এলেকাৰ নৈ পৰীয়া গাঁওসমূহৰ পথসমূহ একাঁঠু বোকাত যাতায়াত কৰিব লগা হৈছে। বিশেষকৈ কণ কণ ছাত্ৰ-ছাত্ৰীসকলে বোকাময় পথেৰে বিদ্যালয়লৈ যোৱাৰ পথাৰত দুৰ্ভোগত ভুগিছে। কণ কণ ছাত্ৰ-ছাত্ৰীসকলক অভিভাৱকসকলে কোলাত অথবা বোকোচাত লৈ বিদ্যালয়ত থ'ব লগা হৈছে। ইফালে অঞ্চলটোৰ ৰোগীসকলক ঠেলা অথবা ট্ৰেক্টৰেৰে দুৰ্গম পথসমূহ পাৰ কৰি মল পথলৈ আনিব লগা অৱস্থাৰ সৃষ্টি হৈছে। উল্লেখ্য, বংকোৱালৰ নিকৰি-ৰিৰি সংযোগী পথৰ বৰালিমৰাৰ পথৰ দুৰৱস্থাৰ বাবে কালি অকণি পেগু নামৰ ৰোগীগৰাকীক এখন ঠেলাগাড়ীত উঠাই চিকিৎসালয়লৈ নিয়া দৃশ্যই সকলোৰে হৃদয় স্পৰ্শ কৰি যায়। ইফালে ২নং গৰৈমাৰীত আজি ৰাইজে পথৰ দুৰৱস্থাৰ বাবে পথতে প্ৰতিবাদ সাব্যস্ত কৰি স্থানীয় বিধায়ক তথা কৃষিমন্ত্ৰী অতুল বৰাক শীঘ্ৰে পথ মেৰামতি কৰিবৰ বাবে আহ্বান জনায়। ইফালে গৰৈমাৰীবাসী ৰাইজে গাঁওখনত ৰূপায়ণ হৈ থকা এনৰেগৰ কাম সম্পূৰ্ণ নকৰাত ক্ষোভ প্ৰকাশ কৰে। আনহাতে, ব্ৰহ্মপুত্ৰৰ বাঢ়নী পানীয়ে অফলাৰ মূল পথত থকা কালভাৰ্টটো বুৰাই পেলোৱাৰ ফলত গাঁওখনৰ ৰাইজৰ যাতায়াত ব্যহত হৈ পৰিছে।

### অপৰিৱৰ্তিত তামুলপুৰৰ বানপৰিস্থিতি

## বেচৰকাৰী সংস্থা আৰু ভাৰতীয় সেনাৰ দ্বাৰা উদ্ধাৰ জলবন্দী পৰিয়ালক

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ১৮ জুন ঃ** ভয়াৱহ ৰূপ লৈছে তামুলপুৰ জিলাৰ বান পৰিস্থিতিয়ে। আজি চতুৰ্থ দিনাও অপৰিবৰ্তিত হৈয়ে তামুলপুৰৰ বান পৰিস্থিতি। উত্তৰে বৈদেশিক ৰাষ্ট্ৰ ভূটানৰ পৰা বৈ অহা খৰস্ৰোতা পাগলাদিয়া, ডিমিলা, মটঙা, বৰলীয়া, বৰনদী আদি উপনৈসমূহৰ পানী যোৱা কিছুদিন ধৰি হৈ থকা মুষলধাৰ বৰষুণৰ বাবে জিলাখনৰ বিভিন্ন ঠাই জলমগ্ন হৈ পৰিছে। বানাক্ৰান্ত অঞ্চলত বিশুদ্ধ খোৱাপানী, খাদ্য সামগ্ৰী, স্বাস্থ্য সেৱা, পশুধনৰ খাদ্য সামগ্ৰী আদিৰ তীব্ৰ সংকটৰ মাজতে ডোঙাৰ গাঁও, গুৱাকুছিৰ তৰাবাৰী চুবুৰি, ছাপাতল আৰু অময়াপুৰ, দক্ষিণ গান্ধীবাৰী আদি ঠাইৰ বহু লোক জলবন্দী হৈ পৰিছিল। বিগত তিনি দিন ধৰি বানত আবদ্ধ হৈ থকা গুৱাকুছিৰ তৰাবাৰী, ছাপাতল, অময়াপুৰৰ ৪০টা পৰিয়ালক ইতিমধ্যে জিলা প্ৰশাসনৰ আহ্বান মৰ্মে পূৰ্ণ ডেকাৰ নেতৃত্বত শিখৰ এডভেঞ্চাৰ ক্লাব, গোৰেশ্বৰ আৰু বগামাটিৰ গ্ৰীনট্ৰেক এডভেঞ্চাৰ ক্লাবৰ সদস্যই উদ্ধাৰ কৰি নিৰাপদ স্থানলৈ স্থানান্তৰ কৰে। আনহাতে, বৰনদীৰ বুকুত আবদ্ধ ২নং দোঙাৰগাৰৰ ৩৫জন লোকৰ শিশুসহ চাৰিগৰাকী মহিলাক উদ্ধাৰ কৰা হৈছে। বাকী ৩১জন লোকৰ উদ্ধাৰ কাৰ্য এই মুহূৰ্তলৈ চলি আছে। বগামাটিৰ গ্ৰীন ট্ৰেক এডভেঞ্চাৰ ক্লাবৰ নেতা পূৰ্ণ ডেকাৰ নেতৃত্বত এইমুহূৰ্তলৈ উদ্ধাৰ অভিযান অব্যাহত আছে। ইফালে শেহতীয়া খবৰ মতে দক্ষিণ গান্ধীবাৰীৰ জলবন্দী পৰিয়ালসমূহক ভাৰতীয় সেনাই উদ্ধাৰ কৰি নিৰাপদ স্থানলৈ স্থানান্তৰিত কৰিছে। উল্লেখ্য, যোৱানিশা মুষলধাৰ বৰষুণৰ বাবে পুঠিমাৰী নৈৰ বাঢ়নী পানী গান্ধীবাৰী অঞ্চলত সোমোৱাৰ ফলত শ শ বিঘা কৃষিভূমি বিনস্ত হোৱাই নহয় মানুহৰ ঘৰ-দুৱাৰ, বাটপথ আদি জলমগ্ন হৈ পৰে। দক্ষিণ গান্ধীবাৰী আৰু উত্তৰ গান্ধীবাৰীৰো এটা অংশত বাঢ়নী পানী সোমোৱাৰ ফলত বহু পৰিয়াল জলবন্দী হৈ পৰিছিল।

**জিলা উপায়ুক্তলৈ ধন্যবাদ, কৃতজ্ঞতা—** বানপীড়িত লোকক উদ্ধাৰৰ বাবে শিখৰ এডভেঞ্চাৰ ক্লাৱ গোৰেশ্বৰ আৰু বগামাটিৰ গ্ৰীনট্ৰেক এডভেঞ্চাৰ ক্লাবৰ সদস্য সকলে আহ্বান জনোৱা বাবে দুয়োটা সংস্থাৰ হৈ উদ্ধাৰকাৰী দলৰ নেতা পূৰ্ণ ডেকাই তামুলপুৰ জিলাৰ উপায়ুক্তক ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছে সংবাদ মাধ্যম যোগে।

**বানপীড়িত ৰাইজলৈ তামুলপুৰ জিলা উপায়ুক্তৰ আহ্বান—** ইফালে তামুলপুৰ জিলাৰ বানপীড়িত ৰাইজলৈ তামুলপুৰ জিলাৰ উপায়ুক্তই আহ্বান জনাইছে যাতে ৰাইজে ভীতিগ্ৰস্ত নহৈ নিৰাপদ স্থানত অৱস্থান কৰে। নদীৰ পাৰলৈ যোৱা, মাছমৰা, পথৰ কাষত থকা আদি বিপদসংকুল কামৰ পৰা বিৰত থাকিবলৈ তেওঁ আহ্বান জনায়। যিকোনো দুৰ্যোগৰ সময়ত ০৩৬২৪২৯৫৬০৬ আৰু ৯৩৮৭৮৯৩৩৯৪ হেল্পলাইন নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে জিলা উপায়ুক্ত গৰাকীয়ে।



## নিউ আৰ্ট প্লেয়াৰ্ছৰ সূচী স্থগিত

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৮ জুন ঃ** কেইবাদিনৰ পৰা নেৰানেপেৰা বৃষ্টিপাত, স্থানীয় প্ৰশাসনৰ সতৰ্কীকৰণ আৰু আগন্তুক দিনত বতৰৰ অনিশ্চয়তাৰ দৰে দিশৰ প্ৰতি লক্ষ্য ৰাখি ২০ জুনত নিউ আৰ্ট প্লেয়াৰ্ছে কামৰূপ নাট্য সমিতিৰ সহযোগত কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভাৰ মৃত্যু দিৱস উপলক্ষে কুমাৰ ভাস্কৰ নাট্য মন্দিৰত আয়োজিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ সাংস্কৃতিক কাৰ্যসূচী সাময়িকভাৱে স্থগিত ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই পৰিস্থিতিত সেইদিনা সন্ধিয়া সদস্যসকলে নৱনিৰ্মীত ভৱনত অনুষ্ঠুপীয়াকৈ আয়োজিত এক অনুষ্ঠানত মহান শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিব।

**নাম সলনি**

মোৰ প্ৰকৃত নাম ছামচুদ্দিন আহমেদ। কিন্তু শৈক্ষিক দিশৰ প্ৰমানপত্ৰত মঃ ছামচুদ্দিন আহমেদ নামেৰে সন্নিবিষ্ট আছে। ১৫/৬/২০২২ তাৰিখত কামৰূপ নটাৰি কাৰ্যালয়ত শপতনামা যোগে মঃ ছামচুদ্দিন আহমেদৰ পৰিৱৰ্তে ছামচুদ্দিন আহমেদ কৰিলো। আজিৰ পৰা মই ছামচুদ্দিন আহমেদ নামেৰে পৰিচিত হ'ম।

PRESS NOTICE

The Executive Engineer, PWD, Dispur & Guwahati East Territorial Building Division, Guwahati-1 on behalf of Governor of Assam invites item rate bid in two bids system for the work "Renovation/Repairing of boundary wall including outside painting of Director of Health Services, Assam office building at Hengrabari, Guwahati-36" with an approximate value of work of Rs. 23,84,893.00 from APWD registered Class-I (A/B/C) and class-II contractors (Under Guwahati Building Circle-II) having experience of similar nature of work. Details of the bids may be seen in the office of the undersigned during office hours upto 22.06.2022.

Sd/-
Executive Engineer, P.W.D
Dispur & Guwahati East Territorial
Building Division, Guwahati-1
Janasanyog/C/4985/22

SBI ষ্টেট বেংক অব ইণ্ডিয়া
ষ্ট্ৰেছেড এছেটছ ৰিক'ভাৰী শাখা
দ্বিতীয় মহলা, ছিগনেছাৰ স্কোৱাৰ,
এম আৰ ডি ৰোড, বামুনীমৈদাম, গুৱাহাটী-২১
ফোন ঃ ০৩৬১-২৬৫০৩২৮, ই-মেইল আই ডি ঃ sbi.18399@sbi.co.in

পৰিশিষ্ট-৯
[(ৰুল-৮(১)]
**দখলৰ জাননী**
**(স্থাৱৰ সম্পত্তিৰ বাবে)**

যিহেতুঃ
তলত স্বাক্ষৰদানকাৰী ষ্টেট বেংক অব ইণ্ডিয়াৰ কৰ্তৃত্বশীল বিষয়া, চিকিউৰিটাইজেচন এণ্ড ৰিকনষ্টাকচন অব ফাইনেনচিয়েল এছেটছ এণ্ড এনফৰ্চমেণ্ট অব ছিকিউৰিটি ইণ্টাৰেষ্ট (ধাৰা) এক্ট-২০০২ আৰু উক্ত আইনৰ ধাৰা-১৩(১২) ক্ষমতা প্ৰয়োগ কৰি, পঢ়ি উঠি ৰুল-৩, ছিকিউৰিটী ইণ্টাৰেষ্ট (এনফৰ্চমেণ্ট) ৰুলছ-২০০২ৰ জৰিয়তে এখন দাবী জাননী জাৰি কৰা হৈছিল ০৩.০৮.২০২১ তাৰিখে ঋণ লওতা সুদীপ ভট্টাচাৰ্য, যাতে জাননীত উল্লেখ থকা আদায় দিবলৈ থকা ধনৰাশি ৫২,৪০,০৬০.০০ টকা (বাৱন্ন লাখ চল্লিশ হাজাৰ ষাঠী টকা কেৱল) আৰু অন্যান্য সুত ০২.০৮.২০২১ তাৰিখলৈকে, এই জাননী প্ৰাপ্তিৰ ৬০ দিনৰ ভিতৰত পৰিশোধ কৰাৰ বাবে।

ঋণ লওতাই উক্ত অনাদায় ধন পৰিশোধ কৰাত ব্যৰ্থ হোৱাৰ বাবে এই জাননীৰ জৰিয়তে ঋণী / গেৰাণ্টৰ আৰু ৰাইজক সাধাৰণভাৱে অৱগত কৰা হ'ল যে নিম্ন স্বাক্ষৰকাৰীয়ে তলত উল্লেখ কৰা সম্পদ নিজৰ দখললৈ আনিছে ওপৰোক্ত আইনৰ ধাৰা-১৩ (৪)ৰ ক্ষমতা প্ৰয়োগ কৰি, লগতে পঢ়ি উঠি বিধি-৮ অনুসৰি ১৭.০৬.২০২২ তাৰিখে।
ঋণ লওতা/ গেৰাণ্টাৰক বিশেষভাৱে আৰু ৰাইজক সাধাৰণভাৱে অৱগত কৰা হ'ল যাতে উক্ত সম্পদৰ বিষয়ত কোনো ধৰণৰ লেনদেন কৰা নহয়, অন্যথা ষ্টেট বেংক অব ইণ্ডিয়াক আদায় দিবলৈ বাধ্য হ'ব ৫২,৪০,০৬০.০০ টকা (বাৱন্ন লাখ চল্লিশ হাজাৰ ষাঠী টকা কেৱল) আৰু অন্যান্য সুত ০২.০৮.২০২১ তাৰিখলৈকে, আৰু তাৰ ওপৰত অতিৰিক্ত সুত আৰু অন্যান্য আনুসংগিক ব্যয়সমূহ।
*এছএআৰএফএইএছআই আইনৰ ধাৰা-১৩ ৰ উপ-ধাৰা (৮)ৰ ব্যৱস্থামতে সুৰক্ষিত সম্পত্তিসমূহ উপলব্ধ সময়ৰ ভিতৰত উদ্ধাৰ কৰাৰ বাবে ঋণী/ গেৰাণ্টাৰৰ দৃষ্টি আকৰ্ষণ কৰা হ'ল।*

**স্থাৱৰ সম্পদৰ বিৱৰণ**

এটা আবাসিক ফ্লেট, পৰিমাপ হ'ল ৮০০ বৰ্গফুট আৰু ১০০০ বৰ্গফুট কালি, চতুৰ্থ মহলা, লগত এখন কাৰ পাৰ্কিঙৰ স্থান, আৱচিচি আবাসিক বিল্ডিঙৰ নাম হ'ল 'নাইচ এণ্ড ন'ভেল লেণ্ডমাৰ্ক'। এই বিল্ডিং অৱস্থিত থকা ভূ-খণ্ডৰ পৰিমাপ হ'ল ঃ ২ কঠা, আৱৰি আছে কে পি পট্টা নং- ৩৩ (পুৰণি)/ ১৪০ (নতুন), দাগ নং- ২৭৫(পুৰণি)/ ৬৭৩ (নতুন)। অৱস্থিত আছে গাঁও- জটিয়া, মৌজা- বেলতলা, জিলা- কামৰূপ (এম), অসম। চাৰিসীমা ঃ **উত্তৰে ঃ** অজিত বৰুৱা, **দক্ষিণে ঃ** ফাৰ্ষ্ট পাৰ্টিৰ নিজৰ ভূমি, **পূবে ঃ** পথ, **পশ্চিমে ঃ** খালী হৈ থকা ভূমিৰ প্লট।

তাৰিখ ঃ ১৭.০৬.২০২২
স্থান ঃ গুৱাহাটী
কৰ্তৃত্বশীল বিষয়া
এছবিআই, এছএআৰবি, গুৱাহাটী-৭৮১০২১

## লক্ষীপুৰ-বালিজানা ৰাজহ চক্ৰ এলেকাত শ শ গাঁও বানৰ কবলত

### লক্ষীপুৰত বানাক্ৰান্তৰ বুজ ল'লে মন্ত্ৰী যোগেন মহনে ঃ বান সাহায্য নোপোৱাৰ অভিযোগ

### ■ লক্ষীপুৰ ৰাজহ চক্ৰত ঘৰৰ চালৰ ওপৰত পানী
### ■ জলেশ্বৰ-চুনাৰী মথাউৰিত গৰু-ছাগলীৰ ছাউনী

**দৈনন্দিন বাৰ্তাৰ সেৱা, লক্ষীপুৰ, ১৮ জুন ঃ** বান পৰিস্থিতিৰ বুজ ল'বলৈ লক্ষীপুৰত উপস্থিত ৰাজহ আৰু দুৰ্যোগ প্ৰসমন বিভাগৰ ব্যৱস্থাপনা মন্ত্ৰী যোগেন মোহন। লক্ষীপুৰ ৰাজহ চক্ৰ এলেকাত থকা একাংশ আশ্ৰয় শিবিৰ পৰিদৰ্শন মন্ত্ৰী গৰাকীৰ। বিশেষকৈ লক্ষীপুৰ ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ অধীনৰ ৮৫খন গাঁও এতিয়ালৈ বানপানীৰ কবলত পৰিছে বুলি জানিব পৰা গৈছে। আক্ৰান্ত হয় ১ লাখ ১৭ হাজাৰ ২১৫ গৰাকী। লক্ষীপুৰ ৰাজহ চক্ৰ বিষয়াৰ পৰা জানিব পৰা মতে লক্ষীপুৰ ৰাজহ চক্ৰ এলেকাত স্থাপন কৰা হৈছে ২১ টাকৈ আশ্ৰয় শিবিৰ। কোনোৱে যদি মথাউৰিৰ ওখ ঠাইত, কোনোৱে শিক্ষানুষ্ঠান আৰু কোনো কোনো লোকে বাটে পথে আশ্ৰয় শিবিৰ পাতি আশ্ৰয় লৈছে। আজি একাংশ আশ্ৰয় শিবিৰ পৰিদৰ্শন কৰি বন্যাৰ্তৰ লগত মত বিনিময় কৰে মন্ত্ৰী গৰাকীয়ে। ইপিনে বানাক্ৰান্ত লোক লোকসকলক পৰ্যাপ্ত সা সুবিধা প্ৰদানৰ আশ্বাস দিয়ে মন্ত্ৰী যোগেন মোহনে। ইপিনে বানাক্ৰান্ত লোকক উদ্ধাৰ কাৰ্য চলোৱা হোৱা নাই বুলি অভিযোগ উঠাৰ বিপৰিতে পশুখাদ্য, তাৰপলিন আদি বান সাহায্য দিয়া নাই বুলি অভিযোগ কৰিছে একাংশ লোকে। উল্লেখ্য, দীৰ্ঘ দিন ধৰি পৰা নেৰা নেপেৰা বৰষুনৰ ফলত মেঘালয়ৰ পৰা তীব্ৰ গতিত নামি অহা পানীয়ে অকল লক্ষীপুৰ ৰাজহ চক্ৰ এলেকাতে নহয় বালিজানা ৰাজহ চক্ৰ এলেকাৰো প্ৰায় অৰ্ধ শতাধিক গাওঁ বানৰ কবলত পৰা বুলি অনুমান কৰা হৈছে। বালিজানা ৰাজহ চক্ৰ এলেকাৰ দাৰিৰ পাৰ, চেংপাতা, বাশবাৰী, আমবাৰী, মাৰকুলা আদি অৰ্ধ শতাধিক গাওঁ পানীৰ তলত ডুব গৈছে। লক্ষীপুৰ আৰু বালিজানা ৰাজহ চক্ৰ এলেকাৰ প্ৰায় সমূহ গাঁৱত তাৰপলিনৰ অভাৱত এই বাতৰি যুগুতোৱা পৰলৈ পশুধন মুক্ত আকাশৰ তলত বৰষুনত তিতি বুৰি থাকিব লগীয়া হোৱা পৰিলক্ষিত হৈছে। ৰাইজে অতি শীঘ্ৰে তাৰপলিন, শিবিৰ সমূহত বিশুদ্ধ খোৱা পানী, পশু খাদ্য আদি বান সাহায্য দিয়াৰ বাবে দাবী জনাইছে।

**দৈনন্দিন বাৰ্তা সেৱা, গোৱালপাৰা ঃ** ঘৰৰ চলৰ ওপৰেদি বৈছে পানী। পৰিয়ালৰ লোকে ঘৰতে বান্ধিছে চাংঘৰ। ধান চাউল ৰাখিছে চিলিঙত। গৰু-ছাগলীৰ বাবে অস্থায়ী ছাউনী বান্ধিছে মথাউৰি আৰু গড়কাপ্তানী পথৰ ওখ স্থানত। হয়, ঠিকেই শুনিছে এনেকুৱাই এক চৰম জটিল পৰিস্থিতিত দিন কটাবলগীয়া হৈছে গোৱালপাৰা জিলাৰ লক্ষীপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত আওলাতলী, শাকতোলা, ফৰিংগাপাৰা, ধামৰ, বাপুৰভিটা, টাকীমাৰী, তাৰাংগাপুৰ, ৰাজমিতা, গোসাইডুবি, গৌৰনগৰ, জলেশ্বৰ আদি গাঁওপঞ্চায়তৰ প্ৰায় দহ শতাধিক পৰিয়ালৰ। বহু পৰিয়ালৰ লোকে খাদ্যৰ অভাৱত দিন কটাব লগীয়া হৈছে। আন একাংশই ৰন্ধা বঢ়াৰ স্থান নাপাই অনাহাৰে দিন কটাইছে। শ শ পৰিয়ালে ওখ ঠাই বা মথাউৰিৰ ওপৰত অস্থায়ী শিবিৰ পাতি গৰু ছাগলীৰ সৈতে থাকিব লগীয়া হৈছে। বহু পৰিয়ালে টুলুঙা নাও ভাৰা কৰি ঘৰৰ পৰা ধান, চাউল, মৰাপাট আদি অস্থায়ী শিবিৰত নিবলৈ ধৰিছে। প্ৰায় সকলো পৰিয়ালৰে কুৱা আৰু দমকল পানীৰ তলত ডুব যোৱাত খোৱা পানীৰ বাবে হাহাকাৰৰ সৃষ্টি হৈছে। ইপিনে মানুহৰ লগতে গৰু, ছাগলী, ভেৰা, কুকুৰা আদিৰো খাদ্যৰ নাটনি হৈছে। জিলা প্ৰশাসনৰ ফালৰ পৰা এতিয়ালৈ অস্থায়ী শিবিৰ পতাৰ বাবে তিৰপাল আৰু পশু খাদ্যৰ যোগান ধৰা নাই। মেঘালয়ৰ পাহাৰৰ পৰা নামি অহা পানীয়ে সংহাৰৰ সৃষ্টি কৰিছে। যোৱা নিশাও আওলাতলী, ফৰিংগাপাৰা, শাকতোলা, টাকীমাৰীৰ, ধামৰ, বাপুৰভিটা আদি গাঁওপঞ্চায়তৰ বহু গাওত পানী বাঢ়িছে। আজি অসমৰ ৰাজহ আৰু প্ৰাকৃতিক দূৰ্যোগ প্ৰশমন বিভাগৰ মন্ত্ৰী যোগেন মোহনে লক্ষীপুৰৰ বানাক্ৰান্ত অঞ্চল পৰিদৰ্শন কৰে। আৰু জিলা প্ৰশাসনক শীঘ্ৰেই সাহায্য যোগান ধৰাৰ নিৰ্দেশ দিয়ে। মন্ত্ৰীৰ লগত, এপিডিচিএলৰ সঞ্চালক প্ৰকাশ ক্যাশ্যপ, বিধায়ক আব্দুৰ ৰচিদ ম'ল, আফতাব উদ্দিন মোল্লা উপায়ুক্ত মিনাক্ষী দাস নাথ প্ৰমুখ্যে নেতা কৰ্মী সকলে বান পৰিস্থিতিক লৈ আলোচনাত মিলিত হয়। শীঘ্ৰেই তিৰপাল, পশু খাদ্য, খোৱা পানীৰ ব্যাৱস্থা, চিকিৎসা সেৱা আৰু ভুক্তভোগীক সাহায্য প্ৰদান কৰাৰ বাবে বানাক্ৰান্ত ৰাইজে চৰকাৰৰ ওচৰত দাবী জনাইছে।

## বানৰ কবলত পৰা গুৱাহাটীবাসীৰ কাষত 'এৰিডা'




**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৮ জুন ঃ** ৰাজধানী চহৰ গুৱাহাটী মহানগৰীকে ধৰি ৰাজ্যত এতিয়া প্ৰাকৃতিক দুৰ্যোগে প্ৰলয়ৰ সৃষ্টি কৰিছে। এই দুৰ্যোগৰ সময়ত আৰ্তজনক সহায় কৰাৰ বাবে আগবাঢ়ি আহিছে আসাম ৰিয়েল ইষ্টেট ইনফ্ৰাষ্ট্ৰাকচাৰ ডেভেল'পাৰ এছ'চিয়েশ্যন চমুকৈ 'এৰিডা'। বিশেষকৈ গুৱাহাটী মহানগৰীত কৃত্ৰিম বানৰ কবলত পৰা লোকসকলৰ মাজত আহাৰ প্ৰদানৰ ব্যৱস্থা কৰিছে এৰিডাই। আজিৰে পৰা এৰিডাই ভ্ৰাম্যমাণ গৰম আহাৰ বিতৰণৰ ব্যৱস্থা কৰিছে। এৰিডাই সামাজিক দায়বদ্ধতাৰ অংশ স্বৰূপে গুৱাহাটীৰ বানপীড়িত লোকসকলৰ বাবে আজিৰ পৰা গৰম আহাৰ বিতৰণৰ ভ্ৰাম্যমান শিবিৰ আৰম্ভ কৰিছে। লায়ন্স ক্লাবৰ সহযোগত আয়োজন কৰা এই শিবিৰৰ বাবে ভ্ৰাম্যমাণ খাদ্য প্ৰস্তুত কৰাৰ বাহন প্ৰদান কৰিছে লায়ন্স ক্লাবে। এই সন্দৰ্ভত এৰিডাৰ সভাপতি পি কে শৰ্মাই কয় যে আজিৰ পৰা বৰ্ষাপাৰা ষ্টেডিয়ামৰ সমীপত গুৱাহাটী পৌৰ নিগমৰ চাফাই কৰ্মীসকলৰ মাজত খাদ্য বিতৰণেৰে এই কাৰ্যসূচী আৰম্ভ কৰা হৈছে। চাফাই কৰ্মীসকলে বিৰামহীনভাৱে প্ৰঞ্জায়ে সময়ত আহাৰ গ্ৰহণ নকৰাকৈ গুৱাহাটীখনক পৰিষ্কাৰ কৰি ৰখাৰ বাবে নিয়োজিত হৈ থাকে। যঞ্জাৰ বাবে আজিৰ এই কাৰ্যসূচী চাফাই কৰ্মীসকলৰ যোগেদি আৰম্ভ কৰা হৈছে। এই পদক্ষেপ অনাগত দিনবোৰত অব্যাহত থাকিব বুলি উল্লেখ কৰি শৰ্মাই কয় যে আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত বানপানী অঞ্চলসমূহ এই কাৰ্যসূচীৰ দ্বাৰা সামৰি লোৱা হ'ব। আজি বৰ্ষাপাৰকে ধৰি কৃত্ৰিম বানৰ কবলত পৰা কেইবাটাও অঞ্চলৰ ৰাইজৰ মাজত আহাৰ দিয়া হয়। এৰিডাৰ এই কাৰ্যসূচীত পৌৰ নিগমৰ ২৩নং ৱাৰ্ডৰ পাৰিষদ মঞ্জিতা দৈমাৰীয়ে অংশ গ্ৰহণ কৰে। তেওঁ এৰিডাৰ এই কাৰ্যসূচীক ভূয়সী প্ৰশংসা কৰে।

FORM G
INVITATION FOR EXPRESSION OF INTEREST
(Under Regulation 36A (1) of the Insolvency and Bankruptcy (Insolvency Resolution Process for Corporate Persons) Regulations, 2016


| | RELEVANT PARTICULARS | |
|---|---|---|
| 1 | Name of the corporate debtor | BHUMYA TEA COMPANY PVT. LTD. |
| 2 | Date of incorporation of corporate debtor | 29.03.2005 |
| 3 | Authority under which corporate debtor is incorporated / registered | Registrar of Companies, Kolkata |
| 4 | Corporate identity number / limited liability identification number of Corporate Debtor | U01409WB2005PTC102542 |
| 5 | Address of the registered office and principal office (if any) of corporate debtor | 34A Metcalfe Street, Jain Centre, 7th Floor, Kolkata 700013, West Bengal |
| 6 | Insolvency commencement date of the corporate debtor | 05.04.2022 |
| 7 | Date of invitation of expression of interest | 21.06.2022 |
| 8 | Eligibility for resolution applicants under section 25(2)(h) of the Code is available at: | Detail can be obtained by sending mail at: cirp.bhumyatea@gmail.com |
| 9 | Norms of ineligibility applicable under section 29A are available at: | Available at website of IBBI (https://www.ibbi.gov.in) and can also be obtained by emailing at: cirp.bhumyatea@gmail.com |
| 10 | Last date for receipt of expression of interest | 06.07.2022 |
| 11 | Date of issue of provisional list of prospective resolution applicants | 16.07.2022 |
| 12 | Last date for submission of objections to provisional list | 21.07.2022 |
| 13 | Date of issue of final list of prospective resolution applicants | 26.07.2022 |
| 14 | Date of issue of information memorandum, evaluation matrix and request for resolution plans to prospective resolution applicants | 19.07.2022 |
| 15 | Manner of obtaining request for resolution plan, evaluation matrix, information memorandum and further information | Will be shared in electronic form with eligible Prospective Resolution Applicant |
| 16 | Last date for submission of resolution plans | 18.08.2022 |
| 17 | Manner of submitting resolution plans to resolution professional | Physical copy to be delivered in sealed envelope by speed post or by hand and 'Digital Copy' through email at cirp.bhumyatea@gmail.com |
| 18 | Estimated date for submission of resolution plan to the Adjudicating Authority for approval | 16.09.2022 |
| 19 | Name and registration number of the resolution professional | CA Santanu Brahma IP Regn. No. IBBI/IPA-001 /IP-P-01482/2018 -2019/12251 |
| 20 | Name, Address and e-email of the resolution professional, as registered with the Board | CA Santanu Brahma Address: AH-276, Salt Lake, Sector II, Kolkata 700091, |
| 21 | Address and email to be used for correspondence with the resolution professional | WB E: ip.santanubrahma@gmail.com Address: AH-276, Salt Lake, Sector II, Kolkata 700091, WB E: cirp.bhumyatea@gmail.com |
| 22 | Further Details are available at or with | Other details can be sought by email to cirp.bhumyatea@gmail.com |
| 23 | Date of publication of Form G | 19.06.2022 |

Date : 19th June, 2022
Place : Kolkata
CA Santanu Brahma
IBBI Regn. No.: IBBI/IPA-001 /IP-P-01482/2018-2019/12251
Resolution Professional for M/s. Bhumya Tea Company Pvt. Ltd.
AH-276, Salt Lake, Sector II, Kolkata 700091, WB

# ৰেট সমাধি আৰু গীতাঞ্জলি শ্ৰী

■ মাণিক পাল




যোৱা ২৬ মে' তাৰিখটো ভাৰতীয় হিন্দী সাহিত্যৰ বাবে এক চিৰস্মৰণীয় আৰু সোণোৱালী দিন হৈ থাকিব। লগতে সকলো ভাৰতবাসীৰ বাবে এক নতুন আশাৰ কিৰণ আৰু সম্ভাৱনা হৈ থাকিব। কাৰণ উক্ত দিনাখনতে এগৰাকী ভাৰতীয় লেখিকাই নিজৰ হিন্দী উপন্যাসৰ বাবে প্ৰথমবাৰ লাভ কৰিলে ২০২২ বৰ্ষৰ আন্তঃৰাষ্ট্ৰীয় বুকাৰ বঁটা। হিন্দী ভাষাৰ প্ৰথমখন উপন্যাস যিখনে এই বুকাৰ বঁটা লাভ কৰিলে। সেই ভাৰতীয় প্ৰথম লেখিকাজনী হ'ল গীতাঞ্জলি শ্ৰী। তেওঁ হ'ল এগৰাকী হিন্দী ঔপন্যাসিক আৰু চুটি গল্পকাৰ। তেওঁ এই বঁটা লাভ কৰে ২০১৮ চনত প্ৰকাশিত তেওঁৰ পঞ্চমখন উপন্যাস 'ৰেট সমাধি'ৰ বাবে। যিখন উপন্যাসক ২০২১ চনত অনুবাদ কৰে জনপ্ৰিয় অনুবাদক 'ডেইজী ৰকৱেলে' আৰু ইংৰাজীত উপন্যাসখনৰ নাম দিয়ে 'টম্ব অৱ ছেণ্ড'। ২০২২ চনত এই পুৰস্কাৰৰ বাবে মুঠ ১৩খন গ্ৰন্থক তালিকাভুক্ত কৰা হৈছিল। তাৰে ভিতৰত শেষ হাঁহি মাৰিবলৈ সক্ষম হয় গীতাঞ্জলি শ্ৰীৰ এই উপন্যাসখনে। এই বঁটাৰ বাবে তেওঁ আন ৫জন ফাইনেলিষ্টক পৰাস্ত কৰে। তেওঁলোক হ'ল পোলিশ লেখিকা আৰু সমাজকৰ্মী ওলগা তোকাৰজু, আৰ্জেণ্টিনাৰ ক্লাউদিয়া পিনেইৰো, দক্ষিণ কোৰিয়াৰ লেখিকা বোৰা চুং।

বিশ্ব সাহিত্যৰ অন্যতম মৰ্যাদাসম্পন্ন আৰু অস্কাৰ অৱ সাহিত্য নামে পৰিচিত বঁটা বিধেই হ'ল আন্তঃৰাষ্ট্ৰীয় বুকাৰ বঁটা। এই বঁটা ১৯৬৭ চনত প্ৰথমবাৰৰ বাবে সূচনা কৰা হয়। সেই সময়ত ইয়াৰ নাম আছিল 'বুকাৰ মেকক'নেল প্ৰাইজ।' ইংৰাজী ভাষাতে লিখা আৰু গ্ৰেট ব্ৰিটেইন বা আয়াৰলেণ্ডত প্ৰকাশিত উপন্যাসৰ বাবে এই পুৰস্কাৰ প্ৰদান কৰা হয়। বুকাৰ প্ৰাইজ ফাউণ্ডেচনে গঠন কৰি দিয়া সাতজনীয়া বিচাৰকৰ দলে বুকাৰ বঁটাৰ বাছনি কৰে। ভাৰতৰ পৰা ইতিমধ্যে চাৰিজনকৈ লেখকে এই বঁটা লাভ কৰিছে। তেওঁলোক হ'ল — ১৯৮১ চনত 'মিডনাইট চিলড্ৰেনছ' উপন্যাসৰ বাবে 'ছলমান ৰুশ্বদী', ১৯৯৭ চনত 'দ্য গড অৱ স্মল থিং' উপন্যাসৰ বাবে অৰুন্ধতী ৰায়, ২০০৬ চনত 'দ্য ইনহেৰিটেঞ্চ অৱ ল'ছ' উপন্যাসৰ বাবে কিৰণ দেশায় আৰু ২০০৮ চনত 'দ্য হোৱাইট টাইগাৰ' উপন্যাসৰ বাবে অৰবিন্দ আদিগা। কিন্তু এওঁলোক সকলোৱে এই বঁটা লাভ কৰে নিজৰ নিজৰ ইংৰাজী কিতাপৰ বাবে। কিন্তু ২০২২ চনৰ এই বঁটা গীতাঞ্জলি শ্ৰীয়ে লাভ কৰে নিজৰ হিন্দী উপন্যাসৰ বাবে। সঁচাকৈয়ে ই হিন্দী ভাষা আৰু সাহিত্যৰ বাবে আনন্দ আৰু গৰ্বৰ খবৰ। এই বঁটাৰ সৈতে গীতাঞ্জলি শ্ৰীয়ে লাভ কৰা ৫০ হাজাৰ পাউণ্ড অৰ্থাৎ ৬৯ হাজাৰ ডলাৰ, ভাৰতীয় টকা মতে প্ৰায় ৫১ লাখ টকা অনুবাদক ডেইজী ৰকৱেলৰ লগত সমানে ভগাই ল'ব।

উপন্যাস 'টম্ব অৱ ছেণ্ড'ত লেখিকা গীতাঞ্জলি শ্ৰীয়ে এজনী ৮০ বছৰীয়া বিধৱাৰ জৰিয়তে ভাৰত আৰু পাকিস্তানৰ আন্তঃৰাষ্ট্ৰীয় সীমাক নিঃশেষ কৰি ব্যক্তিমূল্যক স্থাপিত কৰে। এগৰাকী বৃদ্ধ মহিলাৰ কল্পনাই প্ৰমাণিত কৰে যে আন্তঃৰাষ্ট্ৰীয় সীমাবোৰৰ অস্তিত্ব আচলতে মানুহৰ অন্তৰ বা হৃদয়ত নাই, এইবোৰ বাহ্যিক প্ৰদৰ্শনহে মাথোঁ। উপন্যাসখনৰ মূল কেন্দ্ৰবিন্দু হ'ল এইজনী ৮০ বছৰীয়া বিধৱা। যিগৰাকী মহিলাই স্বামীৰ মৃত্যুৰ পাছত হতাশাত ভোগে আৰু জীৱনৰ প্ৰতি থকা সকলো মোহ ত্যাগ কৰি শাশ্বত মৃত্যুৰ বাবে অপেক্ষা কৰে আৰু নিজৰ পৰিয়ালৰ সদস্যসকলৰ প্ৰতিও পিঠি দিয়ে। কিন্তু পৰিয়ালৰ সদস্যসকলৰ তাগিদাত তেওঁ হতাশাৰ পৰা নিজৰ মন-মস্তিষ্কক মুক্ত কৰে আৰু নিজৰ অতীতৰ স্মৃতিক ৰোমন্থন কৰিবলৈ ভাৰত-পাকিস্তানৰ সীমা পাৰ কৰি তেওঁ পাকিস্তানত যোৱাৰ কথা কল্পনা কৰে। কাৰণ উপন্যাসৰ কাহিনী মতে তেওঁ ভাৰত-পাকিস্তানৰ বিভাজনৰ পাছত বহু স্মৃতি পাকিস্তানতে থৈ আহে আৰু ভাৰতত আহি স্থায়ীভাৱে সংস্থাপিত হয়। নিজৰ স্মৃতিৰ ডেউকা মেলি তেওঁ কল্পনাৰ আকাশত পাকিস্তানত এৰি অহা নিজৰ অতীতৰ সোণোৱালী দিনবোৰ ৰোমন্থন কৰে। য'ত তেওঁ নিজৰ বাল্যকাল, যৌৱন কালৰ সকলো স্মৃতি আৰু পৰিৱেশ হৃদয়ত পুনৰ সজীৱ কৰে। মুঠতে উপন্যাসখনত লেখিকাই মানৱীয় সংবেদনা ৮০ বছৰীয়া মহিলাৰ মাধ্যমেৰে বৰ্ণনা কৰিছে।

গ্ৰন্থখনৰ প্ৰথম পাত লুটিয়ালে আপোনালোকে পঢ়িবলৈ পাব শব্দ আৰু ভাষাৰ এক মনোৰম উপস্থাপন — 'এটা কাহিনী নিজে নিজক ক'ব, কাহিনী সম্পূৰ্ণও হ'ব আকৌ কাহিনী অসম্পূৰ্ণ হৈও থাকিব। যিটো কাহিনীৰ চলন। মনোৰম কাহিনী য'ত দেশৰ সীমা আছে আৰু এজনী মহিলা আছে যি আহে আৰু যায় আৰ-পাৰ নিজ ইচ্ছা মতে। মহিলা আৰু দেশৰ সীমা যেতিয়া একলগ হয় তেতিয়া কাহিনী নিজে নিজে সৃষ্টি হয়। বৰং মহিলাসকল নিজেই হ'ল একো একোটা কাহিনী। তাৰ পাছত যি বতাহ বলে তাত কাহিনী উৰিবলৈ ধৰে আৰু অস্তমিত সূৰ্যই কাহিনীৰ বহু বন্তি জ্বলাই আকাশৰ মেঘত ওলমাই দিয়ে আৰু এই সকলো গাথাত জড়িত হৈ যাবলৈ ধৰে।' যদি এজন ব্যক্তিয়ে নিজৰ ভাৱনাৰ সাগৰক কলমৰ সহায়ত উকা কাগজৰ বুকুত শব্দৰ মালাৰে লিখিবলৈ ধৰে তেতিয়া সি এনে এক কাহিনী ৰচনা কৰে যাৰ দ্বাৰা লোক অনুপ্ৰাণিত হয় আৰু শিকিবলৈ যত্ন কৰে।

শিকাৰ পাছত আগবাঢ়ি যায়, য'ৰ পৰা অভিৰোচনৰ কেন্দ্ৰ নিজে নিজে ওলাই আহে। এনেকুৱা উপন্যাস এখন পঢ়িবলৈ পাব আপোনালোকে 'টম্ব অৱ ছেণ্ড'ত। আন্তঃৰাষ্ট্ৰীয় বুকাৰ বঁটা লাভ কৰাৰ পাছত গীতাঞ্জলি শ্ৰীয়ে কয় — 'মই কেতিয়াও বুকাৰ বঁটাৰ সপোন দেখা নাছিলোঁ। এয়া সম্ভৱ হ'ব বুলিও ভবা নাছিলোঁ। এয়া মোৰ বাবে বৃহৎ স্বীকৃতি। মোৰ আৰু এই কিতাপখনৰ পাছত হিন্দী আৰু অন্য দক্ষিণ এছিয়াৰ ভাষাৰ মাজত এক সাহিত্যিক আৰু সমৃদ্ধ পৰম্পৰা আছে। এই ভাষাৰ কিছু জনপ্ৰিয় আৰু সফল লেখকক জানিবলৈ বিশ্ব সাহিত্য সমৃদ্ধ হ'ব। এই ধৰণৰ কথোপকথনত জীৱনৰ শব্দাৱলী বৃদ্ধি পাব 'বুকাৰ বঁটাৰ বিচাৰকৰ অধ্যক্ষ' ফ্ৰেংক ৱাইনিয়ে 'বঁটা প্ৰদান কৰি কয়— 'আমি গীতাঞ্জলি শ্ৰীৰ লিখন আৰু ডেইজী ৰকৱেলৰ অনুবাদ পঢ়াৰ পাছত উপন্যাস 'টম্ব অৱ ছেণ্ড'ৰ সামৰ্থ্য, তীক্ষ্ণতা আৰু চঞ্চলতাত আপ্লুত হওঁ। এইটো ভাৰত আৰু ইয়াৰ বিভাজনক লৈ লিখা এখন অসাধাৰণ উপন্যাস, যিয়ে মন্ত্ৰমুগ্ধ কৰে। এই উপন্যাসে যুৱক, পুৰুষ, মহিলা, পৰিয়াল আৰু ৰাষ্ট্ৰক কেইবাটাও নিদৰ্শন দেখুৱায়।

গীতাঞ্জলি শ্ৰীৰ জন্ম হৈছিল ১৯৫৭ চনত উত্তৰ প্ৰদেশৰ মেইনপুৰীত। তেওঁৰ দেউতাক এজন আমোলা বিষয়া আছিল বাবে তেওঁ উত্তৰ প্ৰদেশৰ বিভিন্ন চহৰত ডাঙৰ-দীঘল হয়। তেওঁ নতুন দিল্লীৰ 'দিল্লী বিশ্ববিদ্যালয়ৰ লেডী শ্ৰী ৰাম কলেজত পঢ়ে। তেওঁৰ প্ৰথম গল্প 'বেল পত্ৰ' ১৯৮৭ চনত সাহিত্য আলোচনী 'হেঞ্চ'ত (Hans) প্ৰকাশিত হয়। ১৯৯১ চনত তেওঁৰ প্ৰথমখন চুটিগল্পৰ সংকলন 'অনুগুঞ্জন' প্ৰকাশিত হৈছিল। তেওঁ এগৰাকী লেখিকা হিচাপে খ্যাতি অৰ্জন কৰে 'মাই' নামৰ উপন্যাসৰ ইংৰাজী অনুবাদৰ পাছত। উপন্যাসখনত উত্তৰ ভাৰতীয় মধ্যবিত্ত পৰিয়ালৰ তিনি প্ৰজন্মৰ নাৰী আৰু তেওঁলোকৰ আশে-পাশে থকা পুৰুষসকলৰ পৰিৱেশক বৰ্ণিত কৰিছে। চাৰ্বিয়ান, কোৰিয়ান ভাষাকে ধৰি বিভিন্ন ভাষাত 'মাই' উপন্যাসখন অনূদিত হৈছে। এই উপন্যাসখনক ইংৰাজীত অনুবাদ কৰে সাহিত্য অকাদেমি বঁটাপ্ৰাপক লেখক নীতা কুমাৰে।

উপন্যাসখন উৰ্দু ভাষাত অনুবাদ কৰিছে 'বসহিৰ উনৱানে' ইন্তিজাৰ হুছেইনৰ পাতনিৰ সৈতে। ফৰাচী ভাষাত অনুবাদ কৰিছে এনি মণ্টাউটে, জাৰ্মানী ভাষাত অনুবাদ কৰিছে ৰেইনহোল্ড শেইনে। তেওঁৰ দ্বিতীয়খন উপন্যাস 'হমাৰা চহৰ উচ বৰছ', উত্তৰ প্ৰদেশৰ বাবৰি মছজিদ ধ্বংসৰ ঘটনাক লৈ ৰচিত। তেওঁৰ চতুৰ্থখন উপন্যাস 'খালী জগহ' প্ৰকাশিত হৈছিল ২০০৬ চনত। এই উপন্যাসখন ইংৰাজীত অনুবাদ কৰিছে নিবেদিতা মেননে 'দ্য এম্প্‌টি স্পেছ' নামেৰে। তেওঁৰ পঞ্চমখন উপন্যাস হ'ল ২০১৮ চনত প্ৰকাশিত 'ৰেট সমাধি', যিখনৰ বাবে তেওঁ এইবাৰ আন্তঃৰাষ্ট্ৰীয় বুকাৰ বঁটা লাভ কৰিলে। আন্তঃৰাষ্ট্ৰীয় বুকাৰ বঁটা লাভ কৰাৰ আগতে তেওঁ 'ইন্দু শৰ্মা কথা সন্মান' লাভ কৰিছে। তেওঁ সাংস্কৃতিক মন্ত্ৰণালয় ভাৰত আৰু জাপান ফাউণ্ডেচনৰ এজনী সহকৰ্মী আছিল। তেওঁ থিয়েটাৰতো অংশগ্ৰহণ কৰে আৰু লেখক, শিল্পী, নৃত্যশিল্পী আৰু চিত্ৰশিল্পীৰ সমন্বয়ত গঠিত থিয়েটাৰ গ্ৰুপ 'বিভাদি'ৰ (Vivadi) লগতো কাম কৰে।

টম্ব অৱ ছেণ্ডৰ অনুবাদক ডেইজী ৰকৱেল হ'ল উত্তৰ নিউ ইংলেণ্ডৰ হিন্দী আৰু উৰ্দু সাহিত্যৰ এগৰাকী চিত্ৰশিল্পী আৰু অনুবাদক। হিন্দী আৰু উৰ্দু ভাষাৰ পৰা ইংৰাজীলৈ অনুবাদ কৰা তেওঁৰ কিছুমান গ্ৰন্থ হ'ল— উপেন্দ্ৰনাথ আশকেৰৰ ফ্লায়িং লাল (২০১৫), ভীষম সাহানীৰ 'আমাছ' (২০১৬), খাদিজা মস্তৰৰ ' দ্য উইমেন কোৰ্টিয়াৰ্ড'। কৃষ্ণ বসতিৰ চূড়ান্ত উপন্যাসৰ অনুবাদ 'ইয়াতে এটি গুজৰাট তাতে এটি গুজৰাট'ৰ বাবে তেওঁ ২০১৯ চনত 'অলডো এণ্ড জিন স্ক্যাগলিওন অনুবাদ' পুৰস্কাৰ লাভ কৰে। তেওঁ 'দ্য লিটল বুক অৱ টেৰৰ' নামৰ গ্ৰন্থখন লিখে, যিখন এখন উগ্ৰপন্থীৰ বিশ্ব যুদ্ধৰ ওপৰত চিত্ৰকৰ্মৰ প্ৰবন্ধ। ২০১৪ চনত তেওঁ 'টেষ্ট' নামৰ উপন্যাস লিখিছে। যিখন 'ফ'হেড বুকছ' নামৰ প্ৰকাশনৰ দ্বাৰা প্ৰকাশিত হৈছিল।

মুঠতে গীতাঞ্জলি শ্ৰীৰ ৰেট সমাধি হ'ল এজনী বৃদ্ধ মহিলাৰ জীৱন গাথা, য'ত আছে বন্ধুত্ব, বিভাজন, আই-পুত্ৰ, আই-পুত্ৰী আৰু প্ৰেমৰ ৰসালতা। সম্পূৰ্ণ বিশ্ব বিভিন্ন আন্তঃৰাষ্ট্ৰীয় সীমাৰে বিভাজিত হৈ আছে। কিন্তু এই সীমাৰেখাৰ কোনো অস্তিত্ব নাই চৰাই, নদী, বায়ু আৰু শব্দৰ। শব্দই ভাষাৰ সীমাক অতিক্ৰম কৰি পাঠকৰ হৃদয়ত নিজৰ স্থান বিচাৰি লয়। উপন্যাসৰ চৰিত্ৰই নিজৰ মাটি, নিজৰ দেশৰ সুগন্ধ অন্য ভাষাৰেও ঠিক তেনেকৈয়ে বিলাব পাৰে, যেনেকৈ নিজৰ ভাষাৰে সম্ভৱ।

# বাৰ্তালাপৰ পটভূমিত সৃষ্টি কৰা 'তোমাৰ নিবিড় মায়াৰে' নাটখন



■ জনাৰ্দন তালুকদাৰ

পাশ্চাত্য নাটকক নতুন ৰূপত প্ৰতিষ্ঠা কৰা আমেৰিকাৰ মনোৰম পোছাক আৰু পোহৰ ডিজাইনাৰ (যাৰ ডিজাইনবোৰে মনোৰম উপাদানবোৰক নাটকৰ কাৰ্যৰ পৰা পৃথক আৰু উদাসীন হোৱাৰ পৰিৱৰ্তে কাহিনী কোৱাৰ সৈতে একত্ৰিত কৰিছিল) ৰবাৰ্ট এডমণ্ড জোনছে কৈছিল— 'পটভূমি, পৃষ্ঠভূমি বা সংযোজনা কেৱল মাত্ৰ ধুনীয়া বস্তু বা অৱস্থা নহয়। ই ধুনীয়া বস্তু বা অৱস্থাৰে সংগ্ৰহ কৰা কাৰ্য। এইটো বা এয়া এক উপস্থিতি, এক বিদ্যমানতা, চাল-চলন, এক ঐকতান সংগীতৰ দিশেদি বা তৰংগ থকা সাংগীতিক ৰচনাবিশেষ, নাটকত জুইৰ শিখা, বহ্নিশিখা জ্বলাবলৈ ই এক বায়ুৰ সোঁত, মানুহে অনুভৱ কৰিব পৰা বায়ুৰ অস্তিত্ব।' উক্ত কথাষাৰ বাস্তৱিক পটভূমিৰ লগত খাপ-খুৱাই ৰচনা কৰি সমাজখনক এক বিশেষ বাৰ্তা প্ৰেৰণ কৰিব বিচৰা অসমৰ অপেছাদাৰী নাট্য জগতৰ প্ৰতিষ্ঠিত নাট্যকাৰ তথা পৰিচালক ঋতুপৰ্ণ দাসৰ এখন অন্যতম নাট হ'ল 'তোমাৰ নিবিড় মায়াৰে'। অসমীয়া সংগীতসমূহৰ ভিতৰত এটি শ্ৰেষ্ঠ অসমীয়া হৃদয়স্পৰ্শী সংগীত 'মোক এটি সুৰ কৰি তোলা, তোমাৰ প্ৰেমেৰে প্ৰেমেৰে... মোক এপাহ হাঁহি কৰি দিয়া তোমাৰ নিবিড় মায়াৰে...। গীতটি ৰচনা কৰিছিল অসমৰ এগৰাকী সুকবি, সাহিত্যিক, গীতিকাৰ, লোক-সংস্কৃতিৰ গৱেষক ড° নিৰ্মলপ্ৰভা বৰদলৈ বাইদেৱে। ড° নিৰ্মলপ্ৰভা বাইদেউৰ সেই গীতটিৰ লগত সংগতি ৰাখি নাট্যকাৰ ঋতুপৰ্ণ দাসে ৰচনা কৰা 'তোমাৰ নিবিড় মায়াৰে' এখন সৰ্বাংগসুন্দৰ সামাজিক নাট। বৰ্তমান দুঃসময়ৰ সকলো দিশ সামৰি মাত্ৰ দুটা চৰিত্ৰৰ দ্বাৰা টেলিফোন বাৰ্তালাপেৰে এখন জীৱন্ত ছবি দৰ্শকক উপহাৰ দিব পৰাটোৱেই নাট্যকাৰ তথা স্বাধীন থিয়েটাৰ নাট্য দলটিৰ চৰম সফলতা আৰু এই সফলতাৰ মূলতেঃ নাট্যকাৰে নিৰ্মাণ কৰা শক্তিশালী সংলাপ।


লিখনিৰ বিষয়ভিত্তিক আলোচনা খুব কমসংখ্যক লেখকৰ ভাগ্যততহে ঘটে। নাটখনৰ কাহিনীটো আগবাঢ়ে এনেদৰেই যে এগৰাকী লেখিকা আৰু হঠাৎ এদিন লেখিকাগৰাকীৰ উপন্যাস পঢ়ি ভাল পোৱা পাঠক এজনৰ ফোন। তাৰ পিছত প্ৰতিদিনে একেটা সময়তে সেই ফোনটো বাজি উঠিছিল আৰু আৰম্ভ হৈছিল যান্ত্ৰিক বাৰ্তালাপ। বিষয়ভিত্তিক আলোচনাৰে চলি গৈছিল দুয়োৰে কথাবোৰ। কথাবোৰৰ মাজে মাজে আগবাঢ়ি গৈছিল কাহিনীটো। কথাবোৰ চিনাকি, মুখবোৰ অচিনাকি। কথাত সকলো থাকে, সাহিত্য থাকে, দৰ্শন থাকে, বিপ্লৱ থাকে আৰু থাকে এবুকু গান। কথা মানেই অপেক্ষাৰ অন্ত, কথা মানেই বুকুত বসন্ত। কথাবোৰে হাঁহে, কথাবোৰে কান্দে, কথাবোৰে ভালপোৱাৰ গীত জোৰে। কথাবোৰত আকৌ আউল লাগে, অথচ কথাবোৰে জীৱন ভৰুণ কৰে, সপোন ৰচে। গুণমুগ্ধ পাঠকজনে 'লেখা ভালপাওঁ আপোনাৰ' বুলি কোৱা কথাৰ পৰাই জীৱন, দৰ্শন, ৰাজনীতি, বিপ্লৱ, প্ৰিয় গীতৰ পৰা জীৱনৰ উপলব্ধিলৈকে বহু কথাই চলি থাকে দুয়োটা চৰিত্ৰৰ মাজত। জীৱনৰ এটা স্তৰত আমি এনেকুৱা কিছুমান মানুহ লগ পাওঁ, যিয়ে কম দিনৰ বাবে হ'লেও আমাৰ মনটো ৰঙীণ কৰি তোলে। সেই ব্যক্তিৰ সান্নিধ্যই পুৰণি কিছুমান গভীৰ স্মৃতিৰ ভৰ পাতল কৰি দিয়ে। হয়তো প্ৰত্যেকৰে জীৱনত এনেকুৱা বিশেষ ব্যক্তি আছে। মাত্ৰ দুটা চৰিত্ৰৰ নাটখনত অভিনয় কৰা সত্যজিৎ গগৈ আৰু অপৰ্ণা দত্ত চৌধুৰীৰ অভিনয়ে দৰ্শকক মুগ্ধ কৰি তুলিছে। সংলাপৰ মাজে মাজে গানৰ কথা, চৰিত্ৰ দুটাই নিজে পৰিৱেশন কৰা গানৰ সুৰ-শব্দই দৰ্শকক মায়াৰ জৰীৰে বান্ধি ৰাখিবলৈ সক্ষম হৈছে।

এখন সুন্দৰ নাটক। দৃশ্যপটৰ কোনো সাল-সলনি নকৰাকৈ এটা বিশেষ পৰিৱেশ সৃষ্টি কৰি কাহিনী, সংলাপ, সংগীত, শব্দ, পোহৰ আদিৰ মায়াৰে এক নতুন শৈলীৰে নাটকখন উপস্থাপন কৰি নাট্যকৰ তথা পৰিচালক ঋতুপৰ্ণ দাসে এজন সফল নাট্যকাৰ আৰু পৰিচালকৰূপে নিজকে পুনৰবাৰ প্ৰতিষ্ঠা কৰাত সক্ষম হৈছে। গুৱাহাটী ৰবীন্দ্ৰ ভৱনত তিনিবাৰকৈ, গুৱাহাটী বিশ্ববিদ্যালয়ত, গোলাঘাটত, নলবাৰী নাট্য মন্দিৰৰ লগতে বিভিন্ন স্থানত নাটখন পৰিৱেশন কৰাৰ পিছতে দৰ্শকে নাটখন আদৰি লৈছে। নাট্যপ্ৰেমী দৰ্শক আৰু সামাজিক মাধ্যমত নাটখনে প্ৰায় চৰ্চা লাভ কৰিছে। নাট্যকাৰ তথা পৰিচালক ঋতুপৰ্ণ দাসে দৰ্শকক এখন সুন্দৰ সামজিক নাট উপহাৰ দিছে।

*ফোন ঃ ৬৯০০৭-৮৮৮৭০*

# মনীষা শৰ্মাৰ কাব্যিক উপন্যাস কথোপকথন

■ ধৰ্মেন্দ্ৰ বৰুৱা




অসমীয়া সাহিত্য জগতৰ এটি চিনাকি নাম মনীষা শৰ্মা। জনপ্ৰিয় লেখিকা, কবি, গল্পকাৰ, ঔপন্যাসিক, স্তম্ভলেখক মনীষা শৰ্মাই দীৰ্ঘদিন ধৰি সাহিত্য চৰ্চা কৰি আহিছে। তেওঁ বহুকেইখন মূল্যৱান গ্ৰন্থ লিখি অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰাৰ প্ৰয়াস কৰিছে। বহুকেইখন গ্ৰন্থ লিখি পাঠকৰ মাজত জনপ্ৰিয় হৈ পৰা মনীষা শৰ্মাই শেহতীয়াভাৱে প্ৰকাশ কৰি উলিয়াইছে 'কথোপকথন' নামৰ এখন কাব্যিক উপন্যাস। অসমৰ আগশাৰীৰ প্ৰকাশক গোষ্ঠী বনফুল প্ৰকাশনে প্ৰকাশ কৰি উলিওৱা এই উপন্যাসখনৰ মনোৰম উপস্থাপন, প্ৰাঞ্জল ভাষা আৰু প্ৰকাশভংগীয়ে পাঠকক আকৰ্ষিত কৰিবলৈ সক্ষম হৈছে। বিশিষ্ট কবি নীলিম কুমাৰে এই উপন্যাসখনক ব্যতিক্ৰমী কাব্যিক উপন্যাস বুলি অভিহিত কৰি অসমীয়া সাহিত্যত আগতে এনেকুৱা কাব্যিক উপন্যাস হোৱা নাই বুলি উল্লেখ কৰে। 'কথোপকথন' প্ৰেমৰ সুৱাসেৰে সুৱাসিত এখন সুন্দৰ কাব্যিক উপন্যাস। গ্ৰাম্য সমাজৰ পটভূমিত ৰচিত এই উপন্যাসখনত লেখিকাই অতি সৰলতাৰে প্ৰেমিক যুগলৰ অনুভৱ, চিন্তা, কথা, কাৰ্যক কাব্যিকতাৰে উপস্থাপন কৰিছে। উপন্যাসখনৰ চৰিত্ৰ নীল আৰু প্ৰিয়া দুয়ো প্ৰেমিক-প্ৰেমিকা, ইজন আনজনৰ বুকুৰ আপোন। এই নীল আৰু প্ৰিয়াৰ কথোপকথনেৰে উপন্যাসখন আৰম্ভ হৈছে আৰু শেষো তেনেকৈয়ে হৈছে। তেওঁলোকৰ কথোপকথনৰ মাজেৰে লেখিকাই অতি চতুৰভাৱে সমাজ জীৱনৰ ভিন্ন চিত্ৰ অংকিত কৰিছে, সমাজৰ ভিন্ন সমস্যাক উপস্থাপন কৰিছে।

নাৰী সৃষ্টিৰ প্ৰতীক, ত্যাগৰ প্ৰতীক। নাৰীয়ে মাতৃ, পত্নী, প্ৰেয়সী ভিন্ন ৰূপেৰে সমাজত ভিন্ন ক্ষেত্ৰত ত্যাগ স্বীকাৰ কৰি আহিছে। কিন্তু, প্ৰাত্যহিকে আনৰ বাবে ত্যাগ কৰি অহা নাৰী ভিন্ন ক্ষেত্ৰত ঘৰ, সমাজ, পৰিয়ালৰ পৰা লাঞ্ছিত-বঞ্চিত হৈ অহা দেখা যায়। তদুপৰি বৰ্তমান সমাজ ব্যৱস্থাত একাংশ নাৰী প্ৰতি পদে পদে শোষণৰ বলি হৈ আহিছে। নাৰী ধৰ্ষণ, বলাৎকাৰ, অপহৰণ আদি আজিৰ সমাজত সততে দেখিবলৈ পোৱা যায়। গতিকে, লেখিকা মনীষা শৰ্মাই উপন্যাসখনত নীল আৰু প্ৰিয়াৰ কথোপকথনৰ মাজেৰে নাৰীৰ বিভিন্ন সমস্যাক উপস্থাপন কৰিবলৈ প্ৰয়াস কৰিছে।


গ্ৰাম্য সমাজৰ পটভূমিত ৰচিত উপন্যাসখনত গ্ৰামাঞ্চলৰ নিভাঁজ চিত্ৰ পৰিস্ফুট হৈছে। আনহাতে, লেখিকাই নগৰীয়া সমাজৰ যান্ত্ৰিকতাকো উপন্যাসখনত উপস্থাপন কৰিছে। কংক্ৰিট মহানগৰৰ যান্ত্ৰিকতাৰ পৰা ওলাই আহি গ্ৰাম্য পৰিৱেশত নিজকে নিয়োজিত কৰি লাভ কৰা প্ৰশান্তি আৰু সতেজতাকো লেখিকাই নীল আৰু প্ৰিয়াৰ কথোপকথনৰ মাজেৰে উপস্থাপন কৰিছে। আজিৰ যান্ত্ৰিক পৃথিৱীত সমাজৰ পৰা যে নৈতিকতা, মানৱতা, মূল্যবোধ আদি হেৰাই যাব ধৰিছে, তাক লেখিকাই সুন্দৰ ৰূপত প্ৰকাশ কৰিছে। নৈতিকতা, মূল্যবোধ আদি হেৰাই যোৱাৰ পৰিপ্ৰেক্ষিতত সমাজত পৰা বিৰূপ প্ৰভাৱক লেখিকাই নীল আৰু প্ৰিয়াৰ কথোপকথনৰ মাজেৰে তুলি ধৰিছে।

উপন্যাসখনত সঁচা প্ৰেমৰ সুবাস পৰিস্ফুট হৈছে। আনহাতে, প্ৰেমৰ বিচ্ছেদে প্ৰেমিক-প্ৰেমিকাৰ মনত হ'ব পৰা শূন্যতাকো লেখিকাই উপন্যাসখনৰ শেষৰ ফালে উপস্থাপন কৰিছে। আমি আশাবাদী, মনীষা শৰ্মাৰ কাব্যিক উপন্যাস কথোপকথনক পাঠকে মৰম দিয়ক, আদৰি লওক। অনাগত দিনতো তেওঁৰ সাহিত্য চৰ্চা অব্যাহত থাকক আৰু ভাল ভাল গ্ৰন্থ পাঠক সমাজক উপহাৰ দি যাওক।

*ফোন ঃ ৯৩৬৫৪-২৯৯৯৫*

# আইজনী

## জীৱন যুঁজৰ অন্য এক নাম




■ নিলম কলিতা

গুৱাহাটী উচ্চ ন্যায়ালয়ত অধিবক্তা হিচাপে কৰ্মৰত চৈয়দা জাফিৰা হায়াতৰ শেহতীয়াভাৱে প্ৰকাশিত গ্ৰন্থ 'আইজনী - জীৱন যুঁজৰ অন্য এক নাম' এখন নাৰীকেন্দ্ৰিক উপন্যাস। স্বাধীনতাৰ পিছৰ সময়খিনিক কেন্দ্ৰবিন্দু হিচাপে লৈ উপন্যাসখন আৰম্ভ হৈছে। সেই সময়ৰ সহজ-সৰল গঞা ৰাইজৰ এখন সমাজক লেখিকাই পাঠকৰ আগত উপস্থাপন কৰি কাহিনীভাগক আগবঢ়াই লৈ গৈছে। উপন্যাসখনৰ মূল চৰিত্ৰ আইজনীও সেইখন সমাজৰে এগৰাকী সহজ-সৰল নাৰী। লেখিকাই পাতনিত উল্লেখ কৰা অনুসৰি 'আইজনী' চৰিত্ৰটো এটা বাস্তৱ চৰিত্ৰ।

সাধাৰণতে এখন ঘৰ পৰিচালনাৰ ক্ষেত্ৰত নাৰীসকলৰ ভূমিকা অন্যতম। আইজনীও ইয়াৰ ব্যতিক্ৰম নাছিল। নিজৰ ল'ৰা-ছোৱালীকেইটাকে ধৰি ঘৰখনৰ প্ৰত্যেকটো বস্তুকে এক অনন্যতাৰে পৰিপূৰ্ণ কৰি পৰিয়ালটোক আইজনীয়ে দক্ষতাৰে চম্ভালিছিল। বিয়া হোৱাৰ দিন ধৰি গিৰীয়েক বাটোক বহু সময়ত সৰু সৰু কামত আইজনীয়ে দিহা-পৰামৰ্শ দি আহিব লগা হৈছে। বাটোৰ জীৱনটো সুখময় কৰি তোলাত আইজনীৰ ভূমিকা অন্যতম। এইক্ষেত্ৰত কানাডাৰ অভিনেতা জিম কেৰীয়ে কোৱা এষাৰ কথা ক'ব পাৰি— 'Behind every great man is a women rolling her eyes.' নিজৰ পুতেক তিনিটাক আৰু একমাত্ৰ জীয়েক জুনুকাক উচ্চ শিক্ষাৰে শিক্ষিত কৰি তোলা আইজনী পূৰ্বৰ সমাজখনৰ এক ব্যতিক্ৰমী নাৰী আছিল। যি সময়ত ছোৱালীবোৰক কম বয়সতে বিয়া দি ঘৰৰ পৰা উলিয়াই দিয়া হৈছিল, ল'ৰাবোৰক কম বয়সতে বিদ্যালয়লৈ যোৱা বন্ধ কৰি খেতিপথাৰত লগোৱা হৈছিল, ঠিক সেই সময়তে আইজনীয়ে আটাইকেইটা সন্তানকে শিক্ষাৰ পোহৰলৈ উলিয়াই দিছিল। এইটো আইজনীৰ এক মহান কাম আছিল বুলি ক'ব লাগিব। অথচ আইজনী কিন্তু বেছি দিনলৈ বিদ্যালয়ৰ চৌহদ গচকিব পোৱা নাছিল। কিন্তু শিক্ষাৰ মোল বুজিছিল।

গিৰীয়েক বাটো নেফাত (বৰ্তমানৰ অৰুণাচল প্ৰদেশ) চাকৰি কৰাৰ সুবাদতে পৰৱৰ্তী সময়ত আইজনীহঁত তাতেই থাকিবলগীয়া হৈছিল। বছৰ-পযেকৰ মূৰত গাঁৱলৈ আহিছিল। সেই সময়ৰ নেফাৰ সমাজখনৰ লগতে শিক্ষা ব্যৱস্থাটোৰো কিছু আভাস উপন্যাসখনৰ মাজেৰে পোৱা যায়। ৭০-৮০ দশকৰ সমাজ ব্যৱস্থাটোক লেখিকাই উপন্যাসখনৰ পাতত লিপিবদ্ধ কৰাত সফল হৈছে। ওৰেটো জীৱন আইজনীয়ে সুখ-দুখৰ মাজেৰে পাৰ কৰি জীৱনৰ আদিছোৱাত কিছু পৰিমাণে নিঃসংগতা সহ্য কৰিবলগীয়া হৈছিল। অৱহেলিত হোৱা বুলি ক'লেও ভুল কোৱা নহ'ব। তাৰ সমান্তৰালভাৱে আছে বহুতো কাহিনীৰ সমাহাৰ। যিহেতু 'আইজনী' লেখিকাৰ প্ৰথম প্ৰয়াস গতিকে ভুল-ভ্ৰান্তি হোৱাটো স্বাভাৱিক। ভৱিষ্যতে এই ভুলবোৰ শুধৰণি হ'লে লেখিকাৰ উত্তৰণত সহায় হ'ব। 'পাঞ্চজন্য বুক্‌ছ'-এ প্ৰকাশ কৰা উক্ত গ্ৰন্থখনৰ মূল্য ৪০০ টকা। গ্ৰন্থখনৰ প্ৰচ্ছদ অংকন কৰিছে ফাৰহান জাৱেদে।

*ফোন ঃ ৬০০২৬-৭৭১৭২*

# পোহনীয়া সৌন্দৰ্য

■ দেৱৱতী গগৈ

চোমনি ঃ বৰ পলু (মুগা) পোহা ফাৰ্ম। মুগাৰ সাজ নতুন দৰা-কইনাৰ, বিহুৱা-বিহুৱতীৰ সাজ মুগা চেলেং, জুঠৰি কাপোৰ। মুগা লেটা আহাৰৰ বস্তু। মুগা চুঙীয়াৰ নিজৰ ভূমিত আত্মনিৰ্ভৰশীল।

বাগলৰ হাবি ঃ চোমনিৰ লগা-লগিকৈ হলৌ বান্দৰ সংৰক্ষণৰ ব্যৱস্থা বৰ্তমান আগতকৈ সংখ্যা বেছি হৈছে।

লংচাই ডুবি ঃ এক বৃহৎ অঞ্চল জুৰি থকা এই ডুবিৰ পানী ভাগত আছে থলুৱা প্ৰজাতিৰ হৰেক ৰকমৰ মাছ। মৎস্যজীৱীসকলৰ স্ব-নিৰ্ভৰশীল প্ৰাকৃতিক সম্পদৰ পৰা উপাৰ্জনৰ ব্যৱসায়। এই মাছ শুকুৱাই ব্যৱসায় কৰা হয়। কণী লগা মাছ ধৰা নহয়। লংচাই, দৰিকা পথাৰ এই ভূমিভাগো বিস্তীৰ্ণ অঞ্চল জুৰি আছে। এই পথাৰৰ দ' চৰণীয়াত বাৰিষাৰ বাও ধানৰ খেতি আৰু বাম চানেকিয়াত আহু, শালি ধানৰ, খৰালি বাম শস্যৰে খেতিয়কসকলে মাতৃভূমিৰ বুকুত সোণ গুটি বুটলে।

মনোৰম পোহনীয়া সৌন্দৰ্য ঃ আমাৰ আঁচনিত ৰজিতা খাইছে অসমৰ আটাইতকৈ মনোৰম দৃশ্য। চাংপোৰ বুকুৰ পৰা ওলাই ভৈয়ামলৈ বাগৰি অহা দিচাং নদীয়ে অইদেহে বৈদেহে ঘূৰি-পকি আহি শিৱসাগৰত মহাবাহুৰ বৰনৈৰ বুকুত ডুব যোৱা দৃশ্য। লগত আছে দিখৌ নদী। তিনিখন নদীৰ মোহনাৰ এই দৃশ্য অসমৰ মনোৰম পোহনীয়া সৌন্দৰ্য। নদী মোহনাই হৈছে সকলোৰে আদৰৰ বনভোজথলী। মিছিং বন্ধুসকল আমাৰ বাবে মাতৃভূমি অসমৰে সন্তান কাৰণে এনে ধৰণৰ হাজাৰ-বিজাৰ আঁচনিৰ সুবিধা ৰাখি থৈছে।



# জন্মদাত্ৰী 'আই'

■ বিজু খাউণ্ড

'নৈ'ৰ সমান ব'ব কোন, আই সমান হ'ব কোন'। জন্ম দিয়া মাতৃগৰাকীক পূৰ্বতে সকলোৱে 'আই' বুলিলেই সম্বোধন কৰিছিল বুলি জ্যেষ্ঠ তথা বৃদ্ধ-বৃদ্ধাসকলে কোৱা শুনা যায়। 'আই' যাক নোকোৱাকৈ কোনেও থাকিব নোৱাৰে। 'আই' যাক কাৰো লগতেই তুলনাই কৰিব নোৱাৰি। যি নোহোৱাহেঁতেন পৃথিৱীখনৰ পোহৰ আমি কেতিয়াও নেদেখিলোঁহেঁতেন। ন মাহ দহ দিন গৰ্ভত থাকি যাৰ দ্বাৰাই পৃথিৱীখন দেখিলো, যাৰ কোমল বুকুৰ উমত থাকি মৰমৰ মাজেৰে হাঁহিবলৈ শিকিলোঁ, যাৰ হাতৰ পৰশত ডাঙৰ-দীঘল হ'লো, যাৰ মুখৰ মিঠা মাতত থুনুক-থানাক কৈ মাতিব শিকিলোঁ, যাৰ হাতে হাত ধৰি থুপুক-থাপাককৈ খোজ দিবলৈ শিকিলোঁ, যাৰ দ্বাৰাই জীৱনৰ আদি পাঠ শিকিলোঁ, যিয়েই প্ৰতিটো খোজতেই নজৰ ৰাখে, যিয়ে মোৰ দুখত কান্দে আৰু সুখত হাঁহে সেয়াই হৈছে চিৰ নমস্য জন্মদাত্ৰী মাতৃ। যাক আমি বহুত সন্মানেৰে, বহুত ভক্তিৰে 'আই' বুলি মাতো। সেয়েহে ড° ভূপেন হাজৰিকাৰ গীততো শুনা যায় - 'আই তোক কিহেৰে পূজিমে, আইতোৰ চৰণে দুখনি'। জন্মদাত্ৰী মাতৃক পূৰ্বতে সকলোৱেই আই বুলি মাতিছিল যদিও বৰ্তমান আধুনিকতা গ্ৰাসত 'আই' সম্বোধন হেৰাই গৈছে বুলি ক'লেও ভুল নহয়। নৱ-প্ৰজন্মই আইৰ ঠাইত 'মা' বুলি সম্বোধন কৰে। অতি আধুনিকতাত 'মা'ৰ ঠাইত মাম্মী হৈছেগৈ। এয়াও এক যুগৰ পৰিৱৰ্তন বুলি কব পাৰি। পশ্চিমীয়া সংস্কৃতিৰ প্ৰভাৱত আই, মা আদি ঠাইত মাম্মী, মম ইত্যাদি শব্দই থিতাপি লৈছেহি। এয়া কোনো বিতৰ্ক কৰিব বিচৰা নাই। মাত্ৰ দেখি, শুনি অহা কথাবিলাকহে অনুভৱ কৰিছো। আই, মা, মাম্মী যি বুলি মাতিলেও জন্ম দিয়াগৰাকীয়েই মাতৃ। আই, মাতৃ, মাম্মী যি বুলিয়েই মাতক সেয়া সকলোৰে নিজৰ নিজৰ অধিকাৰ আছে। তথাপি আমি নিজেই নিজক যদি সোধো, কিয় থলুৱা সম্বোধনবিলাক এলাগি কৰি আনক অনুকৰণ কৰি আঁকোৱালী ল'বলগীয়া হৈছে। থলুৱা শব্দৰ পৰিৱৰ্তন হ'লেই আমাৰ উন্নতি সম্ভৱ নে ? থলুৱা শব্দবিলাক যেতিয়া আমি পাহৰি যাম, তেতিয়া নিজৰ আইকো পাহৰি যোৱাটো সহজ হৈ পৰিব। যিয়ে কেচুৱা কালত কোলাত লৈ দুহাতেৰে খুৱাই দিয়ে, দুহাতেৰে ধুৱাই দিয়ে, টোপনি যাবৰ বাবে নিচুকনি গীত গাই শুৱাই দিয়ে। নিজে নাখায় সন্তানক খুৱাই কিমান যে আনন্দ পায়। নিজলৈ নথৈ সন্তানসকলক খুৱাই সন্তুষ্টি লাভ কৰা। নিজৰ সন্তানৰ ভালৰ বাবে সকলো মাতৃয়েই অকণো কুণ্ঠবোধ নকৰাকৈয়ে অশেষ ত্যাগ স্বীকাৰ কৰিব পাৰে। নিজ সন্তান ঘৰৰ পৰা ওলাই গলে ঘূৰি নহলৈকে চিন্তাত উচ্‌পিচাই থকা, সন্তানৰ বাবে গোটেই নিশা উজাগৰে থকা ইত্যাদি কথাবিলাকৰপৰাই সন্তানলৈ মাতৃৰ মমতা কিমান কৈ শেষ কৰিব নোৱাৰি। মাতৃৰ ইমানবোৰ ত্যাগ স্বীকাৰ কৰাৰ পিছতো আজিকালি প্ৰায় শুনিবলৈ পোৱা যায় বৃদ্ধা অৱস্থাত কোনোবা আশ্ৰমত মাতৃক পুত্ৰই এৰি অহা কৰুণ কাহিনী। কেতিয়াবা পথৰ কাষত নাইবা কেতিয়াবা ঘৰৰ অকলশৰীয়া কোঠাত নিসংগভাৱে আবদ্ধ কৰি মানসিক নিৰ্যাতন চলোৱাৰ কথা। এইবিলাকৰ বিভিন্ন কাৰণ বা সমস্যা থাকিব পাৰে। কিবা পাকচক্ৰত পৰিও এনে ঘটনা ঘটিব পাৰে। পিছে সকলো মানুহে মাতৃক অৱহেলা নকৰে। মাতৃক শ্ৰদ্ধা-ভক্তি কৰাও বহু লোক আছে। এনেবিলাক ঘটনাই নৱ-প্ৰজন্মৰ মাজত বিৰূপ প্ৰভাৱ নিশ্চিতভাৱে পেলাইছে। এনেবিলাক ঘটনা শুনি বা দেখি থাকিলেও কিছুমান যুৱক-যুৱতীৰ মনত তেনে মানসিকতাই যথাসম্ভৱ গঢ় লৈ উঠিব পাৰে। যাৰ ফলত সেই প্ৰভাৱ পিতৃ-মাতৃৰ ওপৰত পৰাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি। গতিকে এইবিলাক ঘটনা যাতে পুনৰ নঘটে তাৰ বাবে আমি সকলোৱে সজাগ হোৱা সময় আহি পৰিছে। জন্মদাত্ৰী 'আই' মাতৃক স-সন্মানে ৰখাটো আমাৰ সকলোৰে প্ৰধান দায়িত্ব আৰু কৰ্তব্য।

*ফোন ঃ ৭৮৯৬৫-৮৯১৯২*

# কমলপুৰৰ বান পৰিদৰ্শন জলসম্পদ মন্ত্ৰী পীযূষ হাজৰিকাৰ

## ■ বানাক্ৰান্তক সকলো ধৰণৰ সহায়-সহযোগিতা কৰাৰ আশ্বাস বিধায়ক দিগন্ত কলিতাৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, কমলপুৰ, ১৮ জুন ঃ** কামৰূপ জিলাৰ কমলপুৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত বিস্তীৰ্ণ অঞ্চল পুঠিমাৰী আৰু ক'লাজল নৈৰ পানীয়ে প্লাৱিত কৰি পেলায়। ভয়ংকৰ ৰূপ ধাৰণ কৰা বানপৰিস্থিতিয়ে সম্পূৰ্ণৰূপে বিপৰ্যস্ত কৰি পেলাইছে বৃহত্তৰ অঞ্চলটোৰ জনজীৱন। আজি কমলপুৰ সমষ্টিৰ অন্তৰ্গত ক'লাজলত জলসম্পদ মন্ত্ৰী পীযূষ হাজৰিকা কমলপুৰ সমষ্টিৰ বিধায়ক দিগন্ত কলিতাৰ সৈতে উপস্থিত হৈ ক'লাজল আৰু পুঠিমাৰী নদীৰ পানীয়ে সৃষ্টি কৰা বানপানী পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লয়। বানপৰিস্থিতি পৰিদৰ্শন কৰি মন্ত্ৰীগৰাকীয়ে কয় যে ক'লাজল নৈত মথাউৰি নাই বাবে বাঢ়নী পানীয়ে বৃহত্তৰ অঞ্চলটো প্লাৱিত কৰিছে। সেয়ে মন্ত্ৰীগৰাকীয়ে বানপৰিস্থিতি শাম কটাৰ পাছতে এই অঞ্চলত ক'লাজল নৈত স্থায়ী মথাউৰি নিৰ্মাণ কৰিবলৈ জলসম্পদ বিভাগৰ বিষয়া-কৰ্মচাৰীসকলক নিৰ্দেশ দিয়ে। জলসম্পদ মন্ত্ৰীগৰাকীয়ে ক'লাজলৰ পাছত সমষ্টিটোৰ মধুকুছি পঞ্চায়তৰ মতকুছি অঞ্চলত পুঠিমাৰী নদীয়ে সৃষ্টি কৰা খহনীয়াগ্ৰস্ত অঞ্চলো পৰিদৰ্শন কৰে। মন্ত্ৰীগৰাকীয়ে এই পৰিদৰ্শন কালত খহনীয়া প্ৰতিৰোধৰ বাবে সকলো ব্যৱস্থা গ্ৰহণ কৰিবলৈ জলসম্পদ বিভাগক নিৰ্দেশ দিয়ে। মন্ত্ৰীগৰাকীয়ে বানাক্ৰান্ত ৰাইজক আশ্ৰয়, সাহায্য সামগ্ৰী, ঔষধ আদি সকলো প্ৰয়োজনীয় সহায় প্ৰদান কৰিবলৈকো জিলা প্ৰশাসনক নিৰ্দেশ দিয়ে। ইফালে সমগ্ৰ উত্তৰ কামৰূপতে বানে বিভীষিকাৰ সৃষ্টি কৰিছে । কমলপুৰ ৰাজহ চক্ৰৰ সৰহসংখ্যক গাঁও এতিয়া পানীৰ তলত আছে। কমলপুৰৰ মাজেৰে বৈ যোৱা ক'লাজল নদীৰ বাঢ়নী পানীয়ে বহু গাঁও জলমগ্ন কৰি তুলিছে। জলসম্পদ মন্ত্ৰী পীযূষ হাজৰিকাই ক'লাজল নদীৰ বাঢ়নী পানীয়ে জলমগ্ন কৰা অঞ্চল পৰিদৰ্শন কৰাৰ কিছু পিছতে কামৰূপ জিলা উপায়ুক্ত কৈলাস কাৰ্তিক আৰু আৰক্ষী অধীক্ষক হিতেশ চন্দ্ৰ ৰায়ে বান পৰিস্থিতিৰ বুজ লয়। উত্তৰ কামৰূপ অঞ্চলত পূৰ্বে এনে ধৰণৰ বানপৰিস্থিতি হোৱা নাছিল বুলি ব্যক্ত কৰি উপায়ুক্তগৰাকীয়ে বানপানীত আবদ্ধ হৈ থকা লোকসকলক উদ্ধাৰৰ বাবে এছ ডি আৰ এফ, এন ডি আৰ এফ বাহিনীক কামত লগাই দিয়া বুলি উল্লেখ কৰে। যিবিলাক স্থানত বানপানী হৈছে সেই বন্যাক্ৰান্তক সৰ্বতোপ্ৰকাৰে সাহায্য আগবঢ়োৱা হ'ব বুলিও উপায়ুক্তগৰাকীয়ে আশ্বাস প্ৰদান কৰে। আনহাতে, কমলপুৰৰ বিধায়ক দিগন্ত কলিতাই বানপীড়িত ৰাইজক আতংকিত নহ'বলৈ আহ্বান জনাইছে। বিধায়কগৰাকীয়ে বানপীড়িতসকলক ৩১নং ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিলৈ আহিবলৈ আহ্বান জনাইছে। কামৰূপ জিলা প্ৰশাসনে ৩১ নং ৰাষ্ট্ৰীয় ঘাইপথ ৱান ৱে কৰি এটা পথত আশ্ৰয় শিবিৰ স্থাপনৰ কাম আৰম্ভ কৰিছে আৰু তাত বন্যাক্ৰান্তক থকা-খোৱাৰ ব্যৱস্থা কৰা হ'ব বুলিও কলিতাই কয়।



## সাহপুৰত বানপানীৰ সোঁতত মৃত্যু কিশোৰৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ১৮ জুন ঃ** পশ্চিম নলবাৰী অঞ্চলৰ বেলশৰৰ এজন ১৩ বছৰীয়া কিশোৰ ৰেকিবুল ৰহমান, পিতৃ মণ্টুল আজি চামতা সাহপুৰলৈ বানপানী চাবলৈ আহি প্ৰচণ্ড পানীৰ সোঁতত সাহপুৰ জ্ঞানদায়িনী স্কুলৰ নিচেই কাষতে উটি যায়। কিশোৰজনক পিছত পশ্চিম নলবাৰী ৰাজহ চক্ৰ বিষয়া অৰ্পণা শৰ্মা আৰু পকোৱা জিলা পৰিষদৰ সদস্য পৱিত্ৰ ডেকা আৰু চামতা আৰক্ষী চকীৰ আৰক্ষী বিষয়া মৃত্যুঞ্জয় দাসৰ তত্ত্বাৱধানত এছডিআৰএফৰ সহায়ত কিছু আঁতৰৰ পৰা উদ্ধাৰ কৰি চামতা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰলৈ আনে যদিও চিকিৎসকে মৃত বুলি ঘোষণা কৰে। উক্ত কিশোৰজন চামতা ইডেন ভেলী একাডেমীৰ অষ্টম শ্ৰেণীৰ ছাত্ৰ আছিল বুলি জানিব পৰা গৈছে। পিছত ছাত্ৰজনক বেলশৰৰ পৰা ঘৰৰ মানুহ আহি ঘৰলৈ লৈ যায়।

## কৰিয়াজানত জব্দ কাঠ ভৰ্তি ট্ৰেক্টৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ফিল'বাৰী, ১৮ জুন ঃ** তিনিচুকীয়া জিলাৰ সংৰক্ষিত বনাঞ্চলসমূহত বন মাফিয়াৰ দৌৰাত্ম্য অব্যাহত আছে। বন মাফিয়াৰ দৌৰাত্ম্যত ইতিমধ্যে কাচিজান, তৰাণি, খাটাংপানী, নলনি সংৰক্ষিত বনাঞ্চলসমূহ জলাঞ্চললৈ পৰিৱৰ্তন হৈছে। বন মাফিয়াই মূল্যৱান গছ-গছনি কাটি তহিলং কৰাৰ পিছত এতিয়া অসম ৰাজ্যিক গছ হোলোং গছৰ ওপৰত চকু পৰিছে। পূবৰ আমাজান হিচাপে চিহ্নিত তিনিচুকীয়া জিলাৰ বনাঞ্চলসমূহত থকা ৰাজ্যিক গছ হোলোং গছৰ ওপৰত পৰিছে বন মাফিয়াৰ চকু। আজি নিশা বৰডুমচা থানাৰ ভাৰপ্ৰাপ্ত বিষয়াৰ নেতৃত্বত চোৰাং কাঠৰ বিৰুদ্ধে অভিযান চলাই বৰডুমচা থানাৰ কৰিয়াজান গাঁৱত। নিশা অভিযান কালত আৰক্ষীয়ে জব্দ কৰে কাঠ ভৰ্তি ট্ৰেক্টৰ। আৰক্ষীয়ে জব্দ কৰা কাঠৰ পৰিমাণ প্ৰায় ৫০ হাজাৰ টকাৰ মূল্য হ'ব বুলি জানিবলৈ দিছে।

## বিষ্ণুপ্ৰসাদ ৰাভা দিৱস উপলক্ষে অনলাইন বক্তৃতা-ৰাভা সংগীত প্ৰতিযোগিতা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৮ জুন ঃ** কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা দিৱস উপলক্ষে গোলাঘাট জিলাৰ অন্যতম স্বেচ্ছাসেৱী অনুষ্ঠান 'সৃজনম'ৰ উদ্যোগত আয়োজন কৰা হৈছে অনলাইন বক্তৃতা আৰু ৰাভা সংগীতৰ প্ৰতিযোগিতা। তিনিটা শাখাত আয়োজন কৰা হৈছে প্ৰতিযোগিতাসমূহ। ক্ৰমে 'ক' শাখা প্ৰাক্ প্ৰাথমিকৰ পৰা পঞ্চম শ্ৰেণীলৈ, 'খ' শাখা ষষ্ঠ শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈকে, 'গ' শাখা মুকলি শাখাত আয়োজন কৰা হৈছে প্ৰতিযোগিতাসমূহ। বক্তৃতাৰ বিষয়সমূহ হ'ল— 'ক' শাখাৰ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা, 'খ' শাখাৰ বিপ্লৱী ৰাভাৰ সংগীত, 'গ' শাখাৰ বিষ্ণুপ্ৰসাদ ৰাভাৰ সাম্যবাদী চেতনা। ৰাভা সংগীত আৰু বক্তৃতাৰ ২ৰ পৰা ৩ মিনিটৰ ভিডিঅ' কৰি প্ৰেৰণ কৰিব লাগিব সৃজনমৰ ঠিকনাত। ইচ্ছুক প্ৰতিযোগীয়ে ৭০০২০৩৯৯০১ নম্বৰত বক্তৃতাৰ ভিডিঅ' আৰু ৯৯৫৪৩৮৬৬১৯ নম্বৰত ৰাভা সংগীতৰ ভিডিঅ' প্ৰেৰণ কৰিব পাৰিব। ২০ জুন ২০২২ অৰ্থাৎ ৰাভা দিৱসৰ দিনা সন্ধিয়া ৮ বজাৰ ভিতৰত প্ৰেৰণ কৰিব পাৰিব। সকলোৰে অংশগ্ৰহণ কামনা কৰিছে 'সৃজনম'ৰ সভাপতি মেঘালী দেৱী আৰু সম্পাদক মৃদুষ্মন্ত বৰুৱাই।

## শিমলুগুৰিৰ শংকৰদেৱ শিশু নিকেতনত হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ শিক্ষাৰ্থীক অভিনন্দন

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ১৮ জুন ঃ** সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ শিক্ষাৰ্থীসকলক অভিনন্দন জনোৱাৰ উদ্দেশ্যে আজি শংকৰদেৱ শিশু নিকেতনত এক অভিনন্দন অনুষ্ঠানৰ আয়োজন কৰা হয়। পৰিচালনা সমিতিৰ সভাপতি তিলক কোঁৱৰৰ সভাপতিত্বত অনুষ্ঠিত সভাত অৱসৰপ্ৰাপ্ত অধ্যাপক তুলসী শেনচোৱা, পৰিচালনা সমিতিৰ সম্পাদক মুনিন্দ্ৰ কোঁৱৰ, প্ৰাক্তন সম্পাদক কৃষ্ণ আইচ, সুৰেন বৰুৱা প্ৰমুখ্যে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উল্লেখ্য, হাইস্কুল শিক্ষান্ত পৰীক্ষাত শংকৰদেৱ শিশু নিকেতন শিমলুগুৰিৰ ৯৭গৰাকী শিক্ষাৰ্থীৰ ৯৬গৰাকীয়ে উত্তীৰ্ণ হোৱাৰ লগতে ১৫গৰাকীয়ে ডিষ্টিংচন, ১৮গৰাকীয়ে ষ্টাৰ মাৰ্কসহ ৬২গৰাকীয়ে প্ৰথম বিভাগত উত্তীৰ্ণ হৈছিল। আনহাতে, ৰাহুল বৰুৱাই মাত্ৰ ৪ নম্বৰৰ বাবে শীৰ্ষ দহটা স্থান লাভৰ পৰা বঞ্চিত হয়।

## ডিব্ৰুগড়ৰ নিচামুক্তি কেন্দ্ৰৰ বিৰুদ্ধে উপায়ুক্তক অভিযোগ-পত্ৰ দাখিল

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰাণ, ১৮ জুন ঃ** ডিব্ৰুগড় চহৰৰ গাতে লাগি থকা মলখুবছাত থকা নিউ লাইফ নিচামুক্তি কেন্দ্ৰত বহু দিন ধৰি চলি অহা বহু অন্যায়-অনিয়মৰ কাৰ্যৰ বিৰুদ্ধে সংগ্ৰামী প্ৰগতিশীল নাৰী সন্থাৰ ডিব্ৰুগড় জিলা সমিতিয়ে ১৭ জুনত ডিব্ৰুগড় জিলাৰ উপায়ুক্তৰ হাতত এখন অভিযোগ পত্ৰ দাখিল কৰে। সন্থাৰ এটা সঁজাতী দলক নেতৃত্ব দি যোৱা সম্পাদিকা পূৰৱী চাংমাই বৰুৱাৰ স্বাক্ষৰত উপায়ুক্তৰ হাতত প্ৰদান কৰা অভিযোগ পত্ৰত উল্লেখ কৰা হয় যে, এই কেন্দ্ৰটোৰ সচিবপ্ৰধান ৰাজীৱ হাজৰিকাই কেন্দ্ৰটো পৰিচালনাৰ বাবে অহা চৰকাৰী দান-অনুদান আদি কৌশলগতভাৱে আত্মসাৎ কৰা, কৰ্মচাৰীসকলক অতি বেছি এমাহত মাত্ৰ পাঁচ হাজাৰকৈ টকা পাৰিতোষিক দিয়া, ইয়াত বিনামূলীয়াভাৱে চিকিৎসা সেৱা আগবঢ়োৱাৰ নিয়ম যদিও তাকে নকৰি আৱাসীসকলৰ অভিভাৱকসকলৰ পৰা কোনো ৰছিদ আদি নিদিয়াকৈ এটা মাহতে প্ৰায় ৪৫-৫০ হাজাৰকৈ টকাৰ দাবী কৰি লৈ অহা, চিকিৎসাৰ বাবে অহা প্ৰতিগৰাকী আৱাসীৰ পৰা কোনো ৰছিদ আদি নিদিয়াকৈ ১৫ হাজাৰকৈ টকা লোৱা ইত্যাদি বিভিন্ন অনিয়ম-অনীতিমূলক কাৰ্যৰ বিষয়ে উল্লেখ কৰা হয়। ইয়াৰ বাহিৰেও অভিযোগ পত্ৰত উল্লেখ কৰা হয় যে, এই কেন্দ্ৰটোত পুৰুষ আৰু মহিলাও থাকে যদিও সুকীয়া শৌচাগাৰ-প্ৰস্ৰাৱাগাৰৰ ব্যৱস্থা নাই। চিকিৎসকৰ লিখিত পৰামৰ্শ অবিহনেই নিজাববীয়াকৈ ঔষধ ক্ৰয় কৰি আৱাসীসকলক সেৱন কৰিবলৈ দিয়া হয়। এই কেন্দ্ৰটোত চলি অহা দুৰ্নীতিৰ কথা ক'লেই সচিবপ্ৰধান ৰাজীৱ হাজৰিকাই বিভিন্ন ধৰণৰ ভয়-ভাবুকি দিয়ে বুলি অভিযোগ পত্ৰত উল্লেখ কৰা হয় আৰু লগতে উপায়ুক্তক জানিবলৈ দিয়ে যে, এনে ধৰণৰ অনিয়মৰ কথা কোৱা ৰশ্মিৰেখা চেতিয়া নামৰ এগৰাকী আৱাসী তিনি বছৰৰ পূৰ্বৰে পৰা, এই কেন্দ্ৰটোৰ পৰাই নিৰুদ্দেশ হৈ আছে আৰু হত্যা কৰা হৈছে বুলি সন্দেহ কৰি তদন্তৰ বাবে আৰক্ষী প্ৰশাসনৰ ওচৰত অভিযোগ দিয়া হৈছিল যদিও আজিকোপতি আৱাসীগৰাকীৰ কোনো সন্ধান নোলাল। আনফালে আৰক্ষীয়েও নিমাত হৈ থাকিল। উল্লেখ্য যে, উপায়ুক্তৰ হাতত সংগ্ৰামী প্ৰগতিশীল নাৰী সন্থাই এই অভিযোগ পত্ৰ দিয়াৰ সময়ত তেওঁ লোকৰ লগত যোৱা কেন্দ্ৰটোৰ এগৰাকী পৰামৰ্শদাতা মাধুৰী বৰাই উপায়ুক্তক ভিতৰুৱা আৰু বহু অনিয়মৰ কথা ব্যক্ত কৰে। উপায়ুক্তই সকলোবোৰ অভিযোগ শুনাৰ পাছত অভিযোগ পত্ৰখন গ্ৰহণ কৰি তদন্তৰ আশ্বাস দিয়ে। উপায়ুক্তই অভিযোগ পত্ৰখন জিলা সমাজ কল্যাণ বিভাগৰ দায়িত্বত থকা অতিৰিক্ত উপায়ুক্তলৈ তদন্তৰ বাবে প্ৰেৰণ কৰে। অভিযোগ পত্ৰ প্ৰদান কৰি আহি নাৰী সন্থাৰ উপ-সভানেত্ৰী হীৰাৱাণী চেতিয়া আৰু সম্পাদিকা পূৰৱী চাংমাই বৰুৱাই সাংবাদিকৰ আগত ব্যক্ত কৰে যে, কেন্দ্ৰটোত বহুদিন ধৰি চলি অহা এই দুৰ্নীতিমূলক কাৰ্যৰ বিৰুদ্ধে উপায়ুক্তই বিহিত ব্যৱস্থা গ্ৰহণ কৰিব বুলি তেওঁলোক আশাবাদী। অন্যথা পৰৱৰ্তী পদক্ষেপ হিচাপে ন্যায়ালয়ৰ কাষ চপাৰ বাহিৰে গত্যন্তৰ নাথাকিব।

## নাজিৰাত ৰাভা দিৱসৰ আয়োজন

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ১৮ জুন ঃ** ২০ জুনত নাজিৰা মহকুমা প্ৰশাসন, গ্ৰাম্য পুথিভঁৰাল সন্থাৰ উদ্যোগত আৰু নাজিৰা মহাবিদ্যালয়ৰ সহযোগত দিনজোৱা কাৰ্যসূচীৰে ৰাভা দিৱস উদ্‌যাপন কৰিবলৈ লোৱা হৈছে। অতিৰিক্ত উপায়ুক্ত তথা নাজিৰা মহকুমাৰ ভাৰপ্ৰাপ্ত মহকুমাধিপতি সব্যসাচী কাশ্যপে গছপুলি ৰোপণেৰে কাৰ্যসূচী আৰম্ভ হ'ব লগা দিৱসত স্মৃতি তৰ্পণ কৰিব মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰাজু ফুকনে আৰু কুইজ প্ৰতিযোগিতা উদ্বোধন কৰিব নাজিৰা পৌৰ সভাৰ পৌৰপতি বৰ্ণালী চেতিয়াই। কোৰাচ, দলীয় নৃত্য, ৰাভা সঙ্গীত, আবৃত্তি, আদি পৰিৱেশন কৰিব লগা সভাত ড° সৌমাৰজ্যোতি মহন্ত, নৰজ্যোতি ভূঞা, গ্ৰাম্য পুথিভঁৰালৰ ব্ৰজেন ফুকন আদিয়ে বিষ্ণু ৰাভাৰ জীৱন আৰু দৰ্শনৰ ওপৰত বক্তব্য ৰাখিব। উক্ত সভাতেই নাজিৰা মহাবিদ্যালয়ৰ প্ৰাক্তন ভাৰপ্ৰাপ্ত অধ্যক্ষা ৰঞ্জু বুঢ়াগোহাঞিৰ 'স্পন্দন' শীৰ্ষক এখন কাব্যপুথিও উন্মোচন কৰা হ'ব। উক্তসমূহ কাৰ্যসূচীতে স্থানীয় ৰাইজৰ পূৰ্ণ সহযোগিতাৰ বাবে আয়োজক সমিতিয়ে গোহাৰি জনাইছে।

## অসমভিত্তিক তৰ্ক আৰু কুইজ প্ৰতিযোগিতা

**দৈনন্দিন বাৰ্তাৰ সেৱা, কলাইগাঁও, ১৮ জুন ঃ** ৰাজ্যজুৰি সৃষ্টি হোৱা বিধ্বংসী বান পৰিস্থিতিয়ে সংহাৰী ৰূপ ধাৰণ কৰাৰ ফলত ব্যাহত হৈছে সাধাৰণ জনজীৱন। বহু ঠাইত পথসমূহ বানপানীয়ে ভাঙি লৈ যোৱাৰ ফলত বহু ঠাইত আন্তঃ জিলা যাতায়াত সংযোগ বিচ্ছিন্ন হৈ পৰিছে। ৰাজ্যৰ আন আন প্ৰান্তৰ লগতে ওদালগুৰি জিলাৰ কলাইগাঁৱতো বানে সংহাৰী ৰূপ ধাৰণ কৰিছে। কলাইগাঁৱত প্ৰজন্মৰ উদ্যোগত দুদিনীয়া কাৰ্যসূচীৰে ১৯ আৰু ২০ জুনত আয়োজন কৰা ৰাভা দিৱস উদ্‌যাপনৰ ক্ষেত্ৰতো উদ্‌যাপন সমিতিয়ে সন্মুখীন হ'বলগীয়া হৈছে তীব্ৰ প্ৰত্যাহ্বানৰ। অনুষ্ঠানৰ মুখ্য কেন্দ্ৰবিন্দু অসমভিত্তিক তৰ্ক আৰু মুকলি কুইজ প্ৰতিযোগিতাত ইতিমধ্যে অংশগ্ৰহণ কৰিবলৈ অসমৰ বিভিন্ন প্ৰান্তৰ প্ৰতিযোগীয়ে যোগাযোগ কৰিছিল আয়োজক সমিতিক। ইতিমধ্যে অত্যধিক হাৰত বৃদ্ধি হোৱা বানপানীয়ে পথ সম্পূৰ্ণৰূপে জলমগ্ন কৰাত ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ মঙলদৈ-ছিপাঝাৰৰ যাতায়াত অনিৰ্দিষ্ট কাললৈ বন্ধ কৰিছে দৰং জিলা প্ৰশাসনে। লগতে ৰেড্-জ'নত পৰিণত হোৱা সমগ্ৰ অসমৰ বানপৰিস্থিতিত যাতায়াত ব্যাহত হোৱা প্ৰসংগলৈ লক্ষ্য কৰি প্ৰতিযোগিতা স্থগিত ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে আয়োজক সমিতিয়ে। লগতে শুক্ৰবাৰে এক প্ৰেছ বিবৃতিযোগে প্ৰকাশ কৰে যে কেৱল ৰাভা দিৱসৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰিবলৈ লোৱা অসমভিত্তিক তৰ্ক আৰু মুকলি কুইজ প্ৰতিযোগিতা স্থগিত কৰা হৈছে। ৰাভা দিৱসৰ আন কাৰ্যসূচী নিৰ্ধাৰিত দিনত নিৰ্ধাৰিত স্থানত ৰূপায়ণ কৰা হ'ব। লগতে জনায় যে প্ৰেক্ষাপট অনুকূল হ'লে প্ৰতিযোগিতাৰ নিৰ্দিষ্ট তাৰিখ নিৰ্ধাৰণ কৰি প্ৰতিযোগিতা অনুষ্ঠিত কৰিব আয়োজক কমিটীয়ে। সেই সন্দৰ্ভত কাকতযোগে আৰু সামাজিক মাধ্যমযোগে প্ৰচাৰ কৰিব।

### ৯০% জলমগ্ন ওৰাং ৰাষ্ট্ৰীয় উদ্যান

## ৩১ বন শিবিৰ পানীৰ তলত, বিলাই-বিপত্তিৰ সীমা চেৰাইছে বন্যপ্ৰণীৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ওদালগুৰি, ১৮ জুন ঃ** যোৱা ৩ দিনৰ তুলনাত আজিৰ দিনটোত ওৰাং ৰাষ্ট্ৰীয় উদ্যান তথা ওৰাং ব্যাঘ্ৰ প্ৰকল্পত বানৰ তাণ্ডৱ বহু গুণে সম্প্ৰসাৰিত হৈছে । ব্ৰহ্মপুত্ৰ, পাচনৈ, ধনশ্ৰী নৈৰ লগতে একাধিক জান-জুৰিৰ জলপৃষ্ঠ উপচি উঠি এইবোৰৰ পানী প্ৰৱেশ কৰি উদ্যানৰ অন্তৰ্ভাগত সৃষ্টি কৰিছে প্লাৱণৰ। চোৰাং চিকাৰী প্ৰতিৰোধ তথা বন্যপ্ৰণীৰ সুৰক্ষাৰ হেতু ব্যৱহৃত মুঠ ৩১টা বন শিবিৰ আজিৰ দিনটোত সম্পূৰ্ণ প্লাৱিত হোৱাত বন সুৰক্ষা কৰ্মীসকলে দুৰ্ভোগ ভুগিবলগীয়া হৈছে । সমগ্ৰ উদ্যানৰ ৯০ শতাংশ ঠাইলৈ বিয়পিছে বানপানী। সেয়ে ওখ ঠাইবোৰত আশ্ৰিত জীৱ-জন্তুবোৰৰ সুৰক্ষাত নিয়োজিত বন সুৰক্ষা কৰ্মীসকলে তীক্ষ্ণ দৃষ্টিৰে ন্যস্ত আছে নিজ কৰ্মত। ঠাইবিশেষত বানপানী ৬-৮ ফুট পৰ্যন্ত ওপৰলৈ উঠিছে। এই তথ্য সদৰী কৰি মঙলদৈ বন সংমণ্ডল প্ৰাধিকৰণ বিষয়া তথা দৰং জিলা বন বিষয়া প্ৰদীপ্ত বৰুৱাই কয় যে বনকৰ্মী আৰু বন বিষয়াসকলে প্লাৱিত বন শিবিৰ আৰু বানবিধ্বস্ত ৰাস্তা-ঘাটৰ অসুচল অৱস্থাৰ হেতু নৌকা বা হাতীত উঠি বা খোজকাঢ়িয়েই চোৰা-চিতা কৰিছে উদ্যানৰ বহিঃ ভাগ আৰু অন্তৰ্ভাগ।

### কাজিৰঙাত গঁড় গণনাত ৩ দিনত ব্যয় ৩১ লাখ টকা

## ন্যায়িক তদন্তৰ দাবী আম আদমি পাৰ্টীৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাজিৰঙা, ১৮ জুন ঃ** কাজিৰঙাত ৰাষ্ট্ৰীয় উদ্যানত লুণ্ঠন চলাই আহিছে একাংশ চৰকাৰী চোৰে। এই অভিযোগ আপৰ। গঁড় গণনাৰ নামতেই তিনি দিনত খোৱা-বোৱা আৰু যাতায়তী খৰচৰ বাবদ একাংশ বন বিষয়াই ৰাজকীয় ভোগ-বিলাসেৰে আকালৰ দিনত ৰাজকোষৰ ৩১ লাখ টকা ব্যয় কৰা ঘটনাৰ ন্যায়িক তদন্তৰ দাবী জনাইছে আপে। তিনিদিনীয়া গঁড় পিয়লৰ কামত নিয়োজিক বিষয়া-কৰ্মচাৰীৰ খাদ্যৰ নামত ১৬ লাখ টকাৰে কি কি খাইছিল বুলি প্ৰশ্ন উত্থাপন কৰি আপৰ অসম ব্যাজ্যিক সমন্বয়ক ডাঃ ভবেন চৌধুৰীয়ে তিনিদিনীয়া কৰ্মসূচীত ৰাজকোষৰ মুঠ ৩১ লাখ অবাধ ধনৰ ব্যয়ৰ বিস্ফোৰক তথ্যক আওকাণ কৰি দায় সাৰিবলৈ চেষ্টা নকৰিবলৈ সকীয়াই দিয়ে। এয়া ৰাজহুৱা ধনৰ অবাধ হৰলুকী। ই কেতিয়াও ক্ষমৰা যোগ্য নহয়। দলটোৱে সম্প্ৰতি সাংবাদিক আৰু ৰাজহুৱা কৰ্মীৰ পৰা পলায়ন কৰি ফুৰা বন বিষয়াসকলৰ লগতে নীতিনিৰ্ধাৰণ কৰা আমোলা-মন্ত্ৰীক কৰায়ত্ত কৰি চৰকাৰে দুৰ্নীতিৰ ক্ষেত্ৰত স্বচ্ছতা প্ৰদৰ্শন কৰাৰো দাবী উত্থাপন কৰে। লগতে অভিনেতা অক্ষয় কুমাৰে সংৰক্ষণৰ বাবে দিয়া এক কোটি টকা বন বিভাগে ক'ত ক'ত খৰচ কৰিলে তাকো ৰাজহুৱা কৰিবলৈ দলটোৱে দাবী জনায়।

## বৃহত্তৰ অসমীয়া যুৱ মঞ্চৰ শিৱসাগৰ সমিতিৰ অধিৱেশন

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ১৮ জুন ঃ** বৃহত্তৰ অসমীয়া যুৱ মঞ্চৰ নাজিৰা মহকুমা সমিতিৰ উদ্যোগত নাজিৰা মহকুমাৰ অন্তৰ্গত সমূহ আঞ্চলিক সমিতি আৰু নাজিৰাবাসী ৰাইজৰ সহযোগত শিৱসাগৰ জিলা সমিতিৰ তৃতীয়সংখ্যক চতুৰ্থ বাৰ্ষিক অধিৱেশন ১৯ জুনত নাজিৰা এম চি ক্লাবত অনুষ্ঠিত কৰিবলৈ ব্যাপক প্ৰস্তুতি চলিছে। কাৰ্যসূচী অনুসৰি পুৱা গছপুলি ৰোপণ, পতাকা উত্তোলন, শ্বহীদ তৰ্পণৰ পাছতেই প্ৰতিনিধি সভাৰ মঞ্চ উদ্বোধন কৰিব নাজিৰাৰ মহকুমাধিপতি সব্যসাচী কাশ্যপে। ড° জীৱন কলিতাৰ সভাপতিত্বত অনুষ্ঠিত হ'বলগীয়া মুকলি সভা উদ্বোধন কৰিব আটাছুৰ কেন্দ্ৰীয় সমিতিৰ কাৰ্যকৰী সভাপতি বসন্ত গগৈয়ে। বিয়লি ৪ বজাত প্ৰতিনিধি সভা উদ্বোধন কৰিব বৃহত্তৰ অসমীয়া যুৱ মঞ্চৰ কেন্দ্ৰীয় সমিতিৰ মুখ্য উপদেষ্টা অতুল গগৈয়ে। সন্ধিয়া সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰিব বিজেপিৰ জিলা সভাপতি ময়ূৰ বৰগোহাঁয়ে।

## বঙাইগাঁৱত গৰুসহ জব্দ বাহন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ১৮ জুন ঃ** নিউ বঙাইগাঁও আৰক্ষী পহৰা চকীৰ আৰক্ষীয়ে চলোৱা এক অভিযানত ৭টাকৈ গৰু জব্দ কৰাৰ লগতে গৰু সৰবৰাহত জড়িত এজন ব্যক্তিক আটক কৰিবলৈ সক্ষম হৈছে। নিউ বঙাইগাঁও আৰক্ষী পহৰা চকীৰ আৰক্ষীয়ে বৃহস্পতিবাৰে এ এছ-১৯ এ চি-১১৪১ নম্বৰৰ বলেৰ' পিকআপ বাহনেৰে গৰুকেইটা নিয়াৰ সময়ত বঙাইগাঁও জিলাৰ টেঙাইগাঁৱলৈ যোৱা পথৰ পৰা বাহনসহ আটক কৰে।

## বঙাইগাঁৱত লেখক-সাংবাদিক ভূপেন্দ্ৰ চন্দ্ৰ দাসৰ ওপজা দিন পালন

### সাংবাদিকসকল আশা, বিশ্বাস আৰু সমাজ গঢ়া খনিকৰ-অধ্যাপিকা ঃ ৰূপাঞ্জলী দেৱী




**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ১৮ জুন ঃ** 'সাংবাদিকসকল আমাৰ সমাজ আৰু দেশৰ অতন্দ্ৰ প্ৰহৰীয়েই নহয় তেওঁলোক আশা, বিশ্বাস আৰু সমাজ গঢ়া খনিকৰ। এসময়ত সাংবাদিকক চাবলৈ সৰ্বসাধাৰণ লোকৰ চকু পিটিপিটাই ফুৰিছিল। সাংবাদিক কেনেকুৱা, ক'ত থাকে আদি ভাবধাৰাই বহু লোকক উদ্বিগ্ন কৰি ৰাখিছিল। বোধকৰো সেই কাৰণেই সাংবাদিকসকলেও নিজৰ দায়িত্ব আৰু কৰ্তব্যবোধৰ প্ৰতি সজাগ-সচেতন হৈ জনসাধাৰণৰ চকুৰ পৰা নিজক লুকুৱাইহে ৰাখিছিল। কিন্তু পৰিৱৰ্তিত পৰিস্থিতিত ইয়াৰ এখন বিপৰীত ছবিহে প্ৰতিভাত হৈ উঠিছে।' বৃহত্তৰ বঙাইগাঁও প্ৰেছ ক্লাব প্ৰেক্ষাগৃহত আজি অসমৰ এসময়ৰ সাংবাদিক তথা বৰ্তমান সময়ৰ চিন্তাশীল লেখক তথা ভাৰতীয় তথ্য সেৱাৰ অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ তথ্য বিষয়া ভূপেন্দ্ৰ চন্দ্ৰ দাসৰ ৮৫সংখ্যক ওপজা দিনৰ এক অন্তৰংগ অনুষ্ঠানত মুখ্য বক্তা হিচাপে অংশগ্ৰহণ কৰি এই বক্তব্য দাঙি ধৰে বঙাইগাঁও মহাবিদ্যালয়ৰ জ্যেষ্ঠ অধ্যাপিকা ড° ৰূপাঞ্জলি দেৱীয়ে। সাংবাদিক কুঞ্জ মোহন ৰায়ে আঁত ধৰা অনুষ্ঠানত অধ্যাপিকা দেৱীয়ে বিশিষ্ট লেখক-সাংবাদিক দাসৰ অৱসৰী জীৱনৰ সৃষ্টিশীলতা আৰু কৰ্মনুশীলতাৰ প্ৰৱণতা স্বীকাৰ কৰিবলগীয়া বুলি কৈ তেওঁৰ বৰ্ণময় অভিজ্ঞতাৰ সোঁৱৰণ কৰিবলৈ পাই পুলকিত হোৱা বুলি মন্তব্য কৰে। উল্লেখ্য যে অনুষ্ঠানটিৰ আৰম্ভণিতে কেক কাটি দাসলৈ বিভিন্নজনে ওপজা দিনৰ শুভেচ্ছা আৰু অভিনন্দন জনায়। বৃহত্তৰ বঙাইগাঁও প্ৰেছ ক্লাবৰ সভাপতি ৰঞ্জিত কুমাৰ শৰ্মাৰ পৌৰোহিত্যত অনুষ্ঠিত অনুষ্ঠানটিৰ সন্দৰ্ভত নগাঁৱৰ সাংবাদিক প্ৰাঞ্জল বৰদলৈয়ে জীৱন কালতেই কৰা শ্ৰদ্ধা আৰু সেৱাইহে মানুহক নতুন জীৱন দিয়াৰ লগতে মানুহৰ মানৱীয় গুণৰাশিক জিলিকাই তোলে বুলি উদ্দেশ্য ব্যাখ্যাৰ লগতে প্ৰকাশ কৰা বক্তব্যৰ বিপৰীতে অসম চৰকাৰৰ অৱসৰপ্ৰাপ্ত প্ৰশাসনীয় বিষয়া ৰোহিণী কুমাৰ চৌধুৰীয়ে ভাৰত চৰকাৰৰ ইনফৰমেচন অফিচাৰ হিচাপে গুৰু দায়িত্ব পালন কৰাৰ বাবেই দাসে এই পৰ্যন্তও লিখনিৰ ধাৰা অব্যাহত ৰাখিছে বুলি দোহৰাৰ লগতে চৌধুৰীয়ে সুহুৰিৰে সুধাকণ্ঠৰ 'স্নেহে আমাৰ শত শ্ৰাৱণৰ' শীৰ্ষক কালজয়ী গীতটি পৰিৱেশন কৰি সকলোকে মুগ্ধ কৰি তোলে। অনুষ্ঠানটিত বিশিষ্ট ব্যক্তিসকলৰ পৰা ওপজা দিনৰ শুভেচ্ছা-অভিনন্দন গ্ৰহণ কৰি অশীতিপৰ ভূপেন্দ্ৰ চন্দ্ৰ দাসে অতীতৰ সুমধুৰ স্মৃতি সুঁৱৰি সাংবাদিকতাৰ বিভিন্ন প্ৰত্যাহ্বানমূলক সমস্যাসমূহৰ বিষয়ে উল্লেখ কৰি নষ্টালজিক হৈ পৰে। অনুষ্ঠানত দাসৰ পত্নী বাণী দাস, বঙাইগাঁৱৰ বিশিষ্ট পেথল'জিষ্ট ডাঃ কাবেৰী দাস হাজৰিকা, দিশিতা হাজৰিকা, পপী বৰা, নমিতা চৌধুৰী, লাইলীন থাম, জ্যেষ্ঠ চিকিৎসক বিদ্যুৎ বিকাশ চৌধুৰী প্ৰমুখ্যে বহুকেইগৰাকী গুণী-জ্ঞানী লোক উপস্থিত থকা অনুষ্ঠানটিৰ অন্তত সাংবাদিক কুঞ্জ মোহন ৰায়ৰ শলাগৰ শৰাইৰে অনুষ্ঠানৰ সামৰণি পৰে।

## ৰহাত ৰূপকোঁৱৰৰ আগৰৱালাৰ ওপজা দিন-গ্ৰন্থ উন্মোচনী সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰহা, ১৮ জুন ঃ** ৰহা শাখা সাহিত্য সভাৰ উদ্যোগত আজি ৰহাত ৰূপকোঁৱৰৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ ওপজা দিন আৰু এক গ্ৰন্থ উন্মোচনী সভা অনুষ্ঠিত কৰা হয়। ৰহাৰ পণ্ডিত গোপীনাথ বৰদলৈ হাইস্কুলত এই উপলক্ষে পুৱা অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰে ৰহা শাখাৰ সভাপতি ঘনশ্যাম নাথে আৰু বন্তি প্ৰজ্বলন আৰু স্মৃতি তৰ্পণ কৰে শাখাৰ উপ-সভাপতিদ্বয় ক্ৰমে সুভাষ ডেকা আৰু প্ৰহ্লাদ কুমাৰ মছৰঙে। এক বজাত মুকলি সভা আৰু গ্ৰন্থ উন্মোচনী সভা অনুষ্ঠিত হয়। ৰহা শাখাৰ সভাপতি ঘনশ্যাম নাথৰ সভাপতিত্বত অনুষ্ঠিত সভাখনৰ আৰম্ভণিতে জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে অসম সাহিত্য সভাৰ প্ৰাক্তন ভাৰপ্ৰাপ্ত সভাপতি প্ৰহ্লাদ চন্দ্ৰ তাছাই আৰু মাল্যাৰ্পণ কৰে নগাঁও জিলা সাহিত্য সভাৰ সভাপতি পৰাণ কুমাৰ বৰুৱাই। সভাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি সাহিত্য সভাৰ প্ৰাক্তন ভাৰপ্ৰাপ্ত সভাপতি প্ৰহ্লাদ কুমাৰ তাছাই জ্যোতিপ্ৰসাদ আগৰৱালাক ৰূপকোঁৱৰ, গণশিল্পী যি নামেৰেই সম্বোধন কৰা নহওক সকলো নামৰেই তেওঁ গুণৰ অধিকাৰী বুলি মন্তব্য কৰি ইশ্বৰ যেনেকৈ ইশ্বৰেই তেনেদৰে জ্যোতিপ্ৰসাদ জ্যোতিপ্ৰসাদেই বুলি কয়। অসমৰ সাহিত্য-সংস্কৃতিৰ জগতলৈ জ্যোতিপ্ৰসাদৰ অৱদানক তুলনা কৰিব নোৱাৰি বুলি উল্লেখ কৰি সাহিত্য সভাৰ প্ৰাক্তন সভাপতিগৰাকীয়ে গুৰুজনাৰ আদৰ্শ গ্ৰহণ কৰি জ্যোতিপ্ৰসাদ, বিষ্ণু ৰাভা আৰু ভূপেন হাজৰিকাই অসমীয়া সংস্কৃতিৰ ধাৰাক আগুৱাই নিছিল বুলিও কয়। ৰহা শাখাৰ সম্পাদক অপূৰ্ব বৰুৱাই আদৰণী ভাষণ দিয়া সভাত নগাঁও জিলা সাহিত্য সভাৰ সভাপতি পৰাণ কুমাৰ বৰুৱাই গণ সংযোগ গণভিত্তিৰে এটা জাতি, এখন সমাজ আৰু এখন দেশ উদ্ধাৰৰ বাবে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাই সকলোখিনিয়েই কৰি গৈছে বুলি কয়। জ্যোতিপ্ৰসাদে নিজৰ চিন্তাৰে এখন নতুন ভাৰত, নতুন অসম গঢ়াৰ সপোন ৰচিছিল বুলিও তেওঁ কয়। সভাত বিশিষ্ট শিক্ষাবিদ হিৰণ্য নাৰায়ণ বৰায়ো ৰূপকোঁৱৰৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ আদৰ্শৰাজিৰ ওপৰত সুন্দৰভাৱে আলোকপাত কৰে। ৰহা শাখা সাহিত্য সভাৰ উপ-সভাপতি লক্ষীপ্ৰসাদ ডেকাই আঁত ধৰা সভাখনত নগাঁও জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ৰতিমোহন নাথ, নগাঁও জিলা সাহিত্য সভাৰ সম্পাদক ৰেৱত কুমাৰ হাজৰিকা, উপ-সভাপতি ঠগিত মহন্ত, বিশিষ্ট সাহিত্যিক মনোৰমা ভূঞা, ৰহা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষদ্বয় ভগৱান চন্দ্ৰ গোস্বামী আৰু কমল চন্দ্ৰ শৰ্মা, বিশিষ্ট কবি প্ৰেমনাৰায়ণ নাথ, ডিমা হাচাও জিলা সাহিত্য সভাৰ সম্পাদক নৃপেন ভূঞা, লেখক যতীন্দ্ৰ কুমাৰ পাৰৈ, পণ্ডিত গোপীনাথ বৰদলৈ হাইস্কুলৰ প্ৰধান শিক্ষক ভূপেন্দ্ৰ কুমাৰ দাস আদি উপস্থিত থাকে। আজিৰ এই সভাখনতে লেখক ভুৱন চন্দ্ৰ দাসৰ 'একা বেঁকা বাটেৰে মোৰ জীৱন ৰথ, ৰসধৰ বৰদলৈৰ কবিতা পুথি 'কবিতা কলি' আৰু মুনীন্দ্ৰ কুমাৰ বৰদলৈৰ চিনাকি কবিৰ কবিতা : সংক্ষিপ্ত আলোচনা' নামৰ তিনিখন গ্ৰন্থ উন্মোচন কৰে ক্ৰমে প্ৰহ্লাদ চন্দ্ৰ তাছা, পৰাণ কুমাৰ বৰুৱা আৰু হিৰণ্য নাৰায়ণ বৰাই।



# শিশুৰ মানসিক বিকাশত পৰিয়ালৰ ভূমিকা



■ ছানিয়াৰা ইয়াচমিন

প্ৰতিজন শিশু জন্মৰ সময়ৰ পৰাই পৰিয়ালৰ লগতে সমাজৰ অংশ হৈ পৰে, জন্মৰ পিছৰ পৰাই শিশুৰ দৈহিক বিকাশৰ লগতে বৌদ্ধিক আৰু মানসিক বিকাশ ঘটিবলৈ ধৰে আৰু এই বিকাশ বিৰামহীন চলিয়েই থাকে জীৱনৰ শেষ সময়লৈকে। জন্মৰ পৰাই শিশুৱে ঘৰৰ পৰা শিক্ষা লয়, যি দেখে আৰু শুনে তাকেই শিকিবলৈ লয় আৰু লাহে লাহে ডাঙৰ হৈ স্কুললৈ গৈ শিক্ষক আৰু লগ-সংগৰ পৰাও শিক্ষা লাভ কৰে । আজিৰ শিশু ভৱিষ্যতে সমাজ আৰু দেশ পৰিচালনা কৰে আৰু এয়াই নিয়ম। শৈশৱৰ পৰাই শিশুৱে জীৱনৰ প্ৰতিটো স্তৰত নানা সমস্যাৰ সন্মুখীন হয় আৰু এইবোৰ সমাধান কৰিবলৈ পৰিয়ালৰ লগত সমাজৰ ভূমিকা যথেষ্ট আছে।

কেতিয়াবা এনেকুৱা হোৱা দেখা যায় যে পিতৃ-মাতৃয়ে বিচৰা ধৰণে সন্তানৰ মানসিকতা গঢ়ি তুলিব পৰা নাযায় নাইবা কেতিয়াবা বহুত সময়ৰ প্ৰয়োজন হয় সিহঁতৰ মনৰ কথা বুজি পাবলৈ। তেতিয়া অধৈৰ্য হৈ শিশুক কঠোৰ শাসন কৰাৰ পৰা বিৰত হ'ব লাগে। আমি জানো যে শিশুৱে ক্ৰমান্বয়ে বহা, চোঁচৰা, খোজকঢ়া, কথাকোৱা এইবোৰ শিকে কিন্তু সকলো শিশু একে সময়তে নহয়, কিছুমানৰ দেৰিও হয় যেনেকৈ শিশুৰ দাঁত গজা, কিছুমানৰ পাঁচ মাহ আন কিছুমানৰ সাত নহ'লে দহমাহতো গজিব পাৰে। একে বয়সৰ শিশুৰ শাৰীৰিক গঠন উচ্চতাও একে নহয়, বিকাশৰ বৈষম্য বংশগত আৰু পৰিৱেশগত। বৌদ্ধিক বিকাশৰ ক্ষেত্ৰতো তেনেকুৱা হ'ব পাৰে। এইটো সঁচা যে প্ৰতিজন শিশুৰ মানসিক তথা বৌদ্ধিক বিকাশৰ পৰিমাণ একে নহয়। শিশুৱে কৰি ভাল পোৱা কাম কৰিবলৈ দিব লাগে যেনেকৈ কিছুমানে ছবি আঁকি, কিছুমানে গান গাই, নাচি ভাল পায় আৰু কিছুমানে খেলি ভাল পায় আৰু এইবোৰৰ মাধ্যমেৰেও শিশুক উপযুক্ত শিক্ষা দি পৰিয়ালৰ লোকে সন্তানৰ মনৰ অৱস্থা অনুযায়ী সিহঁতক মৰমেৰে বুজাই ভৱিষ্যতৰ দিশে আগবঢ়াই লৈ যাব লাগে।

শিশুৰ মানসিক আৰু বৌদ্ধিক বিকাশৰ বাবে স্কুলৰ শিক্ষকসকলৰ অৱদান অতি গুৰুত্বপূৰ্ণ, বৰ্তমান সময়ত শিশুৰ চাৰি বছৰ বয়স নহওঁতেই স্কুললৈ পঠোৱা হয়, গতিকে সিহঁতে বাহিৰৰ পৰিৱেশৰ পৰাও বহুত কথা শিকিবলৈ লয়। সেই কাৰণে কেনেকুৱা সংগ বা পৰিৱেশ সিহঁতে পাইছে সেইবোৰ শিক্ষক আৰু পৰিয়ালে নজৰ ৰখাটো প্ৰয়োজনীয় কথা। শিশুৱে বংশগতভাৱে কিছুমান বৈশিষ্ট্য লাভ কৰে যদিও বৌদ্ধিক আৰু মানসিক বিকাশৰ ক্ষেত্ৰত সমাজৰ বাহ্যিক পৰিৱেশেও বিশেষভাৱে ক্ৰিয়া কৰে । কোনো শিশুৱে যাতে কোনো বৈষম্যৰ মুখামুখি নহয় তাৰ প্ৰতি শিক্ষক আৰু পৰিয়াল দুয়ো দায়বদ্ধ হ'ব লাগে। শিশুৰ শিক্ষাৰ ক্ষেত্ৰত প্ৰথমেই কোনো বিশেষ ধৰণৰ আঁচনি গ্ৰহণ কৰিলেও কঠোৰ নিয়ম বান্ধি দিব নালাগে, শিশুসকল সদায় আনন্দমুখৰ পৰিৱেশত শিক্ষা আৰু অভিজ্ঞতা অৰ্জন কৰিলে সিহঁতৰ সুস্থ মানসিক বিকাশ সাধন হয়। এইক্ষেত্ৰত পৰিয়াল আৰু শিক্ষকৰ মৰমৰ অনুশাসনৰহে দৰকাৰ ।

শিশুৰ বিকাশৰ প্ৰথম ঢাপেই হ'ল পৰিয়াল, তাৰ পিছত স্কুলৰ শিক্ষক, লগ-সংগ আৰু সমাজৰ প্ৰতিজন মানুহ। বৰ্তমান যুগত মোবাইলৰ সাংঘাতিক প্ৰচলন। ঘৰে ঘৰে ই বহুলভাৱে ব্যৱহৃত, আনকি টিভিৰ প্ৰয়োজনীয়তাও কমি গৈছে। দেখা যায় যে শিশুক নিচুকাবলৈ মোবাইল ব্যৱহাৰ কৰে সৰহভাগ পিতৃ-মাতৃয়ে। কাৰণ বেছিসংখ্যক পিতৃ-মাতৃয়েই আজিৰ দিনত ব্যস্ত থাকে কিন্তু এইটো নজৰ ৰখা দৰকাৰ যে এইটো যাতে অভ্যাসত পৰিণত নহয়। তাতকৈ শিশুক সাধু কৈ নহ'লে গান গাই শুনাবলৈ আৰু ইহঁতৰ লগত নিজেও খেল-ধেমালি কৰিবলৈ চেষ্টা কৰিব লাগে। বয়সৰ লগে লগে শিশুৰ বন্ধু বাঢ়ে আৰু সিহঁতৰ আচৰণৰ প্ৰভাৱো পৰে গতিকে এইক্ষেত্ৰত পৰিয়ালৰ নিৰীক্ষণৰ অতিকৈ প্ৰয়োজন যে তেওঁলোকৰ সন্তানে কেনেধৰণৰ সংগ ভাল পায় আৰু ভুল দেখিলে তেনে পৰিৱেশ আৰু সংগৰ পৰা আঁতৰাই আনিব লাগে। প্ৰতিজন শিশুৰেই বিশেষ সামৰ্থ্য থাকে আৰু এই সামৰ্থ্যই বুদ্ধিমত্তা। সেই কাৰণে শিশুৱে পাৰিবাৰিক সম্বন্ধ বা সামাজিক সম্বন্ধ, ভাল-বেয়া, সঁচা-মিছা আদি কথা বুজিবলৈ হয়।

প্ৰতিজন শিশুৰ বুদ্ধিমত্তাৰ প্ৰতি লক্ষ্য ৰাখি সিহঁতক সমানেই গুৰুত্ব দিব লাগে পৰিয়াল আৰু শিক্ষকসকলে। ঘৰ আৰু শ্ৰেণীকোঠা দুয়োটাই অধ্যয়ন আৰু শিক্ষাৰ ভেটি গতিকে ভাষা আৰু চিন্তন প্ৰক্ৰিয়াও অতি গুৰুত্বপূৰ্ণ, শিশুৰ শাৰীৰিক-মানসিক আৰু বৌদ্ধিক বিকাশৰ গতিৰ দিশ সামৰি শিশুক উপযুক্ত শিক্ষা দি দেশৰ ভৱিষ্যতৰ সুনাগৰিক হিচাপে গঢ়িব পাৰি।



নিমিষা বড়া, ষষ্ঠ শ্ৰেণী, জাঁজী, শিৱসাগৰ

# শিক্ষা আৰু শৈক্ষিক মান

■ নয়নমণি গোস্বামী



সম্প্ৰতি আমি সকলোৱে কওঁ যে এই সময় প্ৰতিযোগিতাৰ সময়। গতিকে এই প্ৰতিযোগিতাত অৱতীৰ্ণ হ'বলৈ হ'লে ছাত্ৰ-ছাত্ৰীসকলে নিজকে প্ৰস্তুত কৰি তুলিব পাৰিব লাগিব। অৱশ্যে প্ৰতিযোগিতা বুলি ক'লে (Competition) আমি বিভিন্ন পৰীক্ষাত অৱতীৰ্ণ হৈ কোনে কিমান নম্বৰ লাভ কৰিব পাৰিছো তাকেহে বুজো। কিন্তু এই নম্বৰসমূহ ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন উপায় অৱলম্বন কৰিও আহৰণ কৰিব পাৰে। গতিকে নম্বৰৰ শতাংশই এগৰাকী ছাত্ৰ-বা ছাত্ৰীৰ প্ৰকৃত শিক্ষাৰ মাপকাঠি নিৰূপণ কৰিব নোৱাৰে। ইতিমধ্যে হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল ঘোষণা হৈ গ'ল আৰু বহুতো ছাত্ৰ-ছাত্ৰীয়ে এই পৰীক্ষাত উপযুক্ত কৃতিত্ব প্ৰদৰ্শনেৰে সংবাদ মাধ্যমত জিলিকি উঠা দেখা গৈছে। তেওঁলোকৰ কৃতিত্বৰ বাবে বিভিন্ন মাধ্যমৰ জৰিয়তে অভিনন্দনেৰে ওপচাই পেলাইছে। কিন্তু দিন বাগৰি যোৱাৰ লগে লগে এই কৃতিত্বসম্পন্ন ছাত্ৰ-ছাত্ৰীৰ ক্ৰমান্বয়ে নাম-গোন্ধ নোহোৱা হৈ যায়। অধিকাংশই জনসমুদ্ৰৰ কৰ'বাত যেন হেৰাই যায় আৰু কাৰোবাৰ নাম শুনিবলৈ পালেও সেইসকলৰ সামাজিক কৰ্ম-কাণ্ড লক্ষণীয় হৈ পৰে।

সেয়ে সময়ৰ ক্ৰমবৰ্ধমান গতিত শিক্ষাৰ পদ্ধতি আৰু শৈক্ষিক পৰিমাপনৰ প্ৰক্ৰিয়াত সলনি হোৱাৰ প্ৰয়োজন। গতিকে নম্বৰৰ বাবে শিক্ষা নহৈ জীৱনৰ সৰ্বাংগীণ বিকাশৰ বাবে শিক্ষাৰ ধাৰণাহে নিশ্চিতভাৱে গঢ়ি উঠা উচিত। কিয়নো বহু সময়ত দেখা যায় এনে নম্বৰকেন্দ্ৰিক শিক্ষাই বহু ছাত্ৰ-ছাত্ৰীৰ জীৱনলৈ অন্ধকাৰ কঢ়িয়াই আনে। তদুপৰি বহু ছাত্ৰ-ছাত্ৰীক জেদী আৰু আত্মকেন্দ্ৰিক কৰি গঢ়ি তোলে। গতিকে শিক্ষাই ছাত্ৰ-ছাত্ৰীৰ সৰ্বতোমুখী বিকাশ সম্ভৱ কৰি তুলিব পাৰিব লাগিব, যাতে যিকোনো পৰিৱেশ আৰু পৰিস্থিতিৰ লগত খোজ মিলাই চলিব পৰা হ'ব পাৰে। উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানসমূহেও নম্বৰৰ ওপৰত ভিত্তি কৰি নামভৰ্তি কৰোৱাতকৈ ছাত্ৰ-ছাত্ৰীসকলৰ সামগ্ৰিক ধাৰণা আৰু অভিজ্ঞতাৰ ভিত্তিত সাক্ষাৎকাৰৰ জৰিয়তে নামভৰ্তিৰ ব্যৱস্থা বহুলভাৱে প্ৰচলন হোৱা উচিত। যান্ত্ৰিকভাৱে নম্বৰৰ প্ৰতি লালায়িত নহৈ প্ৰকৃত জ্ঞান আহৰণৰ বাবে শিক্ষা গ্ৰহণ কৰিলেহে শিক্ষাৰ প্ৰকৃত মান উন্নত হ'ব। গতিকে আমি শিক্ষা আহৰণ কৰিব লাগিব জীৱনৰ সৰ্বাংগীণ বিকাশৰ বাবেহে।

শিক্ষাৰ মান উন্নতকৰণৰ বাবে বাস্তৱ ক্ষেত্ৰত সহপাঠ্যক্ৰমিক শিক্ষাও অতি গুৰুত্বপূৰ্ণ। ইয়াৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীয়ে ব্যৱহাৰিক বহু কথা শিকিব পাৰে। কিন্তু অভিভাৱকসকলে এনে ক্ষেত্ৰত উদাসীন মনোভাৱ পোষণ কৰাহে দেখা যায়। ইয়াক শৈক্ষিক বিকাশৰ বাবে এটা গুৰুত্বপূৰ্ণ অংগ হিচাপে বিবেচনা কৰা উচিত। কাৰণ বৰ্তমানৰ ভাৰ্চুৱেল পৃথিৱীখনে আৰু অধিক মানুহক প্ৰতিযোগিতাৰ মাজলৈ লৈ যোৱা দেখা গৈছে। সামাজিক ধ্যান-ধাৰণাইহে শিক্ষাৰ প্ৰকৃত মান নিৰূপণ কৰে। সামাজিক পৰিৱেশৰ ওপৰত নিৰ্ভৰ কৰিয়েই শৈক্ষিক দিশটো উপযুক্তভাৱে আগবঢ়াই নিব পাৰিব লাগিব। বিদ্যালয়ৰ শৈক্ষিক পৰিৱেশৰ মাজত থাকিয়েই ছাত্ৰ-ছাত্ৰীসকলে শৃংখলাবদ্ধ, স্বদেশ আৰু স্ব-জাতিৰ কৰ্তব্যনিষ্ঠ হোৱাৰ লগতে নিয়মানুৱৰ্তিতা গুণসমূহ আয়ত্ত কৰিব লাগিব। গতিকে শিক্ষকসকলো হ'ব লাগিব বহুমুখী গুণসম্পন্ন। স্কুলীয়া শিক্ষাতেই তেওঁলোকে নীতিবিষয়ক জ্ঞান, মনোবৈজ্ঞানিক দৃষ্টিভংগী, সাহিত্য-কলা বিষয়সমূহ আৰু যোগভ্যাস গঢি তুলি নিজকে সু-স্বাস্থ্য আৰু সুস্থ মানসিকতাৰ অধিকাৰী কৰি তুলিব লাগিব। এইক্ষেত্ৰত অভিভাৱক সকলেও কিছু কথা অনুধাৱন কৰা প্ৰয়োজন।

*ফোন ঃ ৬০০৩৯-৭৪৩৫৩*



ৰিতকৃতি বৰ্মন, গোলাঘাট, নুমলীগড় নগৰাঞ্চল, দ্বিতীয় শ্ৰেণী

## মৰমৰ অকণিহঁত...


মৰমৰ মইনাহঁত, মৰম ল'বা। ভলৈ আছা নিশ্চয়। বৰ্তমান আমাৰ চাৰিওফালে বানপানী। মানুহৰ দুখে কুলাই-পাচিয়ে নধৰা হৈছে। তোমালোকৰো চাগে বহুতৰে ঘৰ-দুৱাৰ পানীৰে উপচি পৰিছে। বহু ঠাইত ভয়াৱহ বানে সকলোৰে জীৱনলৈ দুৰ্যোগ নমাই আনিছে। কাৰোবাৰ ঘৰ-দুৱাৰ, খেতিপথাৰ বানত বুৰ গৈ নাজল-নাথল অৱস্থা হৈছে। কিছুমান ঠাইত ৰাস্তা-ঘাট আদি বানে বুৰাই পেলোৱাৰ ফলত নাইবা বানে ছিঙি নিয়াৰ ফলত যাতায়াত-যোগাযোগ আদিও বিচ্ছিন্ন হৈ পৰিছে। ফলত তোমালোকৰ পঢ়া-শুনাত যথেষ্ট ব্যাঘাত জন্মিছে। বৰ্তমান স্কুল-কলেজতো বানৰ বাবেই বন্ধ দিছে। কিছুমানৰ কিতাপ-পত্ৰ আদিও বানৰ পানীত বিধ্বস্ত হৈ গৈছে। আনকি থাকিবলৈ ঘৰটোকে নোহোৱা হৈ যোৱাৰ ফলত তোমালোকৰ কিছুমানে হয়তো ওখ ঠাইত, স্কুলঘৰ আদিত লেতেৰা পৰিৱেশতে দিন কটাবলগীয়া হৈছে। বহুতৰে হয়তো খাদ্যৰ নাটনিয়েও দেখা দিছে। মুঠতে চাৰিওফালে এক অৱৰ্ণনীয় অৱস্থা। প্ৰকৃতি তাণ্ডৱৰ বাবে পিছে আমিও বহু পৰিমাণে দোষী। নলা-নৰ্দমাবোৰত আমি যিকোনো বস্তু পেলাই নলাবোৰ পুতি পেলাইছোঁ। যাৰ ফলত সেই নলাবোৰে বৰষুণৰ পানী বহন কৰিব নোৱৰা হৈছে আৰু আমাৰ চাৰিওফালে বানপানীৰ সৃষ্টি হৈছে। গতিকে প্লাষ্টিকেই হওক বা আন বস্তুৱেই আমি নলা আদিত পেলোৱাতকৈ ঘৰতে থুপাই থৈ পিছত পুৰি পেলাব লাগে। এইবোৰ কথাৰ ওপৰত তোমালোকেই বেছিকৈ গুৰুত্ব দিব লাগিব আৰু আনকো এই বিষয়ে ভালদৰে বুজাই দিব লাগিব যে আমাৰ ভুলৰ বাবে যাতে আমিয়েই দুৰ্ভোগ বৰ্গিব লগা নহয়। আমি যেনেদৰে নিজৰ ঘৰখন পৰিষ্কাৰ কৰি ৰাখো ঠিক তেনেদৰে আমাৰ ওচৰৰ চাৰিওফালৰ পৰিৱেশ যদি পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰাখো তেতিয়াহ'লে আমি বহু সমস্যাৰ পৰা মুক্ত হৈ থাকিব পাৰিম। তোমালোকেই এই আদৰ্শ দেখুৱাব লাগিব সমাজত। তেতিয়াহে আমি বানপানীকে ধৰি বিভিন্ন সমস্যাৰ পৰা মুক্ত হৈ থাকি নিৰোগী আৰু সুস্থ জীৱন অতিবাহিত কৰিব পাৰিম। নহ'লে সদাসে আমাক সমস্যাই খেদি ফুৰিব। কেতিয়াও আমি সফল জীৱন কটাব নোৱাৰিম। গতিকে মইনাহঁত আমি আনক দোষ জাপি দি দায় সাৰিবলৈ চেষ্টা কৰাতকৈ নিজে কিমান দোষমুক্ত হ'ব পাৰো সেই কথাতহে বেছি গুৰুত্ব দিব লাগে। তোমালোকেই হৈছা দেশৰ ধৰণী। কথাবোৰ বুজিছা নহয়। আৰু এটা কথা তোমালোকৰ যিসকলৰ এই বানপানীৰ সময়ত কোনো অসুবিধাত পৰা নাই সেইসকলে দুৰ্দশাগ্ৰস্ত তোমালোকৰ দৰে ছাত্ৰ-ছাত্ৰী, শিশুসকলক তোমালোৰ সাধ্যানুসৰি সহায়ৰ হাত আগবঢ়াই যোৱা। আজিলৈ বাৰু আহো দেই। সকলোৰে কুশল কামনা কৰিলোঁ

তোমালোকৰ—
**ভূপেন মামা**



পৰিস্মৃতা টাইদ, চতুৰ্থ শ্ৰেণী

## জয়াল হাবিৰ সপোন



■ বিলেশ্বৰ তালুকদাৰ

অসম-অৰুণাচল সীমান্তৰ
এখন জয়াল হাবি,
পৰ্বত-পাহাৰ গছ-গছনিৰে ভৰা
প্ৰকৃতিয়ে হিয়া ঢালি দিয়া অটব্য অৰণ্য।
মই যেন হাবিৰ মাজলৈ
সন্দিহান হৈ আগবাঢ়ি গৈ আছোঁ ,
চকু মুদিও দেখাপোৱা মোৰ চিত্ৰপটলৈ।
গহীন অৰণ্যৰ মাজত এখনি থান
পুৰণি পৰম্পৰাকে আদৰাৰ
চেষ্টা কৰিছোঁ,
মোৰ সন্মুখত থকা হাতীৰ
জাকটোৱেও তভক মাৰি ৰৈছে,
নিশ্চয় সিহঁতেও বাট হেৰুৱাইছে
দিশহাৰা হাতীৰ দলপতি বাটকটীয়া,
আগ বঢ়াৰ এয়া বৃথা চেষ্টা।
ক্ষীণ বাট সদৃশ অজগৰ সাপৰ
ওপৰেদি খোজ লওঁতে
হাতীৰও পাৰ সঘনে পিচলিছে ,
বাঁহনি, নিজৰাৰ পানী
আনকি গছৰ পাতেও যেন
কথা পাতিছে সেই সনাতন
কালৰ জয়াল হাবিত।
তেনেতে টোপনি ভাগিল নিশান্তত
ভয় ভাব জোকাৰি সৰিল হুমুনিয়াহ ,
মনে মনে ভাবিলোঁ
কিয় দেখোঁ এনেকুৱা দৃশ্য
চিলমিলিয়া ঘুমটিৰ সপোনত।
*ফোন ঃ ৯৯৫৪২-৭৪৫০৭*

## তুমি আহিলেই

■ ঝৰ্নালী শৰ্মা বৰকটকী

তুমি আহিলেই
নৈ পাৰৰ কঁহুৱা ফুলবোৰ
ফুলিব ধৰে
তুমি আহিলেই
সুগন্ধি ফুলৰ সুবাস
আমোল মোলাই উঠে
ধৰণী
কাঁচিয়লী ৰ'দ চেৰেঙাত
আকাশে বিচিত্ৰ ৰহণ সানে
তুমি আহিলেই
আশান্ত বতাহ জাকে
আউল লগায় মনত
তোমাৰ আগমনত উৰুখা
পঁজাত
জ্বলি উঠে আশাৰ বন্তি।
*ফোন ঃ ৯১০১৮-৬০৩৫৯*

## অব্যক্ত

■ নয়নজ্যোতি শইকীয়া

১
কথাবোৰ কত
সুৰীয়া বাটৰ দস্তাবেজ,
বুকুৰ ফুল যেন আলসুৱা ঘাট
লাহ দিয়া আবেলিত
বৈ থাকে য'ত
শ্যামৰঙী সপোনৰ ৰাগ।
২
হেঁপাহ জিলিকি ৰয়
আৱেগৰ উঠন নৈত
স্বপ্নিল এটি আশা বয়
মৃদু কম্পনত অবাধি অনুভূতি
দৃষ্টিত অবিচল,
ক্ষণেকত জলমল।
৩
উলাহী হেঁপাহত কত উন্মনা
বৰ্ণময় খোজেৰে দুচকুত তৃষা
তুমি যদি কোৱাঁ
বৰফ গলি অহা জুৰিটি হৈ
অন্তৰত শিপাই দিম এমুঠি আশা।
*ফোন ঃ ৯১০১৮-৮৩৩৮৭*



## শিশু

■ দীপশিখা সৰকাৰ, বঙাইগাঁও, ১১ বছৰ

মোৰ হৃদয়ত আছে প্ৰাণ ভৰা উচাহ
মই ৰাখিব জানো বিশ্বাস
মই ঘূৰি ফুৰো পৃথিৱীৰ বুকুত
মানুহক শিকাও মই জীয়াই
থাকিবলৈ।
ফুলৰ পাহিৰ দৰে
সুকোমল মোৰ মন
সকলোকে ভাবো হৃদয়ৰ আপোন।
ভগৱানে বাস কৰে
মোৰ মনৰ মাজত
পৃথিৱীখনে মোক সদায়
হঁহুৱাবলৈ সজায়।

## পৌৰাণিক সাধু

# ভগৱানৰ মহিমা অপাৰ

■ মোহাইমিনুৰ ৰহমান

কিহে বাপু ৰূপনাৰায়ণ মূৰে-কপালে হাত দি দুখ মনে বহি আছা যে। ৰমেন ককা কিনো ক'ম মোৰ দুখৰ কথা। তোমাৰ ইমান কি দুখ হৈছেনো। তোমালোকৰচোন কপিলী গাইজনীৰ পোৱালি জগিছে। গতিকে এতিয়া গাখীৰ খোৱাহে কথা আৰু।

ককাদেউতা সমস্যাটো তাতেই। গাইজনীৰ পোৱালি জগিছে ঠিকেই কিন্তু আজিলৈ এটোপাল গাখীৰহে খাবলৈ পোৱা নাই।

ৰূপনাৰায়ণ তুমি বাৰু ৰাতি হ'লে পোৱালিটো ভালদৰে নাবান্ধা নেকি? বুজিছা আমাৰ গাইজনীৰো মাজতে গাখীৰ নোহোৱা হৈছিল। পিছে এদিন ৰাতি গোহালিত গৈ দেখিলো পোৱালিটোৱে মাকৰ গাখীৰ খাই আছে। সেইদিনাৰ পৰা পোৱালিটো মাকৰ পৰা দূৰত বান্ধা কৰিলো আৰু এতিয়া দিনে দুই লিটাৰকৈ গাখীৰ পাওঁ।

ককা, মইতো ৰাতি হ'লে পোৱালিটো মাকৰ পৰা দূৰতে বান্ধো। তথাপি আজি ৰাতি সাৰ পাই পোৱালিটো ভালদৰে চাম বান্ধি থোৱা ঠাইত আছেনে নাই। সেইদিনা ৰাতি ৰূপনাৰায়ণে পোৱালিটো মাকৰ পৰা বহুত দূৰত বান্ধিলে আৰু মাজৰাতি সাৰ পায়ো চালে। কিন্তু পোৱালিটোক বান্ধা ঠাইতে দেখিলে। ৰাতিপুৱা শুই উঠি ৰূপনাৰায়ণে গাখীৰ খীৰাবলৈ গাইজনীৰ ওচৰলৈ গ'ল। কিন্তু আচৰিত কথা সেইদিনাও ৰূপনাৰায়ণে এটোপো গাখীৰ নাপালে। কিহে ৰূপনাৰায়ণ কিনো ইমানকৈ চিন্তা কৰি আছা। মই কোৱা ধৰণে পোৱালিটো গাইজনীৰ পৰা দূৰত বান্ধিছিলানে?

হয় ৰমেন ককা। মই দূৰতে বান্ধিছিলো আৰু মাজৰাতি সাৰ পায়ো চাইছিলো। পোৱালিটো বান্ধি থোৱা ঠাইতে শুই আছিল। কিন্তু ককা আজিও এটোপো গাখীৰ নাপালো। গাখীৰবোৰ ক'লৈ যায় তাকে ভাবিহে মই একো উৰা-দিহ পোৱা নাই।

ৰূপনাৰায়ণ এইটোতো চিন্তাৰ বিষয়। বুজিছা তুমি এটা কাম কৰিবা। দিনটো গাইজনী ক'লৈনো যায় অকণমান লক্ষ্য ৰাখিবা। কিজানিবা কোনোবাই গাখীৰবোৰ খীৰাই লৈয়ে যায়।

খুৱা ময়ো সেইটোৱে ভাবিছো। কিন্তু দিনৰ দিনটো কামত ব্যস্ত থাকো বাবেহে গাইজনী চাবলৈ সময় পোৱা নাই।

তোমাৰ ল'ৰা ৰাজু আৰু তাৰ লগৰ সমনীয়াবোৰকে চাবলৈ কবাচোন। সিহঁতে দিনৰ দিনটো এনেহে খেলি থাকে।

হয় ককা। আজি ৰাজু আৰু তাৰ লগৰ সমনীয়াবোৰক কথাটো ক'ব লাগিব।


ঠিক আছে তেন্তে। আহিছো দে বোপা।

ৰমেন ককা যোৱাৰ পিছত ৰূপনাৰায়ণে পুত্ৰ ৰাজু আৰু তাৰ লগৰ সমনীয়াবোৰক সকলো কথা বিৱৰি ক'লে আৰু গাইজনী দিনৰ দিনটো ক'লৈ যায় লক্ষ্য ৰাখিবলৈ ক'লে। ৰাজুৱে তাৰ লগৰ সমনীয়াবোৰৰ লগত গাইজনী ক'লৈনো যায় আঁতৰে আঁতৰে লক্ষ্য কৰিবলৈ ধৰিলে। সিহঁতে দূৰৰ পৰা দেখিলে টিলা এটাত থকা বিৰিণা এজোপাৰ ওচৰত গাইজনীৰ ওহাৰৰ পৰা আপোনা-আপুনি গাখীৰ ওলাবলৈ ধৰিছে।

ৰাজুৱে উধাতু খাই ঘৰলৈ দৌৰ মাৰিলে আৰু দেউতাকক ক'লে- দেউতা দেউতা এটি আচৰিত ঘটনা ঘটিছে। আমাৰ গাইজনীৰ ওহাৰৰ পৰা টিলাত থকা বিৰিণা জোপাৰ ওচৰত আপোনা আপুনি গাখীৰ ওলাবলৈ ধৰিছে।

ৰূপনাৰায়ণে পুতেকৰ কথা শুনি হতভম্ব হৈ পৰিল আৰু ততাতৈয়াকৈ টিলাটোৰ ওচৰত গৈ উপস্থিত হ'ল। গাঁওখনত কথাটো ইমূৰৰ পৰা সিমূৰলৈ জুইৰ দৰে বিয়পি পৰিল আৰু সকলো মানুহ আহি তাত উপস্থিত হ'ল। জ্যেষ্ঠ ৰমেন ককাও খৰখেদাকৈ তালৈ আহিল।

ককা এতিয়াহে বুজিলো গাখীৰবোৰ ক'লৈ যায়। গাঁওখনৰ জ্যেষ্ঠ হিচাপে আপুনিয়ে কওকচোন এতিয়া কি কৰিলে ভাল হয়। ৰূপনাৰায়ণ মইনো কি ক'ম। তথাপি গাইজনীৰ ওহাৰৰ পৰা গাখীৰ ওলাই যিখিনি ঠাইত পৰিছিলে সেই ঠাইখিনি এবাৰ খান্দি চোৱাচোন। কিজানিবা মাটিৰ তলত কিবা ৰহস্য উদ্ধাৰ হৈয়ে। ককাৰ কথা মতে ৰূপনাৰায়ণে কোৰেৰে মাটি খান্দিবলৈ ধৰিলে। কিছু সময় মাটি খান্দাৰ পিছত তাত সকলোৱে দেখিবলৈ পালে এটি শিৱলিংগ। লগে লগে গাঁওবাসীয়ে হাতযোৰ কৰি শিৱলিংগটোক প্ৰাৰ্থনা কৰিবলৈ ধৰিলে।



কিন্তু কোৰেৰে খান্দোতে শিৱলিংগটোৰ এছোৱা ভাঙি যোৱাত ৰূপনাৰায়ণৰ মনটোহে বেয়া লাগিল।

অহুকাণে পহুকাণে কথাটো গৈ নাগশংকৰ ৰজাৰো কাণত পৰিল। নাগশংকৰ ৰজায়ো ততাতৈয়াকৈ আহি তাত উপস্থিত হ'ল আৰু প্ৰজাগণক উদ্দেশ্যি ক'লে - সকলোৱে দেখিলানে ভগৱানৰ মহিমা। পিছে আপোনালোকে চিন্তা কৰিব নালাগে। মই শিৱলিংগটো উলিয়াই ভালদৰে এঠাইত প্ৰতিষ্ঠা কৰিম আৰু মন্দিৰ এটা বনাই দিম। সেনাপতি অতি সোনকালে হাতী লগাই শিৱলিংগটো উলিওৱাৰ ব্যৱস্থা কৰক। ঠিক আছে স্বৰ্গদেউ। মই এইমাত্ৰ উলিওৱাৰ ব্যৱস্থা কৰি আছো। সৈন্যসকলে হাতী লগাই বহুতবাৰ শিৱলিংগটো উলিয়াবলৈ চেষ্টা কৰিলে যদিও এবাৰো সফল নহ'ল। বৰঞ্চ হাতীকেইটাহে ভাগৰি পৰিল। তাকে দেখি নাগশংকৰ ৰজা চিন্তিত হৈ পৰিল আৰু সকলোকে উদ্দেশ্যি ক'লে- ভগৱানৰ মাহাত্ম্য থকা এই স্থানতে এখন দেৱালয় নিৰ্মাণ কৰা হ'ব আৰু সকলোৱে মোক সহযোগ কৰিব লাগিব। ৰজাৰ কথাত গাঁওবাসী উৎফুল্ল হৈ পৰিল আৰু স্বৰ্গদেউৰ জয়গান গাবলৈ ধৰিলে।

অৱশেষত গৈ সেইস্থানতে শ্ৰীশ্ৰীবিশ্বেশ্বৰ দেৱালয়ৰ নিৰ্মাণ কাৰ্য সম্পন্ন হ'ল। এই দেৱালয়ৰ মহিমা আজিও অপাৰ। শিৱ বিৰিণাৰ তলত উদ্ধাৰ হোৱা বাবে সেই ঠাইখিনিক মানুহে বিৰিণাৰ ঈশ্বৰ - বিৰিণেশ্বৰ, ক্ৰমে অপভ্ৰংশ হৈ বিশ্বেশ্বৰ আৰু বেলশৰ নামকৰণ কৰিলে।

*ফোন ঃ ৮৩৯৯০-৮২৭৮৫*

## নাপাহৰোঁ কোনোদিন

■ কৰবী লিগিৰা

বান্ধৈ ব'হাগ আহিল নতুন হৈ
ধৰণী ধুনীয়া হ'ল
আহিম বুলি নাহিলা কিয়
গছতে কপৌপাহি ৰ'ল।

পাহৰিলো বুলি নাভাবিবা
মানুহ নামৰ শৰীৰটোক
সচাঁকৈ জানো পাহৰে
মৰম স্নেহ ঘৃণা প্ৰতাৰণাতো
পাহৰিব নোৱাৰোঁ কথাবোৰ।

বান্ধৈ তুমি মোৰ চেনেহৰ
সেয়ে কষ্ট হয় পাহৰিবলৈ
বতাহ বৰষুণ হৈ
বোৱাব নোঁৱাৰো
চেনেহৰ ঢল
দেখুৱাব নোৱাৰোঁ কান্দি
যাবও নোৱাৰোঁ বিচাৰি
আহি বা এই ব'হাগতে
নাহৰ কপৌ ফুলৰ দৰেই।

আকৌ বজাম
পেপা গগণা,
জিনিম সুখৰ সপোন অমিয়া
আনিম আদৰি আগৰ সুদিন।।

## আইৰ উশাহ-ৰেখা

*(কলাগুৰু বিষ্ণু ৰাভা দেৱলৈ শ্ৰদ্ধাঞ্জলি)*

■ গৌতম মালাকাৰ

মোৰ ধমনীত কাৰ শব্দ-স্ফুলিংগ প্ৰবাহিত হয়,
মাটিৰ সুগন্ধ সনা কাৰ গানত
মোৰ হৃদপিণ্ডৰ ছন্দময় সঞ্চালন দ্ৰুততৰ হয়?
কাৰ কবিতাই মোৰ কলিজাত ডুগ ডুগ ডম্বৰু বজায়,
সিৰাই-সিৰাই স্বাভিমানৰ অগনি কোনে জ্বলায়?

"এই স্বাধীনতা মিছা স্বাধীনতা" বুলি
বাৰে বাৰে কোনে আমাক সকিয়ায়?

'বিষ্ণু-অগ্নি-শয্যা'ৰ প্ৰেৰণাৰ উত্তাপত
নিতৌ পাহোৱাল হয় আইৰ ৰণুৱা-ডেকা দল,
"জুইৰ মিঠা বিছনাত" সূত্ৰধাৰে শেষ ভাও দিয়ো
সাৰে ৰাখিছে আমাক,
আমি জাগি থাকিম চিৰকাল!

"বিশ্বৰ ছন্দে ছন্দে মহানন্দে আনন্দে" নচা
সুৰৰ পূজাৰীৰ পূজ্য বন্তি জ্বলাই যাম,
কলাগুৰুৰ আশিস লৈ
বিশ্বজুৰি গাই যাম আপোন সংস্কৃতিৰ গান,
জাতিৰ উশাহ-ৰেখা টানি যাম
যুগ-যুগলৈ.... অনন্ত কাললৈ...

*ফোন : ৯৪৩৫১৬৮৩৭৮*

## বাৰিষাৰ পদ্য

■ ৰূপা গগৈ

হেৰৌ হেৰৌ বলিয়া বান
কিমান কঢ়ি নিবি আৰু
খাটি খোৱা জনতাৰ প্ৰাণ...।

বাৰিত পলখ পৰিল
খেতিয়কৰ টোপনি সৰিল
পথাৰত ফালে চালেটো
বেদনাত বুকুৰ কামিহাড়
দালি দালি হৈ পৰিল...।

পেটৰ ভোক পেটতে ৰয়
ৰজাঘৰীয়াই আকৌ development
ৰ কথা কয় ... দুচকুত বয় ঢল
কিমান জীয়াতু ভূগিলে বাৰু
জীৱনটোৰ প্ৰতি অনিহা হয় !!

এতিয়া বানপানী ৰাজ্যৰ সমস্যা নহয়
যেন এটা উৎসৱহে
কোনোবাই কান্ধত উঠে আকৌ
কোনোবাই সমালোচনা কৰে
সাংবাদিকৰ TRP বাঢ়ে
সমাধান যে একোৱে নাহে??

প্ৰতি বছৰে আহে আৰু যায়
যেন এটা পৰিক্ৰমা বছৰৰ
দুখীয়া ৰাইজৰ দুখ একেদৰেই ৰয়
মূলঞ্জ্যবৃদ্ধিৰে চৰমসীমা চুলে
ৰজাঘৰীয়া এতিয়া নাকবজাই শুলে।

ভাৱি ভাৱি লাগিছে ভয়
আমাৰ সময়বোৰ বাৰু এনেকৈয়ে পাৰ হ'ব....
ল'ৰা ছোৱালীৰহঁতৰ ভৱিষ্যতবোৰ যে
অন্ধকাৰত যাব।

আত্মনিৰ্ভৰশীলতাৰ পাঠ
পঢ়াই পঢ়াই পৰিছোঁ ভাগৰি
কেনেকৈ সমাধান কৰোঁ
আজিৰ এই নিবনুৱা সমস্যা
নহ'লে এদিন কালৰূপ ল'ব
মানুহৰ জীৱন নিৰ্বাহ বৰ কঠিন হৈ পৰিব।

## বহু দূৰ

■ চিম্পল শইকীয়া

গণচেতনা স্তব্ধ জাগ্ৰত গণ আন্দোলন
সংগ্ৰামী জীৱনৰ নেপথ্য পৰা চাইছে
স্বাধীনতালৈ কিমান দূৰ...
সকলো দৰ্শনকাৰী নীৰৱমুখী
আজি বহু দূৰ
গতানুগতিক গণতন্ত্ৰলৈ!

*ফোন : ৮৮২১৭৬২৫০*

## হেঁপাহৰ ৰঙালী বিহুটি আহিব

■ অনুভৱ প্ৰিয়ম মিৰি

হেঁপাহৰ ৰঙালী বিহুটি আহিব
ফুলিব কপৌ-তগৰ মাধৈ-মালতী
নকৈ কুঁহি মেলিব তৰু তৃণ লতা
সেউজীয়া হ'ব পৃথিৱীৰ চৌপাশ

হেঁপাহৰ ৰঙালী বিহুটি আহিব
ঘৰে ঘৰে বাজিব ঢোল পেঁপা গগনা
কঁকাল ঘূৰি নাচিব নাচনী
গাব মন প্ৰাণ পুলকিত কৰা
হুঁচৰি বিহুগীত....
তামোল-পাণ অৰিহণাৰ শৰাইখন লৈ
ঘৰৰ শ্ৰীবৃদ্ধি মঙ্গলৰ বাবে
গৃহস্থই ল'ব ৰাইজৰ পৰা সেৱা

হেঁপাহৰ ৰঙালী বিহুটি আহিব
ঘৰলৈ আহিব আলহী-অতিথি
কাৰ্যসূচী চলিব আপ্যায়নৰ সমাৰোহ
সম্বল থাকিব পিঠা-পনা সান্দহ
নানা তৰহৰ অন্নৰ জুতি

হেঁপাহৰ ৰঙালী বিহুটি আহিব
সৰুৱে ডাঙৰৰ পৰা ল'ব আশীৰ্বাদ
সকলোৱে পৰিধান কৰিব জাতীয় সাজপাৰ
গাঁৱৰ ইমূৰৰ পৰা সিমূৰলৈ
বিহু বিহু গোন্ধাব

হেঁপাহৰ ৰঙালী বিহুটি আহিব
মাহ-হালধি দীঘলতি মাখিয়তীৰে
গৰুবিহুৰ দিনা গৰু ধুৱাব
মঙ্গলৰ বাবে গৰুৰ ডিঙিত বান্ধিব
তৰাপাতৰ ৰচি

হেঁপাহৰ ৰঙালী বিহুটি আহিব
সাতখন আঠখন লাগিব গাত
আনন্দ মুখৰ হৈ পৰিব
দেহ মন প্ৰাণ ।

## শাওণৰ মহিমা

■ বন্দনা নাথ ঠাকুৰীয়া

সূৰ্য্যই স্থিতি লভে শ্ৰাৱণা নক্ষত্ৰত
শ্ৰাৱণ বা শাওণ নামৰ তাৰেই গূঢ়াৰ্থ

বত্ৰিছ দিন ক্ৰমান্বয়ে সব্যসাচী মৃৎশিল্পী
দুহাতৰ পৰশত প্ৰাণ পাই মৃন্ময় মূৰ্তি

শাওণৰ মাহতে বৰ্ষা ঋতু আহে
ধাৰাসাৰ বৃষ্টিপাতে নৈ, বিল.. ওপচাই তুলে

পোখা মেলা কঠীয়াই সেউজীয়া বৰণ ধৰে
তাকে দেখি খেতিয়কৰ মন উৎফুল্ল হৈ পৰে

বৰ্ষা ঋতুত ব্ৰহ্মপুত্ৰই ৰুদ্ৰমূৰ্তি ধৰে
অসমৰ বিভিন্ন ঠাইত বানৰ তাণ্ডৱ চলে

সৃষ্টিৰ ৰক্ষাৰ্থে বিষ পানেৰে বাবা হ'ল নীলকন্ঠ
শিৱ মুণ্ডত জল ধালি দেৱগনে কৰিলে তুষ্ট ।

শাওণ মাহত শিৱ ব্ৰতত শিৱ তুষ্ট হয়
বল অৰ্থ কোৱা, বম অৰ্থ শিৱ নাম লৈ
কাৱাৰিয়াই কৰে কাৱাৰ যাত্ৰা

## আমি নিজকে উদঙাই দিওঁ

■ বিজু চেতিয়া

আমি নিজকে উদঙাই দিওঁ
অজানিতে হৈ পৰে
কৰ্ম, বাৰ্তা, ধৰ্ম, লোভত ইত্যাদি
ইটোৰ পিছত সিটোৰ গমকেই নাপাওঁ

নিজক পৃথক বা শ্ৰেষ্ঠ কৰাৰ বাসনাত
আভৰণ দলিয়াই দৌৰোতেই তলি উদং
বতাহৰ গোন্ধ কিন্তু সকলোৱে শুহে
তৎসত্বেওঁ চিঞৰ নাবাজে

বৰষুণত তিঁতিবলৈ ভাল পোৱা বাবেই চাগে
ৰ'দক ছাতিৰে বাধা দিব খোজোঁ
দুপৰ বেলাত মুদ্ৰাৰ সলাই
নিজকে উদঙাই দিওঁ শূন্য দলিচাত

বৈ যোৱা সময়ে বেঁকা হাঁহিহে মাৰিব জানে
ঢাকিব নোৱাৰে আমাৰ উদং চিত্ৰ
চিঙি দিবওঁ নোৱাৰে জখলা
পলম হোৱা ভয়ত।

*ফোন : ৯১০১০০৬৫৬২*

## বাৰিষাৰ ৰাতি

■ কুলদীপ মেধি

বাৰিষাৰ ৰাতি
এজনী নিচলা আই শুইছে
বুকুৰ মাজত তাইৰ পোনাটিক সাৰটি
বাৰিষাৰ ৰাতি
এটি শিশুৱে শুইছে
এখনি শুকান কাপোৰ,
এমুঠি তপত ভাত
সি সপোনত দেখিছে
বাৰিষাৰ ৰাতি
সেমেকা এহালি চকুৱে শুবলৈ বিচাৰিছে
হেৰুৱাৰ শোকে বুকুখন হেঁচি ধৰিছে
বাৰিষাৰ ৰাতি
মথাউৰিটো বাৰুকৈয়ে তিতিছে
ওফন্দি উঠিছে নৈখন
পাৰ ভাঙি বৈ আহিছে
হুমুনিয়াহ,
বাৰিষাৰ ৰাতি
গলি গলি জীৱনটো
ক'লাআখৰকেইটাৰে বাগৰি
ৰাতিপুৱাৰ খবৰ কাকতখন সেমেকাইছে।

## তাপে দহা কথাবোৰ

■ ভাৰতী চক্ৰৱৰ্তী

বুকুৰ অভ্যন্তৰত জ্বলি থকা
চকুপানীৰ এগচি চাকি
এটি আখৰ হৈ
সোঁৱৰাই থাকিবলৈ
দুৰ্দশাৰ এখন পৃথিৱী

সামৰিব পৰাকৈ
বিবৰ্ণ দৃষ্টিৰ উশাহ গধুৰ
ভগ্ন ভাৱনা

আঁকিব পৰাকৈ
মাটিৰ বুকু ফালি
মাটিত লুকুৱাই থোৱা
শোকপ্ৰস্তাৱবোৰ

মোৰ আঙুলিবোৰে
পোখা মেলক
পুৰি নিয়া বতাহৰ
কোনোবাটো প্ৰান্তত
তাপে দহা কথাবোৰেৰে
লিখিবলৈ এখন নতুন দিনপঞ্জী
লো হওক মোৰ হাত
মোৰ মাত

*ফোন : ৯৯৫৪৬২৩৯৬৬*

## বৰষুণ এজাক অহা হ'লে

■ নৱ কাশ্যপ

বৰষুণ এজাক অহা হ'লে
পিতাই আধাখোন্দাত চহাই থোৱা মাটিদৰাত
আঁঠুৱনি পানীত শাৰী শাৰীকৈ ৰুই দিলো হয়
আইৰ বুকুৰ হেঁপাহৰ সেউজীয়া কঠিয়া।
বৰষুন এজাক অহা হ'লে
আকাশৰ বুকু ক'লা কৰি ঢাকি ধৰা
দুঃখবোৰ জিৰ্-জিৰ্ কৰি শৰি পৰি
ধূলিয়ৰি কৃষ্ণচূড়া জোপাক চিকুন কৰিলেহি হয়।
বৰষুন এজাক অহা হ'লে
ক'ণ ক'ণ লৰা ছোৱালী বোৰে
আনন্দত চোতালত নাওঁ খেল খেলি
মনৰ দুঃখবোৰ মচি পেলালে হয়।
বৰষুন এজাক অহা হ'লে
গায়ত্ৰীক আকৌ লগ পালো হয়
বাটচমূখৰ বাছ আস্থানৰ কাষত
আৰু...
তুমি মই পৰা আমি হোৱালৈ
দুয়োটাকে এক কৰি তিয়াবলৈ
বৰষুন এজাক অহা হলেই ভাল আছিল।

## লাচিতৰ দেশৰ সন্তান মই

■ ৰাজীৱ বৰুৱা

আই অ' নাকান্দিবি তই,
বীৰ লাচিতৰ তেজ লৈ
জীৱিত এই দেশৰ সন্তান মই।

সেই....যে মোমাই কটা গড়....
ৰিব্ ৰিব্কৈ বৈ যোৱা লুইতৰ পছোৱা
জাকে কোৱাই যোৱা শৰাইঘাট..

আজিও শত-সহস্ৰ বীৰ যোদ্ধাৰ সমাধি মৈদামবোৰে
সোঁৱৰাই দিয়ে পুনৰ সৌ তাহানিৰ
অসমীয়াৰ বল-বিক্ৰমৰ ইতিহাস।

নিৰ্ভীকতাৰে অসমী
আইৰ সেৱা কৰিম বুলি
সপোন দেখিছিলোঁ মাতৃৰ শীতলী কোলাতেই...
যি সপোন বাস্তৱ হ'ল সাধনা-অনুশীলনৰ মাজেদি
অসম আৰক্ষীৰ জোৱান হৈ।
পোৱে সেৱা কৰিব দেশৰ, উপকাৰ কৰিব দহৰ...
মাতৃয়ে গৌৰৱেৰে মিচিকিয়াই আগবঢ়াই দিছিল কৰ্মভূমিলৈ....

বন্দে মাতৰম বন্দে মাতৰম
ধন্য মোৰ জন্মভূমি-
আই অসমী।

কু-সংস্কাৰ, কু-অভিপ্ৰায়
প্ৰতিৰোধ কৰি, নীতিপৰায়ণ
-নিৰপেক্ষ হৈ জনতাক সম-অধিকাৰ,
সম-মৰ্যাদা দি অপৰাধ অন্ত কৰি শান্তি-শৃংখলাৰ পৰিৱেশ সৃষ্টি
মোৰ প্ৰধান ধৰ্ম।

সংবিধানৰ গণ্ডীৰ ভিতৰত থাকি ন্যায়-ধাৰা মানি
নিষ্ঠাৰে কাম কৰিম,
সমাজত ঐক্য আৰু সম্প্ৰীতিৰ ভাব বঢ়াই
আইনৰ দৃষ্টিৰে সমভাৱে
নম্ৰ, ভদ্ৰ আচৰণেৰে সদা ন্যায়পৰায়ণ হ'ম,
'দেশ মাতৃৰ হকে মৰিম বা তৰিম'
কেতিয়াও নাযাওঁ পিছ হুঁহকি।

তোমালোক আছিলা বহুদিন
নিজেই নিজৰ শক্তি নুবুজা, আৰু
নিচিনা হৈ পৰৰ পাকচক্ৰত।
কিন্তু এতিয়া নতুন দিনৰ হৈছে আৰম্ভ...
জাগ্ৰত হৈছে তোমালোকৰ আত্মচেতনা,
বুজি উঠিছা আত্মমৰ্যাদা.....
অবিৰাম সময়ৰ ন ন প্ৰত্যাহ্বান, সপোন, বিষাদ, নিৰ্যাতন
আৰু ষড়যন্ত্ৰক হেলাৰঙে নেওচি বুজি উঠিছোঁ এই জীৱনৰ দায়িত্ববোধ।

যি দিন ধৰি খাকী পোচাকযোৰ ধাৰন কৰিলোঁ,
সেই দিন ধৰি শপত ল'লোঁ সংবিধানৰ পংক্তিৰে নিষ্ঠাৰে
পালন কৰিম নিজৰ কৰ্তব্য...
দেশৰ-দহৰ মংগলৰ বাবে দায়িত্বশীল হৈ থাকিম অনবৰত।
জীৱনটো সমাজৰ বাবে উৎসৰ্গিত এটা সত্তা ৰূপে গ্ৰহণ কৰিছোঁ।
আৰু সকলো কৰ্তব্য
এক অভিযান বুলি সাহসেৰে আঁকোৱালি লৈ আগুৱাইছোঁ।
জনহিতাৰ্থে, জনসেৱাৰ্থে কৰ্তব্য নিৰ্বাহ কৰাৰ মূলমন্ত্ৰ অকপটে মানি লৈছোঁ।
জয়তু অসমী আই, জয়তু অসম আৰক্ষী।
তোমাৰ সেৱাৰ বাবে ওলাই আহিছোঁ মাতৃৰ বুকুত এটি কঁপনি দি...!

## এ চি

('ৰমেন কুমাৰ'ৰ হাতত)

■ সঞ্জীৱ সাগৰ চৌধুৰী

অৱশেষত ঘৰলৈ এ চি এটা আহিল
অৱশ্যে বিনামূলীয়াকৈ
অনুদান বুলিলেও ভুল নহয়

সেয়ে হয়তো এই এ.চি.টো আপোনাৰটোতকৈ
কিছু পৃথক
ই শীতলাই ৰাখিব পাৰে কেৱল মোকহে
আপোনাক নোৱাৰে
আৰু স্বাভৱিকতেই নোৱাৰে চৌপাশ

মাথো শব্দহীনভাৱে চলি থাকে
অথচ দেখুৱাই অনেক অভিযোগ
অৱশে ইয়াক অফ-অন কৰিব পাৰি অন্য এ.চি.ৰ দৰেই

বেছি সময় একেৰাহে অন কৰি থ'লে হাড়লৈকে
কঁপায় ইয়ো
জগায় বিষ শৰীৰৰ গাঁঠিয়ে গাঁঠিয়ে
উঠায় জ্বৰ
কিন্তু পানী লগাব নোৱাৰে ই

এই এ.চি.টোৰ আছে আকৌ আচৰিত এটা
ক্ষমতা
অন ৰাখিলে ই আপোনাক কৰি পেলাব পাৰে
অত্যন্ত ক্ষীণ অথবা শকত
যি নোৱাৰে আপোনাৰটোৱে

সেয়ে ই আপোনাক কৰি পেলাব পাৰে
হতাশাগ্ৰস্ত
বঢ়াব পাৰে চকুৰ বিকাৰ
আনকি আপোনাৰ শৰীৰত সৃষ্টি কৰিব পাৰে
কৰ্কট

এ.চি. আপোনাৰটোৱেই হওক বা মোৰটোৱেই
হওক
দুয়োটাই কিন্তু ক্ষতিকাৰক
সেই বুলি আপুনি বেচি দিব নোৱাৰিব
আপোনাৰটোৰ দৰে মোৰটো

সেয়ে ইয়াক অফ কৰি ৰখাই যুগুত
আৰু তাৰ বাবে লওক
ৰাতিপুৱা চাহৰ লগত এটি থাইৰ'নৰ্ম অথবা
থাইৰ'নীল বড়ি
আপোনাৰ এ.চি.টোৰ ক্ষমতা অনুসৰি

আপুনি কবিতা বুলি যিহেতু ইমানখিনিলৈকে
পঢ়িলেই
আহক এতিয়া
কথাখিনি কবিতা কৰিবলৈ আপুনি-মই এই
দুয়োটা এ.চি.ৰ পৰা নিজকে বচাই ৰাখোঁ

আৰু পুনৰুদ্ধৰ কৰোঁ আপোনাৰ-মোৰ ভিতৰত
ইনবিল্ট হৈ অহা এ.চি.টো
যি আপোনাৰ-মোৰ লগতে আমাৰ
কাষৰজনকো কৰি ৰাখিব শীতল

আৰু শীতল কৰি ৰাখিব আমাৰ গোটেই ঘৰখন
গাঁওখন
চহৰখন
দেশখন
আনকি গোটেই পৃথিৱীখন কোনো পাৰ্শ্বক্ৰিয়া
অবিহনে
যাৰ নাম প্ৰেম
আৰু এয়া সময়ৰ আহ্বান।

## কাৰ পাপী তৃষ্ণাৰ বাবে?

■ গৌতম মালাকাৰ

হয়, তোমাৰ ধৰ্ম পৃথিৱীৰ সৰ্বশ্ৰেষ্ঠ ধৰ্ম!
কিন্তু বুকুডাঠি ক'ব পাৰিবানে
তুমি তোমাৰ ধৰ্ম-পথৰ সঠিক পথিক
বুলি?

ভীষণ লাজ লাগে মোৰ
নিজকে ধাৰ্মীক বুলি দম্ভালি মাৰিবলৈ,
দ্বিধাগ্ৰস্ততাত নতশিৰ হওঁ
মানুহ বুলি চিনাকি দিবলৈ...

মানুহ হৈ মানুহৰ বিৰুদ্ধে ষড়যন্ত্ৰ ৰচিবলৈ
কাৰ নিষ্ঠুৰ বিবেকে অনুমতি দিয়ে?

মানৱ-ধৰ্মত কালিমা সানি
অইন ধৰ্মাৱলম্বীক
বিধৰ্মী বুলি অত্যাচাৰ কৰিবলৈ
কাৰ পাপী তৃষ্ণাই উদ্বুদ্ধ কৰে?

বন্য কালকূট ৰোপণ কৰি
তেজৰ ফাকুৰে উৎসৱ মনালে
কোন মেৰুদণ্ডহীনৰ
কি অপূৰ্ণ আশা সম্পূৰ্ণ হয়?

কলিজাত থিতাপি লোৱা
বিদ্বেষৰ বৰবিহ উভালি
হৃদয়ত মমতাৰ মন্দিৰ প্ৰতিষ্ঠা কৰি
কাহানিবা পাৰিম নে চিনাকি দিব
আমি মানুহ বুলি?

*ফোন : ৯৪৩৫১৬৮৩৭৮*

## নভৰা কথাবোৰ হৈ যায়

■ হিমাজ্যোতি তালুকদাৰ

অৱতৰীয়া ধুমুহাত
ঘৰ ভাঙিব বুলি ভৰা নাছিলোঁ
ভৰা নাছিলোঁ চোতালত মেটেকাই
ভিঠি পতা কথা।

নভৰা কথাবোৰ হৈ যায়
ৰূপ লয় ঘটনা পৰিঘটনাৰ
মাথোঁ সময়ে বোবা হৈ চাই ৰয়
পঞ্চতত্ত্ব শান্ত হোৱাৰ অপেক্ষাত।

*ফোন : ৯৭০৬৬৮২০৩৪*

## তোমাৰ মৌনতা বুজিবলৈ মই অপাৰগ মইনা

■ মণিকা টেৰণপী

কোৱা
কিবা এটাতো কোৱা
তোমাৰ মৌনতাই মোক কুৰুকি খায়
ভিতৰৰ পৰা।

নোৱাৰোঁ বুজাব তোমাক
যে কেনেকৈ তোমাৰ
মৌনতাৰ কোলাহলৰ জুইত
দগ্ধ হৈ পৰে মোৰ হৃদয়ৰ ভাষা
সংকোচিত হৈ পৰে তোমালৈ বুলি
আগবঢ়াই দিয়া মোৰ দুহাত
ছাই হৈ উৰে মোৰ আত্মা
আৰু তাতেই মই হেৰাই যাওঁ
আৰম্ভণিৰ আঁত বিচাৰি।

কথাবোৰ কথা হৈ থাকিব দিয়ানা।
নৈ হৈ বৈ থাকিব দিয়ানা।
ৰুক্ষতাৰ চাদৰ উৰি
উপেক্ষাৰ বালিৰে কিয়নো ভৰাই তোলা
নিৰলে বৈ যোৱা নৈৰ বুকু।

কথাবোৰ মিছাতো নাছিল
বাঙময় শব্দবোৰ অচিনাকিতো নাছিল
আৰু খোজবোৰৰ ছাব
মোহাৰিতো দিয়া নাই
নোহোৱাতো হৈ যোৱা নাই

তেন্তে একো নোকোৱা কিয়
মাইনা
কিয় মৌনতাৰ আঁৰত ওঁঠ কঁপে তোমাৰ
চকুত চকু থৈ ক'ব পাৰিবানে
কিয়
উত্তৰ দিয়া।

## তুমি মোৰ প্ৰিয় বাবেই

■ এন হক (জান)

তুমি মোৰ প্ৰিয় বাবেই বৰষুণো প্ৰিয়
বৰষুণৰ শীতল আলিংগনত
শিয়ৰি উঠে যেতিয়া
বক্ষত উলমি থকা গোলাপজামু
হেঁপাহ জাগে তোমাৰ বাবে বৰষুণ হোৱাৰ।

জয়াল বেজাৰখিনি গিলি থৈ চিঙি আনো হাঁহি
তোমাৰ পণিয়ল ওঁঠত গুজি দিবলৈ
নিতৌ পোহপাল দিছোঁ সৰ্বাংগে ছটিয়াবলৈ
মুঠি মুঠি জোনাক...।

নীৰৱতাৰ জঠৰতা ভাঙি সোমাই যাব খোজো
তোমাৰ বুকুৰ সংৰক্ষিত মোহনালৈ
প্ৰচণ্ড শব্দপ্ৰাচীৰত খুন্দা খাই উভতি আহোঁ
নিৰ্লজ্জতাৰ পোছাকযোৰ পিন্ধো
আকৌ যাওঁ, আকৌ উভতি আহোঁ
ক'ব লগা কথাবোৰ বুকুত লৈ ফুৰোঁ।

তুমি মোৰ প্ৰিয় বাবেই
মোৰ দৰেই ভাল পাওঁ তোমাক।
আৰু তুমি....
তোমাৰ দৰেই ঘীণ কৰা মোক
ভালপোৱা আৰু ঘৃণাৰ খেলত
বাৰ বাৰ লুণ্ঠিত হওঁ মই।

*ফোন : ৯১০১৮২৮১৫৯*

## পোহাৰী

■ গীতা হাঞ্জেপী

পাহাৰৰ গাৰে বৈ অহা
জুৰিটিৰ কাষেৰে
থিয় গৰাইদি
নিতৌ নামি আহে
কাদম-বাছাপীহঁতে
পিঠিত এখাং সপোন লৈ
পোহাৰ মেলি অপেক্ষা কৰে গ্ৰাহকলৈ
চকুত অলেখ কল্পনা-জল্পনা
প্ৰতি মুঠা পাচলিতেই
তেওঁলোকৰ সাংসাৰিক বাজেট
দহটকীয়া.....বিশটকীয়া
পাচলিৰ মুঠাবোৰৰ দৰ-দাম চলে
ভঙনীয়া পইচাৰ নাটনিত
কেতিয়াবা নিব খুজিও কিনোতাই এৰি যায়
পাচলিভৰ্তি পলিথিনৰ বেগ
ইয়াৰ বাবে খং কৰাৰ
অলপমানো অৱকাশ নাই তেওঁলোকৰ
ভাগে ভাগে থান-থিত লগাই
পুনৰায় বাট চাই ৰয়
পৰৱৰ্তী গ্ৰাহকৰ বাবে
থুন-থুনাই থকা কোলাৰ কেচুৱাটিলৈ
অকণমান মৰম যচাৰ সলনি
দুই-এটা জলকীয়া ভেন্দি
উপৰুৱাকৈহে খুজি নিয়ে গ্ৰাহকে
কাদম-বাছাপীহঁতৰ এইয়া দৈনিক সংগ্ৰাম
খাওঁৰ পাচলি ঘূৰাই নিব লগা হ'লেই যে
তেওঁলোকৰ অংকত আউল লাগে
সেয়ে পাগুলিয়াই সামৰি থয়
পোনাটিৰ লাগতিয়াল বয়-বস্তুৰ তালিকাখন
তথাপি তেওঁলোকে হাৰ নামানে
প্ৰতিদিনে কাহিলি পুৱাতেই
নামি আহে
জুৰিটিৰ সেই থিয় গৰাইদি
নিতৌ নতুন সপোন লৈ....

## প্ৰথম পৃষ্ঠাৰ পৰা—

## ১৮০খনৰো অধিক ৰাজহ

পানীয়ে প্লাৱিত কৰিছে । বাতৰি লিখা সময়লৈকে কামপুৰ ৰাজহ চক্ৰৰ অধীনৰ ১২০খনৰো অধিক ৰাজহ গাঁৱৰ চৌদিশে এতিয়া পানী। যাৰ বাবে কামপুৰ, কচুৱা আদি অঞ্চলৰ জনতা দিশহাৰা হৈ পৰিছে। কামপুৰলৈ যাতায়াত কৰিব পৰা সকলো পথেই বন্ধ হৈ পৰাত অঞ্চলটোৰ ৰাইজ ভীষণ সমস্যাৰ সন্মুখীন হ'ব লগা হৈছে । বানাক্ৰান্তসকলক উদ্ধাৰৰ বাবে এছ ডি আৰ এফে অভিযান অব্যাহত ৰাখিছে। জানিব পৰা মতে কামপুৰ ৰাজহ চক্ৰৰ দুই লক্ষাধিক লোক বানৰ কবলত পৰিছে। নগাঁও দুৰ্যোগ প্ৰশমন বিভাগে জনোৱা তথ্য অনুসৰি জিলাখনত কামপুৰ ৰাজহ চক্ৰৰ ১০২খন গাঁও, ৰহা ৰাজহ চক্ৰৰ ২৯খন গাঁও, নগাঁও ৰাজহ চক্ৰৰ ১২খন, চামগুৰি ৰাজহ চক্ৰৰ ৫খন, কলিয়াবৰ ৰাজহ চক্ৰৰ দুখন গাঁও এইবাৰ বানৰ কবলত পৰিছে। তথ্য অনুসৰি আটাইকেইটা ৰাজহ চক্ৰৰ মুঠ ১৫০খন গাঁও বানৰ কৱলত পৰিছে যদিও বেচৰকাৰী তথ্য অনুসৰি বানৰ কৱলত পৰা গাঁৱৰ সংখ্যা ১৮০খনৰো অধিক হ'ব। জিলা দুৰ্যোগ প্ৰশমন বিভাগে জনোৱা তথ্য অনুসৰি এইবাৰ বানত জিলাখনত ২,৪১,১৯৯ লোক আক্ৰান্ত হৈছে। ইয়াৰে সৰ্বাধিক কামপুৰ ৰাজহ চক্ৰত ২০,৫,০২৬গৰাকী লোক বানত আক্ৰান্ত হৈছে। জিলাখনত বানত আক্ৰান্তসকলৰ ভিতৰত ৮১,১৪৯টি শিশুও আছে। ইতিমধ্যে বানাক্ৰান্তসকলৰ বাবে নগাঁও জিলা প্ৰশাসনে কামপুৰ ৰাজহ চক্ৰত ৭টা, নগাঁও ৰাজহ চক্ৰত ৪টা, ৰহা ৰাজহ চক্ৰত ২টা আশ্ৰয় শিবিৰ স্থাপন কৰিছে। আশ্ৰয় শিবিৰত প্ৰায় ৫ হাজাৰ লোকে আশ্ৰয় লৈ আছে। ইয়াৰ ভিতৰত ১,১৫৬টি শিশুও আছে। আশ্ৰয় শিবিৰত ১৫গৰাকী গৰ্ভৱতী মহিলাও আছে। ইতিমধ্যে জিলা প্ৰশাসনে বানাক্ৰান্তসকলৰ মাজত সাহায্য বিতৰণ কৰিছে যদিও সেয়া পৰ্যাপ্ত হোৱা নাই। বহু বানাক্ৰান্তৰ খাদ্যৰ বাবে হাহাকাৰ কৰিব লগা পৰিস্থিতিৰ সৃষ্টি হৈছে। কপিলীৰ প্ৰৱল বানপানীৰ বাবে বহু লোকে এতিয়া ওখ ঠাইত আশ্ৰয় ল'ব লগা হৈছে। এইবাৰৰ বানত কামপুৰ, কঠীয়াতলী পথৰ ক্ষতিসাধন হৈছে। তদুপৰি ৰহাৰ মাগুৰগাঁৱৰ পশু চিকিৎসালয়খনৰো ক্ষতিসাধন হৈছে। তদুপৰি জিলাখনত ৫১৮৬ হেক্টৰ কৃষিভূমিৰ ক্ষতিসাধন হৈছে। ইপিনে জিলাখনত কপিলী, বৰপানী, কলং, নিশাৰী, মিছা, ডিজু নৈৰ জলপৃষ্ঠ ক্ৰমশঃ বৃদ্ধি হৈ আছে। জিলা জলসম্পদ বিভাগে জনোৱা তথ্য অনুসৰি আজি বিয়লি কপিলী নৈ কামপুৰত বিপদসীমাৰ ১.৭০ মিটাৰ ওপৰেৰে বৈ আছে। নগাঁও চহৰৰ মাজেৰে বৈ যোৱা কলং নৈ নগাঁৱত বিপদসীমাৰ ২৬ চেণ্টিমিটাৰ ওপৰেৰে বৈ আছে। আনহাতে, নগাঁও জিলাৰ কাষেৰে বৈ যোৱা ব্ৰহ্মপুত্ৰ জিলাখনৰ শিলঘাটত বিপদসীমাৰ ৩০ চেণ্টিমিটাৰ ওপৰেৰে বৈ আছে। বাতৰি লিখা সময়লৈকে নদীকেইখনৰ জলপৃষ্ঠ বৃদ্ধি হৈ থকালৈ চাই জিলাখনৰ বানপৰিস্থিতি অধিক ভয়াৱহ হোৱাৰ সম্ভাৱনা আছে। জিলাখনৰ কলিয়াবৰ আৰু চামগুৰিৰ ৰাজহ চক্ৰৰ বিস্তৃত এলেকা ব্ৰহ্মপুত্ৰৰ বানৰ কবলত পৰিছে। ব্ৰহ্মপুত্ৰৰ বানৰ ফলত ভুৰবন্ধা বজাৰ, ১,২,৩,৪ নং ভুৰবন্ধা ২, ৩নং বৰঘুলি অঞ্চল বানৰ কৱলত পৰিছে। তদুপৰি ভুৰাচাপৰি আৰু লাওঁখোৱা অভয়াৰণ্য বানৰ কৱলত পৰিছে। উল্লেখ যে কপিলী জলবিদ্যুৎ প্ৰকল্পৰ খানদং বান্ধত জমা হোৱা পানী আৰু কাৰ্বি লাংপি জলবিদ্যুৎ প্ৰকল্পৰ পানী এৰি দিয়াৰ ফলত কপিলী, বৰপানী নদীয়ে তাণ্ডৱ সৃষ্টি কৰিছে। নগাঁও চহৰত কলং নৈৰ বিপদসীমাৰ ওপৰৰে বৈ থকাৰ ফলত নগাঁও চহৰৰ কেইবাটাও এলেকা বানৰ কৱলত পৰিছে।

## ৰাজ্যৰ ১৪ বিশিষ্ট ব্যক্তিক

অনুষ্ঠানত অসম ৰাজ্যিক সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বড়া সন্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰিব। ২০২১ বৰ্ষৰ কালীচৰণ ব্ৰহ্ম বঁটাৰ বাবে নিৰ্বাচিত কৰিছে ড° অনুংলা আয়াৰক, ২০২১ বৰ্ষৰ কৃষ্ণকান্ত সন্দিকৈ বঁটাৰ বাবে নিৰ্বাচন কৰিছে ড° নৰেন কলিতাক আৰু ২০২১ বৰ্ষৰ আজানপীৰ বঁটাৰ বাবে নিৰ্বাচিত কৰিছে ড° অমলেন্দু ভট্টাচাৰ্যক। এই তিনিজন ব্যক্তিয়ে ৰাষ্ট্ৰীয় বঁটাৰে সন্মানীত হ'ব। আনহাতে, ৰাজ্যিক পৰ্যায়ৰ দহটা বঁটাৰ বাবে এঘাৰজন ব্যক্তিক সন্মানীত কৰিব। এই এঘাৰজন ব্যক্তি হ'ল— ২০২২ বৰ্ষৰ বিষ্ণু ৰাভা বঁটাৰ বাবে নিৰ্বাচিত হৈছে দ্বৈতভাৱে-চন্দ্ৰকমল গগৈ আৰু শাৰদী শইকীয়া। ২০২১ বৰ্ষৰ পাৰ্বতিপ্ৰসাদ বৰুৱা বঁটাৰ বাবে নিৰ্বাচিত হৈছে মৃদুলা বৰুৱা। ২০২১ বৰ্ষৰ অমলপ্ৰভা দাস বঁটাৰ বাবে নিৰ্বাচিত হৈছে ইলা বৰগোহাঁই। ২০২১ বৰ্ষৰ চন্দ্ৰপ্ৰভা শইকীয়ানী বঁটাৰ বাবে নিৰ্বাচিত কৰিছে লীলাৱতী কুশ্ৰেক। ২০২১ বৰ্ষৰ মামণি ৰয়ছম গোস্বামী বঁটা বাবে নিৰ্বাচিত হৈছে ফণীন্দ্ৰ কুমাৰ দেৱ চৌধুৰী। ২০২১ বৰ্ষৰ চৈয়দ আব্দুল মালিক বঁটাৰ বাবে নিৰ্বাচিত হৈছে ছবিলাল উপাধ্যায়। ২০২১ বৰ্ষৰ আহমদ আলী বাঁশকান্দি বঁটাৰ বাবে নিৰ্বাচিত হৈছে ছৈয়দ ছাদুল্লা। ২০২১ বৰ্ষৰ গণেশ গগৈ বঁটাৰ বাবে নিৰ্বাচিত কৰিছে বংশী বৰাক। ২০২১ বৰ্ষৰ স্বৰ্গদেউ সৰ্বানন্দ সিংহ বঁটাৰ বাবে নিৰ্বাচিত হৈছে হেমন্ত গোহাঁই আৰু ২০২১ বৰ্ষৰ শোণিত কোঁৱৰ গজেন বৰুৱা বঁটাৰ বাবে নিৰ্বাচিত কৰিছে ননী বৰুৱাক।

## বান পৰিস্থিতিৰ বুজ ল'লে মন্ত্ৰী

কেইবাখনো জিলাত এতিয়া বানে ৰাইজৰ ক্ষতি কৰিছে । চৰকাৰৰ ফালৰ পৰা যিমানখিনি পাৰি সকলো ধৰণেৰে ৰাইজক সকাহ দিয়াৰ বাবে চেষ্টা কৰা হৈছে বুলি উল্লেখ কৰি মন্ত্ৰী হাজৰিকাই কয় যে মুখ্যমন্ত্ৰীগৰাকীয়ে নিজেও আজি ৰঙিয়া আৰু দৰং জিলাত বানপৰিস্থিতিৰ বুজ লৈছে। বিশেষকৈ বানৰ প্ৰকোপত পৰা ৰাইজলৈ সকলো ধৰণৰ চৰকাৰী সাহায্য সামগ্ৰী যোগান ধৰিবৰ বাবে জিলা প্ৰশাসনক নিৰ্দেশ দিয়াৰ লগতে বানত ক্ষতি হোৱা সাধাৰণ ৰাইজৰ বাসগৃহ মেৰামতিৰ বাবে চৰকাৰৰ পৰা পাব লগা সাহায্য পুঁজিৰ সোনকালে যোগান ধৰিবৰ বাবেও নিৰ্দেশনা প্ৰদান কৰে । আনহাতে, ভূটানৰ পৰা এৰি দিয়া পানীৰ লগতে এইবাৰ বৰষুণৰ পৰিমাণ যথেষ্ট বৃদ্ধি পোৱাৰ বাবে এনে বানপৰিস্থিতিৰ সন্মুখীন হ'ব লগা হৈছে বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে পৰৱৰ্তী সময়ত এনে পৰিস্থিতি কিদৰে মোকাবিলা কৰিব পৰা যায় তাৰ বাবে প্ৰয়াস কৰা হ'ব।

## কলিয়াবৰত বন্যহস্তীৰ

আক্ৰমণত আহত হয় মহেশ্বৰী দাধৰা নামৰ এগৰাকী মহিলা। উন্নত চিকিৎসাৰ বাবে তেজপুৰলৈ প্ৰেৰণ কৰা হৈছিল যদিও চিকিৎসাধীন অৱস্থাত মৃত্যু হয় মহিলাগৰাকীৰ। আনহাতে, এক নং ভুৰবন্ধাত বন্যহস্তীৰ আক্ৰমণত গুৰুতৰভাৱে আহত হয় অসীম বৰ্মন, সোধন বৰ্মন আৰু অনন্তি মণ্ডল। আহতসকলক প্ৰথমে জখলাবন্ধা চিকিৎসালয় ভৰ্তি কৰোৱা হৈছিল যদিও উন্নত চিকিৎসাৰ বাবে তেজপুৰ আৰু নগাঁৱলৈ প্ৰেৰণ কৰা হৈছে। তদুপৰি, নিশা কলিয়াবৰৰ ভিন্ন স্থানত কেইবাটাও বাসগৃহও ভাঙি বিস্তৰ ক্ষতি সাধন কৰে বন্যহস্তীয়ে। উল্লেখ্য যে, দীৰ্ঘদিন ধৰি বন্যহস্তীয়ে উপদ্ৰৱ চলাই আহিছে কলিয়াবৰৰ ভিন্ন অঞ্চলত। বন্যহস্তীৰ উপদ্ৰৱ ৰোধ কৰাত বন বিভাগ চূড়ান্তভাৱে ব্যৰ্থ হোৱাৰ অভিযোগ একাংশৰ।

## চেৰাপুঞ্জীত সৰ্বাধিক

সকলো ধৰণৰ সহায় কৰাৰ আশ্বাস দিয়ে। এতিয়ালৈকে অসমত বানত নিহতৰ সংখ্যা ৫৪গৰাকী হৈছে। বৰাকৰ বাঢ়নী পানীৰ বাবে সতৰ্কতা জাৰি কৰিছে কাছাৰ জিলা প্ৰশাসনে। বৰাক নৈৰ জলস্তৰ বিপদসীমা অতিক্ৰম কৰাৰ বাবে প্ৰয়োজনীয় কামৰ অবিহনে ঘৰৰ পৰা বাহিৰলৈ নোলাবলৈ ৰাইজক আহ্বান জনাইছে কাছাৰৰ উপায়ুক্ত কীৰ্থি জল্লীয়ে । ইতিমধ্যে বৰাকৰ নৈৰ বাঢ়নী পানীৰ ফলত বানৰ কবলত পৰিছে জিলাৰ প্ৰায় ২৫ হাজাৰ লোক। এতিয়াও জিলাত পৰ্যাপ্ত পৰিমাণৰ খাদ্য সামগ্ৰী মজুত আছে, যাৰ বাবে ভুৱা বাতৰিত কাণ নিদিবৰ বাবে আহ্বান জনাইছে উপায়ুক্তগৰাকীয়ে। অত্যাৱশ্যকীয় সামগ্ৰী অতিৰিক্ত মূল্যত বিক্ৰী কৰিলে জিলা প্ৰশাসনক জনোৱাৰ বাবে জনাইছে উপায়ুক্তগৰাকীয়ে। উত্তৰ গুৱাহাটীৰ আনন্দ নগৰত ব্যাপক ভূমিস্খলন। পাহাৰ খননৰ বাবেই এই ভূমিস্খলন। পাহাৰৰ পৰা নামি অহা বোকামাটিৰ ধলে ক্ষতি সাধন কৰে কেইবাটাও ঘৰ। ভূমিস্খলনৰ ফলত নৈৰ পাৰত ন-কৈ নিৰ্মাণ কৰা পাৰ্কিউপাইন ৰেলিঙৰো বিস্তৰ ক্ষতি হয় বুলি জানিব পৰা গৈছে। অভিযোগ অনুসৰি কোনো লোকে স্পৰ্শকাতৰ অঞ্চলটোত চলাই আহিছিল পাহাৰ খনন। ফলত প্ৰবল বৰষুণত নামি আহে বোকা মাটি। ভূমিস্খলনৰ বাবে আনন্দ নগৰত যাতায়াত ব্যৱস্থাতো অসুবিধা হৈছে। আনহাতে যিকোনো মুহূৰ্তত পুনৰ ভূমিস্খলনৰ আশংকা কৰা হৈছে। বতৰ বিজ্ঞান বিভাগৰ মতে, নেৰানেপেৰা বৰষুণৰ বাবে বিখ্যাত উত্তৰ-পূব ভাৰতৰ মেঘালয় ৰাজ্যৰ মৌচিনৰামে এদিনতে ১০০৩.০৬ মিঃমিঃ বৰষুণ পাইছিল, অৰ্থাৎ ২৪ ঘণ্টাৰ ব্যৱধানত। জুনত সৰ্বাধিক বৰষুণৰ ৰেকৰ্ড গঢ়িছে মৌচিনৰামে। আনহাতে, চুবুৰীয়া চেৰাপুঞ্জীৰ চেহেৰাটোও বেয়া। যোৱা ২৪ ঘণ্টাত ৯৭২ মিঃমিঃ বৰষুণ হৈছিল। ই ২৭ বছৰৰ অভিলেখ ভংগ কৰে। শুকুৰবাৰৰ দিনটো সৰ্বাধিক পৰিমাণৰ বৰষুণৰ তালিকাত তৃতীয় স্থানলৈ উন্নীত হয়। অসমতো পৰিস্থিতি সমানে বেয়া। এতিয়ালৈকে, অসমত ভূমিস্খলন আৰু বানপানীৰ ফলত অৰ্ধ শতাধিক লোকৰ মৃত্যু হৈছে। অসমত হোজাই, নলবাৰী, ধুবুৰী, কামৰূপ, কোকৰাঝাৰ, শোণিতপুৰ জিলাৰ পৰা মৃত্যু হোৱাৰ খবৰ পোৱা গৈছে। এতিয়ালৈকে চৰকাৰী পৰিসংখ্যা অনুসৰি, বানপানীৰ ফলত অসমৰ ২৮খন জিলাৰ ১৯ লাখ লোক ক্ষতিগ্ৰস্ত হৈছে। ডিমা হাচাও, গোৱালপাৰা, হোজাই, কামৰূপ আৰু মৰিগাঁৱৰ বিভিন্ন অঞ্চলত বিগত দুটা দিনত ভূমিস্খলনৰ খবৰ পোৱা গৈছে।

## বিহাৰৰ পৰা গ্ৰেপ্তাৰ নাৰী

নিৰেশত এক সংবাদ মেলযোগে এই সফলতাৰ বিষয়ে অৱগত কৰে। জীৱন সাথী ডট কমৰ যোগেদি বিয়া হৈ কলিয়াবৰৰ জখলাবন্ধাৰ এগৰাকী মহিলাই বিহাৰত পতিৰ গৃহত সীমাহীন নিৰ্য্যাতনৰ সন্মুখীন হৈ অৱশেষত বিহাৰ আৰক্ষীৰ সহায়ত পতিগৃহৰ পৰা মুক্ত হ'বলৈ সক্ষম হয়। নিৰ্য্যাতনকাৰী পতি প্ৰিঞ্চ ৰাজ আৰ্যক বাহাৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰাৰ পাছত মহিলাগৰাকী কন্যাৰে সৈতে বিহাৰৰ আশ্ৰয় গৃহত আশ্ৰয় লৈ আছিল। উক্ত মহিলাগৰাকীয়ে বিহাৰৰ সংবাদ মাধ্যমৰ জৰিয়তে অসমৰ মুখ্যমন্ত্ৰীক সহায়ৰ আহ্বান জনাইছিল। উক্ত আহ্বানৰ প্ৰতি সঁহাৰি জনাই মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নগাঁও আৰক্ষীক মহিলাগৰাকীক উদ্ধাৰৰ বাবে নিৰ্দেশ দিয়ে। যোৱা এপ্ৰিল মাহত বিহাৰ আৰক্ষীৰে যোগাযোগ কৰাত বিহাৰ আৰক্ষীয়ে মহিলাগৰাকীৰ লগতে কন্যা শিশুটিক অসমলৈ ৰে'লযোগে প্ৰেৰণ কৰে। মহিলাগৰাকীৰ পৰা প্ৰয়োজনীয় সকলো তথ্য-প্ৰমাণ লাভ তথা অভিযোগৰ ভিত্তিত ইতিমধ্যে বিহাৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি ৰখা অভিযুক্ত প্ৰিঞ্চ ৰাজ আৰ্যক অসমলৈ আনিবলৈ সক্ষম হয় নগাঁও আৰক্ষী। বৃহস্পতিবাৰে নগাঁৱত উপস্থিত হোৱাত সোধা-পোছাৰ অন্তত শুকুৰবাৰে জখলাবন্ধা আৰক্ষী নিৰেশলৈ লৈ অহা হয়। নগাঁও জিলাৰ আৰক্ষী অধীক্ষক লীনা দলেৰ নেতৃত্বত জখলাবন্ধা আৰক্ষী নিৰেশৰ উপ-পৰিদৰ্শক নৰেশ কুমাৰ ৰয়ৰ পাঁচজনীয়া আৰক্ষীৰ দলে বিহাৰৰ পৰা গ্ৰেপ্তাৰ কৰে প্ৰিন্স ৰাজ আৰ্য নামৰ প্ৰৱঞ্চকটোক। শুকুৰবাৰে জখলাবন্ধা আৰক্ষী নিৰেশত সাংবাদিকক সম্বোধন কৰি ঘটনাটোৰ সবিশেষ জনাই নগাঁও জিলাৰ আৰক্ষী অধীক্ষক লীনা দলেই। লগতে মহিলাগৰাকীয়েও সংবাদ মাধ্যমৰ আগত সমগ্ৰ ঘটনাৰ বিষয়ে জনায়। বিহাৰৰ চপৌল জিলাৰ অন্তৰ্গত ত্ৰিবেণীগঞ্জ থানা এলেকাৰ পৰা গ্ৰেপ্তাৰ কৰে অভিযুক্ত প্ৰৱঞ্চকটোক। গ্ৰেপ্তাৰ কৰা প্ৰিন্সৰাজ আৰিয়াৰ বিৰুদ্ধে বিহাৰৰ ত্ৰিবেনীগঞ্জ থানাত ভাৰতীয় দণ্ডবিধি আইনৰ ৪৯৪/৪৯৩/৩৭৬/৩৭৭/ ৩৫৪(চি)/৩৮৬/ ১১৪/৩৪১/৩২৩/৩২৪/৫০৬/৪২০/৪০৬/৩৪ ধাৰাত ১৮০/২০২২ নম্বৰত এটি গোচৰ ৰুজু হৈ আছে বুলি শুকুৰবাৰে জখলাবন্ধা আৰক্ষী নিৰেশত এক সংবাদ মেলযোগে জানিবলৈ দিয়ে নগাঁও জিলাৰ আৰক্ষী অধীক্ষক লীনা দলেই। ভুক্তভোগী মহিলাগৰাকীয়ে জখলাবন্ধা আৰক্ষী নিৰেশত ৰুজু কৰা ৬৩/২০২২ নম্বৰৰ গোচৰৰ ভিত্তিত বিহাৰ জে'লৰ পৰা গ্ৰেপ্তাৰ কৰি অসমলৈ অনা হয় অভিযুক্ত প্ৰিন্সক। কন্যা শিশুটিক চলোৱা নিৰ্য্যাতনৰ ভিত্তিত অভিযুক্ত প্ৰিঞ্চৰ বিৰুদ্ধে 'পচ্‌ক'ৰ আধাৰত আধ এটি গোচৰ ৰুজু কৰিছে বুলি জনায় আৰক্ষী অধীক্ষকগৰাকীয়ে। উল্লেখ্য, জীৱন সাথী ডট কম নামৰ অনলাইন ঘটক প্ৰতিষ্ঠানৰ জৰিয়তে সংসাৰ গঢ়ি প্ৰৱঞ্চনাৰ বলি হ'ল কলিয়াবৰৰ এগৰাকী মহিলা। বিবাহ বিচ্ছেদিত এটি কন্যা সন্তানৰ মাতৃগৰাকী নতুনকৈ সংসাৰ গঢ়াৰ সপোন ধূলিসাৎ হ'ল। মহিলাগৰাকীক ব্লেকমেইলিঙৰে মহিলাগৰাকীৰ একাউণ্টৰ সমূদায় ধন, আ-অলংকাৰ কাঢ়ি লৈ চলালে নিৰ্য্যাতন। ফলত বিষয়টো আৰক্ষীৰ দৃষ্টি গোচৰ হোৱাত বিহাৰ আৰক্ষীয়ে প্ৰৱঞ্চকটোক গ্ৰেপ্তাৰ কৰাৰ বিপৰীতে মহিলাগৰাকীক প্ৰেৰণ কৰে বিহাৰৰ 'ষ্টেট হ'ম'লৈ। অৱশেষত মহিলাজনীয়ে সুযোগ বুজি বিহাৰৰ মিডিয়াৰ যোগেদি অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক উদ্ধাৰৰ বাবে আহ্বান জনায়। মহিলাগৰাকীৰ আহ্বান বিহাৰৰ সংবাদ মাধ্যমত প্ৰকাশ হোৱাৰ লগে লগে বিহাৰ আৰক্ষীয়ে সন্তানসহ মহিলাগৰাকীক অসমলৈ পঠাই দিয়ে।

## প্ৰতিগৰাকী সাহিত্যিকৰ

অধ্যাপক শৰৎ মহন্ত স্মাৰক বক্তৃতা অনুষ্ঠানৰ লগত সংগতি ৰাখি 'উপন্যাসত স্ৰষ্টাৰ জীৱন অভিজ্ঞতা' শীৰ্ষক এক বক্তৃতানুষ্ঠানৰ আয়োজন কৰা হয়। আন্তঃৰাষ্ট্ৰীয় খ্যাতনমা লেখিকা প্ৰথিতযশা সাহিত্যিক তথা সাহিত্য অকাডেমী বঁটা প্ৰাপক ঔপন্যাসিক ড° ৰীতা চৌধুৰী এই বক্তৃতানুষ্ঠানত অংশগ্ৰহণ কৰি অনুষ্ঠানটোৰ গৰিমা এক উচ্চ শিখৰলৈ লৈ যায়। 'উপন্যাসত স্ৰষ্টাৰ জীৱন অভিজ্ঞতাৰ প্ৰতিফলন'ৰ লগত সংগতি ৰাখি ঔপন্যাসিক গৰাকীয়ে কয় যে, জীৱনৰ অভিজ্ঞতা মানে সময়ৰ এক অভিজ্ঞতা, সামাজিক এক অভিজ্ঞতা। বিশেষ ঘটনা-পৰিঘটনাৰ এক অভিজ্ঞতা। পৰিৱেশৰ অভজ্ঞতা আদিকে ধৰি বিভিন্ন অভিজ্ঞতাৰ ই হৈ পৰে অভিজ্ঞতাৰ এক সমষ্টি। এই সকলো বিলাক অভিজ্ঞতা একত্ৰ হৈ একো একোজন সাহিত্যিকৰ কলমৰ পৰা সৃষ্টি হয় বিখ্যাত গ্ৰন্থ বিলাকৰ লগতে গুৰুত্বপূৰ্ণ লিখনি বিলাক বুলি ঔপন্যাসিক গৰাকীয়ে কয়। ইয়াৰ লগতে তেওঁ কয় যে— ভিক্টোৰীয়া যুগৰ সাহিত্যৰ পৰা সাম্প্ৰতিক প্ৰেক্ষাপটলৈকে প্ৰতিগৰাকী সাহিত্যিক বা লিখকৰ অভিজ্ঞতা বিলাক পৃথক। অতীতৰ পৰা বৰ্তমানলৈকে সৃষ্টি হোৱা বিশেষকৈ উপন্যাস সমূহৰ পৰ্যালোচনা বা দৃষ্টি দিলে আমি একো একোটা সময়ৰ লিখকে নিজৰ অভিজ্ঞতাবোৰ বৰ্ণনা কৰা দেখা পাম। উপন্যাস সৃষ্টি কৰোঁতে লিখক গৰাকীৰ পৰ্যৱেক্ষণ শক্তি, পৰ্যালোচনা আৰু জীৱনৰ অভিজ্ঞতাৰে উপন্যাসখন উপস্থাপন কৰিব বা সৃষ্টি কৰিব পাৰিলেহে পাঠকৰ মন জয় কৰিবলৈ সক্ষম হ'ব বুলি তেওঁ মতঃপোষণ কৰে। বক্তৃতানুষ্ঠানৰ মূল বিষয়ৰ ওপৰত আলোকপাট কৰি ঔপন্যাসিক গৰাকীয়ে কয় যে- প্ৰয়াত অধ্যাপক শৰৎ মহন্ত এগৰাকী আদৰ্শ পুৰুষ আছিল। এই গৰাকী বৰেণ্য ব্যক্তিয়ে দেখুৱাই যোৱা পথেৰে আমি আগুৱাই যাব লাগিব। তেখেতৰ চিন্তাশীল লিখনিয়ে আমাক সদায়েই অনুপ্ৰাণিত কৰি আহিছে। ইয়াৰ লগতে নিজৰ বিষয়ে উল্লেখ কৰি তেওঁ কয় - পাঠকে মোৰ উপন্যাস সমূহ পঢ়ি কেনেদৰে আলোচনা বা সমালোচনা কৰে মই নাজানো। কিন্তু মই মোৰ জীৱনৰ অভিজ্ঞতাৰে পোৱা বা দেখা ঘটনা সমূহক সাহিত্যৰ মাজেৰে পাঠকৰ হাতত তুলি দিছো। মোৰ মায়াবৃত্ত উপন্যাসখনত পোনপটীয়াকৈ মোৰ জীৱনৰ অভিজ্ঞতাৰ বিষয়ে বৰ্ণনা কৰিছো। বিখ্যাৎ সাহিত্যিক আশাপূৰ্ণা দেৱীকে ধৰি ভালেকেইগৰাকী বিশিষ্ট সাহিত্যিকৰ সৃষ্টি উপন্যাসৰ সৰ্ন্দভত আলোকপাত কৰি তেওঁ কয় - লিখকৰ অভিজ্ঞতাৰে একো একোটা সৃষ্টিৰ প্ৰতিফলন হ'ব পাৰে । প্ৰতিজনেই নিজক নিজে ভাল পাবলৈ শিকিব লাগিব । নিজক ভাল পাবলৈ শিকিলেহে কলমৰ পৰা সৃষ্টি হ'ব ভাল অভিজ্ঞতাৰ। বক্তৃতানুষ্ঠানৰ শুভ উদ্বোধন কৰি শিৱসাগৰ জিলা উপায়ুক্ত মেঘ নিধি দাহালে কয় যে-এখন সমাজক আগুৱাই নিবৰ বাবে পথ প্ৰৰ্দশক লাগিব। পথ প্ৰৰ্দশক বিলাকৰ পদাংক অনুসৰণ কৰিয়েই সমাজখন আগুৱাই যায়। শৈক্ষিক-বৌদ্ধিক দিশত কাম কৰি থকা সকলক আমি প্ৰায়ে পথ প্ৰদৰ্শক হিচাপে মানি লওঁ। সেয়ে আমাৰ সমাজৰ শৈক্ষিক মহল আগুৱাই আহিলে এখন সুন্দৰ সমাজক গঢ় দি আগুৱাই লৈ যাব পাৰিব। যিদৰে প্ৰয়াত অধ্যাপক শৰৎ মহন্তই এখন সুন্দৰ সমাজ গঢ় দিয়াৰ লগতে এই সুন্দৰ সমাজখনক আগুৱাই লৈ যোৱাৰ সপোন দেখিছিল বুলি উপায়ুক্ত গৰাকীয়ে কয়। শিৱসাগৰ জিলা আৰক্ষী অধীক্ষক শুভ্ৰজ্যোতি বৰাই শুভেচ্ছামূলক বক্তব্য প্ৰদান কৰি কয় যে- জনগণৰ দ্বাৰা পৰিচালিত হোৱা সমাজখনত বিভিন্ন সময়ত মানুহৰ মাজত সচেতনতা বৃদ্ধি কৰিবলৈ বিভিন্ন ধৰণৰ জনকল্যাণ মূলক সভা-সমিতি অনুষ্ঠান আদি অনুষ্ঠিত কৰা হয়। এই অনুষ্ঠান বিলাকত যি সকল নিমন্ত্ৰীত ব্যক্তি থাকে তেওঁলোকে দিয়া বক্তব্য বিলাকক গুৰুত্বসহকাৰে শুনিব লাগে। যিহেতু তেওঁলোকে দিয়া বক্তব্য বিলাকৰ গুৰুত্বত্বা বহুত। এই বক্তব্য বিলাকৰ পৰা বহু কথা জানিব পৰা যায়, যাৰ দ্বাৰা সমাজখনক সেৱা কৰিবলৈ সুবিধা হয়। এখন সমাজক সেৱা কৰিবলৈ প্ৰশাসনিক বিষয়া হ'ব নালাগে। এখন সমাজক সেৱা কৰাৰ বিভিন্ন ধৰণৰ মাধ্যম আছে। এই মাধ্যম বিলাকৰ পৰা যিকোনো এটা মাধ্যম বাচি ললেই প্ৰশাসনিক বিষয়া নোহোৱাকৈয়েই এখন সমাজক সেৱা কৰিব পৰা যায় বুলি অধীক্ষক গৰাকীয়ে মন্তব্য কৰে। শিৱসাগৰ প্ৰেছ ক্লাবৰ সভাপতি ড০ সব্যসাচী মহন্তৰ সঞ্চালনাত অনুষ্ঠিত হোৱা সভাখন প্ৰয়াত অধ্যাপক শৰৎ মহন্তৰ জীৱনৰ বিষয়ে চমু পৰিচয় দাঙি ধৰে সাংবাদিক ভাস্কৰজ্যোতি দাসে। শিৱসাগৰ প্ৰেছ ক্লাবৰ সম্পাদক খলিলুৰ ৰহমান হাজৰিকাই উদ্দেশ্য ব্যাখ্যা কৰা নৰম মৃত্যু বাৰ্ষিকী অনুষ্ঠানটোত প্ৰয়াত শৰৎ মহন্তৰ পুত্ৰ গড়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ তথা শিৱসাগৰ প্ৰেছ ক্লাবৰ সভাপতি ড০ সব্যসাচী মহন্তৰ লিংগ সমতা বিষয় ভিত্তিক গ্ৰন্থ 'gender state & society' উন্মোচন কৰে ঔপন্যাসিক ড০ ৰীতা চৌধুৰীয়ে। ইয়াৰ লগতে নাজিৰা ডি পি এছৰ নৱমমানৰ ছাত্ৰী অম্বিকা মহন্তৰ ইংৰাজী কাব্যগ্ৰন্থ( celeste )চেলেষ্ট উন্মোচন কৰে ডি পি এছৰ অধ্যক্ষ পাৰ্থ সাৰথী চৰকাৰে। শিৱসাগৰ প্ৰেছ ক্লাবৰ উপ-সভাপতি তথা শিৱসাগৰ কলেজৰ অধ্যাপক ড০ উৎপল দত্তই আঁত ধৰা সম্বৰ্ধনা অনুষ্ঠানত ২০২২ বৰ্ষত হাইস্কুল শিক্ষান্ত পৰীক্ষাত সু-খ্যাতিৰে ৰংপুৰ উচ্চ মাধ্যমিক বালিকা বিদ্যালয়ৰ পৰা উৰ্ত্তীণ হোৱা চৈয়দা ৰমিছা ফাৰিহাক শৰৎ মহন্ত সোৱৰণী মেধা বৃত্তি বঁটা প্ৰদান কৰা হয়। ছাত্ৰী গৰাকীক গ্ৰন্থৰ টোপোলা, নগদ ধন, মান পত্ৰ, ফোলাম গামোছা আদিৰে সম্বৰ্দনা জনোৱা হয়। ড০ সব্যসাচী মহন্তই আদৰণি ভাষণ প্ৰদান কৰা অনুষ্ঠানটোত শুভেচ্ছামূলক বক্তব্য প্ৰদান কৰে শিৱসাগৰ কলেজৰ অধ্যক্ষ প্ৰফুল্ল চন্দ্ৰ কলিতাই। আদৰণি ভাষণৰ পূৰ্বেই প্ৰয়াত শৰৎ মহন্তৰ প্ৰতিচ্ছবিত বন্তী প্ৰজ্বলন কৰে শিৱসাগৰ কলেজৰ অধ্যক্ষ প্ৰফুল্ল চন্দ্ৰ কলিতাৰ লগতে শৰৎ মহন্তৰ সহধৰ্মীনী মীনা মহন্তই। নৰম মৃত্যু বাৰ্ষিকী দিৱসৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা 'অধ্যাপক শৰৎ মহন্ত বক্তৃতা অনুষ্ঠানটোত শিৱসাগৰ কলেজৰ ছাত্ৰী বৰ্ষা চুতীয়াৰ পৰিচালনাত শিৱসাগৰ কলেজ সংগীত 'পোহৰ বিচাৰি যাঁও' ছাত্ৰী সকলে পৰিৱেশন কৰে। গড়গাঁও মহাবিদ্যালয়ৰ ছাত্ৰী অনন্যা গগৈয়ে বৰগীত পৰিৱেশন কৰি অনষ্ঠানটো জীপাল কৰি তোলে। এই অনুষ্ঠানতে শিৱসাগৰ প্ৰেছ ক্লাবে বিশ্ব পৰিৱেশ দিৱসৰ লগত সংগটি ৰাখি যোৱা ৫ জুনত অনুষ্ঠিত কৰা অনলাইন চিত্ৰাংকন প্ৰতিযোগীতাৰ বিজয়ী প্ৰতিযোগী সকলক বঁটা প্ৰদান কৰা হয়। আজিৰ এই বক্তৃতানুষ্ঠানত অসম কলেজ অধ্যক্ষ পৰিষদৰ সভাপতি তথা শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ সৌমাৰজ্যোতি মহন্ত, বীৰাঙ্গনা সতী সাধনী ৰাজ্যিক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ জ্যোতি শইকীয়া , শিৱসাগৰ জিলা অতিৰিক্ত উপায়ুক্ত বিতুপন নেওগ আদিৰ লগতে বহুকেইগৰাকী গণ্য মান্য ব্যক্তি মঞ্চত উপস্থিত থাকে।

## এটা পথে জীয়াতু ভোগাইছে বোকাখাত মহুৰামুখৰ বংকোৱালবাসীক

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, বোকাখাত, ১৮ জুন ঃ** দেশে স্বাধীনতা লাভ কৰা ৭৫ বছৰৰ পাছতো বোকাখাত বিধানসভা সমষ্টিৰ কমাৰগাঁও সমীপৰ মহুৰামুখ বংকোৱালত শাওণৰ বোকাময় পথাৰলৈ পৰ্যৱসিত হোৱা এটা পথৰ দুৰৱস্থাই জীয়াতু ভোগাইছে সৰ্বসাধাৰণ ৰাইজক। আজি পুৱা জৰাজীৰ্ণ পথটোৰে এজন ৰোগীক ঠেলাত উঠাই চিকিৎসাৰ বাবে নিয়াৰ দৃশ্যই সামাজিক মাধ্যমত বিশেষ চৰ্চা লাভ কৰিছে। এই দৃশ্যই বোকাখাত সমষ্টিৰ উন্নয়নৰ প্ৰকৃত ছবিখনকে উদঙাই দিছে । উল্লেখ্য যে, কেবিনেট মন্ত্ৰী অতুল বৰাৰ গৃহ সমষ্টি বোকাখাত সমষ্টিৰ মহুৰামুখৰ বংকোৱালত বালিচাপৰি আৰু বৰালিমৰা সংযোগী পথৰ দুৰৱস্থাৰ বাবে এখন ঠেলাত ৰোগী নিবলগীয়া হোৱাত বোকাখাত সমষ্টিৰ উন্নয়ন ফোঁপোলা স্বৰূপ উদঙাই দিছে। অহাবাৰ নিৰ্বাচনত ভোট বিচাৰি আহিলে পছুখেদা দিম। এই হুংকাৰ ৰাজ্যৰ জ্যেষ্ঠ কেবিনেট মন্ত্ৰী তথা স্থানীয় বিধায়ক অতুল বৰাৰ বিৰুদ্ধে। দ্বিতীয়বাৰৰ বাবে মন্ত্ৰিত্ব লাভ কৰা অতুল বৰাই ২০২১ৰ নিৰ্বাচনৰ পূৰ্বে দিয়া প্ৰতিশ্ৰুতিৰ এটা বছৰ পাৰ হৈ যোৱাৰ পাছতো প্ৰতিশ্ৰুতি পূৰণ নোহোৱাত আৰু এই জৰাজীৰ্ণ পথটোৰ বাবে যাতায়াতৰ অনুপযোগী হৈ পৰাত এই ক্ষোভ প্ৰকাশ কৰিছে গাঁওবাসীয়ে। এই ঘটনা বান অধ্যুষিত এলেকা বংকোৱালৰ। বোকাখাত মহকুমাৰ বংকোৱালৰ বালিচাপৰি আৰু বৰালিমৰা সংযোগী পথৰ দুৰৱস্থাৰ বাবে এতিয়া যমৰ যাতনা ভুগিছে গাঁওবাসীয়ে। বালিচাপৰি আৰু বৰালিমৰা সংযোগী পথৰ দুৰৱস্থাৰ বাবে ৰোগীক চিকিৎসালয়লৈ নিব লগা হৈছে ঠেলাৰে। আনকি পথটোৰ দুৰৱস্থাৰ বাবে বিদ্যালয়লৈ ছাত্ৰ-ছাত্ৰীৰ লগতে এতিয়া বিদ্যালয়লৈ শিক্ষকো আহিব নোৱৰা অৱস্থাৰ সৃষ্টি হৈছে । জৰাজীৰ্ণ পথৰ এনে দুৰৱস্থাৰ বাবে ক্ষোভিত হৈ পৰিছে গাঁওবাসী ৰাইজ। স্থানীয় বিধায়ক তথা মন্ত্ৰী অতুল বৰাক তুলাধুনা দিছে গাঁৱৰ মহিলাই । এইবাৰ ভোট বিচাৰি আহিলে কথা বিষম হোৱাৰো হুমকি গাঁওবাসীৰ। যোৱা কেইদিনত হোৱা নেৰানেপেৰা বৰষুণৰ বাবে যাতায়াতৰ অনুপযোগী হৈ পৰিছে পথটো। আনহাতে, স্থানীয় ৰাইজে পথটো মেৰামতি কৰিবৰ বাবে বহুবাৰ আৱেদন-নিবেদন কৰাৰ পাছতো কেবিনেট মন্ত্ৰী অতুল বৰাই গুৰুত্ব প্ৰদান নকৰাৰ অভিযোগ উত্থাপন কৰিছে স্থানীয় ৰাইজে। জৰাজীৰ্ণ পথটোৰে স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰী, ৰোগী, প্ৰসুতি আদি যাব নোৱৰাত ক্ষোভ উজাৰিছে স্থানীয় ৰাইজে।

### বাক্সাৰ বৰিকাদঙা আৰু আমগুৰিত চপৰা-চপৰে খহিছে পাগলাদিয়াৰ গৰা

## বিঘাই বিঘাই নদীৰ বুকুত জাহ গৈছে কৃষিভূমি

**দৈনন্দিন বাৰ্তাৰ সেৱা, মুছলপুৰ, ১৮ জুন ঃ** বাক্সা জিলাৰ বাগানপাৰা ৰাজহ চক্ৰৰ অন্তৰ্গত বৰিকদঙাত এতিয়া ভয়াৱহ ৰূপ ধাৰণ কৰিছে পাগলাদিয়া নদীয়ে। বৰিকাদঙা গাঁওখনৰ পূব দিশেৰে বৈ যোৱা পাগলাদিয়া নৈয়ে গাঁওখনলৈ তীব্ৰ ভাবুকি আনিছে। বানপানীয়ে জুৰুলা কৰাৰ সমান্তৰালকৈ এইবাৰ চপৰা-চপৰে খহিছে পাগলাদিয়া নৈৰ গৰা। নৈৰ বুকুত জাহ গৈছে বিঘাই বিঘাই কৃষিভূমি। গাঁওখনৰ কলিতা চুবা, ধৰ্মপুৰ, তালুকদাৰ চুবা, দীঘলীয়া চুবা, বড়ো চুবাকে ধৰি সমগ্ৰ গাঁওখনতে নৈখনে খহনীয়াৰ সৃষ্টি কৰাত ৰাইজৰ এতিয়া নিদ্ৰা হৰিছে। দৈনিক নৈৰ খহনীয়াত জাহ গৈছে বিঘাই বিঘাই কৃষিভূমি। ইতিমধ্যে পোন্ধৰটাৰো অধিক পৰিয়ালে নদীৰ খহনীয়াত মাটিবাৰী হেৰুৱাই আন ঠাইলৈ স্থানান্তৰ হ'ব লগা হৈছে। ইফালে নৈৰ খহনীয়াই বৰিকাদঙাৰ পৰা কদমতললৈ যোৱা গড়কাপ্তানী পথটোলৈ ভাবুকিৰ সৃষ্টি কৰিছে। মাত্ৰ এশ মিটাৰ দূৰত্বৰে বৈ গৈছে নৈখন। উল্লেখ্য, গাঁৱৰ ৰাইজে নৈখনৰ খহনীয়া প্ৰতিৰোধ কৰাৰ বাবে বিভাগীয় কৰ্তৃপক্ষ তথা জনপ্ৰতিনিধিক বাৰম্বাৰ অনুৰোধ জনাই আহিছে যদিও সেয়া পৰিণত হৈছে অৰণ্যৰোদনত। বিভাগীয় কৰ্তৃপক্ষৰ গুৰুত্বহীনতাৰ বাবে অসহায় হৈ পৰিছে গাঁওবাসী। বিগত বৰ্ষত বিটিচিৰ জলসম্পদ বিভাগৰ কাৰ্যবাহী সদস্য উকীল মোছাহাৰী আৰু মন্ত্ৰী ইউ জি ব্ৰহ্মই অঞ্চলটো পৰিদৰ্শন কৰি সমস্যা সমাধানৰ আশ্বাস দিছিল। পিছে সেয়া আজিও কাৰ্যকৰী নহ'ল। ফলত এইবাৰো নৈখনৰ খহনীয়াই লৈছে ভয়াৱহ ৰূপ। যাৰ বাবে গাঁওখনৰ ৰাইজ ক্ষোভিত হৈ পৰিছে। সেইদৰে পাগলআদিয়া নৈয়ে জিলাখনৰ ভাৰত-ভূটান সীমান্তৰ আমগুৰিতো তীব্ৰ খহনীয়াৰ সৃষ্টি কৰিছে । নৈৰ প্ৰৱল সোঁতে অঞ্চলটোত খহনীয়াৰ সৃষ্টি কৰাত নৈৰ পাৰত অৱস্থিত এছ এছ বিৰ শিবিৰটোৰ উপৰি উত্তৰকুছিৰ মদাহী চুবালৈ ভাবুকিৰ সৃষ্টি কৰিছে।

## মটৰচাইকেলসহ উটি গ'ল যুৱক

**দৈনন্দিন বাৰ্তাৰ সেৱা, যোগীঘোপা, ১৮ জুন ঃ** বঙাইগাঁও জিলাৰ বইটামাৰী আৰু সৃজনগ্ৰাম ৰাজহ চক্ৰৰ অন্তৰ্গত যোগীঘোপা আৰু ইয়াৰ পাৰ্শ্বৱৰ্তী অঞ্চলত বিগত কিছু দিন ধৰি দি থকা ধাৰাসাৰ বৰষুণৰ ফলত ফেনে-ফোটোকাৰে ওফন্দি উঠা ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈসমূহৰ বাঢ়নী পানীয়ে অঞ্চলটোৰ ন ন এলেকা বুৰাই পেলাইছে। অঞ্চলটোৰ কুঁজীয়া নৈৰ জলস্তৰ বৃদ্ধি পোৱাত যোগীঘোপাৰ হেলাপাখিৰীত ১৭নং ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰেৰে পানীৰ সোঁত ব'ব ধৰিছে । ঘাইপথটোৰ ওপৰেদি একাঁঠু পৰ্যন্ত পানী বাগৰিব ধৰাত উক্ত পথছোৱাৰে এজন বাইক আৰোহীক পানীৰ প্ৰবল সোঁতে উটুৱাই লৈ যায় । জনা মতে, বেছিমাৰী-হেলাপাখিৰী মাজত ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰেৰে পানীৰ প্ৰৱল সোঁত বৈ থকা অৱস্থাতে এজন মটৰচাইকেল আৰোহীয়ে পথছোৱাৰে গৈ থকাত পানীৰ প্ৰৱল সোঁতে মটৰচাইকেলসহ যুৱকজন উটুৱাই নিয়ে । যুৱকজনক উটি গৈ দ-পানীত পৰি যোৱা প্ৰত্যক্ষ কৰি তাৎক্ষণিকভাৱে যোগীঘোপা আৰক্ষীয়ে স্থানীয় ৰাইজৰ সহযোগত যুৱকজনক অতি সংকটজনক অৱস্থাত উদ্ধাৰ কৰি চলন্তাপাৰা ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত ভৰ্তি কৰোৱা হয়। যুৱকজন বঙাইগাঁৱৰ নতুনপাৰাৰ সুদীপ দে' বুলি আৰক্ষী সূত্ৰে জনা গৈছে । আনহাতে, পানীত উটি যোৱা এ এছ-১৯ কে-০৭৫৬ নম্বৰ মটৰচাইকেলখনো আৰক্ষীয়ে উদ্ধাৰ কৰে । ইপিনে উক্ত ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰৰে পানী বাগৰাৰ ফলত বঙাইগাঁও জিলাৰ উপায়ুক্ত নৰদ্বীপ পাঠকে এক নিৰ্দেশযোগে উক্ত পথৰে যান-বাহনৰ চলাচল বন্ধ কৰি দিয়ে। সম্প্ৰতি পৰিস্থিতি কিছু উন্নত হোৱাত যান-বাহনৰ চলাচলৰ ক্ষেত্ৰত কিছু শিথিল কৰে। ইপিনে, ধাৰাসাৰ বৰষুণৰ ফলত ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈৰ জলস্তৰ ক্ৰমাৎ বৃদ্ধি পাই থকাত অঞ্চলটোৰ ন ন গাঁও বানৰ কৱলত পৰিছে। ইতিমধ্যে অঞ্চলটোৰ নয়াগাঁও (কিছু অংশ), কেৰখাবাৰী, বেছিমাৰী, গৰাইমাৰী, ফলিমাৰী আদি ৰাজহ গাঁও জলমগ্ন হৈ পৰে। আনহাতে, যোগীঘোপাৰ চৰাঞ্চলত বানৰ সংহাৰে এখনৰ পিছত আনখন গাঁৱৰ লগতে বিস্তীৰ্ণ অঞ্চল বাঢ়নী পানীত সম্পূৰ্ণৰূপে বুৰাই পেলাইছে।

## কলিয়াবৰত মদ্যপান কৰি

শিক্ষকগৰাকীক আটক কৰি নিয়ে চুলুং আৰক্ষীয়ে। স্থানীয় লোকৰ অভিযোগ মতে, পূৰ্বতে কেইবাবাৰো এইগৰাকী শিক্ষকে এনে ঘটনা সংঘটিত কৰি আহিছিল যদিও শিক্ষকগৰাকী ভাল পথলৈ আহক বুলিয়ে ৰাইজে ঊৰ্ধ্বতন কৰ্তৃপক্ষক জনোৱা নাছিল। কিন্তু আজি পুনৰ মদ্যপান কৰি বিদ্যালয়লৈ আহে। শিক্ষকগৰাকীৰ বিৰুদ্ধে বিহিত ব্যৱস্থা ল'বলৈ স্থানীয় লোকে দাবী জনায়।

## দেশত জুই জ্বলিছে

প্ৰতিবাদকাৰীসকলে কেৱল ৰে'ল ষ্টেচন আক্ৰমণ কৰা বা পথ অৱৰোধ কৰাই নহয়, বিহাৰৰ উপ-মুখ্যমন্ত্ৰীৰ ঘৰত আক্ৰমণ কৰাৰো অভিযোগ উঠিছে। বিহাৰৰ বেতিয়াত উপ মুখ্যমন্ত্ৰী ৰেণু দেৱীৰ ঘৰত আক্ৰমণ কৰাৰ অভিযোগ কৰা হৈছে। অগ্নিপথৰ প্ৰতিবাদৰ বাবে ৰে'ল চলাচল ব্যাহত হৈ পৰিছে। হাওৰা-শিয়ালদাহৰ পৰা যাত্ৰা কৰা আঠখন ৰে'ল ৰাস্তাৰ মাজত আবদ্ধ হৈ আছে। পূৰ্বা, দুন, শিয়ালদাহ-নতুন দিল্লী দুৰন্ত এক্সপ্ৰেছ, হাওৰা-মুম্বাই চিএছটিএম, হাওৰা-অমৃতসৰ মেইল বিভিন্ন স্থানত আবদ্ধ হৈ আছে। তদুপৰি হাওৰা-ধানবাদ ব্লেক ডায়মণ্ড এক্সপ্ৰেছ, আছানচোল-টাটা এক্সপ্ৰেছ, জয়নগৰ-হাওৰা এক্সপ্ৰেছ, মালদা টাউন-কিউল এক্সপ্ৰেছৰ সময়সূচীও সলনি কৰা হ'ব পাৰে। মালদা টাউন-লোকমান্য এক্সপ্ৰেছ, হাওৰা-নতুন দিল্লী দুৰন্ত এক্সপ্ৰেছ বাতিল কৰা হৈছে। বিহাৰত 'অগ্নিপথ'ৰ বিৰুদ্ধে প্ৰতিবাদ। ইপিনে, প্ৰতিবাদৰ চাপত কেন্দ্ৰীয় চৰকাৰে অগ্নিপথ আঁচনিৰ নিয়মবোৰ শিথিল কৰিছে। মোদী চৰকাৰে প্ৰস্তাৱিত আঁচনিখনত নিযুক্তিৰ বাবে ঊৰ্ধ্বতন বয়সৰ সীমা একৈশৰ পৰা ২৩ লৈ বৃদ্ধি কৰিছে। অৱশ্যে প্ৰতিবাদ এতিয়াও বন্ধ হোৱা নাই। প্ৰকৃত চাকৰি বিচৰাসকলে এই প্ৰতিবাদ কৰিছে নে ৰাজনৈতিক দলবোৰে বাহিৰৰ পৰা মানুহ আনি চাকৰি বিচৰা প্ৰাৰ্থীসকলক ঢাল হিচাপে লৈ অস্থিৰতা বিয়পাইছে তাক লৈ প্ৰশ্ন তুলিছে কেন্দ্ৰীয় মন্ত্ৰী গিৰিৰাজ সিঙে।

## ধেমাজিত এজন লোকৰ মৃতদেহ উদ্ধাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধেমাজি, ১৮ জুন ঃ** ধেমাজি জামুগুৰি পাঁচআলিৰ সমীপত এজন ৫৫ বছৰীয়া লোকৰ মৃতদেহ উদ্ধাৰৰ ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে আজি দিনৰ প্ৰায় ১১.৩০মান বজাত ধেমাজি জামুগুৰি মিৰিগাঁৱৰ শিৱ মন্দিৰৰ সমীপত স্থানীয় লোকে পানীত পৰি থকা এটি মৃতদেহ প্ৰত্যক্ষ কৰে। স্থানীয় লোকে ধেমাজি সদৰ থানাত ঘটনাটো অৱগত কৰে আৰু লগে লগে ধেমাজি আৰক্ষীৰ উপ-পৰিদৰ্শক ৰেখামণি গগৈৰ নেতৃত্বত এটি আৰক্ষী দলে ঘটনাস্থলীত উপস্থিত হয়। জানিব পৰা মতে মৃত লোকজন ধেমাজি থানাৰ অন্তৰ্গত জামুগুৰি পাঁচআলিৰ বলাইপামৰ অৰুণ শইকীয়া বুলি চিনাক্তকৰণ কৰা হয়। বহু দিন লোকজনে উক্ত স্থানৰে এটি মিছিং জনগোষ্ঠীৰ এটি ধৰ্মীয় গৃহত বাস কৰিছিল। ইফালে আৰক্ষীয়ে মৃত লোকজনক মৰণোত্তৰ পৰীক্ষাৰ বাবে ধেমাজি অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে।

## নগাঁৱত হেৰ'ইনসহ দুই কুখ্যাত ড্ৰাগ্‌ছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ

### জে'লৰ পৰা জামিনত মুক্ত হৈয়েই পুনৰ ড্ৰাগ্‌ছ ব্যৱসায়ত জড়িত

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৮ জুন ঃ** প্ৰায় দুটা বছৰৰ পৰা নগাঁও আৰক্ষীয়ে ড্ৰাগ্‌ছৰ বিৰুদ্ধে অতি কঠোৰ অভিযান অব্যাহত ৰাখিছে যদিও ইয়াক নিৰ্মূল কৰাত মুঠেই সফল হ'ব পৰা নাই। শেহতীয়াকৈ নগাঁও আৰক্ষীৰ জালত নিতৌ ড্ৰাগ্‌ছ মাফিয়া, ড্ৰাগ্‌ছ সৰবৰাহকাৰী পৰিছে। নিতৌ উদ্ধাৰ হৈছে নিষিদ্ধ ড্ৰাগ্‌ছো। এনেদৰে নিতৌ ড্ৰাগ্‌ছসহ ড্ৰাগ্‌ছ সৰবৰাহকাৰী গ্ৰেপ্তাৰ হোৱাটোৱে জিলাখনক ড্ৰাগ্‌ছে ছানি ধৰাটোকেই প্ৰতিপন্ন কৰা বুলি সচেতন ৰাইজে মন্তব্য কৰিছে। নগাঁও আৰক্ষীৰ এই অভিযানৰ মাজতেই আজিও বিয়লি তিনি বজাত নগাঁও চহৰৰ হয়বৰগাঁও আৰক্ষী চকীৰ এটা আৰক্ষীৰ দলে গোপন সূত্ৰৰ খবৰৰ ভিত্তিত এক অভিযান চলাই কাটিমাৰীস্থিত ৩৪ বেটেলিয়ন চি আৰ পি এফৰ শিবিৰৰ সমীপৰ কাটিমাৰী দলনি পথাৰৰ পৰা দুজন কুখ্যাত ড্ৰাগ্‌ছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। ধৃত ড্ৰাগ্‌ছ সৰবৰাহকাৰী দুজন হৈছে মফিজুল ইছলাম (২৬) আৰু ছাইফুল ইছলাম (৩০)। এওঁলোক দুয়োৰে ঘৰ কাটিমাৰী দলনি পথাৰত। ধৃত ড্ৰাগ্‌ছ সৰবৰাহকাৰী দুজনৰ হাতৰ পৰা আৰক্ষীয়ে হেৰ'ইন ভৰ্তি ১৪টা কণ্টেইনাৰ জব্দ কৰিবলৈ সক্ষম হয়। জব্দ কৰা ড্ৰাগ্‌ছখিনিৰ পৰিমাণ ১.৯২ গ্ৰাম বুলি আৰক্ষী সূত্ৰই জনাইছে। উল্লেখ্য যে, ধৃত মফিজুল আৰু ছাইফুলক আগতেও এনডিপিএছ গোচৰত গ্ৰেপ্তাৰ কৰা হৈছিল। কিন্তু জামিনত জে'লৰ পৰা ওলায়েই দুয়ো পুনৰ ড্ৰাগ্‌ছৰ ৰমৰমীয়া ব্যৱসায়ৰ সৈতে জড়িত হৈ পৰে বুলি আৰক্ষী সূত্ৰই জনাইছে। সম্প্ৰতি ধৃত ড্ৰাগ্‌ছ সৰবৰাহকাৰী দুজনক আৰক্ষীয়ে জেৰা অব্যাহত ৰাখিছে।

## পলাশবাৰীত আম আদমি পাৰ্টীত যোগদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছয়গাঁও, ১৮ জুন ঃ** দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিয়াল নেতৃত্বাধীন আম আদমি পাৰ্টীৰ নীতি আৰু আদৰ্শৰ প্ৰতি আকৃষ্ট হৈ আজি পলাশবাৰী সমষ্টিৰ যুৱ নেতা বিদ্যুৎ কলিতাই প্ৰায় সহস্ৰাধিক সমৰ্থকক লগত লৈ ৰাজনৈতিক দলটিত যোগদান কৰে। পলাশবাৰী সমষ্টিৰ যুৱ নেতা কলিতা পূৰ্বে 'একত্ৰিত যুৱ পৰিষদ' অসমৰ কেন্দ্ৰীয় সভাপতি আছিল। শনিবাৰে দলটিত যোগদান কৰি কলিতা কিছু আৱেগিক হৈ পৰে আৰু নিজৰ মাতৃৰ চৰম চুই ভাষণ প্ৰসংগত তেওঁ কয় যে আম আদমি পাৰ্টী দুখীয়া জনসাধাৰণৰ দল। নামেই তাৰ পৰিচয়। আম মানে গৰিব আদমি মানে মানুহ আৰু পাৰ্টী মানে দল। উপস্থিত ৰাইজক উদ্দেশ্যি এনেদৰে মন্তব্য কৰে কলিতাই। আনহাতে, পূৰ্বতে যোগদান কৰিবৰ বাবে থিৰাং কৰা পলাশবাৰী উপৰহালীস্থিত হৰেন্দ্ৰ নাথ তালুকদাৰ প্ৰেক্ষাগৃহত পলাশবাৰী প্ৰশাসনে সোমাবলৈ বাধা আৰোপ কৰাত পিছত মিৰ্জাস্থিত ৰাধাকৃষ্ণণ লজত খৰতকীয়াকৈ অনুষ্ঠানটি আয়োজন কৰে। ইয়াকৈ লৈ পলাশবাৰী সমষ্টিৰ ৰাইজৰ মাজত কিছু কৌতূহলৰ সৃষ্টি হয়। 'আম আদমি পাৰ্টী' অসমৰ মুখপাত্ৰ অনুৰূপা ডেকা ৰজাই নিজৰ ভাষণত কয় যে পূৰ্বতে থিৰাং কৰা ঠাইত পলাশবাৰী প্ৰশাসনে সোমাবলৈ নিদি যি বৰ্বৰ ৰূপ প্ৰদৰ্শন কৰিলে তাৰ প্ৰত্যুত্তৰ পলাশবাৰী সমষ্টিৰ ৰাইজে প্ৰতিটো নিৰ্বাচনতে দিব। কেজৰিৱাল নেতৃত্বাধীন দলটিৰ আদৰ্শই সেয়া ঝাৰুৰে সাৰি-মচি ব্ৰহ্মপুত্ৰৰ বুকুত উটাই দিব বুলি উপস্থিত ৰাইজক উদ্দেশ্যি তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে। আজিৰ কাৰ্যসূচীত উপস্থিত আছিল ডাঃ ভবেন চৌধুৰী ৰাজ্যিক সমন্বয়ক, মানস শৰ্মা দক্ষিণ কামৰূপ সাংগঠনিক সম্পাদক, অনুৰূপা ডেকা ৰজা মুখপাত্ৰ আম আদমি পাৰ্টী, হিতেশ কলিতা ব্যৱস্থাপক পলাশবাৰী পৌৰ নিগম। শুক্লেশ্বৰ দাস আহ্বায়ক পলাশবাৰী সমষ্টি আৰু পংকজ লস্কৰ ৰাজ্যিক কাৰ্যালয় নিৰীক্ষক আদি ব্যক্তিৰ লগতে বহুসংখ্যক আপ সমৰ্থনকাৰী লোক।

## হাজোত বানৰ সংহাৰী ৰূপ ঃ আৰ্তজনৰ কাষত বিধায়িকা সুমন হৰিপ্ৰিয়া

**দৈনন্দিন বাৰ্তাৰ সেৱা, হাজো, ১৮ জুন ঃ** ৰাজ্যৰ ভিন্ন প্ৰান্তৰ লগতে হাজোতো প্ৰলয়ংকৰী বানে জটিল ৰূপ ধাৰণ কৰিছে । হাজো সমষ্টিৰ উত্তৰ হাজো অঞ্চলৰ অৰ্ধশতাধিক গাঁও বৰলীয়া নৈৰ সংহাৰী বানৰ কবলত। কেইবাদিনো ধৰি অব্যাহত থকা নেৰানেপেৰা বৰষুণৰ ফলত বৰলীয়া নৈ আৰু ভৈৰাতোলা নদীৰ বাঢ়নী পানীয়ে জলমগ্ন কৰি পেলাইছে হাজোৰ ভিন্ন প্ৰান্তত। এনে এক জটিলৰ পৰা জটিলতৰ মুহূৰ্তত আৰ্তজনৰ কাষত থিয় দিছে বিধায়িকা সুমন হৰিপ্ৰীয়া। দিনে-নিশাই আৰ্তজনৰ কাষলৈ ঢপলিয়াই গৈছে বিধায়িকা সুমন হৰিপ্ৰীয়াই। প্ৰয়োজন সাপেক্ষে পশুধনৰ খাদ্যৰ লগতে ঘৰ-মাটি বুৰ যোৱা আতংকগ্ৰস্ত গঞাৰ মাজত খাদ্য-সামগ্ৰী, তিৰ্পাল আদি বিতৰণৰ ব্যৱস্থা গ্ৰহণ কৰাও দেখিবলৈ পোৱা গৈছে । প্ৰতিমুহূৰ্ততে প্ৰশাসন আৰু ঊৰ্দ্ধতন কৰ্তৃপক্ষৰ লগত যোগাযোগ কৰি আৰ্তজনক সকাহ দিয়াৰ ব্যৱস্থা কৰিছে। তদাৰকী কমিটী গঠন কৰি ঘনে ঘনে বৈঠকত মিলিত হৈছে । সকলোকে সজাগ আৰু সষ্টম হৈ থাকিবলৈ বাৰম্বাৰ আহ্বান জনাইছে বিধায়িকা সুমন হৰিপ্ৰীয়াই। সমান্তৰালভাৱে বানাক্ৰান্ত ৰাইজক কিছু সকাহ দিয়াৰ অৰ্থে হাজো ৰাজহ চক্ৰ কাৰ্যালয়ত চৰকাৰ প্ৰশাসনৰ উদ্যোগত আৰু বিধায়িকা সুমন হৰিপ্ৰীয়াৰ নেতৃত্বত যুগুত কৰা হৈছে কুইন্টলে কুইন্টলে খাদ্য-সামগ্ৰী। আৰু পৰ্যায়ক্ৰমে বিধায়িকাৰ নিৰ্দেশত বিতৰণৰ ব্যৱস্থা কৰা হৈছে বুলিওঁ জানিব পৰা গৈছে।

### নলবাৰী আৰিকুছি ডাঙৰদি অঞ্চলত এগৰাকী যুৱকে ব্যক্তিগত খৰচ বানপীড়িত ৰাইজক স্থাপন কৰি দিলে আশ্ৰয় শিবিৰ

## বানপীড়িত ৰাইজক সহায় কৰিবলৈ অনুৰোধ স্থানীয় বিধায়ক চন্দ্ৰমোহন পাটোৱাৰীক

**দৈনন্দিন বাৰ্তাৰ সেৱা, নলবাৰী, ১৮ জুন ঃ** বিগত কেইটামান দিন ধৰি অব্যাহত থকা নেৰা-নেপেৰা বৰষুণৰ ফলত ৰাজ্যৰ বিভিন্ন জিলাৰ লগতে নলবাৰী জিলাতো ভীষণ বানপানীৰ সমস্যাই দেখা দিছে। সেই মৰ্মে নলবাৰী জিলাৰ বিভিন্ন অঞ্চলৰ লগতে ধৰ্মপুৰ সমষ্টিৰ আৰিকুছি ডাঙৰদি অঞ্চলত ব্যাপক বানপানীৰ সমস্যাই দেখা দিছে । অঞ্চলটোত ৰাইজৰ ঘৰৰ ভিতৰত এআঁঠু পানীৰ লগতে বানপানীয়ে নষ্ট কৰিলে উক্ত অঞ্চলবাসী ৰাইজৰ খেতি-বাতি, পুখুৰীৰ মাছ। বিশেষকৈ ঘৰৰ ভিতৰত এআঁঠু পানী হোৱা বাবে ৰাইজৰ ঘৰত থাকিবৰ বাবে অৱস্থা নাই। জিলা প্ৰশাসন অথবা চৰকাৰৰ পৰাও উক্ত অঞ্চলৰ ৰাইজে বৰ্তমান সময়লৈকে সহায় পোৱা নাই । এনে আহুকালৰ সময়ত ৰাইজৰ এই দুৰ্দশা দেখি সহায় কৰাৰ মনোভাৱেৰে ওলাই আহিল উক্ত অঞ্চলটোৰ উদ্যমী তথা সমাজসেৱী যুৱক প্ৰাঞ্জল দাস। প্ৰাঞ্জল দাসে উক্ত অঞ্চলটোত বানপীড়িত ৰাইজক নিজৰ ঘৰৰ লগতে ওচৰৰে তেওঁৰ মাটিত দুটাকৈ আশ্ৰয় শিবিৰ স্থাপন কৰি দিছে। যুৱকগৰাকীয়ে ব্যক্তিগত খৰচত আশ্ৰয় শিবিৰত থকা লোকসকলক খাদ্য-পানী আদি সকলো যোগান ধৰিছে। যাৰ বাবে অঞ্চলটোৰ বানপীড়িত ৰাইজে প্ৰাঞ্জল দাসক ধন্যবাদ জ্ঞাপন কৰে । আনহাতে, প্ৰাঞ্জল দাসে উক্ত অঞ্চলৰ বানপীড়িত ৰাইজক স্থানীয় বিধায়ক তথা মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীক সহায় কৰিবলৈ অনুৰোধ জনায়। বানপীড়িত লোকসকলক সহায়ৰ হাত আগবঢ়োৱা প্ৰাঞ্জলৰ এনে কাৰ্যক সচেতন মহলে ভূয়সী প্ৰশংসা কৰিছে।

## পুনৰ জামিন নাকচ ঃ দিল্লীৰ স্বাস্থ্যমন্ত্ৰীৰ কাৰাবাস হ'ব দীঘলীয়া

**নতুন দিল্লী, ১৮ জুন ঃ** দিল্লী প্ৰদেশৰ কাৰাৰুদ্ধ স্বাস্থ্য মন্ত্ৰী সত্যেন্দৰ জৈনৰ জামিন দ্বিতীয়বাৰলৈ নাকচ হ'ল। ইয়াৰ লগে লগে তেওঁৰ কাৰাবাস দীঘলীয়া হোৱাৰ সম্ভাৱনা প্ৰকাশ পাইছে। মন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ সমান্তৰালকৈ বিভিন্ন ব্যৱসায়িক প্ৰতিষ্ঠানত হাৱালাৰ জৰিয়তে অবৈধ আৰ্জিত চাৰে চাৰি কোটি টকা বিনিয়োগ কৰাৰ তথ্য পোহৰলৈ আহিছে। অবৈধভাৱে ধনৰ লেনদেনৰ বিষয়ত এনফ'ৰ্চমেণ্ট বিভাগে তদন্ত চলাই আছে। সেয়েহে তিনিদিন জেৰা কৰাৰ অন্তত যোৱা



৩১মে' তাৰিখে স্বাস্থ্য মন্ত্ৰীক গ্ৰেপ্তাৰ কৰা হয়। ইফালে এনফ'ৰ্চমেণ্টৰ কব্জাৰ কৰা ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰা মন্ত্ৰী জৈনৰ জামিন আবেদন যোৱা ১৪ জুনত চিবিআইৰ বিশেষ আদালতে নাকচ কৰিছিল। ইয়াৰ পিছত ১৮ জুনলৈকে কাৰাগাৰতে কটাব লাগিব বুলি নিশ্চিত হৈছে। উল্লেখ্য যে যোৱা ছয় জুনত তেওঁৰ বাসভৱনত তালাচীৰ সময়ত ২.৮৫ কোটি নগদ ধন, ১.৮০ কেজি ওজনৰ মুঠ ১৩৩টা সোণৰ মুদ্ৰা জব্দ কৰা হৈছে। ইয়াৰ নামে-বেনামে বহু সা-সম্পদৰ অধিকাৰী হৈ আছে দিল্লীৰ আম আদমী পাৰ্টিৰ জ্যেষ্ঠ নেতাজন। গতিকে বিভিন্ন সামগ্ৰী উদ্ধাৰৰ জৰিয়তে অবৈধ ধনৰ লেনদেন প্ৰক্ৰিয়াত সত্যেন্দৰ জৈন জড়িত থকাটো নিশ্চিত হৈ পৰিছে। ইয়াৰ বাবেই তেওঁৰ জামিন আবেদন বাৰে বাৰে নাকচ কৰিছে আদালতে। তথ্য প্ৰমাণ বিনষ্ট কৰাৰ আশংকাতে এনেদৰে জামিন আবেদন অগ্ৰাহ্য কৰি তেওঁক কাৰাৰুদ্ধ কৰা হৈছে।



গুজৰাট গৌৰৱ অভিযান আৰম্ভ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ- বিধানসভা নিৰ্বাচনৰ প্ৰাকক্ষণত নিজ ৰাজ্যত আঠটা স্থানত ৰোড শ্ব'ৰ আয়োজন আৰু ৩০ হাজাৰ কোটি টকাৰ আঁচনি ঘোষণা

## শাৰদ পাৱাৰৰ পিছত ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী হ'বলৈ অস্বীকাৰ ফাৰুক আব্দুল্লাৰ

**নতুন দিল্লী, ১৮ জুন ঃ** বিৰোধীৰ মাজত ৰাষ্ট্ৰপতি হ'ব পৰাকৈ নাই উপযুক্ত প্ৰাৰ্থী। এনচিপিৰ মুৰব্বী শাৰদ পাৱাৰক বিৰোধী পক্ষই প্ৰক্ষেপ কৰিছিল, কিন্তু পাৱাৰে এই নিৰ্বাচনত প্ৰাৰ্থী নহয় বুলি স্পষ্ট কৰি দিছে। ইয়াৰ পিছত জম্মু কাশ্মীৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা নেচনেল কনফাৰেন্স দলৰ মুৰব্বী ফাৰুক আব্দুল্লাক ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী হ'বলৈ প্ৰস্তাৱ দিছিল। কিন্তু একেষাৰে নাকচ কৰিছে আব্দুল্লাই। এই সম্পৰ্কত তেওঁ কয় যে জম্মু-কাশ্মীৰ এতিয়া এক জটিল সন্ধিক্ষণত সময় পাৰ কৰিছে। গতিকে এই সময়ত ৰাজ্যখনৰ কাৰণে নিজৰ কৰণীয় কামখিনি আগুৱাই নিবলৈ তেওঁ চেষ্টা চলাই আছে। গতিকে সাংবিধানিক মুৰব্বী পদত অধিষ্ঠিত হ'বলৈ ইচ্ছা নাই। প্ৰণিধানযোগ্য এয়ে যে যোৱা ১৫ জুনত দিল্লীত ১৮ টা বিৰোধী দলৰ প্ৰতিনিধিৰ আলোচনা হৈছিল। মমতা



বেনাৰ্জীৰ আহ্বানত অনুষ্ঠিত বৈঠকত বিৰোধীয়ে উমৈহতীয়া প্ৰাৰ্থী প্ৰক্ষেপ কৰিবলৈ সহমতত উপনীত হৈছিল। কিন্তু ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী কোন হ'ব সেয়া বিৰোধীৰ বাবে অনিশ্চিত হৈ পৰিছে। ফলত প্ৰাৰ্থী বিচাৰি হাহাকাৰ কৰিব লগা হৈছে বিৰোধী পক্ষ।

### অব্যাহত 'অগ্নিপথ' বিৰোধী প্ৰতিবাদ: 'অগ্নিবীৰ'লৈ সংৰক্ষণৰ টোপ ঘোষণা কেন্দ্ৰৰ

# অৰ্ধসামৰিক বাহিনীসমূহত ১০ শতাংশ পদ সংৰক্ষণৰ প্ৰতিশ্ৰুতি

**নতুন দিল্লী, ১৮ জুন ঃ** কেন্দ্ৰীয় চৰকাৰে দেশৰ প্ৰতিৰক্ষা বিভাগত নিযুক্তিৰ বাবে ঘোষণা কৰা 'অগ্নিপথ' যোজনাক কেন্দ্ৰ কৰি সৃষ্টি হোৱা আন্দোলনৰ ঢৌ অব্যাহত আছে। প্ৰথম অৱস্থাত মূলত: বিহাৰ, উত্তৰ প্ৰদেশ, হাৰিয়ানা, পঞ্জাৱ আদি ৰাজ্যত সৃষ্টি হোৱা প্ৰতিবাদ সম্প্ৰতি দেশৰ আন আন প্ৰান্ততো মূৰ দাঙি উঠিছে। সামৰিক বিভাগত ঠিকাভিত্তিক নিযুক্তিৰ বিৰোধিতাৰে নিযুক্তি প্ৰত্যাশী যুৱ প্ৰজন্মই চৰকাৰৰ এই অগ্নিপথ যোজনাৰ বিৰুদ্ধে সৃষ্টি কৰা এই আন্দোলনে সম্প্ৰতি হিংসাত্মক ৰূপ ধাৰণ কৰিছে।ব্যাপক প্ৰতিবাদী কাৰ্যসূচীৰে আজি বিহাৰত বন্ধও ঘোষণা কৰা হৈছে। এনে জংগী আন্দোলনে ক্ৰমাৎ সমগ্ৰ দেশতে চানি ধৰাৰ উপক্ৰম হোৱাৰ মাজতে এইবাৰ এক নতুন ঘোষণাৰে আন্দোলন বন্ধ কৰোৱাৰ চেষ্টা চলাইছে কেন্দ্ৰই। আজি কেন্দ্ৰীয় গৃহ মন্ত্ৰালয় আৰু প্ৰতিৰক্ষা মন্ত্ৰালয়ে অগ্নিপথ কেন্দ্ৰিক ব্যাপক প্ৰতিবাদৰ মাজতে কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনী (চিএপিএফ) আৰু অসম ৰাইফলছত 'অগ্নিবীৰ'ৰ বাবে ১০ শতাংশ সংৰক্ষণৰ কথা ঘোষণা কৰিছে। ইতিপূৰ্বে গৃহ মন্ত্ৰালয়ে চিএপিএফ আৰু অসম ৰাইফলছত নিযুক্তিৰ বাবে নিৰ্ধাৰিত উচ্চবয়সৰ সীমাৰ বাহিৰেও তিনি বছৰ বয়সৰ ৰেহাই ঘোষণা কৰিছিল। শেহতীয়াকৈ কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে চিএপিএফত 'অগ্নিবীৰ'সকলক অগ্ৰাধিকাৰ দিয়া হ'ব বুলি ঘোষণা কৰিছিল। এই ঘোষণাৰ পাছতো কেন্দ্ৰীয় চৰকাৰৰ





অগ্নিপথ যোজনাক লৈ সন্তুষ্ট হোৱা নাছিল নিযুক্তি প্ৰত্যাশী সকল। অমিত শ্বাহৰ এই ঘোষণাৰ কেইদিনমান পিছতে এতিয়া সংৰক্ষণ বিষয়ক এই নতুন ঘোষণা কৰা হৈছে। উল্লেখ্য যে ১০ লাখ পদেৰে শক্তিশালী চি.এ.পি.এফ. হৈছে গৃহ মন্ত্ৰালয়ৰ অধীনত সৰ্ববৃহৎ নিযুক্তি সৃষ্টিকাৰী সংস্থাবোৰৰ ভিতৰত অন্যতম এক বিভাগ। বৰ্তমান অৰ্ধসামৰিক বাহিনীৰ পাঁচটা শাখা- সীমান্ত সুৰক্ষা বাহিনী (বিএছএফ), কেন্দ্ৰীয় ৰিজাৰ্ভ আৰক্ষী বাহিনী (চিআৰপিএফ), ভাৰত তিব্বত সীমান্ত আৰক্ষী (আইটিবিপি), শাস্ত্ৰ সীমা বল (এছএছবি), আৰু কেন্দ্ৰীয় ঔদ্যোগিক সুৰক্ষা বাহিনী (চিআইএছএফ) ত ৭৩,০০০ তকৈও অধিক পদ খালী হৈ আছে। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ তথ্য অনুসৰি চি.এ.পি.এফ. আৰু অসম ৰাইফলছত প্ৰায় ৭৩,২১৯ টা পদ খালী আছে। ইয়াৰ উপৰিও কেন্দ্ৰীয় শাসিত অঞ্চলসমূহত আৰক্ষী বাহিনীত ১৮,১২৪ টা পদ খালী হৈ আছে

### ওৱাইচিৰ দাবী

## কৃষি আইনৰ দৰে বাতিল হওক অগ্নিপথ

**নতুন দিল্লী, ১৮ জুন ঃ** এআইএমআইএম দলৰ সাংসদ আছাদুদ্দিন ওৱাইছিয়ে অগ্নিপথ আঁচনি প্ৰত্যাহাৰ কৰিবলৈ দাবী জনাইছে। দেশৰ প্ৰধানমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰি ওৱাইছিয়ে কয় যে জনতাই নিবিচৰা আইন ওপৰৰ পৰা জাপি দিয়া কাৰ্য দুৰ্ভাগ্যজনক। যিসকলে এনেধৰণৰ পদ্ধতি সমৰ্থন নকৰে, তেওঁলোকৰ কাৰণে কিয় জাপি দিব খোজা হৈছে, সেই বিষয়তো প্ৰধানমন্ত্ৰীয়ে নিজেই স্পষ্ট কৰা উচিত। লগতে জনতাই নিবিচৰা তিনিখন বিতৰ্কিত কৃষি আইন কেন্দ্ৰীয় চৰকাৰে বাতিল তথা প্ৰত্যাহাৰ কৰিছিল, একেদৰে অগ্নিপথ আঁচনিখনো প্ৰত্যাহাৰ কৰিব লাগে। উল্লেখ্য যে বিৰোধী দলসমূহে এই আঁচনি বাতিল কৰিবলৈ ইতিপূৰ্বে দাবী জনাই আহিছে। ভাৰতীয় সেনা বাহিনীৰ স্থল, বায়ু আৰু নৌ সেনাত মাত্ৰ চাৰি বছৰৰ বাবে চাকৰি কৰিবলৈ অগ্নিপথ আঁচনি প্ৰৱৰ্তন কৰিব খোজা হৈছে। চাৰি বছৰৰ পিছত ইয়াৰে এক চতুৰ্থাংশৰ চাকৰি স্থায়ী হ'ব আৰু অন্য তিনি চতুৰ্থাংশৰ চাকৰি সমাপ্ত হ'ব। অৱশ্যে তেওঁলোকে প্ৰায় বিশ লাখ টকা চৰকাৰৰ পৰা এককালীন পুঁজি হিচাপে লাভ কৰিব। ইয়াৰ উপৰিও বিভিন্ন অৰ্ধসামৰিক বাহিনীত দহ শতাংশ পদ এইসকল অগ্নিবীৰৰ বাবে সংৰক্ষণ থাকিব বুলি কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰীয়ে ঘোষণা কৰিছে। অসমৰ অগ্নিবীৰসকলক পোনে পোনে অসম আৰক্ষীত মকৰল কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰতিশ্ৰুতি দিছিল। তথাপি যোৱা তিনিদিন ধৰি বিহাৰ, উত্তৰ প্ৰদেশ, হাৰিয়ানা আদিকে ধৰি বহু ৰাজ্যত হিংসাত্মক প্ৰতিবাদ অব্যাহত আছে। এই প্ৰতিবাদে ধন-জনৰ ক্ষতি কৰিছে। বহুতো ৰাজহুৱা



সম্পদ ধ্বংস কৰা হৈছে। একাধিক ব্যক্তিৰ কৰুণ মৃত্যু হৈছে প্ৰতিবাদৰ সময়ছোৱাত। গতিকে এই আঁচনি প্ৰত্যাহাৰ কৰিবলৈ দাবী জনোৱা হৈছে।

## কাবুলৰ গুৰুদ্বাৰত সন্ত্ৰাসবাদীৰ আক্ৰমণত নিহত ২



**কাবুল, ১৮ জুন ঃ** সন্ত্ৰাসবাদ শেষ হোৱা নাই আফগাস্তিনত। শনিবাৰে পুৱা ইছলামিক ষ্টেটৰ (IS) সন্ত্ৰাসবাদীয়ে আফগানৰ ৰাজধানী কাবুলৰ এটা গুৰুদ্বাৰত আক্ৰমণ চলায়। এই আক্ৰমণত কাৰ্তে পৰৱান গুৰুদ্বাৰাত এজন নিৰাপত্তাৰক্ষী নিহত হয়। নিহত লোকজনক ৬০ বছৰীয়া শ্বৰিন্দৰ সিং বুলি চিনাক্ত কৰা হৈছে। আন এজন লোকো এই আক্ৰমণত নিহত হোৱা বুলি কোৱা হৈছে। শিখ সম্প্ৰদায়ৰ আন কেইবাজনো সদস্য ঘটনাটোত আবদ্ধ হৈ থকা বুলি ধাৰণা কৰা হৈছে। জানিব পৰা মতে সন্ত্ৰাসবাদীসকলে ভাৰতীয় সময়মতে পুৱা ৮.৩০ বজাত গুৰুদ্বাৰত প্ৰৱেশ কৰিছিল। গুৰুদ্বাৰাৰ সন্মুখত এটা বিস্ফোৰণো সংঘটিত কৰা বুলি জানিব পৰা গৈছে। বাতৰি অনুসৰি উগ্ৰপন্থীসকলে যেতিয়া গুৰুদ্বাৰত আক্ৰমণ কৰিছিল তেতিয়া প্ৰাৰ্থনাৰ বাবে গুৰুদ্বাৰৰ ভিতৰত ২৫ ৰ পৰা ৩০ জন শিখ তথা হিন্দু লোক উপস্থিত আছিল। আক্ৰমণৰ পিছত কিছুমান লোক পলাই যাবলৈ সক্ষম হয়। অৱশ্যে বহুতে এতিয়াও তাত আবদ্ধ হৈ আছে বুলি কোৱা হৈছে। সূত্ৰসমূহৰ মতে গুৰুদ্বাৰত এতিয়াও ৭ ৰ পৰা ৮ জন লোক আবদ্ধ হৈ আছে। খবৰ অনুসৰি আক্ৰমণটোত তিনিজন তালিবান যোদ্ধা আহত হৈছে। আনহাতে, আক্ৰমণকাৰী দুজনক আৱদ্ধ কৰি ৰখা হৈছে। ইয়াৰ পূৰ্বে, ভাৰতে আফগানিস্তানৰ কাৰ্তে পৰৱান গুৰুদ্বাৰৰ পৰা শিখসকলক উদ্ধাৰ কৰাৰ প্ৰস্তাৱ দিছিল। অৱশ্যে শিখসকলে আফগানিস্তান এৰিবলৈ সন্মত হোৱা নাই। ইপিনে ভাৰতে এই আক্ৰমণৰ ঘটনাকলৈ উদ্বেগ প্ৰকাশ কৰি কয় যে নতুন দিল্লীয়ে বৰ্তমান পৰিস্থিতিটো গভীৰভাৱে নিৰীক্ষণ কৰি আছে। উল্লেখ্য যে ইছলামিক ষ্টেট খোৰাচানে পূৰ্বে হজৰত মহম্মদৰ ওপৰত নুপুৰ শৰ্মাৰ বিতৰ্কিত মন্তব্যৰ সন্দৰ্ভত সংখ্যালঘু হিন্দুসকলৰ ওপৰত আক্ৰমণৰ ভাবুকি দিছিল। শেহতীয়াকৈ এই বিতৰ্কৰ পৰিপ্ৰেক্ষিতত ইছলামিক ষ্টেট খোৰাচানে ভাৰতৰ বিষয়ে এটা ১০ মিনিটৰ ভিডিঅ' মুকলি কৰিছে। ভিডিঅ'টোত নুপুৰ শৰ্মাৰ অপমানজনক মন্তব্যৰ বিষয়টো তুলি ধৰা হৈছে। তদুপৰি দিল্লীৰ জাহাংগীৰপুৰীৰ বুলডজাৰ চলোৱা ঘটনাও সন্ত্ৰাসবাদী সংগঠনটোৰ ভিডিঅ'ত অন্তৰ্ভুক্ত কৰা হৈছে।

## অগ্নিপথ বিৰোধী আন্দোলনত নামিল কৃষক সংগঠনৰ নেতা

### যুৱ প্ৰজন্মলৈ সঁহাৰি জনাই ৰাজপথত ৰাকেশ টিকাইট



কেন্দ্ৰীয় চৰকাৰৰ তিনিখন বিতৰ্কিত কৃষি আইনৰ বিৰুদ্ধে দেশজুৰি সৃষ্টি হৈছিল এক অভূতপূৰ্ব কৃষক আন্দোলনৰ। দীৰ্ঘকালীন এই আন্দোলনৰ ওচৰত সেও মানি অৱশেষত তিনিওখন কৃষি আইন বাতিল কৰিবলৈ বাধ্য হৈছিল শাসনাধিষ্ঠ বিজেপি চৰকাৰ। এই ঐতিহাসিক কৃষক আন্দোলনৰ সফলতাত অন্যতম ভূমিকা লৈছিল কৃষক নেতা ৰাকেশ টিকাইটে। কৃষক আন্দোলনৰ সফলতাৰ পিছত টিকাইটে এইবাৰ কেন্দ্ৰৰ আন এক সিদ্ধান্তৰ বিৰুদ্ধে ৰাজপথত নামিছে। সম্প্ৰতি দেশৰ বিভিন্ন প্ৰান্তত এক জংগী আন্দোলনে গা কৰি উঠা বিতৰ্কিত 'অগ্নিপথ' যোজনাৰ বিৰুদ্ধে এইবাৰ ৰাজপথত নামিল কৃষক নেতাগৰাকী। কেন্দ্ৰীয় চৰকাৰে দেশৰ প্ৰতিৰক্ষা খণ্ডত নিয়োগৰ বাবে ঘোষণা কৰা এই অগ্নিপথ যোজনাৰ বিৰুদ্ধে সমগ্ৰ দেশতে ক্ষোভৰ উদগীৰণ ঘটিছে। আন্দোলনত নামি পৰিছে সামৰিক বিভাগত নিযুক্তি প্ৰত্যাশী যুৱ প্ৰজন্ম। অগ্নিপথ বিৰোধী এই আন্দোলনে ঠায়ে ঠায়ে হিংসাত্মক ৰূপো ধাৰণ কৰিছে। আন্দোলন দমনৰ বাবে নামি পৰিছে সামৰিক বাহিনী। এনে সময়তে অগ্নিপথ বিৰোধী প্ৰতিবাদত ৰাকেশ টিকাইটৰ অংশগ্ৰহণে এক নতুন জাগৰণৰ সৃষ্টি কৰিছে। আজি অগ্নিপথ বিৰোধী আন্দোলনৰ অংশ হিচাপে হৰিদ্বাৰৰ ৰাজপথত নামি পৰে ভাৰতীয় কিষাণ ইউনিয়ন। কৃষক সংগঠনটোৰ নেতা ৰাকেশ টিকাইটৰ নেতৃত্বত সহস্ৰাধিক কৃষকে হাতত ক'লা ফিতা বান্ধি এক দীঘলীয়া সমদল বাহিৰ কৰে। ইয়াৰ পিছতে স্থানীয় বেলৱালা খেলপথাৰত সমবেত হয় প্ৰতিবাদী কৃষকসকল। অগ্নিপথ যোজনাৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰে দেশৰ যুৱচামৰ ভৱিষ্যতৰ সৈতে খেলা কৰাৰ অভিযোগ তুলি টিকাইটে এই যোজনা বাতিল কৰিবলৈ দাবী জনায়। তেওঁ কয় যে এই যোজনাৰ অধীনত যুৱ চামক কেৱল মাত্ৰ চাৰি বছৰলৈ সেনা বাহিনীত নিযুক্তি দি তাৰ পিছত নিবনুৱা হিচাপে এৰি দিয়া হ'ব। এই নিবনুৱা যুৱক-যুৱতী সকলে ভৱিষ্যতে জীৱিকাৰ সমস্যাত ভুগিব। চাৰি বছৰৰ নিযুক্তি দি পিছলৈ নিবনুৱা সৃষ্টিৰ এই পৰিকল্পনাক বাদ দি ১৮ বৰ্ষৰ উৰ্দ্ধৰ যুৱ চামটোক এবছৰীয়া সেনা প্ৰশিক্ষণ প্ৰদান কৰি তেওঁলোকক সক্ষম কৰি তোলা পৰিকল্পনা গ্ৰহণ কৰিবলৈ দাবী জনায় কৃষক নেতা গৰাকীয়ে। তদুপৰি কৃষক নেতাগৰাকীয়ে অহা ৩০ জুনৰ পৰা অগ্নিপথৰ বিৰুদ্ধে জোৰদাৰ প্ৰতিবাদ আৰম্ভ কৰাৰো ঈঙ্গিত দিয়ে। টিকাইটে কয়, "আমি অগ্নিপথ আঁচনিৰ বিৰুদ্ধে ৩০ জুনত জিলা উপায়ুক্তৰ কাৰ্যালয়লৈ যাম। আমি তাত আমাৰ স্মাৰকপত্ৰ দিম। ইয়াৰ পিছতে আমি আমাৰ পৰৱৰ্তী সিদ্ধান্ত সম্পৰ্কে বিবেচনা কৰিম।আমি এই বিষয়টোত যুৱসকলক সম্পূৰ্ণৰূপে সমৰ্থন জনাইছো।" উল্লেখ্য যে বৃহস্পতিবাৰে টিকাইটে অগ্নিপথৰ কাৰ্যকাৰিতা বাতিল কৰিবলৈ দেশজুৰি আন্দোলনৰ প্ৰয়োজন বুলি উল্লেখ কৰিছিল। টিকাইটে অভিযোগ কৰিছিল যে এই নতুন নিযুক্তি পৰিকল্পনা কৃষকসকলৰ সন্তানৰ স্বাৰ্থত নহয়। তেওঁ কয় যে মোদী চৰকাৰে প্ৰথমে দেশৰ কৃষক সকলৰ বিৰুদ্ধে অসফল প্ৰচেষ্টা চলাইছিল আৰু এতিয়া দেশৰ যুৱ প্ৰজন্মৰ বিৰুদ্ধে এই ষড়যন্ত্ৰত লিপ্ত হৈছে। কিন্তু তেতিয়া কৃষকে মূৰ তল নকৰাৰ দৰে যুৱ প্ৰজন্মযডো হাৰি নিদিয়ে বুলি তেওঁ স্পষ্ট প্ৰত্যাহ্বান জনায়। কৃষকসকলে কেন্দ্ৰীয় চৰকাৰৰ এই আঁচনিৰ বিৰুদ্ধে দেশজুৰি আন্দোলন আৰম্ভ কৰিব বুলি তেওঁ ঘোষণা কৰিছিল। অৱশ্যে এই প্ৰতিবাদ হিংসাত্মক হ'ব নালাগে বুলি তেওঁ লগতে দোহাৰিছিল। কৃষক আন্দোলনৰ উদাহৰণ দি তেওঁ সমগ্ৰ দেশজুৰি হিংসাত্মক আন্দোলনৰ পৰিৱৰ্তে শান্তিপূৰ্ণ আন্দোলনৰ আহ্বান জনায়। টিকাইটে কয়, "বৰ্তমান যুৱকসকলে সশস্ত্ৰ বাহিনীত কমেও ১৫ বছৰৰ চাকৰি আৰু অৱসৰৰ পিছত পেঞ্চন লাভ কৰিছিল। কিন্তু এই আঁচনি ৰূপায়ণৰ পিছত যেতিয়া তেওঁলোকে সশস্ত্ৰ বাহিনীৰ সেৱাৰ পৰা অৱসৰ লয়, তেওঁলোকে পেঞ্চন অবিহনে ঘৰলৈ উভতি আহিব।" এই যুক্তি অনুসৰি নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা বিধায়ক আৰু সাংসদসকলৰ বাবেও একে ধৰণৰ আইন থাকিব লাগে বুলি টিকাইটে মন্তব্য কৰিছিল। দেশৰ বিধায়ক আৰু সাংসদসকলৰ উদাহৰণ দি টিকাইটে কয় যে তেওঁলোকে ৯০ বছৰ বয়সলৈকে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব পাৰে আৰু পেঞ্চনো লাভ কৰে। কিন্তু চাৰি বছৰৰ চাকৰিৰ ঠিক পিছতে যুৱ প্ৰজন্মৰ ওপৰত অৱসৰ আৰোপ কৰাটো অনুচিত বুলি দাবী কৰি টিকাইটে এইয়া কোনো প্ৰকাৰে কাৰ্যকৰী হ'বলৈ নিদিয়ে বুলি ঘোষণা কৰিছিল।

## সাংসদ সাধ্বি প্ৰজ্ঞাক মৃত্যুৰ ভাবুকি, গোচৰ ৰুজু

**ভূপাল, ১৮ জুন ঃ** মধ্যপ্ৰদেশৰ ভূপাল সংসদীয় সমষ্টিৰ সাংসদ সাধ্বি প্ৰজ্ঞা সিং ঠাকুৰক টেলিফোনৰ জৰিয়তে মৃত্যুৰ ভাবুকি দিয়া হৈছে। শুকুৰবাৰে মাজনিশা ৱাটএপ কলৰ জৰিয়তে তেওঁক প্ৰাণে মৰাৰ ভাবুকি প্ৰদান কৰিছে। ইকবাল কেছকাৰ নামৰ এজন ব্যক্তিয়ে সাংসদগৰাকীক এনেদৰে ভাবুকি দিয়া হৈছে। শীঘ্ৰেই হত্যা কৰা হ'ব আৰু ইয়াৰ বাবে তেওঁক আগতীয়াকৈ অৱগত কৰা হৈছে বুলি টেলিফোনত ব্যক্ত কৰিছিল। ইতিমধ্যে সাংসদগৰাকীয়ে স্থানীয় আৰক্ষীৰ ওচৰত এই বিষয়তে এটা গোচৰ ৰুজু কৰিছে। ভাৰতীয় দণ্ডবিধি আইনৰ ৫০৬ আৰু ৫০৭ ধাৰাত এই গোচৰ পঞ্জীয়ন হৈছে। আৰক্ষীয়ে ইতিমধ্যে সাংসদগৰাকীলৈ কৰা ফোনৰ নম্বৰৰ ভিত্তিত অনুসন্ধান অব্যাহত ৰাখিছে।



## দেশত দৈনিক কৰ'না আক্ৰান্তৰ সংখ্যা ১৩ হাজাৰ অতিক্ৰম, বৃদ্ধি সক্ৰিয় আক্ৰান্ত





মাৰাত্মক কৰ'না ভাইৰাছে আকৌ এবাৰ ইয়াৰ অস্তিত্ব সজোৰে ঘোষণা কৰিছে। যোৱা কেইদিনমানৰ পৰা দেশত দৈনিক সংক্ৰমণ বৃদ্ধি পাইছে। যোৱা মাহত দৈনিক আক্ৰান্তৰ সংখ্যা ৫হাজাৰৰ ভিতৰতে আছিল যদিও যোৱা ২৪ ঘণ্টাত ১৩হাজাৰৰ সীমা অতিক্ৰম কৰিছে। উদ্বেগ বঢ়াইছে সক্ৰিয় ৰোগীৰ সংখ্যা বৃদ্ধিয়ে। শনিবাৰে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে জনোৱা তথ্য অনুসৰি যোৱা ২৪ ঘণ্টাত দেশত ১৩,২১৬ জন লোক কৰোনাভাইৰাছৰ দ্বাৰা সংক্ৰমিত হৈছে। শুকুৰবাৰে এই সংখ্যা ১৩হাজাৰৰ তলত আছিল। বিগত ২৪ ঘন্টাত অকল মহাৰাষ্ট্ৰতে ৪হাজাৰৰো অধিক লোক সংক্ৰমিত হৈছে। মুম্বাইতে ২২২৫ জন লোক সংক্ৰমিত হৈছে। ৰাজ্যখনত সক্ৰিয় ৰোগীৰ সংখ্যাও বৃদ্ধি পাইছে। ৰাজধানী দিল্লীৰ কৰ'না গ্ৰাফো যথেষ্ট উদ্বেগজনক। যোৱা ২৪ ঘন্টাত ১৭৯৭ জন লোকৰ শৰীৰত কৰ'নাৰ সংক্ৰমণ ঘটিছে। স্বাস্থ্য মন্ত্ৰালয়ৰ তথ্য অনুসৰি দেশত যোৱা ২৪ ঘন্টাত ২৩ জন লোকে কৰ'নাত প্ৰাণ হেৰুৱাইছে। এতিয়ালৈকে দেশত মুঠ কোভিড মৃত্যুৰ সংখ্যা হৈছে ৫লাখ ২৪হাজাৰ ৮৪০জন। সক্ৰিয় কৰ'না ৰোগীৰ সংখ্যাও যথেষ্ট বৃদ্ধি পাইছে। দেশত সক্ৰিয় ৰোগীৰ সংখ্যা এতিয়া ৬৮,১০৮ লৈ বৃদ্ধি পাইছে। সমগ্ৰ দেশতে সক্ৰিয় ৰোগীৰ হাৰ ০.১৬ শতাংশলৈ বৃদ্ধি পাইছে। অৱশ্যে তাৰ মাজত একমাত্ৰ সকাহৰ বিষয়টো হৈছে সুস্থতাৰ হাৰ। পৰিসংখ্যা অনুসৰি এতিয়ালৈকে দেশত ৪ কোটি ২৬ লাখ ৯০ হাজাৰ ৮৪৫ জন লোকক কৰ'নাৰ পৰা সুস্থ হৈ উঠিছে। ইয়াৰ ভিতৰত যোৱা ২৪ ঘণ্টাত ৮হাজাৰ ১৪৮ জন লোক কৰ'নাৰ পৰা আৰোগ্য হৈছে। সুস্থতাৰ হাৰ ৯৮.৬৩ শতাংশ। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে প্ৰদান কৰা তথ্য অনুসৰি দেশত এতিয়ালৈকে ১৯৬ কোটিৰো অধিক লোকক কৰ'নাৰ ভেকচিন প্ৰদান কৰা হৈছে। ইয়াৰ ভিতৰত যোৱা ২৪ ঘন্টাত প্ৰায় ১৫ লাখ লোকক ভেকচিন প্ৰদান কৰা হৈছে। টিকাকৰণৰ লগতে কৰ'না ৰোগী চিনাক্ত কৰাৰ বাবে পৰীক্ষাৰ ওপৰতো গুৰুত্ব আৰোপ কৰা হৈছে। বিগত ২৪ ঘন্টাত দেশত ৪ লাখ ৮৪ হাজাৰ ৯২৪ জন লোকৰ নমুনা পৰীক্ষা কৰা

## অগ্নিপথ লক্ষ্যবিহীন ঃ ছোনিয়া গান্ধী



**নতুন দিল্লী, ১৮ জুন ঃ** কেন্দ্ৰীয় চৰকাৰে সেনা বাহিনীত মকবলৰ বাবে গ্ৰহণ কৰা অগ্নিপথ নামৰ আঁচনিখন লক্ষ্যবিহীন বুলি অভিহিত কৰিছে কংগ্ৰেছৰ সভাপতি ছোনিয়া গান্ধীয়ে। এই আঁচনিৰ বিৰুদ্ধে উত্তৰ ভাৰতৰ বহুকেইখন ৰাজ্যত হিংসাত্মক প্ৰতিবাদ হৈ আছে। তেলেংগানা আৰু পশ্চিমবংগতো প্ৰতিবাদে কোবাই গৈছে। বিৰোধী দলবোৰে অগ্নিপথ আঁচনি বাতিল কৰিবলৈ দাবী জনাইছে। প্ৰতিবাদৰ ওচৰত সেও মানি কেন্দ্ৰীয় চৰকাৰে দুদিনত অগ্নিপথৰ দুটা সংশোধনী আনিছে। তথাপি প্ৰতিবাদ অব্যাহত আছে। কৰ'না ভাইৰাছৰ সংক্ৰমণ আৰু শ্বাস নলীৰ সংক্ৰমণৰ বাবে চিকিৎসা গ্ৰহণ কৰি থকা ছোনিয়া গান্ধীয়ে হাস্পতালৰ পৰাই নিজৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। গতিকে চৰকাৰক আঁচনি প্ৰত্যাহাৰৰ আহ্বান জনাইছে।



আশিস চঞ্চলানী আৰু গৌৰৱ চৌধুৰী-এই দুই যুৱ আৰু জনপ্ৰিয় ইউটিউবাৰে দেশৰ ভিতৰতে সৰ্বাধিক উপাৰ্জন কৰে বুলি চৰ্চিত হৈছে

# মা

*প্ৰথম পৃষ্ঠাৰ পৰা...* ভজন কীৰ্তন চলি আছে আৰু মায়ে মগ্ন হৈ ভজন গাই আছে, মঞ্জিৰা বজাই আছে। মোৰ মা আজিও একেই আছে। শৰীৰৰ শক্তি হ্ৰাস হ'ব পাৰে, কিন্তু মনৰ শক্তি এতিয়াও অটুট আছে।

অৱশ্যে আমাৰ ইয়াত জন্মদিন উদ্‌যাপন কৰাৰ কোনো পৰম্পৰা নাই। কিন্তু পৰিয়ালটোৰ নতুন প্ৰজন্মৰ ল'ৰা-ছোৱালীকেইটিয়ে এইবাৰ পিতৃৰ জন্ম শতবাৰ্ষিকীত ১০০টা গছপুলি ৰোপণ কৰিছে।

আজি মোৰ জীৱনত যি ভাল হৈছে, মোৰ ব্যক্তিত্বত যি সদ্‌গুণ আহিছে, সেয়া হৈছে মা আৰু দেউতাৰ অৱদান। আজি মই দিল্লীত বহি থকাৰ সময়ত বহু পুৰণি কথা মনত পৰিছে।

মোৰ মা যিমান সাধাৰণ সিমানেই অসাধাৰণো। ঠিক প্ৰত্যেকগৰাকী মাতৃৰ দৰে। আজি যেতিয়া মই মোৰ মাৰ বিষয়ে লিখিবলৈ ওলাইছো, পঢ়ি থাকোঁতে আপুনি এনেদৰে অনুভৱ কৰিব পাৰে যে অহ্, এয়া মোৰ মায়েও কৰে। এইটো পঢ়ি থাকোঁতে, আপোনাৰ মাতৃৰ প্ৰতিচ্ছবি আপোনাৰ চকুত ভাহি উঠিব।

মাতৃৰ তপস্যাই তেওঁৰ সন্তানক সঠিক মানুহ হিচাপে গঢ়ি তোলে। মাতৃৰ মৰমে তেওঁৰ সন্তানক মানৱীয় সংবেদনশীলতাৰে ভৰাই তোলে। মাতৃ এক ব্যক্তিবিশেষ নহয়, ব্যক্তিত্ব নহয়, মাতৃ একস্বৰূপ। আমাৰ ইয়াত কোৱা হয়, যেনে ভক্ত তেনে ভগৱান। ঠিক একেদৰে, আমাৰ মনৰ অনুভূতি অনুসৰি মাতৃৰো প্ৰকৃতি অনুভৱ কৰিব পাৰোঁ।

মোৰ মাৰ জন্ম মেহছানা জিলাৰ ৱিচনগৰত হৈছিল। ই ভাদনগৰৰ পৰা বেছি দূৰৈত নহয়। মোৰ মাৰ তেওঁৰ মাতৃ অৰ্থাৎ মোৰ আইতাৰ স্নেহৰ অধিকাৰী হোৱাৰ ভাগ্য নাছিল। এটা শতিকা পূৰ্বে অহা বিশ্বব্যাপী মহামাৰীৰ প্ৰভাৱ বহু বৰ্ষজুৰি আছিল। একেটা মহামাৰীয়ে মোৰ আইতাক মোৰ মাৰ পৰা আঁতৰাই লৈ গৈছিল।

মোৰ মা নিশ্চয় কেইদিনমানৰ বাবে তাত আছিল। তেওঁৰ মোৰ আইতাৰ মুখ, তেওঁৰ কোলা, একো মনত নাই। আপুনি ভাবক, মোৰ মাৰ শৈশৱ তেওঁৰ মাতৃ অবিহনে অতিবাহিত হৈছিল, তেওঁ মাকৰ কোলাত মূৰ থ'ব নোৱাৰিলে। মায়ে বিদ্যালয়ৰ দুৱাৰ-ডলিও গচকি নাপালে, তেওঁ নিৰক্ষৰ আছিল। তেওঁ ঘৰৰ সকলো ঠাইতে কেৱল দৰিদ্ৰতা আৰু অভাৱহে দেখিছিল।

যদি আমি আজিৰ সময়ত এই পৰিস্থিতিবোৰ সংলগ্ন কৰোঁ, আমি কল্পনা কৰিব পাৰোঁ যে মোৰ মাৰ শৈশৱ কিমান কঠিন আছিল। সম্ভৱতঃ ঈশ্বৰে তেওঁৰ জীৱনটো এনেদৰে গঢ় দিয়াৰ কথা ভাবিছিল। আজি যেতিয়া মায়ে সেই পৰিস্থিতিবোৰৰ বিষয়ে চিন্তা কৰে, তেতিয়া তেওঁ কয় যে এয়া নিশ্চয় ঈশ্বৰৰ ইচ্ছা আছিল।

কিন্তু নিজ মাতৃক হেৰুওৱাৰ বেদনা, তেওঁৰ মুখখন নেদেখা, সেই দুখে আজিও তেওঁক আমনি কৰে।

শৈশৱৰ সংগ্ৰামবোৰে মোৰ মাক বয়সতকৈ বহু আগতেই ডাঙৰ কৰি তুলিছিল। তেওঁ পৰিয়ালৰ জ্যেষ্ঠ সন্তান আছিল আৰু বিয়া হোৱাৰ পিছতো ডাঙৰ বোৱাৰী হৈ আহিছিল। শৈশৱতে, যেনেকৈ তেওঁ নিজৰ ঘৰৰ সকলোৰে বিষয়ে চিন্তা কৰিছিল, সকলোৰে যত্ন লৈছিল, সকলো কামৰ দায়িত্ব লৈছিল, তেনেকৈয়ে তেওঁ শহুৰেকৰ ঘৰৰো দায়িত্ব ল'বলগীয়া হৈছিল। এই দায়িত্ববোৰৰ মাজত, এই সমস্যাবোৰৰ মাজত, মায়ে সদায় প্ৰতিটো পৰিস্থিতি শান্ত মনেৰে চম্ভালিছিল।

ভাদনগৰৰ যিটো ঘৰত আমি বাস কৰিছিলো সেইটো বহুত সৰু আছিল। সেই ঘৰটোত কোনো খিৰিকী নাছিল, বাথৰুম নাছিল, শৌচাগাৰ নাছিল। মাটিৰ বেৰ আৰু খাপৰাইলৰ চালেৰে নিৰ্মিত সেই এক-ডেৰ কোঠাৰ গাঁথনিটোক আমি ঘৰ বুলিছিলো । তাতেই মা-দেউতা, আমি সকলোৰে ভাই-ভনী একেলগে বাস কৰিছিলো। সেই সৰু ঘৰটোত মায়ে ৰন্ধনত যাতে কিছু সুবিধা পায় তাৰ বাবে দেউতাই বাঁহৰ লাঠি আৰু কাঠৰ টুকুৰাবোৰেৰে এটা জুশাল নিৰ্মাণ কৰি দিছিল। সেইটোৱেই আছিল আমাৰ পাকঘৰ । মায়ে ইয়াৰ ওপৰত উঠি খাদ্য ৰান্ধিছিল আৰু আমি তাতে বহি খাইছিলো।

সাধাৰণতে য'ত অভাৱ থাকে, তাতে সমস্যাও থাকে। মোৰ মা-দেউতাই এটা কথা সদায়েই চিন্তা কৰিছিল যে অভাৱৰ মাজতো যাতে কেতিয়াও ঘৰখনত সমস্যাৰ সৃষ্টি নহয়। এই দায়িত্ব তেওঁলোক দুয়োজনেই সমানে ভগাই লৈছিল।

বতৰ গৰমেই হওক বা বৰষুণেই হওক, দেউতাই সদায় পুৱা চাৰি বজাত ঘৰৰ পৰা ওলাই গৈছিল। ঘৰৰ চৌপাশৰ মানুহবোৰে দেউতাৰ পদশব্দৰ পৰা জানিছিল যে পুৱা চাৰিটা বাজিছে, দামোদৰ কাকা বাহিৰলৈ ওলাই গৈছে। ঘৰৰ পৰা ওলাই মন্দিৰলৈ যোৱা, ভগৱানক দৰ্শন কৰা আৰু তাৰ পিছত চাহৰ দোকানত উপস্থিত হোৱাটো তেওঁৰ নিত্য-নৈমিত্তিক কাম আছিল।

মোৰ মায়ো সমানে সময়ানুৱৰ্তী আছিল। তেৰোঁ পুৱা চাৰি বজাতে শুই উঠিছিল । পুৱাই তেওঁ বহুত কাম কৰিছিল। ঘেঁহু গুড়ি কৰা, বাজৰা গুড়ি কৰা, চাউল বা দাইল বচা, সকলো কাম তেওঁ নিজেই কৰিছিল। কাম কৰি থাকোতে মায়ে তেওঁৰ কিছুমান প্ৰিয় স্তৱক গুণগুণাইছিল। নৰসী মেহতাজীৰ এটা বিখ্যাত ভজন হৈছে; জলকমল চান্দি জানে বালা, স্বামী অমৰো জাগছে; যিটো তেওঁ বহুত ভাল পায়। শিৱাজী নু হালাৰু; নামৰ এটা নিচুকণি গীতো আছে, মা এইটোও খুব গুণগুণাই গাইছিল।

আমি ভাই-ভনীকেইটাই আমাৰ পঢ়া-শুনা এৰি মাৰ কামত সহায় কৰিম বুলি তেওঁ কেতিয়াও আশা কৰা নাছিল। তেওঁ কেতিয়াও সহায় বিচৰা নাছিল। মাক একেৰাহে কাম কৰি থকা দেখি আমি ভাই-ভনীকেইটাই নিজেই ভাবিছিলোঁ যে তেওঁক কামত অলপ সহায় কৰি দিব লাগে। মই পুখুৰীত গা ধুবলৈ, পুখুৰীত সাঁতুৰিবলৈ বৰ ভাল পাইছিলো, সেয়েহে মই ঘৰৰ কাপোৰবোৰ লৈ পুখুৰীত ধুবলৈ লৈ গৈছিলো। কাপোৰবোৰো ধোৱা হৈছিল আৰু মোৰ খেলখনো জমি উঠিছিল।

ঘৰ চলোৱাৰ বাবে দুই বা চাৰি পইচা অধিক পাবলৈ মায়ে আনৰ ঘৰৰ বাচন-বৰ্তন ধুই দিছিল। তেওঁ সময় উলিয়াই যঁতৰ চলাইছিল কাৰণ তেওঁ ইয়াৰ পৰাও কিছু টকা সংগ্ৰহ কৰিছিল। কপাহৰ গুটিৰ পৰা কপাহ আঁতৰোৱা, কপাহৰ পৰা সূতা উলিওৱা, এই সকলোবোৰ কাম মায়ে নিজেই কৰিছিল। তেওঁ ভয় কৰিছিল যে কপাহৰ গুটিৰ কাঁইটবোৰে হয়তো আমাক বিন্ধিব পাৰে।

তেওঁ কেতিয়াও নিজৰ কামৰ বাবে আন কাৰোবাৰ ওপৰত নিৰ্ভৰ কৰিবলৈ বা আনৰ হতুৱাই নিজৰ কাম কৰোৱাটো ভাল নাপাইছিল। মোৰ মনত আছে যে বাৰিষা কালত ভাদনগৰৰ মাটিৰ ঘৰটোত কিমান সমস্যাৰ সৃষ্টি হৈছিল। কিন্তু সেই সমস্যা হ্ৰাস কৰিবলৈ মোৰ মায়ে চেষ্টা কৰিছিল। সেয়েহে জুন মাহৰ কঠোৰ ৰ'দত মা ঘৰৰ চাল ঠিক কৰিবলৈ ওপৰলৈ উঠি গৈছিল। তেওঁ নিজৰ তৰফৰ পৰা চেষ্টা কৰিছিল যদিও পুৰণি ঘৰটোৱে ধাৰাসাৰ বৰষুণৰ ভৰ সহ্য কৰিব নোৱৰা হৈ আহিছিল।

বৰষুণত কেতিয়াবা আমাৰ ঘৰৰ ভিতৰত চালৰ পৰা পানী পৰিছিল, কেতিয়াবা এটা ফুটাৰ পৰা, কেতিয়াবা আনটো ফুটাৰ পৰা। গোটেই ঘৰটো যাতে পানীৰে উপচি নপৰে তাৰ বাবে মায়ে মজিয়াত বাচন ৰাখিছিল। চালৰ পৰা পানী নিগৰি পৰিছিল। আনকি সেই মুহূৰ্তবোৰত মই কেতিয়াও মোৰ মাক বিচলিত হোৱা দেখা নাছিলো। আপুনি জানি আচৰিত হ'ব যে সেই বৰষুণৰ পানী মায়ে ঘৰুৱা কামৰ বাবে পৰৱৰ্তী ২-৩ দিনৰ বাবে ব্যৱহাৰ কৰিছিল। পানী সংৰক্ষণৰ ইয়াতকৈ ভাল উদাহৰণ আৰু কি হ'ব পাৰে?

মাৰ ঘৰ সজোৱাৰ, ঘৰ সুন্দৰ কৰাৰো বহুত চখ আছিল। ঘৰ ধুনীয়া দেখক, চাফা দেখক, ইয়াৰ বাবে তেওঁ দিনটো লাগি আছিল। তেওঁ ঘৰৰ ভিতৰৰ মজিয়া গোবৰেৰে লিপিছিল। আপোনালোকে হয়তো জানে যে যেতিয়া শুকান গোবৰৰ পিঠাত জুই লগোৱা হয় তেতিয়া আৰম্ভণিতে বহুত ধোঁৱা ওলায়। মাইতো খিৰিকী নথকা সেই ঘৰটোত মাটিৰ চৌকাতে খাদ্য ৰান্ধিছিল। ধোঁৱা ওলাব পৰা নাছিল, সেয়ে ঘৰৰ ভিতৰৰ বেৰ বহুত সোনকালেই ক'লা হৈ পৰিছিল। প্ৰত্যেক কেইটামান সপ্তাহত মাই সেই বেৰবিলাকো মচি পেলাইছিল। ইয়াৰ ফলত ঘৰলৈ এটা নতুনত্ব আহি গৈছিল। মাই মাটিৰ বহুত ধুনীয়া পাত্ৰ বনায়ো সেইবোৰ সজাইছিল। পুৰণা বস্তুবোৰ ৰিচাইকল কৰাৰ আমাৰ ভাৰতীয়ৰ যি অভ্যাস আছে, মা তাৰো চেম্পিয়ন।

তেওঁৰ আৰু এটা খুবেই একক আৰু অভিনৱ পদ্ধতি মোৰ মনত আছে। তেওঁ প্ৰায়ে পুৰণি কাগজ তিয়াই, তাৰ সৈতে তেঁতেলিৰ বীজ পিচি এটা পেষ্ট বনাই লৈছিল, সম্পূৰ্ণ আঠাৰ নিচিনা। সেই পেষ্টৰ সহায়ত তেওঁ বেৰত চিচাৰ টুকুৰা লগাই বৰ ধুনীয়া চিত্ৰ বনাইছিল। বজাৰৰ পৰা কিবাকিবি বস্তু আনি তেওঁ ঘৰৰ দুৱাৰো সজাইছিল।

মা এই কথাক লৈ সদায়েই বহুত নিয়মত চলিছিল যে বিছনা সম্পূৰ্ণ চাফ-চিকুণ হ'ব, বহুত ভালদৰে পাৰি থোৱা হ'ব লাগিব। ধূলিৰ এটাও কণা তেওঁ চাদৰত সহ্য নকৰিছিল। অলপ কোচমোচ দেখিলেই তেওঁ গোটেই চাদৰখন আকৌ জোকাৰি পৰিপাটীকৈ পাৰিছিল। আমিও মাৰ এই অভ্যাসৰ কথা বহুত মনত ৰাখিছিলো। আজি ইমান বছৰৰ পাছতো মা যিটো ঘৰত থাকে, তাত এই কথাত বহুত জোৰ দিয়ে যে তেওঁৰ বিছনা অলপো কোঁচ খাই নাথাকক।

প্ৰত্যেক কামত পাৰ্ফেকচনৰ তেওঁৰ ভাব এই বয়সতো তেনেকৈয়ে আছে। আৰু গান্ধীনগৰত এতিয়া দাদাৰ পৰিয়াল আছে, মোৰ ভতিজাসকলৰ পৰিয়াল আছে, তেওঁ চেষ্টা কৰে যে আজিও নিজৰ সকলো কাম নিজেই কৰিব।

পৰিষ্কাৰ-পৰিচ্ছন্নতাক লৈ তেওঁ কিমান সতৰ্ক হৈ থাকে, এয়াতো মই আজিও দেখা পাওঁ। দিল্লীৰ পৰা মই যেতিয়াই গান্ধীনগৰলৈ যাওঁ, তেওঁক লগ পাবলৈ উপস্থিত হওঁ, তেতিয়া মোক নিজৰ হাতেৰে মিঠাই খুৱাবই। আৰু যেনেকৈ এগৰাকী মাকে, কোনো সৰু শিশুক কিবা খুৱাই তাৰ মুখ মচি দিয়ে, তেনেকৈয়ে মোৰ মাই আজিও মোক কিবা খুওৱাৰ পাছত ৰুমালেৰে মোৰ মুখ মচিবই। তেওঁ নিজৰ শাৰীত সদায়েই এখন ৰুমাল বা সৰু কাপোৰ গুজি ৰাখে।

মাৰ চাফাই প্ৰেমৰ ইমান কাহিনী আছে যে লিখোতে বহুত সময় লাগিব। মাৰ আৰু এটা বিশেষ কথা আছে। যি পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ কাম কৰে, তেওঁকো মাই বহুত সন্মান কৰে। মোৰ মনত আছে, ভাদনগৰত আমাৰ ঘৰৰ ওচৰত যি নলা আছিল, যেতিয়া তাক চফা কৰিবলৈ কোনো লোক আহিছিল, তেতিয়া মাই চাহ নুখুওৱাকৈ তেওঁক যাবলৈ নিদিছিল। পাছত চাফাই কৰ্মীয়েও বুজি পাইছিল যে কামৰ পাছত যদি চাহ খাব লাগে, তেন্তে সেয়া আমাৰ ঘৰতহে পাব পাৰে।

মোৰ মাৰ আৰু এটা ভাল অভ্যাস আছে, যি মোৰ সদায়েই মনত আছে। জীৱৰ ওপৰত দয়া কৰাটো তেওঁৰ সংস্কাৰত জিলিকি আছে। গৰমৰ দিনত চৰাইৰ বাবে তেওঁ মাটিৰ পাত্ৰত দানা আৰু পানী ৰাখিছিল। যি আমাৰ ঘৰৰ আশেপাশে বাটৰুৱা কুকুৰ আছিল, সিহঁত যাতে ভোকত নাথাকে, মায়ে তাৰো গুৰুত্ব ৰাখিছিল।

দেউতাই নিজৰ চাহৰ দোকানৰ পৰা যি মলাই আনিছিল, মাই তাৰে বৰ ভাল ঘিউ বনাইছিল। আৰু সেই ঘিউৰ ওপৰত যাতে অকল আমাৰহে অধিকাৰ থাকে, এনেকুৱা নাছিল। ঘিউৰ ওপৰত আমাৰ চৌহদৰ গাইবিলাকৰো অধিকাৰ আছিল। মায়ে সদায়েই, নিয়ম মানি গো মাতাক ৰুটী খুৱাইছিল। কিন্তু শুকান ৰুটী নহয়, সদায়েই তাত ঘিউ লগাই দিছিল।

ভোজনক লৈ মাৰ সদায়েই এইটোও আগ্ৰহ আছে যে অন্নৰ এটাও দানা নষ্ট হ'ব নালাগে। আমাৰ অঞ্চলত যেতিয়া কাৰোবাৰ বিয়াত সমূহীয়া ভোজৰ আয়োজন হৈছিল তেতিয়া তালৈ যোৱাৰ আগতে মাই সকলোকে এই কথা মনত পেলাই দিছিল যে খাদ্য খোৱাৰ সময়ত অন্ন নষ্ট কৰিব নালাগে। ঘৰতো তেওঁ এই নিয়ম বনাইছিল যে সিমানেই খাদ্য থালত ল'ব লাগে যিমান ভোক থাকে।

মাই আজিও যিমান খাব সিমানেই খাদ্য নিজৰ থালত লয়। আজিও নিজৰ থালত তেওঁ অন্নৰ এটা দানাও নেৰে। নিয়ম মতে খোৱা, নিৰ্ধাৰিত সময়ত খোৱা, বহুত চোবাই চোবাই খোৱা, এই বয়সতো তেওঁৰ অভ্যাস।

মাই সদায় আনক সুখী দেখি আনন্দিত হয়। ঘৰত ঠাই যদিও কম, কিন্তু তেওঁৰ অন্তৰ বহুত ডাঙৰ। আমাৰ ঘৰৰ পৰা অলপ আঁতৰত এখন গাঁও আছিল, য'ত মোৰ দেউতাৰ বহুত ঘনিষ্ঠ বন্ধু আছিল। তেওঁৰ পুত্ৰ আছিল আব্বাছ। বন্ধুৰ অকাল মৃত্যুৰ পিছত দেউতাই আব্বাছক আমাৰ ঘৰলৈ লৈ আহিছিল। আব্বাছে আমাৰ ঘৰতে থাকি পঢ়িছিল। আমাৰ সকলো শিশুৰ দৰে মাই আব্বাছৰো বহুত চোৱাচিতা কৰিছিল। ঈদত মাই আব্বাছৰ বাবে তাৰ পছন্দৰ খাদ্য ৰান্ধিছিল। উৎসৱৰ সময়ত ওচৰ-পাঁজৰৰ কিছুমান শিশুৱে আমাৰ ঘৰতে আহি খাদ্য খাইছিল। তেওঁলোকেও মোৰ মাৰ হাতৰ বনোৱা খাদ্য বহুত ভাল পাইছিল।

আমাৰ ঘৰৰ ওচৰত যেতিয়াই কোনো সাধু-সন্ত আহিছিল তেতিয়া মাই তেওঁলোকক ঘৰলৈ মাতি ভোজন কৰাইছিল। যেতিয়া তেওঁ যাবলৈ ধৰে, তেতিয়া মাই নিজৰ বাবে নহয় বৰঞ্চ আমি ভাই-ভনীসকলৰ বাবে আশীৰ্বাদ বিচাৰিছিল। তেওঁক কৈছিল যে— মোৰ সন্তানক আশীৰ্বাদ দিয়ক যেন তেওঁলোকে আনৰ সুখত সুখ দেখে আৰু আনৰ দুখত দুখী হওক। মোৰ সন্তানৰ মাজত ভক্তি আৰু সেৱা ভাব সৃষ্টি হওক, তেওঁলোকক এনেকুৱা আশীৰ্বাদ দিয়ক।

মোৰ মাৰ মোৰ ওপৰত বহুত অটুট বিশ্বাস আছে। তেওঁ নিজে দিয়া সংস্কাৰৰ ওপৰত সম্পূৰ্ণ ভৰসা আছে। মোৰ কেইবা দশকৰ পুৰণা এটা ঘটনা মনত পৰিছে। তেতিয়ালৈকে মই সংগঠনত থাকি জনসেৱাৰ কামত লাগি পৰিছিলো। ঘৰৰ মানুহৰ সৈতে সম্পৰ্ক নোহোৱাৰ নিচিনা। সেই সময়তে এবাৰ মোৰ দাদাই মাক বদ্ৰীনাথজী, কেদাৰনাথজীৰ দৰ্শন কৰাবলৈ লৈ গৈছিল। বদ্ৰীনাথত যেতিয়া মাই দৰ্শন কৰে তেতিয়া কেদাৰনাথতো মানুহে গম পালে যে মোৰ মা আহি আছে।

সেই সময়তে হঠাৎ বতৰো খুব বেয়া হৈ গৈছিল। এই কথা দেখি কিছুমান মানুহে কেদাৰঘাটিৰ পৰা তলৰ ফালে যাবলৈ ধৰে। তেওঁলোকে নিজৰ লগত কম্বলো লৈ যায়। তেওঁলোকে ৰাস্তাত বয়সস্থ মহিলাক সুধি সুধি গৈছিল যে আপুনি নৰেন্দ্ৰ মোদীৰ মাক নেকি? এনেকৈয়ে সুধি সুধি তেওঁলোক মাৰ ওচৰ গৈ পায়। তেওঁলোকে মাক কম্বল দিয়ে, চাহ খুৱায় । সেই লোকসকল সম্পূৰ্ণ যাত্ৰাত মাৰ লগতে থাকিল। কেদাৰনাথ গৈ পোৱাত সেই লোকসকলে মাক থাকিবলৈ ভাল ব্যৱস্থা কৰি দিয়ে। এই ঘটনাৰ মাৰ মনত বহুত প্ৰভাৱ পৰে। তীৰ্থ যাত্ৰাৰ পৰা উভতি যেতিয়া মা মোৰ সৈতে লগ হয়, তেতিয়া কয় যে কিবাতো ভাল কাম কৰি আছা তুমি, মানুহে তোমাক চিনি পায়।

এতিয়া এই ঘটনাৰ ইমান দিনৰ পিছতো যেতিয়া মানুহে মাৰ কাষলৈ গৈ সোধেগৈ যে আপোনাৰ ল'ৰা প্ৰধানমন্ত্ৰী হৈছে, আপোনাৰতো গৰ্ব হয় চাগৈ নহয়নে বাৰু? তেতিয়া মাৰ উত্তৰ নিতান্তই গম্ভীৰ হয়। মায়ে তেওঁলোকক কয় বোলে আপোনালোকে যিমান গৰ্ব কৰে, সিমানেই মোৰো হয়। চাবলৈ গ'লে মোৰটো একোৱেই নহয়। মই মাথোঁ নিমিত্তহে মাত্ৰ।!তেওঁতো ভগৱানৰহে।

আপোনালোকেও চাগৈ মন কৰিছে, মোৰ মায়ে কেতিয়াও কোনো চৰকাৰী অথবা সাৰ্বজনিক কাৰ্যক্ৰমলৈ মোৰ সৈতে যোৱা নাই। আজিলৈকে তেওঁ মাত্ৰ দুটা সাৰ্বজনিক অনুষ্ঠানতহে মোৰ সৈতে উপস্থিত আছিল।

এবাৰ মই যেতিয়া একতা যাত্ৰাৰ পিছত শ্ৰীনগৰৰ লাল চকত ত্ৰিৰংগা উত্তোলন কৰি উভতি আহিছিলো, সেইবাৰ আহমেদাবাদত অনুষ্ঠিত হোৱা এক নাগৰিক সন্মান কাৰ্যক্ৰমত মায়ে মঞ্চলৈ আহি মোক কপালত ফোঁট আঁকি দিছিলি।

মাৰ বাবে সেইটো নিতান্তই আৱেগিক পল এই কাৰণেও আছিল, কিয়নো একতা যাত্ৰাৰ সময়ত ফাগৱাড়াত এক আক্ৰমণৰ ঘটনা সংঘটিত হৈছিল। ঘটনাটোত কেইগৰাকীমান লোকৰ মৃত্যু হৈছিল। সেই সময়ত মায়ে মোক লৈ বাৰুকৈয়ে চিন্তিত হৈ পৰিছিল। তেতিয়া মোলৈ দুগৰাকী লোকে ফোন কৰিছিল। এখেতসকলৰ এজন আছিল অক্ষৰধাম মন্দিৰৰ শ্ৰদ্ধেয় প্ৰধান স্বামী জী আৰু আনগৰাকী আছিল মোৰ মা। মায়ে মই কুশলে আছো বুলি জানি বাৰুকৈয়ে সকাহ পাইছিল।

দ্বিতীয়বাৰ তেওঁ সাৰ্বজনিকভাৱে মোৰ লগত আহিছিল যেতিয়া মই প্ৰথমবাৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিছিলো। ২০ বছৰৰ আগৰ সেই শপতগ্ৰহণ সমাৰোহতে মোৰ মায়ে অন্তিম বাৰৰ বাবে কোনো সাৰ্বজনিক অনুষ্ঠানত মোৰ সৈতে উপস্থিত আছিল। ইয়াৰ পিছত আৰু তেওঁ কেতিয়াও মোৰ সৈতে আন কোনো অনুষ্ঠানতে ভাগ ল'বলৈ অহা নাছিল।

মোৰ আৰু এটা কথা ভালকৈ মনলৈ আহিছে। মই যেতিয়া প্ৰধানমন্ত্ৰী হৈছিলো, মোৰ মনত এটা ইচ্ছা জাগিছিল যে মই মোৰ সকলো শিক্ষাগুৰুক সাৰ্বজনিকভাৱে সন্মান জনাম। মোৰ মনলৈ এই কথাও আহিছিল যে মোৰ মাতো মোৰ আটাইতকৈ ডাঙৰ শিক্ষক আছিল, সেয়ে তেওঁকো মই সন্মান জনোৱা উচিত। আমাৰ শাস্ত্ৰত কৈছেই যে মাতকৈ ডাঙৰ গুৰু আৰু আন কোনো হ'ব নোৱাৰে- 'নাস্তি মাতৃ সমো গুৰু'। সেয়ে মই মাকো কৈছিলো যে আপুনিও মঞ্চলৈ আহিব লাগিব। কিন্তু তেওঁ কি ক'লে জানেনে, চোৱা ভাই, মইতো নিমিত্তহে মাত্ৰ। তুমি মোৰ গৰ্ভত জন্ম লোৱাটো লিখা আছিল। তোমাক মই নহয় ভগৱানেহে গঢ়িছে। এই বুলি কৈ মায়ে সেই কাৰ্যক্ৰমলৈ নহাকৈ থাকিছিল। মোৰ সকলোকেইগৰাকী শিক্ষক সেই অনুষ্ঠানত উপস্থিত হৈছিলহি, কিন্তু মা সেই অনুষ্ঠানৰ পৰা আঁতৰি থাকিল।

কিন্তু মোৰ মনত আছে, তেওঁ সেই সমাৰোহৰ আগতে মোক এই কথা নিশ্চিত ৰূপতে সুধিছিল যে আমাৰ এলেকাত যে আছিল শিক্ষক জেঠাভাই যোশীজী, তেওঁৰ পৰিয়ালৰ পৰা কোনো লোক বাৰু সেই সমাৰোহলৈ যাবনে নাই? ল'ৰালিত মোৰ পঢ়া-শুনাৰ আৰম্ভণী, মোক আখৰৰ জ্ঞান দিছিল এইগৰাকী শিক্ষক জেঠাভাই যোশীজীয়ে। মাৰ তেওঁৰ কথা মনত আছিল, তেওঁৰ এই কথাও মনত আছিল যে এতিয়া যোশীজী আমাৰ মাজত নাই। তেওঁ নিজে সমাৰোহলৈ অহা নাছিল, কিন্তু জেঠাভাই যোশীজীৰ পৰিয়ালক নিমন্ত্ৰণৰ বাবে সকীয়াই দিছিল।

আখৰৰ জ্ঞান নোহোৱাকৈয়ো কোনোবা লোক সঁচাকৈ কেনেকৈ শিক্ষিত হ'ব পাৰে, এই কথা মই সদায়ে মাৰ ক্ষেত্ৰত দেখিছিলো। তেওঁৰ চিন্তা কৰাৰ দৃষ্টিভংগী, তেওঁৰ দূৰদৃষ্টিয়ে মোক বহুবাৰ আচৰিত কৰি দিছিল।

নিজৰ নাগৰিক কৰ্তব্যৰ প্ৰতি মা সদায়ে সজাগ আছিল। যেতিয়াৰ পৰা নিৰ্বাচনৰ আৰম্ভ হৈছিল পঞ্চায়তৰ পৰা সংসদলৈকে নিৰ্বাচনসমূহত তেওঁ ভোটদানৰ দায়িত্ব পালন কৰিছিল। কিছু সময়ৰ আগতে অনুষ্ঠিত হোৱা গান্ধীনগৰৰ পৌৰ নিগমৰ নিৰ্বাচনৰ নিৰ্বাচনতো মায়ে ভোট দিবলৈ গৈছিল।

বহুবাৰ মোক তেওঁ কৈছিল চোৱা ভাই, ৰাইজৰ আশীৰ্বাদ তোমাৰ ওপৰত আছে, ঈশ্বৰ আশীৰ্বাদ তোমাৰ ওপৰত আছে, তোমাৰ কেতিয়াও একো নহয়। তেওঁ কৈছিল যে নিজৰ শৰীৰটো সদায় সুস্থ ৰাখিবা, নিজকে সুস্থ কৰি ৰাখিবা, কিয়নো শৰীৰ ভালে থাকিলেহে ভাল কাম কৰিব পাৰিবা।

এটা সময় আছিল যেতিয়া মায়ে বহুত নিয়ম মানি চতুৰ্মাহ কৰিছিল। মায়ে জানিছিল যে নৱৰাত্ৰিৰ সময়ত মই কি নিয়ম পালন কৰো। আগতেতো কোৱা নাছিল, কিন্তু মাজতে তেওঁ ক'বলৈ ধৰিলে যে ইমান বছৰতো কৰিলাই এতিয়া নৱৰাত্ৰিৰ সময়ত যিবোৰ কঠিন ব্ৰত-তপস্যা কৰা, সেয়া অলপ সহজ কৰি লোৱা।

মই নিজৰ জীৱনত আজিলৈকে মাৰ পৰা কাৰো বাবে কোনো অভিযোগ শুনা নাই। না তেওঁ কাৰোবাক লৈ কিবা অভিযোগ কৰে, না কাৰোবাৰ পৰা কিবা আশা কৰে।

মাৰ নামত আজিলৈকে কোনো সম্পত্তি নাই। মই তেওঁ দেহত কেতিয়াও সোণৰ গহণা দেখা নাই। তেওঁৰ সোণৰ গহণাৰ প্ৰতি অকণো মোহ নাই। তেওঁ আগতেও সাধাৰণভাৱে আছিল, আৰু আজিও তেওঁৰ সৰু কোঠাটোতে সম্পূৰ্ণ সাধাৰণভাৱে থাকে।

ঈশ্বৰৰ ওপৰত মাৰ অগাধ বিশ্বাস, কিন্তু তেওঁ অন্ধবিশ্বাসৰ পৰা বহু দূৰৈত থাকে। আমাৰ ঘৰখনক তেওঁ সদায়ে অন্ধবিশ্বাসৰ পৰা বচাই ৰাখিছে। তেওঁ আগৰে পৰাই কবীৰপন্থী আছিল আৰু আজিও সেই পৰম্পৰাৰে নিজৰ পূজা-পাঠ কৰি থাকে। মাৰ মালা জপ কৰাৰ অভ্যাস এটা হৈ গৈছে। দিনভৰ ভজন আৰু মালা জপাতো ইমানেই বেছি হৈ যায় যে শুবলৈও পাহৰে। ঘৰৰ মানুহে মালা লুকুৱাবলগীয়া হয়, তেতিয়াহে শুবলৈ যায়, তেওঁৰ টোপনি ধৰে।

ইমান বছৰ হোৱাৰ পিছতো মাৰ স্মৰণ শক্তি এতিয়াও বহুতেই ভাল। তেওঁৰ বহু দশক আগৰ কথাও ভালকৈ মনত আছে। আজিও কোনোবা আত্মীয় যদি তেওঁক লগ পাবলৈ আহি নিজৰ নাম কয়হি, তেওঁ তৎক্ষণাত তেওঁৰ ককাক, আইতাক বা মাকৰ ফালৰ ককাক-আইতাকৰ নাম কৈ দিব পাৰে, অ' তুমি তেওঁৰ ঘৰৰ পৰা আহিছা নহয়নে।

পৃথিৱীত কি চলি আছে, আজিও মায়ে এই খবৰ ৰাখে। অলপতে মই মাক সুধিছিলো যে আজিকালি টিভি কিমান চোৱা?! মায়ে ক'লে যে টিভিটো যেতিয়াই চাওঁ তেতিয়াই দেখোন সকলোৱে পৰস্পৰে কাজিয়া কৰি থাকে। অৱশ্যে দুই-একে শান্তিৰে বুজে, মই সেয়া ঠিকেই চাওঁ। মায়ে ইমান কথা নজৰ কৰি থাকে, মই তাকে আচৰিত হৈ যাওঁ।

তেওঁ দৃঢ় স্মৰণ শক্তিৰে জড়িত আৰু এটা কথা মোৰ মনলৈ আহিছে। এয়া ২০১৭ চনৰ কথা, যেতিয়া মই উত্তৰ প্ৰদেশৰ নিৰ্বাচনৰ শেষ দিনকেইটাত কাশীত আছিলোগৈ। তাৰ পৰা মাজতে আহমেদাবাদলৈ যাওঁতে মাৰ বাবে কাশীৰ পৰা প্ৰসাদ লৈ গৈছিলো। মাক লগ পোৱাৰ সময়ত তেওঁ সুধিছিল কাশী বিশ্বনাথ মহাদেৱৰ দৰ্শন কৰিছিলা নেকি?! মায়ে সম্পূৰ্ণ নামটোৱেই লয়- কাশী বিশ্বনাথ মহাদেৱ। কথা-বতৰাৰ মাজত মায়ে পুনৰ সুধিছিল যে কাশী বিশ্বনাথ মন্দিৰলৈকে যোৱাৰ পথছোৱা এতিয়াও আগৰ দৰেই আছে নেকি, এনে লাগিছিল যেন কাৰোবাৰ ঘৰতহে মন্দিৰ সজা হৈছিল। মই আচৰিত হৈ তেওঁক সুধিছিলো— আপুনিনো কেতিয়া গৈছিল? মায়ে কৈছিল যে বহুত বছৰৰ আগতে গৈছিলো। মায়ে ইমান দিনৰ আগৰ কথাও ভালকৈ মনত ৰাখিছে।

মাৰ যিমান সংবেদনশীলতা আছে, সেৱা ভাব আছে, সিমানেই বেছি তেওঁ চকুৰ দৃষ্টিও আছে। মায়ে সৰু সৰু ল'ৰা-ছোৱালীৰ বহুবোৰ দেশীয় চিকিৎসাও জানে। ভাদনগৰৰ ঘৰততো প্ৰায়েই পুৱাৰ পৰাই শাৰী আৰম্ভ হৈ যায়। মানুহবোৰে ৬-৮ মহীয়া ল'ৰা-ছোৱালী দেখুওৱাৰ বাবে মাৰ কাষ পাইছিলহি।

চিকিৎসা কৰাৰ বাবে মায়ে বহুবাৰ বহুখিনি পাউদাৰৰ প্ৰয়োজন হৈছিল। এই পাউদাৰ গোটোৱাৰ কামটো আমি ঘৰৰ সৰুবোৰে কৰিছিলো। মায়ে আমাক জুহালৰ পৰা উলিওৱা ছাই, এটা বাটি, এডোখৰ মিহি কাপোৰ দি পঠিয়াইছিল। আমি সেই বাটিত কাপোৰ ডোখৰ বান্ধি ৫-৬ মুঠিমান ছাই তাৰ ওপৰত থওঁ। আৰু লাহে লাহে আমি কাপোৰৰ ওপৰত থোৱা সেই ছাইখিনি মোহাৰো। এনে কৰিলে যিখিনি আটাইতকৈ মিহি ছাই ওলাইছিল সেইখিনি বাটিটোত জমা হৈছিল। মায়ে আমাক সদায়ে কৈছিল যে নিজৰ কাম ভালকৈ কৰিবা। ছাইৰ মোটা দানাৰ বাবে যাতে সৰু ল'ৰা-ছোৱালীবোৰৰ অসুবিধা নহয়।

এনেকুৱা আৰু এটা কথা মোৰ মনলৈ আহিছে, য'ত মাৰ মমতাও আছিল আৰু বুজনশক্তিও। দশাচনতে এবাৰ দেউতাই এক ধৰ্মীয় অনুষ্ঠান কৰিব বিচাৰিছিল। সেইবাৰ আমি সকলোৱে নৰ্মদাজীৰ পাৰলৈ যাব লগা হৈছিল। ভীষণ গৰমৰ দিন আছিল। সেয়ে তালৈ যোৱাৰ বাবে মানুহে পুৱাতে ঘৰৰ পৰা যাত্ৰা কৰিছিল। প্ৰায় তিনি-চাৰি



ঘণ্টামানৰ যাত্ৰা। আমি য'ত গৈ বাছৰ পৰা নামিছিলোগৈ, তাৰ পৰা খোজকাঢ়ি যাবলগীয়া হৈছিল। কিন্তু ইমানেই গৰম পৰিছিল যে মাটিৰ পৰা যেন জুইহে ওলাইছিল। সেয়ে আমি নৰ্মদাৰ পাৰৰ পানীত খোজ দি আগবাঢ়িছিলো। নদীত এনেদৰে যাত্ৰা কৰাটো সহজ নাছিল। কিছু সময়ৰ ভিতৰতে আমি ল'ৰা-ছোৱালীবোৰ বেয়াকৈ ভাগৰি পৰিছিলো। আমাৰ ভোক লাগিছিল। মায়ে সকলোৰে অৱস্থা দেখি আছিল, বুজি আছিল। মায়ে দেউতাক কৈছিল যে অকণমান সময়ৰ বাবে ইয়াতে অলপ ৰৈ যাওঁ। মায়ে দেউতাক ওচৰৰ ক'ৰবাৰ পৰা গুড় কিনি আনিবলৈ কৈছিল। দেউতাই দৌৰি গৈ গুড় কিনি আনিছিল। মই তেতিয়া সৰু আছিলো, কিন্তু গুড় খোৱাৰ পিছত পানী খোৱাৰ লগে লগেই যেন শৰীৰলৈ নতুন শক্তিহে আহিল। আমি আকৌ যাবলৈ আৰম্ভ কৰিছিলো। সেই গৰমত পূজা কৰিবলৈ সেইদৰে ওলোৱা, মাৰ সেই বুজনশক্তি, দেউতাৰ তৎক্ষণাত গুড় কিনি আনাৰ কথা মোৰ আজিও ভালকৈ মনত আছে।

সৰুৰে পৰাই মই লক্ষ্য কৰি আহিছো, মায়ে আনৰ পছন্দক সন্মান কৰাৰ সমান্তৰালকৈ নিজৰ পছন্দ কেতিয়াও জাপি দিয়া নাছিল। বিশেষকৈ মোৰ ক্ষেত্ৰত তেওঁ মোৰ সিদ্ধান্তক আদৰণি জনাইছিল, কেতিয়াও কোনো বাধা দিয়া নাছিল আৰু মোক সদায়েই উৎসাহিত কৰিছিল। সৰুৰে পৰাই তেওঁ মোৰ এক বেলেগ মানসিকতা গঢ় লৈ উঠিছে বুলি অনুভৱ কৰিব পাৰিছিল। মই মোৰ ভ্ৰাতৃ-ভগ্নীসকলৰ তুলনাত অলপ পৃথক আছিলো।

মোৰ পৃথক অভ্যাস আৰু অসাধাৰণ পৰীক্ষা-নিৰীক্ষাৰ বিশেষ প্ৰয়োজনীয়তা পৰিপূৰণৰ বাবে তেৰোঁ সততে বিশেষ প্ৰচেষ্টা গ্ৰহণ কৰিছিল। কিন্তু তেওঁ কেতিয়াও ইয়াক বোজা বুলি গণ্য নকৰিছিল আৰু কেতিয়াও কোনো বিৰক্তি প্ৰকাশ কৰা নাছিল। উদাহৰণস্বৰূপে, মই প্ৰায়েই কেইবামাহো নিমখ নোখোৱাকৈ থাকো বা কেইসপ্তাহমানৰ বাবে কেৱল গাখীৰ সেৱনেৰে আন খোৱাৰ পৰা বিৰত থাকিছিলো। কেতিয়াবা, ছমাহ পৰ্যন্ত মিঠাইৰ পৰা আঁতৰি থকাৰ সিদ্ধান্ত লৈছিলো। শীত কালত মুকলি ঠাইত শুই মাটিৰ পাত্ৰৰ অতিশয় ঠাণ্ডা পানীৰে গা ধুইছিলো। মায়ে মই নিজকে পৰীক্ষা কৰি আছো বুলি জানিছিল আৰু একোতে আপত্তি কৰা নাছিল। তেওঁ মাথোঁ কয়— 'ঠিক আছে, তোমাৰ ইচ্ছা মতে কৰা।'

মই যে বেলেগ দিশে অগ্ৰসৰ হৈছো, সেয়া তেওঁ অনুভৱ কৰিছিল। এবাৰ আমাৰ ঘৰৰ ওচৰৰ গিৰি মহাদেৱ মন্দিৰলৈ মহাত্মা আহিছিল। মই অতিশয় ভক্তি সহকাৰে তেওঁৰ সেৱা কৰিছিলো। সেই সময়তে মা মোৰ মাহীৰ আগন্তুক বিবাহক লৈ অত্যন্ত উৎসাহিত হৈ পৰিছিল, বিশেষকৈ বিয়াখন উপলক্ষে মামাৰ ঘৰলৈ যোৱাৰ সুযোগে মাক আত্মহাৰা কৰি তুলিছিল। অৱশ্যে গোটেই পৰিয়ালটো বিয়াৰ প্ৰস্তুতিত ব্যস্ত হৈ থকাৰ সময়তে মই তেওঁক মোৰ মামাৰ ঘৰলৈ যোৱাৰ মন নাই বুলি কৈছিলো। তেওঁ মোক ইয়াৰ কাৰণ সোধোতে, মই মহাত্মাৰ সেৱাৰ কথা কৈছিলো।

মোৰ কথাই স্বাভাৱিকতেই তেওঁৰ মনটো বেয়া লগাইছিল যদিও তেওঁ মোৰ সিদ্ধান্তক আদৰি লৈছিল। তেওঁ কৈছিল, 'ঠিক আছে, তুমি যি ভাল দেখা, তাকে কৰা'। অৱশ্যে মায়ে তেওঁৰ অৱৰ্তমানত মই ঘৰত কেনেকৈ অকলশৰে থাকিম, তাকে লৈ চিন্তা কৰিছিল। তেওঁ মামাৰ ঘৰলৈ যোৱাৰ পূৰ্বে মোৰ বাবে কেইবাদিনলৈয়ো ভাল হৈ থকা খাদ্য আৰু জলপানৰ যোগাৰ কৰিছিল। মই অনাহাৰে যাতে নাথাকো, তাৰ বাবেই মায়ে এনে ব্যৱস্থা কৰিছিল।!

মই গৃহ ত্যাগৰ সিদ্ধান্ত গ্ৰহণৰ সময়ছোৱাত এই সিদ্ধান্তৰ কথা মাক অৱগত কৰাৰ পূৰ্বেই অনুমান কৰিব পাৰিছিল। মই প্ৰায়েই মাক কৈছিলো যে মই বাহিৰলৈ ওলাই গৈ পৃথিৱীখন বুজিব বিচাৰো। মই তেওঁক স্বামী বিবেকানন্দৰ বিষয়ে কৈছিলো আৰু মোৰ ৰামকৃষ্ণ মিছন মঠলৈ যোৱাৰ ইচ্ছা আছে বুলি জনাইছিলো।

দিনে আগবঢ়াৰ লগে লগে মোৰ এই ইচ্ছা অধিক প্ৰবল হৈ পৰিছিল।

অৱশেষত গৃহ ত্যাগৰ ইচ্ছা প্ৰকাশেৰে তেওঁৰ আশীৰ্বাদ বিচাৰিছিলো। দেউতা অত্যন্ত হতাশ হৈ পৰিছিল আৰু দুখেৰে তেওঁ মোক কৈছিল, 'যি ভাল দেখা, তাকে কৰা'। মই তেওঁলোকক কৈছিলো যে তেওঁলোকৰ আশীৰ্বাদ লাভ নকৰালৈকে মই ঘৰৰ পৰা ওলাই নাযাওঁ। অৱশ্যে মায়ে মোৰ ইচ্ছাৰ কথা বুজি পাইছিল আৰু মোক আশীৰ্বাদ দি 'তোমাৰ মনে যি কৈছে, তাকে কৰা' বুলি কৈছিল। দেউতাক ক্ষান্ত কৰিবলৈ মায়ে তেওঁক মোৰ সোঁৱৰণীখন এজন জ্যোতিষীক দেখুৱাবলৈ কৈছিল। দেউতাই জ্যোতিষ চৰ্চা কৰা আত্মীয় লোক এজনৰ পৰামৰ্শ গ্ৰহণ কৰিছিল। মোৰ সোঁৱৰণী অধ্যয়নৰ পিছত আত্মীয় জ্যোতিষীজনে কৈছিল, 'তেওঁৰ পথ সুকীয়া। তেওঁ কেৱল সৰ্বশক্তিমানে দেখুওৱা পথতহে অগ্ৰসৰ হ'ব।'

তাৰ কেইদিনমান পিছতে গৃহ ত্যাগ কৰিছিলো। তেতিয়ালৈ দেউতায়ো মোৰ সিদ্ধান্তৰ প্ৰতি সহমত পোষণ কৰিছিল আৰু মোক আশীৰ্বাদ জনাইছিল। যোৱাৰ পূৰ্বে মায়ে মোক দৈ আৰু গুড় খুৱাইছিল। এটা শুভ নতুন আৰম্ভণিৰ বাবে আশীৰ্বাদ দিছিল। তেওঁ এতিয়াৰে পৰা যে মোৰ জীৱন যাত্ৰা অত্যন্ত পৃথক হৈ পৰিব, সেই কথা অনুমান কৰিছিল। মাতৃসকলে নিজৰ আৱেগ নিয়ন্ত্ৰণত সিদ্ধহস্ত হ'ব পাৰিলেও সন্তানে ঘৰৰ পৰা ওলাই গ'লে সদায় ভাগি পৰে। মোৰ মায়েও চকুলো টুকিছিল যদিও মোৰ ভৱিষ্যতৰ বাবে জনাইছিল অশেষ আশীৰ্বাদ।

এসময়ত মই গৃহ ত্যাগ কৰিছিলো। তেতিয়াৰে পৰা মাৰ আশীৰ্বাদেই আছিল একমাত্ৰ সংগী, যিয়ে মই ক'ত আছো আৰু কেনেকৈ আছো সেই কথা নিৰ্বিশেষে মোৰ মনত ৰেখাপাত কৰি থাকিবলৈ ধৰিলে। মায়ে সদায়েই মোৰ সৈতে গুজৰাটীত কথা পাতিছিল। গুজৰাটীত 'তু' মানে 'তুমি'। আমি ডাঙৰ বা জ্যেষ্ঠসকলক 'আপুনি' বুলি যি সম্বোধন কৰো, সেই সম্বোধনক গুজৰাটীত 'তামে' বুলি কয়। সৰুতে মায়ে মোক সদায় 'তু' বুলি সম্বোধন কৰিছিল। অৱশ্যে গৃহ ত্যাগেৰে এটি নতুন পথত অগ্ৰসৰ হোৱাত তেওঁ 'তু' বুলি মাতিবলৈ এৰি দিছিল। তেতিয়াৰে পৰাই মায়ে মোক সদায় 'তামে' বা 'আপ' বুলি সম্বোধন কৰি আহিছে।

মায়ে মোক সদায়েই এটি শক্তিশালী সংকল্প গ্ৰহণ আৰু গৰিব কল্যাণত মনোনিৱেশ কৰিবলৈ অনুপ্ৰাণিত কৰিছিল। মোৰ আজি মনত পৰিছে, মই গুজৰাটৰ মুখ্যমন্ত্ৰী হ'ম বুলি সিদ্ধান্ত গ্ৰহণৰ সময়ত মই তাত নাছিলো। পৰৱৰ্তী সময়ত তাত ভৰি দিয়েই মই পোনে পোনে মাৰ ওচৰলৈ গৈছিলো। তেওঁ অত্যন্ত উল্লসিত হৈ মই আকৌ তেওঁৰ সৈতে থাকিম নেকি বুলি সুধিছিল। কিন্তু তেওঁ মোৰ উত্তৰটো আগেয়েই জানিছিল! । তেওঁ তেতিয়া মোক কৈছিল, 'চৰকাৰত তোমাৰ কামবোৰ মই বুজি নাপাওঁ, কিন্তু মই মাথোঁ বিচাৰো তুমি যাতে কেতিয়াও ঘোচ নোলোৱা।'

দিল্লীলৈ অহাৰ পিছত তেওঁৰে মোৰ সান্নিধ্য পূৰ্বৰ তুলনাত অধিক কমি আহিল। কেতিয়াবা গান্ধীনগৰলৈ গ'লে ক্ষন্তেক সময়ৰ বাবে তেওঁক মাতি আনো। আগৰ দৰে সঘনাই তেওঁক লগ নাপাওঁ। অৱশ্যে মোৰ অনুপস্থিতিক লৈ মায়ে কেতিয়াও কোনো অসন্তুষ্টি ব্যক্ত কৰা নাই। তেওঁৰ মৰম আৰু আগ্ৰহ একেই আছে; তেওঁৰ আশীৰ্বাদ সদায়েই লাভ কৰি আহিছো। মায়ে মোক প্ৰায়ে সোধে, 'দিল্লীত থাকি তুমি সুখী নে? তোমাৰ ভাল লাগিছে নে?'

তেওঁ মোক সদায়েই কয়, মই তেওঁক লৈ চিন্তা কৰিব আৰু বৃহৎ দায়িত্বৰাজিত মনোযোগ হেৰুৱাব নালাগে। মই তেওঁৰ সৈতে ফোনযোগে কথা পাতিলে তেওঁ কয়, 'কেতিয়াও কাৰোৰে বেয়া বা বেয়া কাম নকৰিবা আৰু দৰিদ্ৰ লোকসকলৰ বাবে কাম কৰি যাবা।'

মই মোৰ মা-দেউতাৰ জীৱনলৈ ঘূৰি চালে, তেওঁলোকৰ সততা আৰু আত্মসন্মানৰ কথাই অনুভৱ হয় যি তেওঁলোকৰ আটাইতকৈ ডাঙৰ গুণ আছিল। দৰিদ্ৰতা আৰু তাৰে জড়িত প্ৰত্যাহ্বানৰ সৈতে যুঁজিও মা-দেউতাই কেতিয়াও সততাৰ পথ পৰিহাৰ কৰা নাছিল বা আত্মসন্মানক লৈ আপোচ নকৰিছিল। যিকোনো প্ৰত্যাহ্বান অতিক্ৰম কৰিবলৈ তেওঁলোকৰ হাতত আছিল মাথোঁ এটাই মন্ত্ৰ - কঠোৰ পৰিশ্ৰম, নিৰন্তৰভাৱে জীৱনকালত দেউতা কেতিয়াও কাৰোৰে বোজা হোৱা নাছিল। মায়েও ইয়াক নিশ্চিত কৰিবলৈ চেষ্টা কৰিছিল— যিমান পাৰে নিজৰ কামবোৰ নিজেই কৰিছিল।

আজি যেতিয়াই মাৰ সান্নিধ্য লাভ কৰো, তেতিয়াই তেওঁ সততে কয়, 'মোক কোনেও সেৱা-শুশ্ৰূষা কৰাটো নিবিচাৰো, মই মোৰ সকলো অংগ-প্ৰত্যংগ সক্ৰিয় কৰি ৰাখি কাম কৰি যাব বিচাৰো।'

মাৰ জীৱন কাহিনীৰে মই ভাৰতৰ মাতৃশক্তিৰ সাধনা, ত্যাগ আৰু অৱদানক প্ৰত্যক্ষ কৰিছো। মাতৃ আৰু তেওঁৰ দৰে কোটি কোটি নাৰীলৈ মোৰ এপলক দৃষ্টিত ভাৰতীয় মহিলাৰ বাবে যে অসাধ্য একো নাই, তাকে দেখা পাওঁ।

বঞ্চনাৰ সকলো পৰিঘটনাক একাষৰীয়া কৰি, এগৰাকী মাতৃৰ গৌৰৱময় কাহিনী— প্ৰতিটো সংগ্ৰামক নেওচি এগৰাকী মাতৃৰ দৃঢ় সংকল্প।

মা, আপোনালৈ ওপজা দিনৰ বহু বহু শুভেচ্ছা জনালো।

জন্ম শতবাৰ্ষিকী বৰ্ষ আৰম্ভৰ শুভ লগনত শুভেচ্ছা জ্ঞাপন কৰিলো। আপোনাৰ জীৱনৰ বিষয়ে সমজুৱাকৈ দীঘলীয়াভাৱে লিখাৰ সাহস আজিলৈকে কেতিয়াও গোটাব পৰা নাই। আপোনাৰ স্বাস্থ্য আৰু মংগলৰ বাবে আৰু আমাৰ সকলোকে আপোনাৰ আশীৰ্বাদৰ বাবে সৰ্বশক্তিমানৰ ওচৰত প্ৰাৰ্থনা কৰিছো। আপোনাৰ চৰণত প্ৰণাম।

# মাতৃৰ জন্মদিনটোত

*প্ৰথম পৃষ্ঠাৰ পৰা...* তোলাই নহয়, আমাৰ মন, আমাৰ ব্যক্তিত্ব, আমাৰ আত্মবিশ্বাসো তেওঁ গঢ়ি তোলে। আৰু সন্তানৰ বাবে এনে কৰোতে, নিজকে তাতে সঁপি দিয়ে, নিজকে পাহৰি যায়। আজি মই মোৰ সুখ, মোৰ সৌভাগ্য, আপোনালোক সকলোৰে সৈতে ভাগ-বতৰা কৰিব বিচাৰো। মোৰ মা হীৰাবায়ে আজি ১৮ জুনত শততম বৰ্ষত প্ৰৱেশ কৰিছে। অৰ্থাৎ তেওঁৰ জন্ম শতবাৰ্ষিকী বৰ্ষ আৰম্ভ হৈছে। যদি আজি দেউতা থাকিলহেঁতেন, তেওঁ যোৱা সপ্তাহত শততম বৰ্ষ সম্পূৰ্ণ কৰিলেহেঁতেন। অৰ্থাৎ, ২০২২ বৰ্ষত মোৰ মাতৃৰ জন্ম শতবাৰ্ষিকী বৰ্ষ আৰম্ভ হৈছে আৰু মোৰ দেউতাৰ জন্ম শতবাৰ্ষিকী বৰ্ষ সম্পূৰ্ণ হৈছে। যোৱা সপ্তাহত মোৰ ভতিজাই গান্ধীনগৰৰ পৰা মাৰ কিছু ভিডিঅ' প্ৰেৰণ কৰিছিল। ঘৰলৈ চুবুৰীয়াৰ কিছুমান ডেকা ল'ৰা আহিছে, দেউতাকৰ ফটো চকীত ৰখা হৈছে, ভজন কীৰ্তন চলি আছে আৰু মায়ে মগ্ন হৈ ভজন গাই আছে, মঞ্জিৰা বজাই আছে। মোৰ মা আজিও একেই আছে। শৰীৰৰ শক্তি হ্ৰাস হ'ব পাৰে, কিন্তু মনৰ শক্তি এতিয়াও অটুট আছে। অৱশ্যে আমাৰ ইয়াত জন্মদিন উদ্‌যাপন কৰাৰ কোনো পৰম্পৰা নাই। কিন্তু পৰিয়ালটোৰ নতুন প্ৰজন্মৰ ল'ৰা-ছোৱালীকেইটিয়ে এইবাৰ পিতৃৰ জন্ম শতবাৰ্ষিকীত ১০০ টা গছপুলি ৰোপণ কৰিছে। আজি মোৰ জীৱনত যি ভাল হৈছে, মোৰ ব্যক্তিত্বত যি সদ্‌গুণ আহিছে, সেয়া হৈছে মা আৰু দেউতাৰ অৱদান। আজি মই দিল্লীত বহি থকাৰ সময়ত বহু পুৰণি কথা মনত পৰিছে। মোৰ মা যিমান সাধাৰণ সিমানেই অসাধাৰণো। ঠিক প্ৰত্যেকগৰাকী মাতৃৰ দৰে। আজি যেতিয়া মই মোৰ মাৰ বিষয়ে লিখিবলৈ ওলাইছো, পঢ়ি থাকোঁতে আপুনি এনেদৰে অনুভৱ কৰিব পাৰে যে অহ্, এয়া মোৰ মায়েও কৰে। এইটো পঢ়ি থাকোঁতে, আপোনাৰ মাতৃৰ প্ৰতিচ্ছবি আপোনাৰ চকুত ভাহি উঠিব। মাতৃৰ তপস্যাই তেওঁৰ সন্তানক সঠিক মানুহ হিচাপে গঢ়ি তোলে। মাতৃৰ মৰমে তেওঁৰ সন্তানক মানৱীয় সংবেদনশীলতাৰে ভৰাই তোলে। মাতৃ এক ব্যক্তিবিশেষ নহয়, ব্যক্তিত্ব নহয়, মাতৃ এক স্বৰূপ। আমাৰ ইয়াত কোৱা হয়, যেনে ভক্ত তেনে ভগৱান। ঠিক একেদৰে, আমাৰ মনৰ অনুভূতি অনুসৰি মাতৃৰো প্ৰকৃতি অনুভৱ কৰিব পাৰোঁ। মোৰ মাৰ জন্ম মেহছানা জিলাৰ ৱিচনগৰত হৈছিল। ই ভাদনগৰৰ পৰা বেছি দূৰৈত নহয়। মোৰ মাৰ তেওঁৰ মাতৃ অৰ্থাৎ মোৰ আইতাৰ স্নেহৰ অধিকাৰী হোৱাৰ ভাগ্য নাছিল। এটা শতিকা পূৰ্বে অহা বিশ্বব্যাপী মহামাৰীৰ প্ৰভাৱ বহু বৰ্ষজুৰি আছিল। একেটা মহামাৰীয়ে মোৰ আইতাক মোৰ মাৰ পৰা আঁতৰাই লৈ গৈছিল। মোৰ মা নিশ্চয় কেইদিনমানৰ বাবে তাত আছিল। তেওঁৰ মোৰ আইতাৰ মুখ, তেওঁৰ কোলা, একো মনত নাই। আপুনি ভাবক, মোৰ মাৰ শৈশৱ তেওঁৰ মাতৃ অবিহনে অতিবাহিত হৈছিল, তেওঁ মাকৰ কোলাত মূৰ থ'ব নোৱাৰিলে। মায়ে বিদ্যালয়ৰ দুৱাৰ-ডলিও গচকি নাপালে, তেওঁ নিৰক্ষৰ আছিল। তেওঁ ঘৰৰ সকলো ঠাইতে কেৱল দৰিদ্ৰতা আৰু অভাৱহে দেখিছিল। যদি আমি আজিৰ সময়ত এই পৰিস্থিতিবোৰ সংলগ্ন কৰোঁ, আমি কল্পনা কৰিব পাৰোঁ যে মোৰ মাৰ শৈশৱ কিমান কঠিন আছিল। সম্ভৱতঃ ঈশ্বৰে তেওঁৰ জীৱনটো এনেদৰে গঢ় দিয়াৰ কথা ভাবিছিল। আজি যেতিয়া মায়ে সেই পৰিস্থিতিবোৰৰ বিষয়ে চিন্তা কৰে, তেতিয়া তেওঁ কয় যে এয়া নিশ্চয় ঈশ্বৰৰ ইচ্ছা আছিল। কিন্তু নিজ মাতৃক হেৰুওৱাৰ বেদনা, তেওঁৰ মুখখন নেদেখা, সেই দুখে আজিও তেওঁক আমনি কৰে।

## আজি ত্ৰিবেদা নন্দ দত্ত, ইন্দ্ৰ বৰদলৈ, তৰুণ চন্দ্ৰ ভূঞা ফুটবলৰ ফাইনেল

**গুৱাহাটী, ১৮ জুন ঃ** কাকজান ফুটবল প্ৰশিক্ষণ কেন্দ্ৰৰ উদ্যোগত চলি থকা ত্ৰিবেদানন্দ দত্ত, ইন্দ্ৰ বৰদলৈ আৰু তৰুণ চন্দ্ৰ ভূঞা সোঁৱৰণী ১৩-১৯ বছৰ অনুৰ্দ্ধ পুৰুষ-মহিলাৰ ফুটবল পতিযোগিতাৰ ফাইনেল খেল কেইখন কাইলৈ অনুষ্ঠিত হ'ব। উল্লেখ্য যে ১৩বছৰ অনুৰ্ধৰ ফাইনেল খেলখন অনুষ্ঠিত হ'ব গোলাঘাট ফুটবল প্ৰশিক্ষণ কেন্দ্ৰ আৰু কাকজান ফুটবল প্ৰশিক্ষণ কেন্দ্ৰৰ মাজত । একেদৰে ১৯ বছৰ অনুৰ্ধৰ ফাইনেল খেলখন গোলাঘাট ফুটবল প্ৰশিক্ষণ কেন্দ্ৰ আৰু নুমলীগড় ফুটবল প্ৰশিক্ষণ কেন্দ্ৰৰ মাজত অনুষ্ঠিত হোৱাৰ বিপৰীতে মহিলাৰ ফাইনেল খেলখন অনুষ্ঠিত হ'ব কাকজান ফুটবল প্ৰশিক্ষণ কেন্দ্ৰ আৰু বাঁহনি ফুটবল প্ৰশিক্ষণ কেন্দ্ৰৰ মাজত । বিয়লি অনুষ্ঠিত হ'ব লগীয়া বঁটা বিতৰণী সভাত জিলাখনৰ বহু কেইজন গণ্য মান্য ব্যক্তি তথা প্ৰবীণ ক্ৰীড়াবিদ উপস্থিত থাকিব।

## এছিয়ান ট্ৰেক চাইক্লিং চেম্পিয়নশ্বিপত অসমৰ চয়নিকা গগৈৰ ব্ৰঞ্জ

**গুৱাহাটী, ১৮ জুন ঃ** ৰাষ্ট্ৰীয় অভিলেখ গঢ়ি ৪১ সংখ্যক এছিয়ান ট্ৰেক চাইক্লিং চেম্পিয়নশ্বিপত ব্ৰঞ্জৰ পদক দখল কৰিবলৈ সক্ষম হৈছে অসমৰ চয়নিকা গগৈ নেতৃত্বাধীন ভাৰতীয় চাইক্লিং দলটোৱে। উল্লেখ্য যে নতুন দিল্লীত আজিৰে পৰা আৰম্ভ হোৱা প্ৰতিযোগিতাখনৰ মহিলাৰ এলিট শাখাৰ দলীয় পাৰছুইট ইভেন্টত ভাৰতীয় দলটোৱে এই সফলতা অৰ্জন কৰে। ব্ৰঞ্জ জয়ৰ যুঁজত ভাৰতে উজবেকিস্তানক পৰাস্ত কৰে। এছিয়ান ট্ৰেক চাইক্লিং চেম্পিঞ্জনশ্বিপৰ চাৰি কিলোমিটাৰ দৈৰ্ঘ্যৰ মহিলাৰ এলিট শাখাৰ দলীয় পাৰছুইট চাইক্লিং ভাৰতে ৰাষ্ট্ৰীয় অভিলেখ গঢ়ি ৪.৪৪ মিনিটত ৰেছ সম্পূৰ্ণ কৰে। ভাৰতীয় দলটোৰ এই সফলতাৰ বাবে অসম চাইক্লিং সন্থাৰ সভাপতি হৰমিত সিং আৰু সাধাৰণ সম্পাদক ড° তপন দাসে অভিনন্দন জনাইছে। ইফালে, অসম অলিম্পিক সন্থাৰ সম্পাদক লক্ষ্য কোঁৱৰে ভাৰতীয় দলটোৰ লগতে অসম জীয়ৰী চয়নিকা গগৈক অভিনন্দন জনোৱাৰ লগতে ৰাজ্যৰ চাইক্লিষ্টগৰাকীক অসম অলিম্পিক সন্থাৰ তৰফৰ পৰা ৫০ হেজাৰ টকা পুৰস্কাৰ আগবঢ়াব বুলি ঘোষণা কৰে।

### চিন্নাস্বামীৰ বিজয়ী দলেই লাভ কৰিব পাঁচখনীয়া শৃংখলাৰ চেম্পিয়ন ট্ৰফী

# আজি ভাৰত-দক্ষিণ আফ্ৰিকাৰ অন্তিম টি-২০

**বাংগালুৰু, ১৮ জুন ঃ** ভাৰত দক্ষিণ আফ্ৰিকাৰ মাজৰ চলিত পাঁচখনীয়া টি-২০ শৃংখলাৰ পঞ্চম তথা অন্তিমখন মেচ কাইলৈ বাংগালুৰুৰ চিন্নাস্বামী ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। উল্লেখ্য যে শৃংখলাৰ প্ৰথম দুখন মেচত পৰাস্ত হোৱাৰ পাছতো ভাৰতীয় দলে তৃতীয় আৰু চতুৰ্থ মেচত জয়ী হৈ শক্তিশালী প্ৰত্যাৱৰ্তন কৰিছে। কাইলৈ শৃংখলাৰ ফাইনেল মেচ। উল্লেখ্য যে ভাৰতে চতুৰ্থখন মেচত ৮২ ৰাণত জয়লাভ কৰি ২-২ ৰ ব্যৱধানৰে প্ৰত্যাৱৰ্তন কৰাৰ পাছত এতিয়া শৃংখলা দখলৰ ফেভাৰিট হৈ পৰিছে। একপক্ষীয় চতুৰ্থ মেচত ভাৰতৰ ১৬৯ ৰাণৰ প্ৰত্যুত্তৰত দক্ষিণ আফ্ৰিকা ৮৭ ৰাণতে অলআউট হয়। সেয়ে এতিয়া চাপৰ সন্মুখীন হৈছে আলহী দলটো। ইয়াৰপূৰ্বে ভাৰতে তৃতীয়খন মেচত ৪৮ ৰাণত জয়লাভ কৰি ২-১ ৰ ব্যৱধানৰে প্ৰত্যাৱৰ্তন কৰি শৃংখলাত নিজৰ আশা সজীৱ ৰাখিছিল। উল্লেখ্য যে প্ৰথম দুখন মেচত পৰাস্ত হোৱাৰ পাছত চাপৰ সন্মুখীন হোৱা টীম ইণ্ডিয়াই তৃতীয় মেচত ১৭৯-৫ ৰাণত ইনিংছ সামৰে। প্ৰত্যুত্তৰত দক্ষিণ আফ্ৰিকাই ১৯.১ অভাৰত ১৩১-১০ ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। উল্লেখ্য যে কটকত অনুষ্ঠিত হোৱা দ্বিতীয়খন মেচত দক্ষিণ আফ্ৰিকাই চাৰি উইকেটত জয়লাভ কৰিপাঁচখনীয়া টি-২০ শৃংখলাত ২-০ ৰ অগ্ৰগতি লৈছিল। পোনতে বেটিং কৰা ভাৰতে ছয় উইকেটত ১৪৮ ৰাণ কৰে। প্ৰত্যুত্তৰত দক্ষিণ আফ্ৰিকাই ১৮.২ অভাৰতে ছটা উইকেট হেৰুৱাই ১৪৯ ৰাণ কৰি জয় অৰ্জন কৰে। ইয়াৰপূৰ্বে নতুন দিল্লীত হোৱা শৃংখলাৰ প্ৰথমখন মেচত আলহী দলটোৱে সাত উইকেটত ভাৰতক পৰাস্ত কৰিছিল। ২১২ ৰাণৰ বিজয়লক্ষ্য অনুসৰণ কৰি দক্ষিণ আফ্ৰিকাই ১৯.১ অভাৰত তিনিটা উইকেট হেৰুৱাই মেচখনত জয়লাভ কৰে। ভাৰতীয় টি-২০ দলটো হ'ল ঃ ৰিতুৰাজ গাইকোৱাড, ইযান কিষান, দীপক হুদা, শ্ৰেয়াছ আয়াৰ, ঋষভ পণ্ট, দিনেশ কাৰ্তিক, হৰ্দিক পাণ্ডিয়া, ভেংকটেশ আয়াৰ, যুজবেন্দ্ৰ চাহাল, কুলদ্বীপ যাদব, অক্ষৰ পেটেল, ৰবী বিষ্ণয়, ভূৱনেশ্বৰ কুমাৰ, হাৰ্চল পেটেল, আভেছ খান, অৰ্শদ্বীপ সিং আৰু উমৰান মালিক।




## জুনিয়ৰ এছিয়ান শক্তি উত্তোলনত অসমৰ নিৰজ বৰাৰ সোণ

**গুৱাহাটী, ১৮ জুন ঃ** কিৰ্গিস্তানত অনুষ্ঠিত জুনিয়ৰ এছিয়ান শক্তি উত্তোলন চেম্পিয়নশ্বিপত অসমৰ নিৰজ বৰাই সোণৰ পদক লাভ কৰে। নিৰজে সামগ্ৰিক আৰু বেঞ্চ-প্ৰেছ শাখাতো সোণৰ পদক লাভ কৰে। নিৰজে স্কুৱেটত ২২০ কেজি, বেঞ্চ প্ৰেছত ১৫২.৫ আৰু ডেডলিফটত ২৪৫ কেজি উত্তোলন কৰি মুঠ ৬১৮ কেজি উত্তোলন কৰে। উল্লেখ্য যে এই চেম্পিয়নশ্বিপত এছিয়াৰ ২৫ খন দেশৰ খেলুৱৈয়ে অংশগ্ৰহণ কৰিছিল। ভাৰতীয় দলত নিৰজকে ধৰি মুঠ সাত জন খেলুৱৈয়ে অংশ লয়। উল্লেখ্য যে ২২ বছৰীয়া নিৰজৰ ঘৰ গুৱাহাটীৰ ৰুক্মিণীগাঁৱত। মাতৃ পূৰ্ণিমা বৰা, পিতৃ শোণিত কুমাৰ বৰা। নিৰজৰ প্ৰশিক্ষক হৈছে বাংগালুৰুৰ পৰা অহা এৰেন ফাৰ্নাণ্ডেজ। বৰ্তমান নিৰজ কটন বিশ্ববিদ্যালয়ৰ গণসংযোগ আৰু সাংবাদিকতাৰ স্নাতকোত্তৰৰ ছাত্ৰ।

# বান দুৰ্যোগৰ মাজতে ৰাষ্ট্ৰীয় জুনিয়ৰ মহিলা ফুটবলৰ বাবে সাজু হৈছে ডিমাকুছি ষ্টেডিয়াম

### প্ৰথম মেচত পুডুচেৰীৰ বিৰুদ্ধে খেলিব আয়োজক অসমে

**গুৱাহাটী, ১৮ জুন ঃ** সৰ্বভাৰতীয় ফুটবল ফেডাৰেছন আৰু অসম চৰকাৰৰ সহযোগত তথা অসম ফুটবল সন্থাৰ উদ্যোগত আৰম্ভ হোৱা ১৭ বছৰ অনূৰ্ধ্ব ৰাষ্ট্ৰীয় জুনিয়ৰ মহিলা ফুটবল প্ৰতিযোগিতাৰ দুটা গ্ৰুপৰ খেল ওদালগুৰি জিলাৰ ডিমাকুছি ষ্টেডিয়ামতো অনুষ্ঠিত হ'ব। উল্লেখ্য যে বান দুৰ্যোগৰ মাজতে ৰাষ্ট্ৰীয় জুনিয়ৰ মহিলা ফুটবলৰ বাবে সাজু হৈছে ডিমাকুছি ষ্টেডিয়াম। অহা ২১ জুনৰ পৰা আৰম্ভ হ'ব দুটা গ্ৰুপৰ খেল। ডিমাকুছি ষ্টেডিয়ামত অনুষ্ঠিত হ'বলগীয়া গ্ৰুপ 'জি' ৰ দলসমূহ হ'ল আয়োজক অসম, হাৰিয়ানা, পুডুচেৰী আৰু গুজৰাট । সেইদৰে গ্ৰুপ 'এইচ' ত স্থান লাভ কৰিছে জম্মু-কাশ্মীৰ, পশ্চিম বংগ, তামিলনাডু আৰু ৰাজাস্থানে। এই প্ৰতিযোগিতাৰ বাবে অসম দলটোৰ প্ৰশিক্ষণ তথা বাছনি শিবিৰ ডিমাকুছি ষ্টেডিয়ামতে যোৱা দুসপ্তাহ ধৰি চলি আছে। ইতিমধ্যে অসম ফুটবল সন্থাই প্ৰতিযোগিতাৰ বাবে অসমৰ মহিলা দলটো ইতিমধ্যে ঘোষণাও কৰিছে । অসম দলটোৰ অধিনায়ক হিচাপে আছে তুষামণি গগৈ আৰু সহঃঅধিনায়কৰ দায়িত্বত আছে মৌচুমী ব্ৰহ্ম । দলটোৰ অন্য খেলুৱৈ হল ঃ মম্পী সোণোৱাল, ৰেশ্মী ৰয়, সোণম ডালমা লামা, পূৰ্ণিমা ৰেগন, চয়নিকা সোণোৱাল, কে জুলি চংলয়, ৰেমালী বড়ো, ৰাজশ্ৰী সোণোৱাল, উদাংশ্ৰী নাৰ্জাৰী, চুমি দাস, হেৰিনা বসুমতাৰী, অঞ্জুলী বহ্ম, মাইনু বসুমতাৰী, সোণম দত্ত, জানমণি পাংগিং, অংকিতা মেচ, মীনা কাছাৰী আৰু সবিতা ৰাভা । অসমৰ মহিলা দলটোৰ মুখ্য প্ৰশিক্ষক হিচাপে আছে লোচন শইকীয়া। মেনেজাৰ আৰু সহঃমেনেজাৰৰ দায়িত্বত আছে ক্ৰমে -ফিলাচেম বড়ো আৰু ৰয়েল বসুমতাৰী।

## হিমা দাস-অল্লান বৰগোঁহাইলৈ আৰ্থিক সাহায্য অসম এথলেটিকচ সন্থাৰ

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, ১৮ জুন ঃ** সদ্যসমাপ্ত ৬১ তম্ ৰাষ্ট্ৰীয় চিনিয়ৰ আন্তঃৰাজ্যিক এথলেটিকচ প্ৰতিযোগিতাত দীৰ্ঘদিনীয়া শাৰীৰিক আঘাতৰ অন্তত নিজৰ দুৰ্দান্ত প্ৰদৰ্শনেৰে গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হোৱা অৰ্জুন হিমা দাসে আগন্তুক কমনৱেলথ গেমছত ৪×১০০ মিটাৰ দৌৰৰ মহিলাৰ শাখাত দেশক প্ৰতিনিধিত্ব কৰিব। খেলুৱৈগৰাকীৰ অনুশীনত সহায় হোৱাকৈ অসম এথলেটিকচ সন্থাই ১ লাখ টকাৰ নগদ ধনৰ পুৰস্কাৰ ঘোষণা কৰিছে। লগতে আন এগৰাকী প্ৰতিভাৱান দৌৰবিদ অল্লান বৰগোঁহাইয়ে ইতিমধ্যেই বহুকেইটা পদক জয়েৰে ৰাজ্যলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। খেলুৱৈগৰাকীৰ প্ৰশিক্ষণাৰ্থে অসম এথলেটিকচ সন্থাই ৫০ হাজাৰ টকা আগবঢ়োৱাৰ কথা সদৰী কৰিছে অসম এথলেটিকচ সন্থাৰ সভাপতি লক্ষ্য কোঁৱৰে।

# জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল আৰম্ভ

**গুৱাহাটী, ১৮ জুন ঃ** অসম চৰকাৰৰ পৃষ্ঠপোষকতাত তথা সৰ্বভাৰতীয় ফুটবল ফেডাৰেচনৰ তত্বাৱধানত অসম ফুটবল সন্থাই আয়োজন কৰা জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতাখন আজিৰে পৰা আৰম্ভ হৈছে। উল্লেখ্য যে ৰাধা গোবিন্দ বৰুৱা ক্ৰীড়া প্ৰকল্পৰ দেশভক্ত তৰুণ ৰাম ফুকন ইনড'ৰ ষ্টেডিয়ামত অনুষ্ঠিত হোৱা প্ৰতিযোগিতাৰ উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকে সাংসদ কুইন ওজা, অসম ফুটবল সন্থাৰ সভাপতি নৱ কুমাৰ দলে, অসম অলিম্পিক সন্থাৰ সম্পাদক লক্ষ্য কোঁৱৰ, শিলচৰ ক্ৰীড়া সন্থাৰ সভাপতি বাবুল হোড়, অসম ফুটবল সন্থাৰ সম্পাদক হেমেন ব্ৰহ্ম, অসম ক্ৰিকেট সন্থাৰ সভাপতি ৰমেন দত্ত আদি। উদ্বোধনী অনুষ্ঠানৰ মুখ্য আকৰ্ষন আছিল ৰনজিত গগৈৰ সাংস্কৃতিক অনুষ্ঠান। উল্লেখ্য যে ১৭ বছৰ অনূৰ্ধ্বৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল চেম্পিয়নশ্বিপখনত আয়োজক অসমকে ধৰি দেশৰ মুঠ ৩৪ টা দলে যোগদান কৰিছে। প্ৰতিযোগিতাখনৰ মেচসমূহ অনুষ্ঠিত হ'ব সৰুসজাইৰ ইন্দিৰা গান্ধী এথলেটিকছ ষ্টেডিয়াম, নেহৰু ষ্টেডিয়াম, পল্টনবজাৰৰ ছাই নিউ ফিল্ড, সোণাপুৰৰ এল এন আই পি আৰু ওদালগুৰি জিলাৰ ডিমাকুছি ষ্টেডিয়ামত। ঘৰুৱা দল অসমে গ্ৰুপ মেচ খেলিব ডিমাকুছি ষ্টেডিয়ামত। অহা ২১ জুনত অসম দলৰ প্ৰথম মেচ পুডুচেৰীৰ বিৰুদ্ধে। ইফালে, আজি আৰম্ভনিৰ দিনা মুঠ চাৰিখন মেচ অনুষ্ঠিত হয়। পল্টনবজাৰৰ ছাই নিউ ফিল্ডত হোৱা প্ৰথমখন মেচত দিল্লীয়ে ৩-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে তেলেংগনাক। আনহাতে, গ্ৰুপ 'চি'ৰ এই খেলপথাৰতে হোৱা দ্বিতীয়খন মেচত বিহাৰে ১৫-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে মেঘালয়ক। ইফালে, সোণাপুৰৰ এল এন আই পি প্ৰকল্পৰ খেলপথাৰতো আজি দুখনকৈ মেচ অনুষ্ঠিত হয়। গ্ৰুপ 'এফ'ৰ প্ৰথমখন মেচত মহাৰাষ্ট্ৰই ৬-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে ত্ৰিপুৰাক। আনহাতে, অন্য এখন মেচত ওডিছাই ৩-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে চণ্ডিগড়ক।

## আন্তঃৰাষ্ট্ৰীয় অলিম্পিক দিৱসত গুৱাহাটীত প্ৰাইজমানি দৌৰ প্ৰতিযোগিতা

**গুৱাহাটী, ১৮ জুন ঃ** আন্তঃৰাষ্ট্ৰীয় অলিম্পিক দিৱস উপলক্ষে অসম এথলেটিকছ সন্থা আৰু গুৱাহাটী ক্ৰীড়া সন্থাৰ যুটীয়া উদ্যোগত মহানগৰীত অনুষ্ঠিত হ'ব প্ৰাইজমানি ১০ কিলোমিটাৰ দৌৰ প্ৰতিযোগিতা। উল্লেখ্য যে অহা ২৩ জুনৰ পুৱা পাঁচ বজাত খানাপাৰা খেলপথাৰৰ পৰা আৰম্ভ হৈ নেহেৰু ষ্টেডিয়ামত সামৰণি পৰিবলগীয়া ১০ কিলোমিটাৰ দূৰত্বৰ দৌৰ প্ৰতিযোগিতাখনত ৰাজ্যৰ সকলো প্ৰান্তৰে প্ৰতিযোগী সকলৰ অংশগ্ৰহন উদ্যোক্তাই কামনা কৰিছে। পুৰুষ আৰু মহিলা উভয় শাখাত অনুষ্ঠিত হ'বলগীয়া এই প্ৰতিযোগিতাত প্ৰথমৰ পৰা পঞ্চম স্থান প্ৰাপ্ত বিজয়ী প্ৰতিযোগীসকলক ক্ৰমে পাঁচ, চাৰি, তিনি, দুই আৰু এহেজাৰকৈ টকা দি পুৰস্কৃত কৰা হ'ব। প্ৰতিযোগিতাত অংশগ্ৰহনৰ বাবে প্ৰতিযোগীসকলে ৬৯০১৮৫৬৬৯৬, ৯৯৫৭৭৪৫৯৩৪ নম্বৰত যোগাযোগ কৰিব পাৰিব। অহা ২২ জুনৰ পূৰ্বে নামসমূহ প্ৰেৰণ কৰাটো বাধ্যতামুলক। প্ৰতিযোগিতাখনৰ ফ্লেগ অফৰ লগতে বঁটা বিতৰণী অনুষ্ঠানত উপস্থিত থাকিব অভিনেত্ৰী প্ৰস্তুতি পৰাশৰ, বৰষা ৰাণী বিষয়া, শ্যামন্তিকা শৰ্মা, কণ্ঠশিল্পী ভৃগু কাশ্যপ আৰু আচুৰ্য বৰপাত্ৰ।

No. CDP(T&D)/57/2018/101/3234

**_SHORT NOTICE INVITING QUOTATION_**

Sealed quotation affixing non-refundable court fee stamp of Rs. 8.25/- (Rupees Eight and Twenty-Five Paisa) only are hereby invited from the intending Local firms/Suppliers and Govt. Registered Suppliers or contractors for the supply of office stationery articles, computer accessories etc. of standard quality at the De-centralized planning Branch, office of the Deputy Commissioner, Charaideo during the financial year 2022-23 as per terms & Conditions given below. The tender will be received by Addl. Deputy Commissioner (Dev.), Charaideo up to 12:00 PM on 24/06/2022, and the same will be opened at the same place and date in the presence of bidders or their representative and members of the committee constitutcd for the purpose. The intending bidders may obtain detailed particulars and a list of items from the De-centralized Planning Branch O/o the of D. C's Office, Charaideo during office hours up to 23/06/2022.
Detail of notice may be seen at the undersigned office.

**Terms & Conditions**

1. The Deputy Commissioner reserves the right to reject/accept the quotation without assigning any reason thereof.
2. Copy of Valid Trade License, GST Registration Certificate, and PAN Card to be submitted along with the bid documents.
3. Bidder should quote items-wise rate and name of brand/Company. The rate of the items and GST should be shown separately.
4. The evaluation criteria for comparison of rates for the purpose of identifying the lowest bidders shall be on basis of the lowest quoted rate.
5. The Committee will prepare a comparative statement of all the articles quoted in the quotation by different bidders for approval of DC, Charaideo.
6. The Price quoted by the bidders shall remain fixed during the entire period of the contract as per agreement.
7. The selected Bidder shall have to deliver the ordered quantity of branded original item as mentioned in Annexure- 1 within 3 days from receiving the written order, falling which the undersigned reserves the right to cancel the said order without citing any reason thereof.
8. The accepted Bidder shall be entered into an agreement with the undersigned or any officer authorized by the D.C. Charaideo.
9. Legal jurisdiction of any dispute will be within Charaideo District only.
10. Payment for the said supply will be made only after receipt of FOC from the Govt, from time to time.

Janasanyog /C/4973/22

**Deputy Commissioner**
**Charaideo**

# ১৮ বছৰ অনূৰ্দ্ধ্ব ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতা

# প্ৰথমদিনাৰ চাৰিখন মেচত ২৯ টা গ'ল

**গুৱাহাটী, ১৮ জুন ঃ** অসম ফুটবল সন্থাই আয়োজন কৰা জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতাখন আজিৰে পৰা গুৱাহাটী আৰু সোণাপুৰত আৰম্ভ হৈছে। উল্লেখ্য যে আজি অনুষ্ঠিত হোৱা চাৰিখন মেচত মুঠ ২৯ টা গ'ল হয়। সোণাপুৰৰ এল এন আই পি প্ৰকল্পৰ খেলপথাৰতো আজি দুখনকৈ মেচ অনুষ্ঠিত হয়। গ্ৰুপ 'এফ'ৰ প্ৰথমখন মেচত মহাৰাষ্ট্ৰই ৬-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে ত্ৰিপুৰাক। দলৰ হৈ তিনিটা গ'ল কৰি হেট্ৰিক অৰ্জন কৰে ছুমায়াই। আনহাতে, সোণাপুৰৰ অন্য এখন মেচত ওডিছাই ৩-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে চণ্ডিগড়ক। ইফালে, পল্টনবজাৰৰ ছাই নিউ ফিল্ডত হোৱা প্ৰথমখন মেচত দিল্লীয়ে ৩-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে তেলেংগনাক। আনহাতে, গ্ৰুপ 'চি'ৰ এই খেলপথাৰতে হোৱা দ্বিতীয়খন মেচত বিহাৰে ১৫-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে মেঘালয়ক। মেচৰ শ্ৰেষ্ঠ হয় চাৰিটাকৈ গ'ল কৰা লুকী কুমাৰী। উল্লেখ্য যে, ১৭ বছৰ অনূৰ্দ্ধৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল চেম্পিয়নশ্বিপখনত আয়োজক অসমকে ধৰি দেশৰ মুঠ ৩৪ টা দলে যোগদান কৰিছে। অংশকাৰী দলসমূহক আঠটা গ্ৰুপত ভাগ কৰা হৈছে। গ্ৰুপ 'এ' ত আছে মণিপুৰ, উত্তৰাখণ্ড, ঝাৰখণ্ড আৰু অন্ধ্ৰপ্ৰদেশ। গ্ৰুপ 'বি' ত স্থান লাভ কৰিছে মিজোৰাম, উত্তৰ প্ৰদেশ, চত্তিছগড় আৰু কৰ্ণাটক। গ্ৰুপ 'চি' ত আছে তেলেংগনা, বিহাৰ, মেঘালয়, দিল্লী আৰু মধ্য প্ৰদেশ। গ্ৰুপ 'ডি' ত আছে অৰুণাচল প্ৰদেশ , হিমাচল প্ৰদেশ, ছিকিম আৰু গোৱা । গ্ৰুপ 'ই' ত নগালেণ্ড, লাডাখ, পঞ্জাৱ আৰু কেৰালা । গ্ৰুপ 'এফ' ত আছে ত্ৰিপুৰা, উৰিষ্যা, মহাৰাষ্ট্ৰ, দাদৰা আৰু নগৰ হাভেলি। গ্ৰুপ 'জি' ৰ দলসমূহ হ'ল অসম, হাৰিয়ানা, পুডুচেৰী আৰু গুজৰাট । আনহাতে, গ্ৰুপ 'এইচ' ত স্থান লাভ কৰিছে জম্মু-কাশ্মীৰ, বংগ, তামিলনাডু আৰু ৰাজাস্থান। প্ৰতিটো গ্ৰুপৰ চেম্পিয়ন দলে নকআউট কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিব। গ্ৰুপ পৰ্যায়ৰ মেচসমূহৰ পাছত দুখন কোৱাৰ্টাৰ ফাইনেল সৰুসজাইত আৰু দুখন কোৱাৰ্টাৰ ফাইনেল সোনাপুৰত অনুষ্ঠিত হ'ব। আনহাতে দুয়োখন ছেমিফাইনেল আৰু ফাইনেল মেচ সৰুসজাইত হ'ব।




শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেন্সি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক'লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালততহে প্ৰযোজ্য হ'ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯
■ মুখ্য সম্পাদক ঃ ড° নৰেন হাজৰিকা
■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া
■ সম্পাদক ঃ শংকৰ গোহাঞি

# বিটিআৰৰ ১৮টা ৰাজহ চক্ৰৰ ৫১৪ গাঁও ক্ষতিগ্ৰস্ত

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ১৮ জুন ঃ** তামুলপুৰৰ সদৰত থকা তামুলপুৰ জিলা ইউপিপিএল দলৰ কাৰ্যালয়ত আজি দলটোৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদকগৰাকীয়ে এখন সংবাদ মেলৰ সম্বোধন কৰে। সংবাদ মেলত সাধাৰণ সম্পাদক গৰাকীয়ে বিটিআৰৰ শেহতীয়া বান পৰিস্থিতিৰ সম্পৰ্কত তেওঁ কয়— আজি তিনি-চাৰিদিন ধৰি বিটিআৰ অঞ্চলত বানৰ তাণ্ডৱ চলিছে। বিটিআৰৰ বিভিন্ন জিলাত প্ৰবল বৰষুণ আৰু ভুটানৰ পৰা বৈ অহা নদীৰ বাঢ়নি পানীয়ে সৃষ্টি কৰিছে এই বানৰ। ইউপিপি, বিজেপি, জিএছপি মিত্ৰজোটৰ কৰ্মকৰ্তা, অসম চৰকাৰৰ মন্ত্ৰী ইউজি ব্ৰহ্ম, বিটিআৰৰ প্ৰত্যেকজন বিধায়ক, ইএম, এমচিএলএসকলে বানপৰিস্থিতি সন্দৰ্ভত ৰাইজৰ হৈ কাম কৰি আছে। তেওঁ পুনৰ কয়, বিটিআৰৰ পাঁচখন জিলাৰ ১৮খন ৰাজহ চক্ৰৰ ৫১৪ গাঁৱৰ ২,১৭,৮২০গৰাকী লোক বানৰ কবলত পৰিছে। পাঁচখন জিলাত ৭৬টা সাহায্য শিবিৰ স্থাপন কৰি ২৯,৩৩১ জন লোকক আশ্ৰয় দিয়া হৈছে। বিটিআৰ চীফ প্ৰমোদ বড়োৱে আজি ওডালগুৰিত বান পৰিস্থিতি পৰিদৰ্শন কৰে। বিটিআৰ চৰকাৰৰ লগতে আমি বানৰ সৈতে কি দৰে মোকাবিলা কৰিব পাৰো তাৰেই হৈ কাম কৰি আছো। পাঁচখন জিলাৰ প্ৰতিটো মহকুমাত আমি দলে দলীয় কৰ্মীসকলক বানাক্ৰান্তৰ সহায় বাবে দায়িত্ব দিছো। আমি ইতিমধ্যেই এটা হেল্পলাইন খুলি দিছো (৬০০০৩৬৩২১৫) এই নম্বৰত কল কৰিলে আমি সহায় কৰিবলৈ আগ্ৰহী। সাধাৰণ সম্পাদক গৰাকীয়ে কয় যে বানাক্ৰান্ত সকলৰ কাৰণে বান সাহায্যৰ শিবিৰত উপযুক্ত সাহায্য দিয়া হৈছে। এইক্ষেত্ৰত বিটিআৰৰ প্ৰধানে আগতীয়াকৈ পৰিকল্পনা কৰিছিল যাৰ কাৰণে আমি ৰাইজৰ ওচৰত থিয় দিব পাৰিছো। আজি তামুলপুৰ গান্ধীবাৰীত কেবাটাও পৰিয়ালক সেনাৰ সহায়ত উদ্ধাৰ অভিযান চলাই বানাক্ৰান্তক উদ্ধাৰ কৰা হৈছে। আমি দলৰ তৰফৰ পৰা সেনাবাহিনীক ধন্যবাদ দিছো। বিটিআৰত এতিয়ালৈকে বেয়া ঘটনা হোৱা নাই যদিও বানত ক্ষতিগ্ৰস্ত হৈছে বহুলোক। কোকৰাঝাৰকে ধৰি কিছু অঞ্চলত বানপৰিস্থিতি উন্নত হৈছে। বানাক্ৰান্তক সকলো প্ৰকাৰৰ সহায়ৰ হাত আগবঢ়োৱাত বিটিআৰ চীফ প্ৰমোদ বড়ো আৰু মুখ্যমন্ত্ৰীক ধন্যবাদ জনাইছে ইউপিএল দলৰ সাধাৰণ সম্পাদক ৰাজু কুমাৰ নাৰ্জাৰীয়ে। আনহাতে, প্ৰতিগৰাকী দলীয় সতীৰ্থকো ৰাইজৰ ওচৰত থিয় দি সহায় সহযোগ কৰি আছে। যেতিয়ালৈকে বান উন্নত নহয় তেতিয়লৈ কাম কৰি থাকিব দলীয় কৰ্মীসকলে। আমি তেওঁলোককো ধন্যবাদ দিছো। ইপিনে ৰাইজে আমাক বিটিআৰৰ সেৱা কৰাৰ কাৰণে ভোট দান কৰিছে। সেয়ে আমিও সহযোগ কৰিবই লাগিব। হঠাৎ এটি এনে বিপৰ্যৰ পিছত অসম চৰকাৰৰ দুৰ্যোগ প্ৰশমন বিভাগে সুন্দৰ কাম কৰি আছে তাৰ কাৰণেও আমি দলৰ হৈ চৰকাৰী পক্ষৰ বিষয়া-কৰ্মচাৰীসকলক ধন্যবাদ জ্ঞাপন কৰিছো। আজিৰ সংবাদ মেলত উপস্থিত থাকে তামুলপুৰ জিলা ইউপিপিএল দলৰ সাধাৰণ সম্পাদক গণেশ নাথ. অন্যতম সম্পাদক জিতেন মুছাহাৰী সমন্বিতে দলীয় নেতা-কৰ্মীসকল।

# সভাপতিৰ বিপক্ষে ধৰ্ণা

**দৈনন্দিন বাৰ্তাৰ সেৱা, চিদলী, ১৮ জুন ঃ** বিটিআৰত নতুন চৰকাৰ গঠন হোৱাৰ দুবছৰৰ অন্তত নবনিৰ্বাচিত১৩ জনীয়া সদস্যৰে বাসুগাঁও পৌৰসভাৰ পৰিচালনা সমিতিয়ে বাসুগাওঁ পৌৰসভাৰ কাৰ্যবাহী বিষয়া তথা চিদলী চক্ৰ বিষয়া অমিত ৰঞ্জন বৰ্মনৰ উপস্থিতিত শপত গ্ৰহণ কৰে। ইয়াক কেন্দ্ৰ কৰি নব-নিৰ্বাচিত এই সমিতিৰ বিৰুদ্ধে সেৱাই সংগঠন নামৰ এটি সংস্থাই পুৱাৰে পৰা পৌৰসভাৰ প্ৰৱেশ দ্বাৰত অৱস্থান ধৰ্ণা কাৰ্যসূচীৰ যোগেদি তীব্ৰ বিৰোধিতা কৰে যদিও সন্থম প্ৰশাসনৰ উপস্থিতিত ধৰ্ণা কাৰ্যসূচী ত্যাগ কৰিবলৈ বাধ্য হয়। উল্লেখ্য, যোৱা দুবছৰ ধৰি বাসুগাঁও পৌৰসভাৰ পৰিচালনা সমিতি নথকাত স্থানীয় ৰাইজে সদায়েই বিভিন্ন কৰ্মৰাজীৰ ক্ষেত্ৰত হাৰাশাস্তি পাবলগীয়া হোৱাত ইয়াৰ পূৰ্বেও একাধিক বাৰ বিভিন্ন দল-সংগঠনে প্ৰতিবাদ সাব্যস্ত কৰে যদিও আজি অৱশেষত এই শপত গ্ৰহণ কাৰ্যসূচী সম্পূৰ্ণ হোৱাত স্থানীয় ৰাইজে এতিয়াৰে পৰা কিছু পৰিমাণে হ'লেও সকাহ পোৱা যাব বুলি মত প্ৰকাশ কৰে। উল্লেখ্য, দুবছৰ উকলি যোৱাৰ পিছতো বাসুগাঁও পৌৰসভাৰ পৰিচালনা সমিতি ইমান দিনে গঠন নোহোৱাত অঞ্চলটোৰ সকলোবোৰ গঠনমূলক কাম স্থগিত হৈ থকাত ৰাইজৰ মাজত বিভিন্ন প্ৰশ্নৰ উত্থাপন হৈ আহিছিল। উল্লেখ্য, সভাপতি হিচাপে বাসুগাঁও সুভাষ নগৰ নিবাসী সাধন ম'ল আৰু উপ সভাপতি হিচাপে মখম বসুমতাৰীৰ সৈতে এক নম্বৰ ওৱাৰ্ড পৰা ভাস্কৰ ম'ল আৰু দীপাংকৰ দে, ২ নম্বৰ ওৱাৰ্ডৰ পৰা সুৰজীৎ দে, ৰূপক দাস আৰু হিতেশ ৰায়, ৩ নম্বৰ ওৱাৰ্ডৰ পৰা অজয় বসুমতাৰী, উত্তম চৌধুৰী আৰু ৰীতা তালুকদাৰ আৰু ৪ নম্বৰ ওৱাৰ্ডৰ পৰা সঞ্জয় চন্দ, সোমা দাস আৰু বাবুল দেবনাথৰ সমন্বিতে বাসুগাঁৱৰ চাৰিটা ওৱাৰ্ডৰ ১১ জনীয়া ওৱাৰ্ড কমিছনাৰৰ সৈতে সৰ্বমুঠ ১৩ জনীয়া সদস্যৰে বাসুগাওঁ পৌৰসভাৰ পৰিচালনা সমিতিখন নৱগঠিত হয়। আজিৰ শপতগ্ৰহণ অনুষ্ঠানত পাৰিষদ প্ৰদীপ বায়নৰ উপৰিও একাধিক বিজেপি আৰু ইউপিপিএল দলৰ নেতৃবৰ্গ উপস্থিত থাকে।

## বানত শিশুৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ১৮ জুন ঃ** বৰপেটাৰ চেঙা সমষ্টিৰ কাছুমাৰা আৰক্ষী থানাৰ অন্তৰ্গত খোলাবান্ধাত আজি সংঘটিত হয় এক শোকাৱহ ঘটনা। প্ৰাপ্ত তথ্য মতে, উল্লেখিত গাঁৱত আজি বানত ডুবি এটি দুবছৰীয় শিশুৰ কৰুণ মৃত্যুত অঞ্চলটোত এক শোকাকুল পৰিবেশ সৃষ্টি হয়। খোলাবান্ধা গাঁৱৰ মহিদুল ইছলামৰ দুবছৰীয়া পুত্ৰ শ্বাহিল আহমেদে ঘৰৰ কাষতে খেলি থাকোতেই হঠাৎ বাঢ়নী পানীত পৰি মৃত্যু হয়। পৰিয়ালৰ লোকে ততাতৈয়াকৈ নগৰবেৰা খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰলৈ নিয়ে যদিও চিকিৎসকে শিশুটি মৃত বুলি ঘোষণা কৰে।

## মাৰ্ঘেৰিটাত ঘোচ দিবলৈ আহি হাতে-লোতে আটক ১

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাৰ্ঘেৰিটা, ১৮ জুন ঃ** তিনিচুকীয়া জিলাৰ অন্তৰ্গত মাৰ্ঘেৰিটা মহকুমাৰ মহকুমাধিপতিক ঘোচ দিবলৈ আহি হাতে-লোতে আটক হ'ল ডিগবৈ কংগ্ৰেছৰ দুজনকৈ নেতা। ডিগবৈ কংগ্ৰেছৰ নেতা বসন্ত প্ৰধান আৰু জনৈক বৰুৱা উপাধি এজন লোকক আৰক্ষীয়ে আটক কৰে। মাটিৰ-বাৰী সম্পৰ্কীয় কামত মাৰ্ঘেৰিটা মহকুমাৰ মহকুমাধিপতিক লগ কৰি চাহ খোৱাৰ নামত ৫০০০ টকা ধন দিব বিচাৰিছিল বসন্ত প্ৰধানে। বসন্ত প্ৰধানক সংগ দিছিল জনৈক বৰুৱা উপাধি ডিগবৈ কংগ্ৰেছৰ আন এজন নেতাই। মহকুমাধিপতিৰ পলাশ ৰাজকুমাৰ আহোমৰ এজেহাৰৰ ভিত্তিত মাৰ্ঘেৰিটা আৰক্ষীয়ে দুয়োকে আটক কৰে যদিও পৰৱৰ্তী সময়ত বৰুৱা উপাধিধাৰী লোক জনক এৰি দিয়ে দিয়ে। আনহাতে, বসন্ত প্ৰধানৰ বিৰুদ্ধে ১৬৮-২২ নম্বৰৰ এটি গোচৰ ৰুজু কৰা হৈছে। মাৰ্ঘেৰিটা মহকুমাধিপতি কাৰ্যলয়ত আহি মহকুমাধিপতিক ঘোচ দিবলৈ লৈ ডিগবৈ কংগ্ৰেছৰ নেতা হাতে-লোতে আটক হোৱা ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্য সৃষ্টি কৰিছে।


শুশ্ৰূষা Neuro Rehab
lets walk together...
A Physiotherapy clinic & Rehabilitation centre
An ISO : 9001:2015 Certified
Physiotherapy
Speech Therapy
Occupational Therapy
Nursing Care
www.husrukhaneurorehab.org
:Husrukha Neuro Rehab
84740-15727
Near Kali Mandir,S.K Baruah Road,H.no.:1, Rukminigaon,Guwahati

सत्यमेव जयते
Azadi Ka Amrit Mahotsav
অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু ডিব্ৰুগড় জিলা প্ৰশাসনৰ সহযোগত
কেন্দ্ৰীয় ভাৱে আয়োজিত

বিষ্ণুৰাভা দিৱস ২০২২
উপলক্ষে
বিষ্ণু ৰাভাৰ গীতৰ প্ৰতিযোগিতা
(ক) শাখা- পঞ্চম শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ
(খ) শাখা- নৱম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ
(গ) শাখা- স্নাতকৰ পৰা স্নাতকোত্তৰলৈ
বিজয়ী প্ৰতিযোগীক নগদ ধনেৰে পুৰস্কৃত কৰা হ'ব।
প্ৰতিযোগীসকলে ১৯ জুন, ২০২২ ৰ আবেলি ৪-০০ বজাৰ ভিতৰত জীৱন ফুকন নগৰ, ডিব্ৰুগড়-৩ স্থিত অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ অধীনস্থ ডিব্ৰুগড় সাংস্কৃতিক উন্নয়ন কেন্দ্ৰত বিদ্যালয়/ মহাবিদ্যালয়/ বিশ্ববিদ্যালয়ৰ প্ৰমাণ পত্ৰ সহ আবেদন কৰিব পাৰিব।
বাদ্যযন্ত্ৰীৰ ব্যৱস্থা বিভাগৰ তৰফৰ পৰা কৰা হ'ব।
যোগাযোগ নম্বৰ ঃ ৭০০২০৯৬৭০৫/৮৭৬১০৭০৩০৮/ ৭০০২২৩১০২১
২০ জুন, ২০২২
প্ৰতিযোগিতাৰ সময় ঃ পুৱা ১০-০০ বজাৰ পৰা দিনৰ ২-০০ বজালৈ
চৌকিডিঙ্গী খেলপথাৰ, অসম
Janasanyog/D/5858/22

International day of yoga 21st June
Yoga for Harmony & Peace
অসম চৰকাৰ
GOVERNMENT OF ASSAM
NATIONAL AYUSH MISSION ASSAM
Azadi Ka Amrit Mahotsav

८म আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস | ২১ জুন ২০২২

যোগ মূলতঃ এটা অতি সূক্ষ্ম বিজ্ঞানৰ ওপৰত আধাৰিত এক আধ্যাত্মিক অনুশাসন যিয়ে মন আৰু শৰীৰৰ মাজত সমন্বয় স্থাপন কৰে। ই হৈছে সুস্বাস্থ্যকৰ জীৱন যাপনৰ এক কলা আৰু বিজ্ঞান। যোগ হৈছে বিভিন্ন পদ্ধতিৰে গঠিত এক আত্মস্থ বিজ্ঞান, যাৰ জৰিয়তে মানুহে আত্ম-উপলব্ধি আহৰণ কৰিবলৈ শৰীৰ আৰু মনৰ মাজত এক যোগসূত্ৰ স্থাপন কৰিব পাৰে। যোগাভ্যাসৰ উদ্দেশ্য হৈছে সকলো ধৰণৰ দুখ-কষ্ট আঁতৰ কৰা, যাৰ ফলত জীৱনৰ প্ৰতিটো ক্ষেত্ৰত সুস্বাস্থ্য, সুখ আৰু সম্প্ৰীতিৰে এক সামগ্ৰিক উন্মুক্ত স্বতন্ত্ৰতা অনুভূত হয়।

বৃক্ষাসন (গছৰ আকৃতি)
বৃক্ষ মানে গছ। এই আসনত অন্তিম অৱস্থাত শৰীৰৰ স্থিতি গছৰ দৰে হয় বাবে এই নাম দিয়া হৈছে।

অভ্যাস বিধি
- ভৰি দুখন দুই ইঞ্চিৰ ব্যৱধানত ৰাখি থিয় হ'ব লাগে।
- দৃষ্টি সন্মুখৰ ফালে থাকিব।
- উশাহ এৰি সোঁ ভৰিখন বাওঁ ভৰিৰ ভিতৰফালে উৰুৰ ওপৰত স্থাপন কৰিব যাতে গোৰোহা অঞ্চল জননাংগ প্ৰদেশত লাগি থাকে।
- উশাহ লৈ হাতৰ তলুৱা দুখন লগ লগাই ওপৰলৈ নমস্কাৰ ভংগীত উঠাব লাগে।
- এনেদৰে সাধাৰণভাৱে উশাহ-নিশাহ লৈ ১০-৩০ ছেকেণ্ড থাকিব লাগে।
- লাহে লাহে উশাহ এৰি হাত, ভৰি তললৈ নমাব।
- পুনৰ বাওঁ ভৰিৰে কৰিব।

সাৱধানতা
এই অভ্যাস সন্ধিবাত, মূৰ-ঘূৰণি আৰু মেদবহুলতাৰ সমস্যা থকা ব্যক্তিয়ে কৰিব নালাগে।

উপকাৰিতা
- এই অভ্যাসে স্নায়ু, মাংসপেশীৰ সমতা বজাই ৰাখে আৰু দেহৰ সুস্থিৰতা আৰু সজাগতা আনে।

মানৱতাৰ বাবে যোগ

বৃক্ষাসন
Janasanyog/D/5846/22

২ দিন বাকী

পৃথিৱীৰ সৈতে সামঞ্জস্য ৰাখি এক বহনক্ষম জীৱনশৈলী আহৰণ কৰাৰ অনুশীলনৰ বাবে মানৱতাৰ সামূহিক অন্বেষণত যোগে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। এই দিশবোৰ সমূখত ৰাখিয়েই, অষ্টম আন্তৰ্জাতিক যোগ দিৱস উদযাপনৰ বিষয়বস্তু স্থিৰ কৰা হৈছে - "মানৱতাৰ বাবে যোগ।"

আয়ুষ সঞ্চালকালয়, অসম আৰু ৰাষ্ট্ৰীয় আয়ুষ অভিযান, অসম
বনফুল নগৰ পথ, দিছপুৰ, গুৱাহাটী- ০৬
ফোন নম্বৰ ঃ 0361-2230334, ই-মেইল ঃ namassam15@gmail.com